
# সূত্ৰধাৰ

১৬–৩১ আগষ্ট, ১৯৯২ ▫ সাত টকা




হেমেন দাসৰ কিউবা দৰ্শন

## ‘কিউবালৈ গৈছিলোঁ’

## প্ৰতিভাশালী মহিলাৰ সংখ্যা সীমিত কিয় ?

# সূত্ৰধাৰ


চতুৰ্থ বছৰ, পঞ্চদশ সংখ্যা
১৬-৩১ আগষ্ট, ১৯৯২
Vol. IV No. 15
16-31 August, 1992


## বিষয়-সূচী


প্ৰচ্ছদ নিবন্ধ
কিউবালৈ যাওঁতে ▫ হেমেন দাস ▫ ১০

বিশেষ নিবন্ধ
আমাৰ সমাজত প্ৰতিভাশালী মহিলাৰ সংখ্যা সীমিত কিয় ?
সূৰ্বণ ভূঞা ▫ ১৬

ৰাজনীতি
অধিক স্বায়ত্ব শাসনেই জনজাতি সমস্যা সমাধানৰ একমাত্ৰ পথ ▫ হিতেন মহন্ত ▫ ২৩

দৃষ্টিকোণ
শিয়ালৰ হোৰাই সিংহৰ গোজৰণি বন্ধ কৰিব পৰিবনে? ▫ অৰিন্দম শইকীয়া ▫ ২৮

দৃষ্টিকোণ
অসমৰ বৰ্তমান পৰিস্থিতিক উপলব্ধিৰ বাবে ▫ পুলিন বৰকটকী ▫ ২০

শিল্প-সংস্কৃতি
মানিক বাবু সত্যজিৎ ৰায় ▫ আবু নাছাৰ চাঈদ আহমদ ▫ ৩০

লীলা-খেলা
ডিবুৰুলৈ মৰমেৰে ▫ ডাঃ মুক্তি প্ৰসাদ গগৈ ▫ ৩৪

খাদ্য চৰ্চা
‘সাজপানী, শুকটি আৰু আমৰলি পৰুৱা ▫ ভৰত সন্দিকৈ
আমৰলি, কদোটোপ আৰু লেটা ▫ সত্যেন গগৈ ▫ ৩৮

সাক্ষাৎকাৰ
ডিব্ৰুগড় বিশ্ববিদ্যালয়লৈ কৃষ্ণপক্ষৰ পাছত এইবাৰ শুক্লপক্ষ আহিছে ▫ সাক্ষাত গ্ৰহণঃ শৰৎ চন্দ্ৰ নেওগ আৰু লক্ষীকান্ত মজিন্দাৰ বৰুৱা ▫ ৪১

আলোচনা
উইল ডুৰাণ্টৰ এশখন কিতাপ ▫ ৪২

বিশ্বসাহিত্য/গল্প
কবি ▫ হেৰমান হে'ছ। অনুবাদ ঃ তোষপ্ৰভা কলিতা ▫ ৪৭

অগল্প ▫ পদ্মপাণি ▫ ৪৯

বিজ্ঞান
পলায়ণ বেগ ▫ অনুৰূপ গোঁহাই বৰুৱা ▫ ৪৫

বিচিত্ৰা
অৰণ্যৰ ডায়েৰী ▫ ৰুলেশ্বৰ দাস ৫১

জীৱন-জিজ্ঞাসা
মানবেন্দ্ৰ নাথ ৰয় আৰু মানবতাবাদ ▫ হিৰণ্য কুমাৰ ভট্টাচাৰ্য ▫ ৫৪

মিতভাষ
নগেন শইকীয়া ▫ ৫৯

সম্পাদকৰ টোকাবহী ▫ ১৮
ধাৰাবাহিক উপন্যাস ▫ ২৬
দৃষ্টিপাত ▫ ৩৬
কবিতা ▫ ৪৪
চিনেমা ▫ ৬০
কাগজ কলম ▫ ৬২



সম্পাদক (অবৈতনিক)
হোমেন বৰগোহাঞি
সম্পাদনা সহকাৰী
মালবিকা পাঠক
কলা নিৰ্দেশক
চম্পক বৰবৰা
কাৰ্যাধ্যক্ষ
অনিল কুমাৰ গগৈ
অংগ সজ্জা
মোহন নাথ

পূৰবী প্ৰকাশন প্ৰাইভেট লিমিটেডৰ হৈ অনিল কুমাৰ গগৈৰ দ্বাৰা ইন্টাৰ্ণ প্ৰেছ এণ্ড পাব্লিকেশ্যনচ প্ৰাঃ লিঃ-ত মুদ্ৰিত আৰু মনজেৰা হাউচ, মতিলাল নেহৰু ৰোড, পানবজাৰ, গুৱাহাটী-১-ৰ পৰা প্ৰকাশিত ঃ ▫ ফোন ঃ ৪৪৮৫৪, ৩৩৬১৮

**Calcutta :-**
Mr. Gautam Sengupta.
7/1C Lindsay Street. (1st Floor)
Calcutta-700087
Ph. 449363, 448574

**Delhi :-**
Mr. Ranaji Sen.
B-51, Soami Nagar.
New Delhi-110017
Ph. 642, 8608


বেটুপাত ▫ চম্পক বৰবৰা

## জ্ঞানাৰ্জনৰ কাৰণে পঢ়িবলগীয়া এশখন কিতাপ

'সূত্ৰধাৰ'ত মাননীয় সম্পাদক মহোদয়ে উইল ডুৰাণ্টে প্ৰস্তুত কৰা পঢ়িবলগীয়া এশখন কিতাপৰ তালিকাখন প্ৰকাশ কৰা দেখি হিচাপ কৰি চাবৰ মন গ'ল মইনো তাৰ কিমান কিতাপ পঢ়িছো। এফালৰ পৰা টিক্ চিহ্ন দি গ'লো। শেষত হিচাপ কৰি দেখিলো এসত্তৰখন হ'ল। এশৰ ভিতৰত এসত্তৰ বৰ বেয়া নম্বৰ যেন নেলাগিল। আৰু ভাবি চাই দেখিছো তালিকাখনৰ বাকী উনত্ৰিশখনৰ কেইখনমান কিতাপ মোৰ পঢ়াৰো তেনেকৈ কোনো তীব্ৰ আগ্ৰহ নাই।

সম্পাদক মহোদয়ে এটা সঠিক কথা কৈছে যে এই তালিকাখনত প্ৰাচ্যৰ মহান সভ্যতা সংস্কৃতিয়ে সৃষ্টি কৰা মহৎ গ্ৰন্থবোৰৰ কোনো উল্লেখ নাই। একেটা কথা উইল ডুৰাণ্টৰ The Story of Philosophy নামৰ গ্ৰন্থখনৰ ক্ষেত্ৰতো খাটে। যদিও এইখন এখন অবিস্মৰণীয় গ্ৰন্থ, তাতো কিন্তু প্ৰাচ্যৰ কোনো এটা দৰ্শনৰে আলোচনা নাই। অৱশ্যে উইল ডুৰাণ্টে নিজেও এই ক্ৰটি অনুভৱ নকৰাকৈ থকা নাছিল। প্ৰাচ্যৰ কোনো এটা দৰ্শনকে গ্ৰন্থখনত স্থান নিদিয়াটো যে ভাল কথা নহ'ল সেইটো গ্ৰন্থখনৰ দ্বিতীয় সংস্কৰণৰ ভূমিকাত নিজেও স্বীকাৰ কৰিছে। অনুৰূপ, মাৰ্ক্সীয় দৰ্শনৰ প্ৰতিও ডুৰাণ্টৰ অনীহা বেছ চকুত পৰা। বাৰ্ট্ৰেণ্ড ৰাছেলো মাৰ্ক্সভক্ত নাছিল, তথাপি সমালোচনামূলক দৃষ্টিভঙ্গীৰে হলেও ৰাছেলে তেওঁৰ The History of Western Philosophyত মাৰ্ক্সবাদৰ ওপৰত অধ্যায় এটা লিখিবলৈ পাহৰা নাছিল।

উইল ডুৰাণ্টৰ এশখন কিতাপৰ তালিকাখনত যিটো কথা মোৰ তেনেই আখজা লাগিছে সেইটো হ'ল গ্ৰীক ইতিহাস, চিন্তা আৰু সাহিত্যৰ প্ৰতি তেওঁৰ অত্যধিক গুৰুত্ব আৰু অৰ্থনীতিৰ প্ৰতি নিস্পৃহ উদাসীনতা। আদাম স্মিথৰ Wealth of Nationsৰ বাহিৰে দ্বিতীয় এখন অৰ্থনীতিৰ কিতাপ তেওঁৰ তালিকাত নাই। তাৰ বিপৰীতে গ্ৰীক ইতিহাস আৰু সাহিত্য সম্পৰ্কীয় গ্ৰন্থ কিন্তু তেৰখনমান আছে। মই হোৱা হলে তাৰে ৫খনমান কাটিলোহেঁতেন। তাৰ ঠাইত কি অন্তৰ্ভুক্ত কৰিলোহেঁতেন সেইটো কম, কিন্তু তাৰ আগতে উইল ডুৰাণ্টৰ সাহিত্য বিচাৰো যে মোৰ বিশেষ মনঃপূত নহ'ল সেই সম্পৰ্কে দুটামান কথা কোৱা দৰকাৰ।

মলিয়েঁৰ যে এজন মহান নাট্যকাৰ এই সম্পৰ্কে কোনো সন্দেহ নাই কিন্তু তেওঁ ৰেচিনতকৈ ডাঙৰ নাট্যকাৰ নহয় — যেনেকৈ শ্বেক্সপীয়েৰতকৈ বাৰ্নাৰ্ড শ্ব ডাঙৰ নাট্যকাৰ নহয়। ৰেচিনক বাদ দি মলিয়েঁৰক কিয় তালিকাখনত অন্তৰ্ভুক্ত কৰিব লাগে মই বুজি নেপালো। মই এইটোও বুজি নেপালো কবি Wordsworthক বাদ দি মানুহৰ জ্ঞান পিপাসা তৃপ্ত হ'ব পাৰে কেনেকৈ। নাট্যকাৰ হেনৰিক ইবচেনৰ Peer Gynl নিশ্চয় এখন ভাল নাটক কিন্তু এইখন ইবচেনৰে Hedda Gabler অথবা The master builderত কৈও ভাল নে? খুদুৰনি থাকি যায়। ডুৰাণ্টে ডেভিদ হিউমৰ Treatise on Human Nature খন তালিকাত অন্তৰ্ভুক্ত কৰিছে; কিন্তু এই কিতাপখন কিমান অসংলগ্ন আৰু জটিল পাঠক মাত্ৰেই জানে। তাতকৈ বৰং হিউমৰ Enquiries খনেই সঠিক নিৰ্বাচন হ'লহেঁতেন, কাৰণ তাত Human Natureৰ মূল কথাখিনি আমাৰ নিচিনা সাধাৰণ পাঠকৰ বোধগম্য স্বৰত আছে।

গ্ৰীক ইতিহাস আৰু সাহিত্যৰ পাঁচখন কিতাপ বাদ দি যি পাঁচখন নতুনকৈ উইল ডুৰাণ্টৰ তালিকাত অন্তৰ্ভুক্ত কৰিবলৈ মই ভাল পালোহেঁতেন সেই কেইখন এনে ধৰণৰ (১) হেগেলৰ The Phenomenology of Spirit (২) কাৰ্ল মাৰ্ক্সৰ Economic and Philosophycal Manuscript (৩) জন ষ্টুৱাৰ্ট মিলৰ On liberty (৪) Poems of Wordsworth আৰু (৫) মেক্সিম গৰ্কীৰ Foma Gordeyav। এশখনৰ লক্ষণৰেখা অতিক্ৰম কৰাৰতো উপায় নাই — তথাপি আনৰ কাৰণে নহলেও মোৰ নিজৰ কাৰণে এশ একনম্বৰত ৰাখিব খোজো জাঁ পল চাৰ্টৰৰ Being and Nothingness.

**সঞ্জীৱ কলিতা**
বৰুৱাবামুণ গাওঁ

(২)

আপোনাৰ লেখাত উইল ডুৰাণ্টৰ প্ৰাসঙ্গিক বক্তব্য অ'ত ত'ত পঢ়াৰ কথা মনত আছে। ১-১৫ জুলাই সংখ্যাত আপুনি জ্ঞানাৰ্জনৰ কাৰণে এশখন কিতাপৰ তালিকা (ডুৰাণ্টৰ মতে) প্ৰকাশ কৰি আমাক কৃতাৰ্থ কৰিছে। এই সকলোবোৰ কিতাপ পঢ়াৰ যোগ্যতা আমাৰ দৰে হোজা পাঠকৰ নাই বুলিলেও হয়। তালিকাখন চাই দেখিলো যে মই মাত্ৰ তাৰ ২৫খন মান কিতাপহে পঢ়িছো। তাকো সৰহ সংখ্যক নাটক, কবিতা আৰু উপন্যাসহে। (প্ৰসঙ্গক্ৰমে ক'ব খুজিছো, টুৰ্গেনিভৰ কিতাপখন Fathers and Sons হে হ'ব লাগিছিল নেকি! Fathers and Children আছে যদিও মই নামেই শুনা নাই।) এই ২৫ খনমান কিতাপৰ বাহিৰে বাকী কিছুমানৰ নামহে শুনিছো।

এতিয়া অন্য এটা প্ৰসঙ্গলৈ আহো। আজি কেইমাহমানৰ আগতে মোৰ এজন লেখক বন্ধুৰ পৰা যোৱা দুটা দশকত প্ৰকাশিত অসমীয়া সাহিত্যৰ কি কি কিতাপ পঢ়া উচিত বা অপৰিহাৰ্য তাৰ এখন তালিকা বিচাৰিছিলো। বন্ধু নিৰুত্তৰ। এতিয়া আপুনি অসমীয়া সাহিত্যৰ অন্ততঃ ৫০ খন কিতাপৰ তালিকা এখন দিয়কচোন, যি কেইখন প্ৰতিজন সচেতন পাঠকে জ্ঞানাৰ্জনৰ বাবে পঢ়াটো অপৰিহাৰ্য। বিষয়টোৰ জটিলতা অনুভৱ কৰিব পাৰিছো; কিন্তু এনে এখন তালিকাই আমাৰ দৰে অজস্ৰ সাধাৰণ পাঠকৰ অশেষ উপকাৰ কৰিব। এই ক্ষেত্ৰত আপুনি অনেকৰ অপ্ৰিয় হোৱাৰ সম্ভাৱনাই অধিক। তথাপি আমাৰ দৰে হোজা পাঠকৰ মুখলৈ চায়েই কামটো হাতত ল'ব বুলি আশা কৰিব নোৱাৰোনে?

**দেবেন বৰগোহাঞি**
নকছাৰি, যোৰহাট

(৩)

সূত্ৰধাৰৰ আনবোৰ সংখ্যাৰ দৰে ১৬-৩১ জুলাইৰ সংখ্যাও পঢ়িলো। আলোচনীখনৰ সম্পাদকীয় কলমটো মোৰ বাবে বিশেষ আকৰ্ষণ। বিশেষকৈ যোৱা সংখ্যাৰ (১-১৫ জুলাই সূত্ৰধাৰ) সম্পাদকৰ টোকাবহীত জ্ঞানাৰ্জনৰ বাবে দিয়া 'উইল ডুৰাণ্টৰ' এশখন কালজয়ী গ্ৰন্থৰ তালিকা আৰু এই সংখ্যাত সম্পাদকৰ ইয়াৰ ওপৰত নিজস্ব বক্তব্য পঢ়ি প্ৰভূত পৰিমাণে উপকৃত হ'লো। কোৱা বাহুল্য যে আমাৰ দৰে ঘটিৰাম-বাটিৰাম পাঠকে কেৱল এই সম্পাদকীয় দুটা পঢ়ি বিৰাট লাভবান হলো।

তদুপৰি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ কেইগৰাকীমান কৃতী শিক্ষকে অনুবাদৰ দৰে মহৎ কাম এটা হাতত লোৱা শুনি খুউব আনন্দিত হ'লো। তেখেত সকললৈ আমাৰ তৰফৰ পৰা আন্তৰিক শুভেচ্ছা থাকিল। বৰগোহাঞিদেৱ এনেবোৰ সুখবৰ আগতীয়াকৈ নগৰ-গাওঁৰ চুক-কোণলৈকে পৌছাই দিয়াৰ বাবে ধন্যবাদৰ পাত্ৰ।

কিন্তু ১৬-৩১ জুলাই সংখ্যাৰ সম্পাদকীয়ৰ শেহৰ খবৰটো পঢ়ি মূৰটো খজুৱাই গ'ল। আমাৰ ছাত্ৰ-ছাত্ৰীয়েহে ইংৰাজীত দুৰ্বল এনে নহয়; এচাম শিক্ষকো! আনকি ইংৰাজী শিকোৱা শিক্ষকো! বিশ্ববিদ্যালয়ৰ শিক্ষকে ক'লে 'Meet me behind the class' কলেজৰ এজন বুৰঞ্জীৰ প্ৰবক্তাই ঔৰংজেৱৰ সম্পৰ্কে লেকচাৰ দিয়াৰ অন্তত কলে — 'Sivaji will discuss tomorrow!' শিক্ষকজনে দেখোন মৃত শিৱাজীক জীয়াব খুজিছে।

**মঃ আব্দুল মান্নান আহমেদ**
স্নাতকোত্তৰ শিক্ষক, ইংৰাজী
বোকাখাত উ. মা. বিদ্যালয়
বোকাখাত।

## 'Meet me behind the class'

যোৱা ১৬-৩১ জুলাই সংখ্যাৰ 'সূত্ৰধাৰ' (১১ পৃষ্ঠা)ৰ 'সম্পাদকৰ টোকাবহী' শিতানত সম্পাদকে লেখা 'Meet me behind the class শীৰ্ষক লেখাই আমাৰ দৰে পাঠকক চিন্তিত কৰি তুলিছে। বৰ্তমান আমাৰ ৰাজ্যত বিশ্ববিদ্যালয়ৰ পৰা আৰম্ভ কৰি প্ৰাথমিক বিদ্যালয়লৈকে সকলো শিক্ষানুষ্ঠানতে শিক্ষাৰ নামত চলিছে বাধাহীন ব্যভিচাৰ। নিবনুৱা সমস্যা সমাধানৰ নামত অযোগ্য কিছুমান নিবনুৱা নামধাৰী যুৱকক গতাই দিয়া হৈছে দেশৰ ভৱিষ্যত নাগৰিকসকলৰ শিক্ষাৰ দায়িত্ব, যাৰ বাবে আজি আমাৰ ছাত্ৰ-ছাত্ৰী সকল আগবাঢ়িছে ধ্বংসৰ অতল গহ্বৰলৈ। আজি আমাৰ অঞ্চলৰে শিক্ষকে দোকানৰ পৰা 'টুহিনা' (প্ৰসাধন সামগ্ৰী)ৰ বটল চুৰ কৰি ধৰা পৰা, ছোৱালীক পলুৱাই আনিব গৈ বান্ধ খোৱা, নিশাৰ অন্ধকাৰত ছোৱালীক অশালীন ব্যৱহাৰ কৰা আদি বিভিন্ন অপকৰ্ম কৰিও মাহৰ শেষত আনন্দ মনে দৰমহা কেইটা লৈ আছে। এনেকুৱা শিক্ষকো লগ পালো যিয়ে নিজৰ জীয়েক-পুতেকক ভাল ল'ৰাৰ লগত পৰীক্ষাত বহাৰ সুবিধা কৰি দিবলৈ পৰীক্ষাৰ লগত জড়িত শিক্ষকৰ ঘৰত ঘন্টাৰ পিছত ঘন্টা 'বোম্দাপৰ' দি থাকে। শ্ৰেণীত ছাত্ৰ-ছাত্ৰীক 'কুইজ' মানে ৰচি-টনা খেল বুলি কোৱা শিক্ষকেও আমাক পঢ়ুৱালে। মুঠতে আমাৰ ৰাজ্যত এনেধৰণৰ গুণৰ বাবে ৰাষ্ট্ৰীয় বঁটা পাবলগীয়া শিক্ষক বহুতো আছে। অৱশ্যে প্ৰকৃত শিক্ষকৰ সংখ্যাও কম নহয়। ওপৰোক্ত শিৰোনামাৰ 'সম্পাদকৰ টোকাবহী' পঢ়ি এটা নতুন ঘটনা লিখিবলৈ বাধ্য হলো। ঘটনাটো যোৱা ২৭ জুনৰ আবেলি। সেইদিনা স্থানীয় সাংসদ গৰাকীয়ে দুনীত এখন ৰাজহুৱা সভা কৰে। এই সভাৰ পৰা কিছু দূৰৈত থকা এগৰাকী উচ্চ পৰ্যায়ৰ শিক্ষকে এই লেখকক ক'লে — "ৰাষ্ট্ৰপতিৰ নিৰ্বাচন আহিল নহয়, সেয়েহে আমাৰ এম পি-য়ে গাঁৱে ভূঞে ভোট বিচাৰি আহিল।" এই কথাখিনি শুনি মোৰ লগত থকা দুজনমানৰ লগতে ময়ো তলমূৰ কৰিলো। এতিয়া সম্পাদক মহোদয়ৰ লগতে পাঠক সকলে ভাবি চাওক আমাৰ শিক্ষাৰ ভৱিষ্যত কোন ফালে?

'Meet me behind the class' বুলি কোৱা অধ্যাপক গৰাকী বা ওপৰত উল্লিখিত শিক্ষক গৰাকীক কোনে শুদ্ধ পথ দিব? সেয়েহে আমি ভাবো প্ৰতি দুবছৰ বা এবছৰ মূৰত শিক্ষক সকলৰ পৰীক্ষা লোৱা হওক আৰু ইয়াৰ ভিত্তিতেই তেওঁলোকৰ বছৰেকীয়া দৰমহাৰ বৃদ্ধি হওক।

**দীপক কুমাৰ শৰ্মা**
দুনী

## সম্পাদকীয় সম্বন্ধে

১৬-৩০ জুন '৯২ সংখ্যা সূত্ৰধাৰৰ সম্পাদকীয়ত অভিযোগ কৰি কোৱা হৈছে যে চহৰীয়া অসমীয়া মধ্যবিত্ত শ্ৰেণীৰ এটা বুজন অংশই বিপ্লৱ আৰু আন্দোলনৰ নামত জুই জ্বলাই দিয়ে আৰু পুৰি মৰে গাঁৱলীয়া হোজা মানুহখিনি।

পৰেশ বৰুৱা, গোলাপ বৰুৱা আৰু চক্ৰ গোহাঁই — আলফাৰ তিনি জন স্বীকৃত নেতা। তেওঁলোক যদি উচ্চবিত্ত বা নিম্নবিত্ত শ্ৰেণীত পৰে, তেতিয়াহলে তেওঁলোক মধ্যবিত্ত শ্ৰেণীতো নপৰে, চহৰীয়া শ্ৰেণীতো নপৰে, কাৰণ তিনিওৰে ঘৰ জেৰাই গাঁৱত। তিনিও গাওঁবাসী। হ'ব পাৰে Remote Centre চহৰত।

মই অন্য এটা কথাহে কবলৈ ওলাইছো। যোৱা পঞ্চাশ দশকত অসমৰ কোনো কোনো ঠাইত ৰাজনৈতিক হত্যা আৰু লুণ্ঠন সংঘটিত হৈছিল। লুণ্ঠিত ধনৰ অপব্যৱহাৰ হৈছিল, ভাগ-বাটোৱাৰা লৈ কাজিয়া হৈছিল, আত্মসাতো হৈছিল। আত্মসাৎ কৰি আত্মহত্যা কৰাৰ উদাহৰণো আছে।

পুলিচ অভিযান হৈছিল। অসম পুলিচেই অভিযান চলাইছিল। ৰাজনৈতিক হকা-বাধা নাছিল। হত্যা-লুণ্ঠন অপৰাধীক ৰাজনৈতিক প্ৰলেপেৰে নিৰাপৰাধী ভাৱৰীয়া সজোৱা নাছিল। দল নিৰ্বিশেষে সকলোৱে গৰিহণা দিছিল। তাত ৰাজনৈতিক লাভালাভৰ প্ৰশ্ন নাছিল। অভিযান সফল হৈছিল।

গ্ৰেপ্তাৰ হোৱা সাধাৰণ কৰ্মী সকলক এটা প্ৰশ্ন কৰা হৈছিল — কিয় তেওঁলোকে বিপ্লৱত যোগ দিছে। এক বাক্যে সকলোৱে কৈছিল — "আমাৰ 'মনৰ মতন' চৰকাৰ হলে, আমি হাল কোৰ বাই হাড়ক মাটি তেজক পানী কৰি জীৱন পাত কৰিব নেলাগিব।" নেতা — চহৰীয়াই হওক বা গাঁৱলীয়াই হওক সাধাৰণ মানুহক আকৰ্ষণ কৰিবলৈ এনে ৰঙীন ছবি দাঙি ধৰা হয়। এইটো এটা কৌশল। কংগ্ৰেছ আন্দোলনত নেতা সকলে ৰাজহুৱা মিটিংবোৰত বৃটিছক খেদি পঠাবলৈ আহ্বান কৰিছিল। সৰ্বসাধাৰণে এনেকুৱা ৰঙীন ছবিৰে কল্পনা কৰিছিল। কেতিয়াও কোনেও কোৱা নাছিল যে স্বাধীন হলে বেছি দায়িত্ব আহিব আৰু বেছি পৰিশ্ৰম কৰিব লাগিব। ফল — মোহভংগ।

অতি দুৰ্ভাগ্যৰ কথা ভাৰতত জাতীয় চৰিত্ৰ নৌ ঠন ধৰোতেই জাতিৰ পিতা মহাত্মা গান্ধীক হত্যা কৰা হ'ল। নাগৰিকৰ নাগৰিকত্বৰ মানসিক প্ৰস্তুতি অসম্পূৰ্ণ হৈ ৰ'ল। ভাৰতত তেনে প্ৰভাৱশালী নেতাৰ অভাৱ হ'ল। নতুন পুৰুষক সু-নাগৰিক কৰি গঢ়িব লাগিব। সেইটো গুৰু দায়িত্ব এতিয়া শিক্ষাবিদ আৰু শিক্ষকৰ। অন্যথা সমাজৰ হোজা মানুহখিনি অপ-প্ৰচাৰৰ বলি আৰু স্বাৰ্থান্বেষীৰ দ্বাৰা প্ৰতাৰিত হৈয়েই থাকিব।

**ঘনকান্ত লস্কৰ**
নিউ গুৱাহাটী

## প্ৰসংগ : প্ৰতিভাৰ স্বাকৃতি

(১)

সূত্ৰধাৰৰ (১-১৫ জুলাই, ৯২) শিক্ষা শিতানত 'ৰাতুল ভৰালীয়ে তেওঁৰ প্ৰতিভাৰ স্বীকৃতি পাবনে?' শীৰ্ষক পদ্ম পাটৰৰ প্ৰবন্ধটি পঢ়ি প্ৰবন্ধটোত থকা কিছু তথ্যভিত্তিক ভুলৰ উল্লেখ কৰাটো উচিত হ'ব বুলি ভাবিছো।

(১) প্ৰবন্ধটো বোধকৰো ৰাতুল ভৰালীৰ ব্যাখ্যাৰ ভিত্তিত (কলিকতাৰ অসম ভৱনত) অনুসন্ধান নকৰাকৈ শ্ৰী পাটৰে যুগুত কৰিছে। সেয়েহে অসম অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ অধ্যক্ষ অপৰ্ণা পদ্মপতি আৰু চিভিল ইঞ্জিনিয়াৰিং বিভাগৰ অধ্যাপক মদন মোহন দাসৰ নামটোও শুদ্ধকৈ প্ৰবন্ধ লেখকে উপস্থাপন কৰিব পৰা নাই।

(২) ডেপুটেচনত (Irrigation বিভাগৰ পৰা) শিক্ষাবিভাগলৈ অহা এজন শিক্ষকক (নিৰ্দিষ্ট সময়ৰ বাবে) Q.I.P.ত উচ্চ শিক্ষাৰ বাবে পঠোৱাৰ নিয়ম নাই; সেয়েহে অধ্যক্ষৰ এই ক্ষেত্ৰত বাধা নিষেধ যুক্তি সংগত আছিল। যোৱা তিনি বছৰে চৰকাৰে এই কাৰ্যসূচীত দুয়োখন মহাবিদ্যালয়ৰ কেইবাজনো প্ৰতিভাবান শিক্ষকক উচ্চশিক্ষাৰ পৰা বঞ্চিত কৰিছে, যিটো কিন্তু ভাৰত চৰকাৰৰ অনুমোদিত Q.I.P Schemeৰ ক্ষেত্ৰত যুক্তিসংগত নাছিল।

(৩) আমি জনাত ৰাতুল ভৰালীৰ আবেদন মৰ্মে ডঃ কাঞ্চন চৌধুৰীয়ে (আই আই টি; খড়গপুৰ) ৰিচাৰ্চ এচিষ্টেন্টৰূপে ভৰালীক নিৰ্বাচন কৰে। এনে নিয়োগৰ ক্ষেত্ৰতো চৰকাৰে স্পনচ'ৰ কৰাৰ নজীৰ নাই (শিক্ষকৰ ক্ষেত্ৰত)। এই প্ৰসংগত প্ৰবন্ধত উল্লেখ কৰা 'অধ্যক্ষ শ্ৰী পদ্মপাণিয়ে (?) চৰকাৰক বিভাগীয়ভাবে স্পনচ'ৰ কৰিবলৈ পৰামৰ্শ আগবঢ়ায়।' আৰু লিখিছে, '.........যিহেতু আবেদনখন অধ্যক্ষৰ যোগেদি নকৰি শ্ৰীভৰালীয়ে পোনপটীয়াভাবে শিক্ষা বিভাগৰ আয়ুক্তলৈ কৰিলে তাতেই জগৰ ধৰি, নীতি বিৰুদ্ধ কাম কৰা বুলি কৈ ভৰালীলৈ আবেদনখনকে ঘূৰাই পঠায়।' আবেদন যদি অধ্যক্ষৰ যোগেদি কৰাই নাছিল, অধ্যক্ষই ভৰালীক স্পনচ'ৰ কৰিবলৈ পৰামৰ্শ কেনেকৈ আগবঢ়ালে? এনে স্ববিৰোধে প্ৰবন্ধটিৰ বিশ্বাসযোগ্যতা হ্ৰাস কৰিছে।

(৪) এ আই টি-ত (Asian Institute of Technology) অসমৰ ছাত্ৰ সম্পৰ্কীয় প্ৰবন্ধটিৰ তথ্য শুদ্ধ নহয়। ধাৰণা হয় ৰাতুল ভৰালীয়ে শ্ৰীপাটৰক অশুদ্ধ তথ্যৰে বিভ্ৰান্ত কৰিছে। এ আই

টি-ত অসমৰ বহু ছাত্ৰই শিক্ষা লাভ কৰিছে। অৱশ্যে Industrial Engineering Management বিভাগত আমাৰ মহাবিদ্যালয়ৰ ডঃ মাধৱ বৰাই অন্য দুজনৰ লগতে প্ৰথম বেটচ্‌ৰ ছাত্ৰ আছিল বুলি দাবী কৰিব পাৰে, কিন্তু ৰাতুল ভৰালীয়ে তৃতীয়জন ছাত্ৰ বুলি দাবী কৰিব নোৱাৰে। এই তথ্য যদি ৰাতুল ভৰালীয়ে শ্ৰীপাটৰক যোগান ধৰিছে, তেন্তে ৰাতুল ভৰালীয়ে শ্ৰীপাটৰক যোগান ধৰা অন্য তথ্যৰ বিশ্বাসযোগ্যতা স্বাভাৱিক কাৰণতেই হ্ৰাস পাব। ডঃ বৰা এই অতিৰঞ্জনত নিশ্চয় সুখী নহ'ব।

ৰাতুল ভৰালী আমাৰ ছাত্ৰ আছিল। বহু প্ৰতিভাবান ছাত্ৰক আমাৰ শিক্ষকতা জীৱনত আমি লগ পাইছো। ৰাতুল ভৰালীৰ বেটচ্‌ৰ (Batch) সকলো বিভাগৰ ভিতৰত (All branch first) প্ৰথম হোৱা ছাত্ৰজন আছিল – শ্ৰীভাস্কৰ হাজৰিকা। তেওঁ প্ৰাক অভিযান্ত্ৰিক পৰীক্ষাসমূহত পজিচন পাইছিল। তেনেদৰে মনত পৰে হাইস্কুল শিক্ষান্ত পৰীক্ষাত প্ৰথম হোৱা বিনয় মোহন শইকীয়ালৈ, প্ৰাক বিশ্ববিদ্যালয়ত ষ্টেণ্ড কৰা সত্যজিত ভূঞালৈ। কলেজৰ চাকৰিত APSCএ তেওঁলোকক অৱজ্ঞা কৰিছিল।

অসমৰ প্ৰতিজন প্ৰতিভাবান ছাত্ৰৰ প্ৰতিভা স্বীকৃত হওক; তেহে অসমৰ উন্নতি হ'ব।

**পৰিমল বকুল বৰুৱা**
অধ্যাপক
যোৰহাট ইঞ্জিনিয়াৰিং কলেজ

(২)

সূত্ৰধাৰৰ ১-১৫ জুলাই সংখ্যাত শ্ৰীপদ্ম পাটৰে লেখা 'ৰাতুল ভৰালীৰ প্ৰতিভা..........' শীৰ্ষক কথাখিনিত ভালেমান ভুল তথ্য সন্নিবিষ্ট হৈছে। এনে এটি ৰচনাত মোৰ নামটো ভুলকৈ জড়িত কৰাত মই লাজ পাইছো। বেংককত থকা Asian Institute of Technology (AIT)ত Industrial Engineering & Management বিষয়ত স্নাতকোত্তৰ শিক্ষা লাভৰ কাৰণে ১৯৭১ চনত পোন প্ৰথমবাৰৰ বাবে মোৰ লগতে অসমৰ আৰু দুজন অভিযন্তা গৈছিল। তাৰ পিছতো এই বিষয়ত স্নাতকোত্তৰ শিক্ষা লবলৈ অসমৰ পৰা অভিযন্তা গৈছে। গতিকে এই ক্ষেত্ৰত মই প্ৰথম বা ৰাতুল ভৰালী তৃতীয় বুলি কোৱাৰ থল নাই। AITত পঢ়িবলৈ যোৱা প্ৰতিজন ছাত্ৰকে বেংকক বিমান বন্দৰৰ পৰা আগবঢ়াই নিবলৈ তাৰ ছাত্ৰ একতা সভাৰ প্ৰতিনিধি আহে – কৰ্তৃপক্ষ নাহে।

গোটেইখিনি ভুল তথ্যৰ বিষয়ে লেখাৰ ইচ্ছা মোৰ নাই। শ্ৰীযুত পাটৰে অসম অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ অধ্যক্ষ শ্ৰীযুত অপৰ্ণা কুমাৰ পদ্ম পতিক (পদ্মপাণি নহয়) আৰু অধ্যাপক মদন মোহন দাসক (শৰ্মা নহয়) লগ ধৰা হলে ভালেখিনি ভুল তথ্য বাদ পৰিলহেঁতেন বোধহয়।

**এম চি বৰা**
অধ্যাপক
যোৰহাট ইঞ্জিনিয়াৰিং কলেজ

## "ধানটোৱে প্ৰতি কণটো মানুহটোৱে প্ৰতি মনটো।"

যোৱা ইং ১৬-৩১ জুলাই '৯২ৰ সূত্ৰধাৰত চিঠিৰ শিতানটিত ঢকুৱাখনাৰ পৰা শ্ৰীযুত চন্দ্ৰধৰ চমুৱাদেৱে "চুম্বনে নাসিকা ছিন্ন" বুলি 'ঢকুৱাখনা' প্ৰসঙ্গ নবীনৰ ৬ষ্ঠ বাৰ্ষিক অধিবেশন নামৰ লেখাটিৰ ওপৰত সমালোচনা কৰা আমাৰ দৃষ্টিগোচৰ হৈছে।

আমাৰ লেখাটিৰ ওপৰত চমুৱাদেৱৰ বিৰূপ মন্তব্যত আমি আচৰিত হৈছো। কাৰণ তেখেতে পাকে প্ৰকাৰে আমি ঢকুৱাখনাৰ সকলো মানুহেই মদ খায় বুলি সৰুকালতে সাধু কথা শুনাদি শুনা কথাষাৰৰ ওপৰতে জোৰ দি জনমানসত আমাক হেয় প্ৰতিপন্ন কৰাৰ চেষ্টা চলাইছে। তেখেতৰ 'চুম্বনে নাসিকা ছিন্ন' মনোভাবৰ উত্তৰত আমি কওঁ – ঢকুৱাখনাৰ ৰাইজক প্ৰশংসা কৰি বা হেয় জ্ঞান কৰি আমাৰ কোনো লাভ নহয়। তেখেতে আনকি আমাৰ মনৰ গৰাকী হৈয়ো উল্লেখ কৰিছে যে 'লেখিকাই হয়তো ক'ব যে তেনে মানসিকতাৰে প্ৰবন্ধটো লেখা হোৱা নাই।' আকৌ লেখিছে 'লেখিকাৰ মনত যিয়েই নেথাকক লাগে, বাস্তৱিকতে পূৰ্বতে ঠাই খনৰ সম্পৰ্কত সাধুকথাই দিয়া সেই সাঁচটোৱেই অক্ষত হৈ থকাটো প্ৰবন্ধটোত প্ৰকাশ পাইছে।' – এইখিনিৰ পাছত হয়তো তেখেতৰ আক্ৰোশমূলক দৃঢ়তাৰ ভাব পাঠক সকলক বেলেগে দোহাৰিব নেলাগে। কিন্তু আমি স্পষ্টকৈ ক'ব বিচাৰিছো যে সেই ধাৰণা যদি আমাৰ মনত অক্ষত অৱস্থাত থাকিলহেঁতেন; তেন্তে ঢকুৱাখনালৈ আমাৰ আগমন মাত্ৰ এবাৰেই হ'লহেঁতেন, কেৱল সৰু কালৰ সাধু কথাৰ প্ৰমাণ চাবলৈ; আৰু ৰাজ্যিক পৰ্যায়ৰ অধিবেশনখনি তেনে ঠাইত অনুষ্ঠিত কৰাৰ সিদ্ধান্তত আমি কেতিয়াও আগভাগ নললোহেঁতেন। চমুৱাদেৱে হয়তো নাজানে যে ঢকুৱাখনাত অধিবেশনখনি পতাৰ ক্ষেত্ৰত আমিয়েই অধিক জোৰ দিছিলো। তেখেতে উল্লেখ কৰিছে "নবীন লেখক-লেখিকা আৰু শিল্পী সমিতিৰ সম্মিলনৰ বেলিকা যদি চক্ৰ, সভা আদি গাম্ভীৰ্যপূৰ্ণ হোৱা নাই সেয়া সংগঠনৰ ক্ৰটিৰ বাবে, যদিও লেখিকাই এই ক্ষেত্ৰত নীৰৱতা অৱলম্বন কৰিছে।" – অনুষ্ঠান গাম্ভীৰ্যপূৰ্ণ নোহোৱাৰ প্ৰসঙ্গ আমাৰ লেখাটিত উল্লেখ নাছিল বুলিয়ে আমি দৃঢ়; মাথোন ওচৰ চুবুৰীয়াৰ সমাগম কম বুলিহে উল্লেখ আছিল। আমাৰ দৃষ্টিত কেৱল বিপুল জন সমাগমে সভাৰ গাম্ভীৰ্য বহণ নকৰে যদিহে বক্তা সকলে কোৱা কথাখিনি শুনাৰ ধৈৰ্য আৰু ইচ্ছা জন সমাগমৰ মাজত নাথাকে। আমাৰ সভাত সেয়া হোৱা নাছিল। তাৰ উপৰি তেখেতে তাচ্ছিল্যৰ সুৰত উল্লেখ কৰাৰ দৰে তাত কোনো চক্ৰ হোৱা নাছিল – "সাম্প্ৰতিক অসমৰ জাতি সত্তাৰ বিকাশৰ প্ৰৱণতা আৰু অসমীয়া সমাজ জীৱনত ইয়াৰ প্ৰভাৱ" শীৰ্ষক আলোচনা চক্ৰ এখনিহে অনুষ্ঠিত হৈছিল।

চমুৱাদেৱে জোৰ দিছে আমাৰ শেষৰ বাক্য শাৰীত। কিন্তু লগতে থকা 'প্ৰায় মাজ ৰাতি লৈকে ঠেৰেঙা লগা জাৰত চুবুৰীয়া বৃদ্ধ কেইজনৰ পৰিশ্ৰম' – এইখিনি কথাৰ ওপৰত কিঞ্চিৎমানো গুৰুত্ব নিদিলে যি আমাৰ সতীৰ্থসকলৰ হৃদয় স্পৰ্শ কৰিছিল। আনহাতে লেখাটি তোষামোদজনক বা মিছা কথাৰ আলমত লেখা হোৱা নাছিল। ৰান্ধনিশালত ৰান্ধনিৰ মদৰ ৰাগি কেৱল আমাৰ দৃষ্টিতে পৰা নাছিল, খাদ্য সামগ্ৰীৰ বিজুতি হোৱাৰ খবৰ লবলৈ যোৱা প্ৰতিজনৰে দৃষ্টিগোচৰ হৈছিল। এই ক্ষেত্ৰত ঢকুৱাখনাৰ এজন সম্মানীয় ব্যক্তি হিচাপে পৰিবেশটোৰ ওপৰত চকুকাণ দিয়াটো চমুৱাদেৱৰো দায়িত্ব আছিল বুলি আমি ভাবো।

জ্যেষ্ঠ গণ্যমান্য ব্যক্তি হিচাপে চমুৱাদেৱক আমি সন্মান কৰো, শ্ৰদ্ধা কৰো। তেনেক্ষেত্ৰত তেখেতৰ পৰা আমি সীমিত বিশ্লেষণাত্মক ধাৰণা বা উক্তি কামনা নকৰো। 'নবীন' সকলৰ অনুষ্ঠান হিচাপে আমি আমাৰ ভুল-ক্ৰটি সমূহ আঙুলিয়াই দিয়া সকলক আমাৰ শুভাকাংক্ষী বুলিয়ে বিবেচনা কৰো। কিন্তু উদ্দেশ্য প্ৰণোদিত ভাবে মন্তব্য আগবঢ়োৱা সকলৰ ক্ষেত্ৰত আমাৰ ক'ব লগীয়া একো নাথাকে। তেনে অৱস্থাত 'ধানটোৱে প্ৰতি কণটো মানুহটোৱে প্ৰতি মনটো' কথাষাৰৰে বাস্তৱতা উপলব্ধি কৰো।

**পুতলী কায়স্থ**

## অসম কৃষি বিশ্ববিদ্যালয়

আপোনাৰ জনপ্ৰিয় আলোচনীৰ ৪ৰ্থ বছৰ দ্বাদশ সংখ্যাৰ সাময়িকী শিতানত প্ৰকাশ পোৱা স্বপ্না বেজবৰুৱাৰ "অৱক্ষয়ৰ গৰাহত অসম কৃষি বিশ্ববিদ্যালয়" নামৰ প্ৰবন্ধটো পঢ়িলো। বিশ্ববিদ্যালয়ৰ দৰে এটি পৱিত্ৰ অনুষ্ঠানত বিৰাজ কৰিব লগা বৌদ্ধিক তথা শৈক্ষিক পৰিবেশ কেনেদৰে কুলষিত হৈছে তাক কেইটামান সৰু উদাহৰণেৰে সৈতে সাধাৰণ ৰাইজক জনাবলৈ এই চিঠিত প্ৰয়াস কৰা হৈছে। বেজবৰুৱাই লিখাৰ দৰে "নিযুক্তি পদোন্নতিৰ ক্ষেত্ৰত যোগ্যতাতকৈ স্বজন প্ৰীতি আৰু তোষামোদ কাৰীয়েহে আগস্থান পায়।" সচাঁ কথা, যদি কোনো কৰ্মচাৰী বা শিক্ষকৰ এই গুণ (?) কেইটাৰ অভাৱ ঘটে তেন্তে বিশ্ববিদ্যালয়ৰ কৰ্তৃপক্ষই অতি সোনকালে তেওঁলোকক "বিশ্ববিদ্যালয়ৰ স্বাৰ্থৰ খাতিৰত" গোসাঁইগাঁও (কোকৰাঝাৰ) কৰিমগঞ্জ, লক্ষীমপুৰ আদি অঞ্চলত থকা বিশ্ববিদ্যালয়ৰ গৱেষণানুষ্ঠান সমূহলৈ বদলি কৰি দিয়ে। এনেক্ষেত্ৰত শিক্ষক বা কৰ্মচাৰী জনৰ যোগ্যতা বা দক্ষতাক বদলি কৰাৰ মাপকাঠি ৰূপে গণ্য কৰা নহয়। অথচ কিছুমান অযোগ্য আৰু অদক্ষ তথা কৰ্তৃপক্ষৰ পদলেহনকাৰী ব্যক্তি বিশ্ববিদ্যালয়ৰ ভূস্বৰ্গ স্বৰূপ যোৰহাট গুৱাহাটী চৌহদত বছৰ বছৰ ধৰি কাম কৰি আছে। কিন্তু এনেলোকৰ ক্ষেত্ৰত বিশ্ববিদ্যালয়ৰ স্বাৰ্থ হানি নহয়। আৰু সেই দলটোৰ অন্তৰ্ভুক্ত সদস্য (অ-স্বীকৃতি প্ৰাপ্ত) সকলে একেই চৌহদতে কাম কৰা তেওঁলোকৰ পত্নী সকলৰ সৈতে এবাৰো বদলি নোহোৱাকৈ পদোন্নতি সহ কাম কৰি আছে। কিন্তু "বিশ্ববিদ্যালয়ৰ স্বাৰ্থৰ খাতিৰত" নামৰ তথাকথিত অস্ত্ৰপাতে বহুতো নিৰপেক্ষ বিদ্বান, গুণী, বিজ্ঞানী-শিক্ষক বা সুদক্ষ বিষয়া কৰ্মচাৰীৰ দক্ষপটুতাক দিনক দিনে কৰ্তৃপক্ষই হত্যা কৰি আহিছে। অথচ এই পদলেহনকাৰী আৰু সুবিধাবাদী দলটো কিন্তু ইয়াতেই সন্তুষ্ট নহয়। এনে দলৰ পুত্ৰ-পুত্ৰী সকলে বিনা কষ্টতে হয় বিশ্ববিদ্যালয়ত চাকৰি পাইছে নহলে ইয়াতে ঠিকা কৰিছে।

এই খিনিতে মই দুটা সৰু উদাহৰণ (উদাহৰণ বহুত আছে) দিওঁ। ১৯৮৮-৮৯ চনত এজন সহকাৰী অধ্যাপকে পি. এইচ. ডি. ডিগ্ৰীৰ কাৰণে 'এগ্ৰনমী' বিষয়ত নাম লগায়। ঠিক একে বছৰতে তেওঁৰেই পত্নীয়ে (সহকাৰী অধ্যাপিকা) মাটি বিজ্ঞান বিভাগত উক্ত ডিগ্ৰীৰ কাৰণে নামভৰ্ত্তি কৰে। সময়ত দুয়োজনে নিৰ্দিষ্ট বিষয় সমূহত পি. এইচ ডি. ডিগ্ৰীৰ কাৰণে প্ৰয়োজনীয় তাত্বিক (theoritical) পাঠ্যক্ৰম সমূহ যোৰহাটত শেষ কৰে, কিন্তু, তেওঁলোকৰ বিষয় সমূহ এনেধৰণৰ আছিল যে দুয়োজন দুটা বেলেগ বেলেগ বিভাগৰ ছাত্ৰ হোৱা সত্ত্বেও যাৱতীয় প্ৰায়োগিক (practical) পৰীক্ষা নিৰীক্ষা সমূহ একেলগে ফিলিপাইনতহে সমাপ্ত কৰিব লাগে। আৰু এনে ব্যৱস্থা সেয়াই প্ৰথম আছিল। অসমৰ কৃষি ব্যৱস্থা উন্নতিৰ বাবে কাম কৰিবলৈ, তেওঁলোক দুয়ো-পতি পত্নীয়ে সময়ত একেলগে সুদুৰ ফিলিপাইনলৈ বিশ্ববিদ্যালয়ৰ সম্পূৰ্ণ খৰচত উৰা মাৰে। ডেৰবছৰ তেওঁলোকে ফিলিপাইনত লাগতিয়াল পৰীক্ষা-নিৰীক্ষা সমূহ শেষ কৰি অসমলৈ ঘূৰি আহে। সাধাৰণতে, কৃষি ক্ষেত্ৰত পৰীক্ষা-নিৰীক্ষা সমূহ নিজ ঠাইত কৰে যিহেতু ইয়াৰ দ্বাৰাই সেই অঞ্চলৰ কৃষি ব্যৱস্থাত সহায়ক হয়। কিন্তু এয়া হৈছে অসম কৃষি বিশ্ববিদ্যালয়ৰ পতি-পত্নীৰ মহিমা।

বৰ্তমানৰ কৰ্তৃপক্ষৰ লেফটেনেণ্ট হিচাপে পৰিচিত এজন পণ্ডিত যোৰহাট চৌহদত আছে। তেওঁ মাজতে কৰ্তৃপক্ষৰ দয়াত বিদেশৰ পৰা এটা উচ্চ ডিগ্ৰী লৈ আহে। যোৱা কেইবছৰত কৃষি কলেজৰ পৰা পাছ কৰি যোৱা দুই এক ছাত্ৰক সুধিলে কব, কোনজন শিক্ষকে এবাৰ জখলাৰ ইংৰাজী শব্দটো পাহৰি Bamboo-bamboo খাপ খাপ বুলি উদাহৰণ দিছিল। (এনেকুৱা বহু অদ্ভুত উদাহৰণ তেওঁ শ্ৰেণীত দিয়ে, ছাত্ৰ জনেই আৰু কব) তেওঁৰ পাণ্ডিত্যৰ স্বীকৃতি স্বৰূপে কৰ্তৃপক্ষই উক্ত বিশেষ লোভনীয় পদটোৰ সৃষ্টি কৰিছিল, যিটো পদ কৃষি শিক্ষা, গৱেষণা আৰু সম্প্ৰসাৰণ ব্যৱস্থা সমূহৰ লগত সম্পৰ্কহীন। অৱশ্যে সেই পদৰ দ্বাৰাই পণ্ডিতজনে ছাত্ৰ বিভাজন ৰাজনীতিৰ বিষয়টো চোৱা চিতা কৰিছিল। এই বিষয়ত তেওঁ অতি কৰ্ম পটুতা আৰু দক্ষতাৰ পৰিচয় দিছিল।

**প্ৰাণদীপ ডেকা**
অসম কৃষি বিশ্ববিদ্যালয়
যোৰহাট

## জ্যোতিষ প্ৰসঙ্গ

সূত্ৰধাৰৰ ১-১৫ জুন, ১৯৯২ সংখ্যাত প্ৰকাশিত শ্ৰীযুত প্ৰসেনাজিৎ চৌধুৰী দেৱৰ 'জ্যোতিষ প্ৰসঙ্গ ঃ সমালোচক সমীপেষু' শীৰ্ষক পোনপটীয়া ভাবে আমালৈ উদ্দেশ্য কৰি লিঁখা চিঠিখন পঢ়িলো। অৱশ্যে তেখেতে মোৰ নামটো ভুলকৈ নৰেন্দ্ৰ নাথ বৰা বুলি উল্লেখ কৰিছে। তেখেতে উল্লেখ কৰা সংখ্যাৰ সূত্ৰধাৰত তেনে নামৰ কোনো লোকৰ লিখা নেপালো গতিকে মোকেই উদ্দেশ্য কৰি লিখা বুলি ধৰিলৈ পুনৰ মোৰ মতামত আগবঢ়ালো।

আমাৰ লিখা কথাখিনি পঢ়িলে পাঠক সকলে নিশ্চয় বুজিব যে আমি ক'তো জ্যোতিষ সত্য বা অসত্য এই বিষয়ে কোনো সিদ্ধান্ত দিবলৈ বিচৰা নাছিলো। কেৱল চৌধুৰীদেৱে উল্লেখ কৰা যুক্তি সমূহৰ ওপৰত নিৰ্ভৰ কৰি কেইটামান যুক্তি আগবঢ়াইছিলো আৰু লগতে সুধী পাঠক সমাজৰো মতামত আগবঢ়াবৰ বাবে অনুৰোধ জনাইছিলো। কিন্তু শ্ৰীযুত চৌধুৰী দেৱৰ লেখাৰ "আমাৰ সমাজত যুক্তিবাদী চিন্তাৰ প্ৰচাৰ আৰু প্ৰসাৰ কোনোপধ্যেই নিৰ্ব্বিঘ্ন হব নোৱাৰে বুলি ভালদৰেই জানো"। বোলা কথাষাৰে মই বুজাত এনে অৰ্থই কৰে যে তেখেতৰ যুক্তিয়েই চূড়ান্ত আৰু তাৰ ওপৰত কাৰো একো কবলগীয়া থাকিব নোৱাৰে। কোনোৱে তাৰ আলোচনা বা সমালোচনা কৰিলেই যুক্তিবাদী চিন্তা বিঘ্নিত হব। তেখেতৰ এই যুক্তি আমি এই কাৰণেই মানি লব নোৱাৰো যে তেখেতে উল্লেখ কৰা তথ্য সমূহৰো সৰহ ভাগেই আমাৰ উক্তি বা যুক্তি। তেখেতৰ নিজাববীয়া গৱেষণা বা বিজ্ঞান সন্মত বিশ্লেষণৰ দ্বাৰা তথ্য সমূহ দিয়া হ'লে গ্ৰহণ যোগ্য হ'লহেঁতেন যেনেকৈ এজন বিজ্ঞানীৰ দ্বাৰা আৱিষ্কৃত সত্য বা সূত্ৰ পৰৱৰ্ত্তী এজন বিজ্ঞানীয়েহে উপযুক্ত পৰীক্ষাৰ দ্বাৰা অসত্য বুলি প্ৰমাণ কৰিব পাৰে আৰু তাৰ সংশোধন কৰে। তাক সমাজে নিৰ্ব্বিবাদে মানি লয়। অৱশ্যে শ্ৰীযুত চৌধুৰী দেৱে যদি এই বিষয়ত কিবা পৰীক্ষা নিৰীক্ষা চলাইছেও, সেইটো এতিয়ালৈকে আমি জনাৰ সুবিধা পোৱা নাই।

শ্ৰীযুত চৌধুৰী দেৱক আমি সবিনয়ে জনাওঁ যে তেখেতৰ লেখাত ৫% বা ১০ % ভৱিষ্যৎবাণী ফলিওৱা সম্পৰ্কে কোৱা কথাখিনি যুক্তিৰ খাতিৰত তেখেতৰ লেখাৰ পৰাহে উদ্ধৃত কৰা হৈছিল তেখেতে কি ভাবত লিখিছিল সেইটোৰ ওপৰত ভিত্তি কৰি নহয়। তদুপৰি সেইটো বৰ গুৰুত্ব পূৰ্ণ কথা বুলি মইয়ো ভবা নাই। অধিক গুৰুত্ব পূৰ্ণ কথা হ'ল এইটোহে যে ৯৫% অসত্যতকৈ ৫% সত্য নিশ্চয় বহুমূল্যবান। কেইবা বছৰ ধৰি শ শ টন পিট্‌চ্‌ ব্লেণ্ডি শোধন কৰি কুৰী দম্পতিয়ে মাত্ৰ কেইগ্ৰাম মান ৰেডিয়াম আৱিষ্কাৰ কৰাটো জানো অবৈজ্ঞানিক কাম হ'ল? প্ৰশান্ত মহাসাগৰৰ বুকুৰ পৰা কোনোবাই কেইটামান মুক্তা সংগ্ৰহ কৰিলে তাৰ মূল্য জানো কমি যাব? আমি ভাবে কোনো উৎসৰ পৰা যদি সামান্য সত্যও উম্ঘাটন হৈছে তেন্তে তাৰ পৰা কেনেকৈ অধিক সত্যৰ সন্ধান পাব পাৰি তাৰ চেষ্টা কৰাটোহে বিজ্ঞানৰ কাম। সোৱনশিৰিৰ বালিৰ পৰা সোণ বোটলাটোকে বিজ্ঞান বুলিব পাৰি কিন্তু বালিৰ লগত সোণৰ চেকুৰা পেলাই দিয়াটো কোনো বিজ্ঞান নহয়।

শ্ৰীযুত চৌধুৰী দেৱে লিখিছে–"কোনো এটা পৰীক্ষাত ৮০% ভৱিষ্যৎ বাণী ফলিয়ালেও সি জ্যোতিষৰ বিশ্বাসযোগ্যতাৰ বিতৰ্কাতীত প্ৰমাণ হ'ব নোৱাৰে"। পদাৰ্থ বিজ্ঞান, ৰসায়ন বিজ্ঞান আদিৰ ক্ষেত্ৰত তেখেতৰ এই উক্তিৰ সত্যতা মানি লব পাৰি। কিন্তু জীৱ বিজ্ঞানৰ ক্ষেত্ৰত ১০০% শুদ্ধ ফলাফল আশা কৰিব নোৱাৰি। উদাহৰণ স্বৰূপে কেন্সাৰ, এইড্‌চ্‌ আদি দুৰাৰোগ্য ৰোগৰ বাহিৰে অন্যৰোগত চিকিৎসালয়ত দৈনিক অনেক লোকৰ মৃত্যু ঘটি আছে অন্যহাতে একে ৰোগত অনেক মৃত্যু মুখী ৰোগীও আৰোগ্য হৈছে। সেই বাবে আমি চিকিৎসা বিজ্ঞানক বিজ্ঞান নহয় বুলি ক'ম নেকি?

চৌধুৰীদেৱৰ কাকতালীয় শব্দৰ অৰ্থটো বুজাত আমাৰ অসুবিধা হোৱা নাই। এই যুক্তিটো দুৰ্বল এই কাৰণেই যে শব্দটো ইচ্ছা কৰিয়েই কোনো প্ৰমাণ নোহোৱাকৈ য'তে ত'তে লগাই দিব পাৰি। প্ৰাক্তন প্ৰধান মন্ত্ৰী ৰাজীৱ গান্ধীৰ মৃত্যুৰ সম্ভাৱনীয়তা সম্পৰ্কে এজন অসমীয়া

STATUTORY WARNING : CIGARETTE SMOKING IS INJURIOUS TO HEALTH

জ্যোতিষীয়ে প্ৰায় এবছৰৰ আগতে ভৱিষ্যৎ বাণী কৰিছিল। চৌধুৰীদেৱে যদি কব বিচাৰে যে সেইটো কাকতালীয় ঘটনাহে তেন্তে উপায় কি ?

চৌধুৰীদেৱৰ তৃতীয় দফাত উল্লিখিত জ্যোতিষীৰ উক্তি সম্পৰ্কে আমি জনাওঁ যে, আমাৰ লিখাত 'জ্যোতিষৰ উক্তি' বুলিহে আছিল, জ্যোতিষীৰ উক্তি বুলি লিখা নাছিলো। জ্যোতিষ আৰু জ্যোতিষীক একে শাৰীত ধৰা মানে এজন বৈজ্ঞানিকক বা বিজ্ঞানক এজন অভিযন্তা বা 'মেকানিক'ৰ শাৰীত থোৱাৰ দৰে নহবনে ? যি সকল ঋষি মুনি তথা গৱেষকে তেখেতলোকৰ দীৰ্ঘদিনৰ পৰীক্ষা নিৰীক্ষা আৰু অভিজ্ঞতাৰ আধাৰত একো একোটা শ্লোকত একোটা সূত্ৰ দি গৈছে তাক আঙুলিয়াই দিয়াৰ কথাহে আমি লিখিছিলো।

চৌধুৰী দেৱৰ চতুৰ্থ দফাত উল্লিখিত জ্যোতিৰ্বিজ্ঞান আৰু ফলিত জ্যোতিষ যে একে বস্তু নহয় ইয়াত দ্বিমত হোৱাৰ প্ৰশ্নই নুঠে। কিন্তু চৌধুৰীদেৱে এইটোও নিশ্চয় মানি লব যে অতীত ভাৰতৰ জ্যোতিৰ্বিজ্ঞান আৰু ফলিত জ্যোতিষ চৰ্চাৰ মাজত এটা ঘনিষ্ঠ সম্পৰ্ক আছিল। আকাশৰ গ্ৰহ নক্ষত্ৰ সমূহৰ গতি বিধিৰ লগতে পৃথিৱীবাসীৰ ওপৰত পৰিব পৰা, গ্ৰহ নক্ষত্ৰ আদিৰ সম্ভাব্য প্ৰভাব সম্পৰ্কেও তেখেতলোকে গৱেষণা কৰিছিল যাৰ ফলত ফলিত জ্যোতিষৰ জন্ম হৈছিল। উদাহৰণ স্বৰূপে আধুনিক বিজ্ঞানে স্বীকাৰ কৰিছে যে সূৰ্যৰ আকৰ্ষণৰ ফলতে সাগৰত জোৱাৰ ভাটাৰ সৃষ্টি হয়; চন্দ্ৰ-সূৰ্য গ্ৰহণৰ সময়ত পৃথিৱীৰ জীৱ বিলাকৰ ওপৰত কিছুমান অনিষ্টকাৰী ৰশ্মি বা শক্তিয়ে ক্ৰিয়া কৰে, ইত্যাদি। এই কথা বিলাক আধুনিক বিজ্ঞানে কোৱাৰ বাবে আমি নিৰ্বিবাদে মানি লওঁ। সূৰ্য গ্ৰহণৰ দিনা দুৱাৰ খিৰিকি জপাই ভিতৰত সোমাই থাকো। কিন্তু আধুনিক বিজ্ঞানেও এই বিষয়ত কাৰ ওপৰত কি পৰিমাণৰ শুভ বা অশুভ প্ৰভাব পৰিব তাৰ জোখ মাখ দিব পৰা নাই। তথাপি আমি তাক বিশ্বাস কৰো। কিন্তু জ্যোতিষে যদিও শ শ বছৰৰ আগৰ পৰা এই কথা কৈ আহিছে আৰু কোন ৰাশিৰ মানুহৰ ওপৰত কেনে প্ৰভাৱ পৰিব পাৰে তাকো কৈ আহিছে তথাপি আমি তাক বিশ্বাস নকৰো। এই খিনিতে আমি এটা কথা কৈ থব বিচাৰো যে শ্ৰীচৌধুৰীদেৱে জ্যোতিষ বিশ্বাস কৰক বা নকৰক তেখেত জোতিষৰ প্ৰভাৱৰ পৰা মুক্ত নহয়।

তেখেতৰ অন্য এষাৰ উক্তি– "অনিষ্টকৰ আৰু/বা ভিত্তিহীন, ধ্যান ধাৰণা ঐতিহ্যৰ অঙ্গ হলেও সি পৰিহাৰ যোগ্য"। এই কথাত আমিও একমত। কিন্তু তেখেতে জ্যোতিষক কি যুক্তিৰে অনিষ্টকৰ ধ্যান ধাৰণাৰ শাৰীত থলে তাৰহে উপযুক্ত প্ৰমাণ নেপালো। তেখেতৰ লেখাৰ তথ্যৰ পৰাই দেখা গ'ল যে বিশ্বৰ আটাইতকৈ উন্নতদেশ আমেৰিকা যুক্তৰাষ্ট্ৰৰ ১২০০ খন বাতৰি কাকতত ৰাশিফল প্ৰকাশ কৰে অৰ্থাৎ সঠিক তথ্য নাই যদিও এই কথা দৃঢ়ভাবে কব পাৰি যে ভাৰতত অধিক সংখ্যক লোকৰে জ্যোতিষৰ ওপৰত আস্থা আছে। তদুপৰি কিছুদিনৰ আগত বাতৰি কাকতত এটা প্ৰবন্ধ পঢ়া মনত আছে যিটোত জাপানত জ্যোতিষক চৰকাৰী ভাবে স্বীকৃতি দিয়া বুলি কোৱা হৈছে। জাপানত ড্ৰাইভাৰ, পাইলট, আদি চাকৰিয়াল সকলৰ বিশেষ অশুভ দিন থাকিলে সেই দিনত তেওঁলোকক বোলে বাধ্যতামূলক ছুটী দিয়া হয়।

এইখিনিতে আমি আৰু এটা কথা উল্লেখ কৰিব খুজিছো। ১৬-১৩ মে/১৯৯২ সংখ্যাৰ সূত্ৰধাৰত ডঃ মৃদুল গঁগৈ দেৱৰ 'হস্তৰেখাৰ সপক্ষে' শীৰ্ষক এটি প্ৰবন্ধ প্ৰকাশ পাইছে। তাত তেখেতে নিজৰ অভিজ্ঞতাৰ পৰা কৈছে যে হস্তৰেখাৰ পৰা শতকৰা ৭০ ভাগ শুদ্ধ ভৱিষ্যৎবাণী কৰিব পাৰি। হস্তৰেখা বিজ্ঞান ফলিত জ্যোতিষৰে অংশ বিশেষ। উভয়ে মানৱ জীৱনৰ ওপৰত গ্ৰহ নক্ষত্ৰৰ প্ৰভাৱ আৰু মানুহৰ ভাগ্য যে পূৰ্ব নিৰ্দ্ধাৰিত এই যুক্তিকে সমৰ্থন কৰে। হস্তৰেখাবিদ কিৰোৰ 'হস্তৰেখা অভিধান' (বেঙ্গলী অনুবাদ) পুথি পঢ়ি চালেও তেখেতে জ্যোতিষৰ সত্যতাৰ অনেক প্ৰমাণ পাব। অৱশ্যে জ্যোতিষেই কৈছে যে মানুহৰ ভাগ্য অপৰিবৰ্তনীয় নহয়। 'দৈব আৰু পুৰুষকাৰৰ সহায়ত মানুহৰ ভৱিষ্যৎ ফলৱতী হয়'।

"হ্যেকেন চক্ৰেন ন ৰথস্য গতিৰ্ভৱেৎ।

তথা পুৰুষকাৰণে বিনা দৈবং নাধিগচ্ছতি",

গতিকে দেখা যায় জ্যোতিষেই ইয়াৰ ১০০% শুদ্ধ ভৱিষ্যৎ বাণীৰ দাবী কৰা নাই, আধুনিক বিজ্ঞানে ইয়াৰ চৰম উন্নতিৰ সময়তো যেনেকৈ অনেক সময়ত অসীম (Infinity)ৰ ধাৰণা কৰিব লগা হয় (যিটোৱে বিজ্ঞানৰ সীমাবদ্ধতাৰ কথাই সূচায়) তেনেকৈয়ে জ্যোতিষে এজন ব্যক্তিৰ ভৱিষ্যৎবাণী কৰিবলৈ যাওঁতে ভৱিষ্যতৰ অসীম কাৰকতাৰ মাজৰ পৰা সম্পূৰ্ণ শুদ্ধ উত্তৰ বাছি উলিওৱাটোযে অতি কঠিন কাম সি নিশ্চিত কিন্তু তাৰ মাজৰ পৰাইয়ে বহুলাংশে শুদ্ধ উত্তৰ দিব পাৰি সিও নিশ্চিত। তাৰ দুই এটা উদাৰহণ আমি পিছত দিবলৈ চেষ্টা কৰিম।

শ্ৰীচৌধুৰী দেৱে পঞ্চম দফাত উল্লেখ কৰা "এটা পৰীক্ষাত ১০% ভৱিষ্যৎবাণী সঁচা বুলি প্ৰমাণিত হোৱা দেখা গৈছে" বোলা কথাষাৰত আমি অলপো গুৰুত্ব দিয়া নাই মাত্ৰ তেখেতৰ উক্তিৰ উদ্ধৃতিহে দিছিলো কাৰণ কোভূৱৰ পৰীক্ষাৰ বিশ্বাসযোগ্যতাৰো কোনো প্ৰমাণ আমি পোৱা নাই। জ্যোতিষৰ আস্থাভাজন এজন লোকে প্ৰকৃত জ্যোতিষীৰ পৰা তথ্য সংগ্ৰহ কৰা হলে হয়তো ৭০/৮০ শতাংশ শুদ্ধ উত্তৰ পালেহেঁতেন।

ষষ্ঠ দফাত চৌধুৰীদেৱে লিখিছে "বৰ্তমানৰ বিজ্ঞান ভৱিষ্যৎ সম্পৰ্কে সম্পূৰ্ণ অন্ধ বুলি কোৱাটো অন্ধতাৰেই পৰিচায়ক"। আমাক উদ্দেশ্য কৰি এই বাক্যবাণ প্ৰহাৰ কৰাৰ আগতে তেখেতে চিন্তা কৰি চাব লাগিছিল তেখেতৰ নিজৰেই উক্তি 'জ্যোতিষ আৰু জোতিৰ্বিজ্ঞান একে বস্তু নহয়'। যদি নিৰ্দ্দিষ্ট কক্ষপথত নিৰ্দ্দিষ্ট সময়ত পৰিভ্ৰমণ কৰা হেলিৰ ধুমকেতুৰ আৱিৰ্ভাৱ সম্পৰ্কে কৰা ভৱিষ্যৎ বাণীক ভৱিষ্যৎবাণীৰ লেখত ধৰা যায় তেন্তে কালিলৈ ৫ বজাত সূৰ্য পুবফালে উদয় হব বোলা জানো সাৰ্থক ভৱিষ্যৎবক্তা হব। প্ৰাক্তন প্ৰধান মন্ত্ৰী ৰাজীৱ গান্ধীৰ হত্যাৰ ১০ মিনিটৰ আগতে যদি কোনোৱে তেখেতৰ মৃত্যুৰ আগজাননী দিলেহেঁতেন, তেন্তে তেৱোঁ এজন সাৰ্থক ভৱিষ্যৎবক্তা বুলি গণ্য হ'লহেঁতেন, আৰু গান্ধীৰ জীৱন ৰক্ষা পৰিলহেঁতেন। এই ক্ষেত্ৰত আমি দুয়োবিধ ভৱিষ্যৎবাণীক একে শাৰীত ধৰিব পাৰো নেকি ?

শ্ৰীচৌধুৰীদেৱে সপ্তম দফাত উল্লেখ কৰা–"আমি 'জ্যোতিষৰ শুদ্ধতাক' গণভোটৰ মাধ্যমেৰে বিচাৰ কৰাৰ পক্ষপাতী"–এই কথাষাৰত আমি 'জ্যোতিষৰ সূত্ৰক' বুলিহে লিখিছিলো। তদুপৰি তেখেতৰ প্ৰবন্ধতে জ্যোতিষৰ প্ৰতি থকা আস্থা আৰু অনাস্থাৰ অনেক উল্লেখ আছে। সেয়েহে আমি গণভোটৰ মাধ্যমেৰে সত্যৰ বিচাৰ নহয় বুলি লিখিছিলো। পোনপটীয়া ভাবে চৌধুৰীদেৱক আক্ৰমণ কৰাৰ উদ্দেশ্যে লিখা হোৱা নাছিল। তথাপি আমাৰ লেখাৰ দৈন্যতাৰ বাবে তেখেতক কোনো ক্ষেত্ৰত ব্যক্তিগত ভাবে আক্ৰমণ কৰা বুলি যদি ভাবিছে তেন্তে তাৰ বাবে আমি দুঃখিত। আমাৰ উদ্দেশ্য সত্যৰ বিচাৰ কৰাহে ব্যক্তিগত বিতৰ্কত প্ৰবৃত্ত হোৱাটো নহয়। তেখেতে লিখিছে–"জ্যোতিষীৰ আত্মৰক্ষামূলক তন্ত্ৰ তথ্য বা জ্যোতিষীৰ অন্ধ অনুৰাগীৰ যুক্তি তৰ্কৰ দ্বাৰা নিৰ্ণয় কৰিব নোৱাৰি জ্যোতিষৰ চৰিত্ৰ"। তেখেতে যদি লিখিলেহেঁতেন যে জ্যোতিষৰ অন্ধ বিদ্বেষীৰ দ্বাৰাও জ্যোতিষৰ চৰিত্ৰ নিৰূপন কৰিব নোৱাৰি-তেতিয়া তেখেতৰ উক্তিটো বেছি গ্ৰহণ যোগ্য হ'লহেঁতেন বুলি ভাবো। তেখেতে যদি আমাক উদ্দেশ্যে কৰি কথাটো লিখিছে তেন্তে আমি কব বিচাৰো যে আমি নিজকে জ্যোতিষৰ অন্ধ অনুৰাগী বুলি নেভাবো। জ্যোতিষৰ সফলতাৰ অনেক প্ৰমাণ আমাৰ হাতত আছে। তাৰে দুটা তেখেতৰো পৰিচিত ঘটনাৰ কথা আমি তলত উল্লেখ কৰিলো।

যোৱা সাধাৰণ নিৰ্বাচনত থাওৰা সমষ্টিৰ প্ৰতিদ্বন্দ্বী প্ৰাৰ্থী কেইবা জনো আছিল। তাৰ ভিতৰত বহুদিশৰ পৰা আটাইতকৈ শক্তিশালী প্ৰাৰ্থীজন আছিল অ. গ. প. দলৰ শ্ৰীযুত ৰাজেন বৰা (বৰ্তমান আজিৰ বাতৰি আৰু ৰাজশ্ৰী পাব্লিকেচনৰ, স্বত্বাধিকাৰী) সকলোৱে মুখে মুখে তেখেতৰ জয় গান। আনহাতে কংগ্ৰেছ (আই) দলত শ্ৰীযুত দেবানন্দ কোঁৱৰ (বৰ্তমানৰ কেবিনেট মন্ত্ৰী) জন্মত স্থানীয় হ'লেও সমষ্টিটোত তেখেতে নতুনকৈ পৰিচিত হ'ব লগা হৈছিল। তেখেতৰ নিৰ্বাচনী অভিযানো প্ৰায় নাছিলেই বুলিব লাগে। কৌতূহল বশতঃ জ্যোতিষৰ লগত আলোচনা কৰি মোৰ প্ৰতিবেশী তেখেতৰ এজন ককায়েকক কৈছিল–শ্ৰীকোঁৱৰৰ নিৰ্বাচনত জিকাতো নিশ্চিত আৰু মন্ত্ৰী পৰিষদতো তেখেতে বিশেষ স্থান লাভ কৰিব। কথাটো নিজেও ভালদৰে মানি লব পৰা নাছিলো। কিন্তু ফলাফলত দেখিলো জ্যোতিষৰে জয় লাভ হ'ল।

আন এটা উদাহৰণ–অসমত অ. গ. প. দলৰ এজন প্ৰাক্তন মন্ত্ৰী ললিত ৰাজখোৱা (তেখেতৰ আত্মাই শান্তি লাভ কৰক)ৰ বিবাহৰ আগতে তেখেতৰ পত্নীয়ে মোৰ এজন বন্ধু জ্যোতিষীৰ ওচৰত তেখেতলোকৰ সম্ভাব্য বিবাহ সম্পৰ্কে আলোচনা কৰিছিল। জ্যোতিষীজনে কৈছিল যে 'বিষম সপ্তক জোৱা অৱশ্যেই পৰিত্যজ্য। এনে বিবাহৰ পৰা বিৰত হওক'। কিন্তু তেখেতলোকে কথাটোৰ গুৰুত্ব নিদিলে। বিবাহ হৈ গ'ল–বিবাহৰ পৰাই আৰম্ভ হ'ল এজন অতি উদ্যমী ডেকা মন্ত্ৰীৰ পতনৰ দিশ। শেষত কৰুণ ভাবে মৃত্যুক বৰণ কৰিলে। বিষম-সপ্তক জোৱা সম্পৰ্কে জ্যোতিষে কৈছে এইদৰে–

যোটকে সপ্তকে মেষতুলে যুগ্মৎযৌ তথা।

সিংহ ঘটৌ সদা বৰ্জ্জ্যৌ মৃতিং তত্ৰাব্ৰবীচ্ছিবঃ॥

ৰাজীৱ গান্ধীৰ হত্যা সম্পৰ্কে এখন অসমীয়া জ্যোতিষ আলোচনীত কৰা ভৱিষ্যৎ বাণী সম্পৰ্কেও জ্যোতিষক লগত সম্পৰ্ক থকা অধিক সংখ্যক লোকেই জানে। গতিকে এই বিলাক প্ৰমাণ পোৱাৰ পিছত আমি নিজকে জ্যোতিষৰ অন্ধ অনুৰাগী বুলি নেভাবো।

শেষত আমি কব বিচাৰো যে জ্যোতিষ সম্পৰ্কে কোনো অযুক্তিকৰ গোড়ামি আমাৰ নাই। কিন্তু যিবিলাক প্ৰত্যক্ষ প্ৰমাণ পাইছো সেইবিলাক মিছা বুলি কোৱাৰো সাধ্য নাই, আৰু এইটোও মই সত্য বুলিয়ে ভাবো যে, জ্যোতিষৰ ১০০% শুদ্ধ উত্তৰ দিব পাৰি বুলিও কোনেও দাবী কৰিব নোৱাৰিব কাৰণ জ্যোতিষশাস্ত্ৰই সেইটো স্বীকাৰ কৰিছে। তথাপি চৌধুৰী ডাঙৰীয়াই এই বিষয়ে আলোচনা কৰাৰ আশা ৰাখিছে। আমিও আশা ৰাখিছো অন্যান্য সুধী সমাজেও এই আলোচনাত অংশ গ্ৰহণ কৰি জ্যোতিষৰ গ্ৰহণযোগ্যতাৰ ওপৰত বিচাৰ কৰিব।

**শ্ৰীনগেন্দ্ৰ নাথ বৰা**

## হতাশগ্ৰস্ত এচাম যুৱকৰ মনোবেদনা মুখ্যমন্ত্ৰীয়ে উপলব্ধি কৰিছেনে ?

সূত্ৰধাৰৰ ১-১৫ জুন সংখ্যাত প্ৰকাশিত দেৱব্ৰত বৰগোহাঞিৰ "হতাশগ্ৰস্ত এচাম যুৱকৰ মনোবেদনা মুখ্যমন্ত্ৰীয়ে উপলব্ধি কৰিছেনে" শীৰ্ষক লেখাটি পঢ়ি উপকৃত হলো আৰু এই সন্দৰ্ভত আমাৰ মনোভাব জনোৱাৰ প্ৰয়োজনীয়তা উপলব্ধি কৰিলো।

সাম্প্ৰতিক অসমৰ এটি জ্বলন্ত সমস্যা হ'ল নিবনুৱা সমস্যা। কিন্তু জনসাধাৰণৰ মনত নিবনুৱা বুলি কলে সাধাৰণতে কাৰিকৰী আৰু অভিযান্ত্ৰিক প্ৰশিক্ষাৰ্থী সকল বাদ পৰি ৰয় যেন লাগে। ইয়াৰ অৱশ্যে কাৰণো নোহোৱা নহয়, কিয়নো এই সকল প্ৰশিক্ষাৰ্থীক চৰকাৰেই প্ৰশিক্ষণৰ সা-সুবিধা দিয়ে আৰু সেয়ে তেওঁলোকৰ যথোপযুক্ত সংস্থাপনৰ ব্যৱস্থা কৰিবলৈ চৰকাৰ দায়বদ্ধ। কিন্তু চৰকাৰে কিছুবছৰৰ পৰা এই দায়বদ্ধতাক সম্পূৰ্ণৰূপে উলাই কৰি আহিছে। অসমৰ জনপ্ৰিয় অ.গ.প. চৰকাৰে এই কাৰিকৰী প্ৰশিক্ষণ প্ৰাপ্ত যুৱক-যুৱতীসকলৰ কথা মুঠেই নাভাবিলে। এতিয়া শইকীয়া চৰকাৰৰ কাৰ্যভাৰ গ্ৰহণৰ পিছতে দিয়া প্ৰতিশ্ৰুতিয়ে এই সকল হতাশগ্ৰস্ত যুৱক-যুৱতীৰ মুখলৈ আশাৰ বতৰা কঢ়িয়াই আনিছিল। কিন্তু প্ৰথম তিনিমাহতে সহস্ৰাধিক ডিপ্লমা আৰু ডিগ্ৰীধাৰী অভিযন্তাক নিযুক্তি দিয়াৰ ঘোষণা কৰা চৰকাৰৰ ওপৰতো আমাৰ সন্দেহৰ কলীয়াডাৱৰ গোট খাইছে। তিনিমাহহে নালাগে এটা বছৰত ভৰি দিব ধৰা শইকীয়া চৰকাৰৰ প্ৰতিশ্ৰুতিৰ সাৰশূন্যতাই আমাক এয়া ৰাজনৈতিক টোপ বুলি ভাবিবলৈ বাধ্য কৰিছে। কেৱল কাৰিকৰী আৰু অভিযান্ত্ৰিক সেৱাৰ বাহিৰে আন একো পদৰ বাবেই সুবিধা নথকা এইসকল যুৱক-যুৱতীক ইমানদিনে আশা দি বহুৱাই ৰখাৰ যুক্তি ক'ত ? এসময়ত মুখ্যমন্ত্ৰী ডাঙৰীয়াই এইসকল যুৱক-যুৱতীক অসমৰ চাহ বাগান সমূহতো নিযুক্তিৰ ব্যৱস্থা কৰাৰ আশ্বাস দিছিল। এই বাগান সমূহত নিযুক্তিৰ পৰ্যাপ্ত সুযোগ থকা সত্বেও তাক কাৰ্যকৰী নকৰাৰ অন্তৰালত কেনে শক্তিয়ে ক্ৰিয়া কৰিছে সেয়া বেচ ৰহস্যজনক। এইবিলাকৰ বাহিৰেও গড়কাপ্তানী, জলসিঞ্চন, কৃষি, বিদ্যুৎ পৰিষদ, জনস্বাস্থ্য কাৰিকৰী বিভাগ আদিত খালী হৈ থকা বহুতো পদ আজিও পূৰণ নকৰি নিবনুৱা সমস্যাক ক্ৰমাগতভাবে জটিল ৰূপ দিয়াৰ অৰ্থই অসমৰ শান্তি প্ৰগতিৰ স্বৰূপ নেকি ? এনে চৰম অৱহেলাই যে এদিন অসমৰ নিৰীহ যুৱশক্তিৰ হাতত অস্ত্ৰ তুলি লবলৈ বাধ্য কৰিছিল এই কথা মুখ্যমন্ত্ৰীৰ নিশ্চয় অবিদিত নহয়। আশাকৰো মুখ্যমন্ত্ৰীয়ে বিষয়টো গুৰুত্ব সহকাৰে গ্ৰহণ কৰিব।

শেষত শ্ৰীবৰগোহাঞিক এনে এটি সময়োচিত লেখা প্ৰকাশ কৰাৰ বাবে ধন্যবাদ জনাইছো।

**ৰঞ্জন কুমাৰ দত্ত**
সেউজীপম, সাপেখাতী॥

## বৈঠালাংচুৰ ছাত্ৰ বদলি সংক্ৰান্তত

হামৰেণ মহকুমাৰ পৰা আহিবলৈ ওলাইছো। অহাৰ দুদিন কি তিনিদিন আগতে বৈঠালাংচুত অৱস্থিত গড়কাপ্তানি বিভাগৰ সহকাৰী কাৰ্যবাহী অভিযন্তা শ্ৰীলক্ষী কান্ত বৰুৱা ডাঙৰীয়াই একাপ চাহ খাবলৈ নিমন্ত্ৰণ কৰিলে। তেখেতৰ বাসভৱনৰ সমুখত দুয়ো বহি কথা পাতি আছো। দেখিলো বৈঠালাংচু উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকল ঘৰলৈ আহি আছে। কিবা কাৰণত বিদ্যালয় সোনকালে ছুটী দিছে। দুজনমান ছাত্ৰ বাসভৱনৰ চৌহদলৈ সোমাই আছিল। কথা কি ? দুৰৰ পৰাই নমস্কাৰ দিলে। প্ৰতি নমস্কাৰ দিলো। ওচৰ পাই সুধিলে "চাৰ শুনিছো, আপুনি হেনো আমাক এৰি যাবগৈ।" মই কলো, "চৰকাৰী চাকৰিৰ এইটো এটা এৰিব নোৱৰা নিয়ম। তাতে মোৰ প্ৰশাসনীয় চাকৰি।" "যোৱাৰ আগতে এবাৰ আমাৰ স্কুললৈ আহিলে ভাল পালোহেঁতেন চাৰ।" মই কলো, "সময় খুব কম। মই পুনৰ এইফালে ফুৰিবলৈ আহিম। তেতিয়া তোমালোকক লগ পাম।" ছাত্ৰ কেইজনে কলে – "চাৰ কিবা ভুল কৰিছিলো ক্ষমা কৰিব। আপোনাৰ কথা সদায় মনত থাকিব। আমাক চাৰ পাহৰি নাযাব। কৰবাত দেখিলে আমাক মাতিব, আমিও মাতিম।" মই কলো – "নিশ্চয়।" পুনৰ সেৱা জনাই ছাত্ৰ কেইজন আঁতৰি গ'ল।

বগা লংপেন্ট আৰু নীলা চাৰ্ট পৰিহিত জনজাতি আৰু অজনজাতি ছাত্ৰৰ এই গোটটোৰ কথাত মই অভিভূত হৈ পৰিলো। তেওঁলোকৰ নম্ৰতা, সৰলতা আৰু সৎ ব্যৱহাৰে মোক মুগ্ধ কৰিলে। মই যেন অনুভৱ কৰিলে, 'ছাত্ৰ কেইজনৰ এটাই পৰিচয়, তেওঁলোক কাৰ্বি বা কলিতা নহয়। তেওঁলোক বৈঠালাংচু উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰ।' বিদ্যালয়খনৰ অধ্যক্ষ প্ৰমুখ্যে শিক্ষক সকললৈ আৰু ছাত্ৰ-ছাত্ৰী সকললৈ নীৰৱে শ্ৰদ্ধা জনালো।

এই সৰু কথাটো ৰাজহুৱাকৈ সদৰি কৰি ছাত্ৰ কেইজনৰ আদৰ্শই আনকো উদ্বুদ্ধ কৰক এনে এটা আশা মই কৰিছিলো। বহুদিন ভাবিলো কথাটোৰ গুৰুত্ব আছে নে নাই ? সদৰি কৰিম নে নাই ? সিদ্ধান্ত ললো – ছাত্ৰ কেইজনৰ ভাল কথাখিনি আনেও জানক, অনুপ্ৰাণিত হওক। আজিৰ দিনত এনে ব্যৱহাৰ, এনে নম্ৰতা মহঙা' হ'ল। নহয় জানো ?

**থানেশ্বৰ মালাকাৰ**
পাঠশালা

# কিউবালৈ যাওঁতে

হেমেন দাস

২৬ জুলাই কিউবা বিপ্লৱ দিৱস। ১৯৫৩ চনৰ ২৬ জুলাইত ফাইদেল কাষ্ট্ৰোৰ নেতৃত্বত ১২০ জন বিপ্লৱী গৰিলাই চান্টিয়াগো দে কিউবা নগৰত থকা মনকাদা দুৰ্গ আক্ৰমণ কৰে। মাৰ্কিন সাম্ৰাজ্যবাদৰ বহতীয়া স্বেচ্ছাচাৰী বাতিষ্টাৰ হাতৰ পৰা কিউবাৰ জনগণক মুক্ত কৰা সংগ্ৰামৰ এয়া প্ৰথম অভিযান। সামান্য ভুলৰ বাবে এই অভিযান সফল হোৱাৰ পৰা বঞ্চিত হয়। বিপ্লৱী বাহিনীয়ে সৈন্যবাহিনীৰ পোছাক পিন্ধি দুৰ্গ আক্ৰমণ কৰিছিল। কিন্তু এজন বিপ্লৱীয়ে সামৰিক পোছাকৰ লগত অসামৰিক জোতা পিন্ধি দুৰ্গ আক্ৰমণলৈ গৈছিল। কেইজনমান বিপ্লৱী দুৰ্গৰ ভিতৰত প্ৰৱেশ কৰে। এইজনক দেখি দুৰ্গৰ পহৰাদাৰীয়ে বিপদ সংকেত বজাই দিলে। আৰম্ভ হ'ল দুৰ্গৰ মূল প্ৰবেশ পথত দুয়ো পক্ষৰ গুলীয়াগুলি। (এই গুলিৰ ক্ষত চিহ্ন আজিও মনকাদা দুৰ্গৰ দেৱালত সংৰক্ষিত হৈ আছে।) অৱস্থাৰ জটিলতা উপলব্ধি কৰি ফাইদেলৰ নিৰ্দেশত বিপ্লৱী বাহিনীয়ে তৎক্ষণাত স্থান ত্যাগ কৰে। ইয়াৰ কাৰণ ব্যাখ্যা কৰি ফাইদেল কাষ্ট্ৰোই কৈছে, "The troop were up and had taken defensive positions. That was what made success impossible; it could only have been done by surprise. Once the troops were alerted and had taken position, it was impossible."

এই অভিযানত বিপ্লৱী বাহিনীৰ হাতত ১২ জন সৈন্য নিহত আৰু ২২ জন আহত হয়। বিপ্লৱী বাহিনীৰ ঘটনাস্থলীত মাত্ৰ ২/৩ জন নিহত হৈছিল যদিও পৰৱৰ্তী কালত নিহতৰ সংখ্যা ৬১ জনলৈ বৃদ্ধি পায়। ঘটনাৰ পিছৰ পৰাই সৈন্যবাহিনীয়ে ব্যাপক হাৰত গ্ৰেপ্তাৰ অভিযান চলায়। বহু বিপ্লৱী গৰিলাক গ্ৰেপ্তাৰৰ পিছত গুলীয়াই হত্যা কৰে। ইয়াৰ ফলত বিপ্লৱী সকলৰ নিহতৰ তালিকা দীঘল হয়।

সিদিনা ফাইদেল কাষ্ট্ৰো অক্ষত অৱস্থাত পাহাৰ অঞ্চললৈ আঁতৰি যায়। পাহাৰত কেইজনমান সহযোদ্ধাসহ আত্মগোপন কৰে। সৈন্য বাহিনীয়ে ফাইদেলক গ্ৰেপ্তাৰৰ বাবে ব্যাপক অভিযান চলায়। প্ৰায় এক সপ্তাহ পিছত এদিন পুৱতি নিশা এখন পাহাৰৰ নামনিৰ এটি জুপুৰী ঘৰত শুই থাকোতে দুই সহযোদ্ধা সহ সামৰিক বাহিনীৰ হাতত ধৰা পৰে। ধৰা পৰাৰ পিছতে আন বহুতো বিপ্লৱীক হত্যা কৰাৰ দৰে ফাইদেল কাষ্ট্ৰোকো সৈন্যসকলে গুলীয়াবলৈ উদ্যত হৈছিল। কিন্তু সৈন্যসকলৰ লেফটেনেণ্ট জনৰ হস্তক্ষেপত তেওঁৰ প্ৰাণ ৰক্ষা পৰে। তেওঁক গুলীয়াবলৈ উদ্যত হোৱা সৈন্য সকলক লেফটেনেণ্ট জনে কৈছিল, "Don't shoot him. You can't kill ideas, you can't kill ideas. ইয়াৰ পিছত আৰু দুবাৰ ফাইদেল মৃত্যুৰ মুখত পৰিছিল; কিন্তু দুয়োবাৰেই এই লেফটেনেণ্ট জনে তেওঁৰ জীৱন ৰক্ষা কৰে। লেফটেনেণ্ট জনৰ নাম পেদ্ৰো সৰৰিয়া (Pedro Sarria)। ফাইদেলক হত্যা নকৰাৰ অপৰাধত (?) তেওঁক চাকৰিৰ পৰা বৰ্খাস্ত কৰা হৈছিল। বিপ্লৱৰ পিছত তেওঁক বিচাৰি আনি পুনৰ সৈন্য বাহিনীত নিযুক্ত কৰিছিল। ১৯৭২ চনৰ ২৯ চেপ্তেম্বৰত মৃত্যু হোৱাৰ দিনালৈকে তেওঁ কিউবাৰ ৰাষ্ট্ৰপতিৰ নিৰাপত্তা ৰক্ষী বাহিনীৰ প্ৰধান হিচাপে কাৰ্য নিৰ্বাহ কৰিছিল। ফাইদেল কাষ্ট্ৰো সহ কিউবাৰ বিপ্লৱী সকলে তেওঁক বৰ শ্ৰদ্ধা কৰিছিল।



জন-নায়ক ফাইদেল কাষ্ট্ৰো

ফাইদেল কাষ্ট্ৰো গ্ৰেপ্তাৰ হ'ল। তেওঁৰ ভায়েক ৰাউল কাষ্ট্ৰোও গ্ৰেপ্তাৰ হ'ল। আদালতত বিচাৰ হ'ল। ফাইদেলে বাতিষ্টা চৰকাৰ ওফৰাবলৈ সশস্ত্ৰ সংগ্ৰামৰ ন্যায্যতাৰ কথা আদালতক স্পষ্ট ভাষাত জানিব দিলে। বিচাৰত ফাইদেল আৰু তেওঁৰ সহযোদ্ধা সকলৰ জেল হ'ল। ফাইদেলে ২২ মাহ জেলত কটাব লগা হয়। ২২ মাহৰ ১৯ মাহ অকলশৰীয়া জেল জীৱন যাপন কৰালে।

দিন যোৱাৰ লগে লগে তেওঁলোকৰ মুক্তিৰ দাবীত গণ আন্দোলন আৰম্ভ হ'ল। তথাপিও বিপ্লৱী সকলৰ সংখ্যা দ্ৰুত হ্ৰাস পাব ধৰিলে। জেলৰ ভিতৰে বাহিৰে বিপ্লৱীৰ সংখ্যা ২০ জনলৈ হ্ৰাস পালে। এই কথা বাতিষ্টা চৰকাৰে জানিছিল। বিপ্লৱী সকলৰ দ্ৰুত ভাঙোনত বাতিষ্টাই তেওঁলোকৰ পৰা বিপদৰ আশংকা নাই বুলি ভাবি তেওঁলোকক সাধাৰণ ক্ষমাদান কৰি জেলৰ পৰা মুক্তি দিলে। ফাইদেল আৰু তেওঁৰ সহযোদ্ধাসকল ২২ মাহ পিছত বাতিষ্টাৰ কাৰাগাৰৰ পৰা মুক্ত হ'ল।

এইদৰেই ২৬ জুলাই অভিযানৰ সামৰণি পৰিল। এইবাৰ আৰম্ভ হ'ল আগতকৈ বৃহত্তৰ অভিযানৰ প্ৰস্তুতি। প্ৰকৃতাৰ্থত ২৬ জুলাই অভিযানৰ সামৰণি পৰা বুলি কোৱা উচিত নহ'ব যেন পাওঁ। এই অভিযানৰ উদ্দেশ্য আছিল স্বেচ্ছাচাৰী বাতিষ্টাৰ হাতৰ পৰা কিউবাৰ জনগণক মুক্ত কৰা। গতিকে এই অভিযানৰ সামৰণি পৰে ১৯৫৯ চনত যিদিনা কিউবাৰ বিপ্লৱী বাহিনীয়ে বলপূৰ্বক কিউবাৰ ৰাষ্ট্ৰ ক্ষমতা দখল কৰে।

২৬ জুলাই দিৱস কিউবাবাসীয়ে অতি আড়ম্বৰপূৰ্ণ ভাবে পালন কৰে। কিউবা চৰকাৰৰ আমন্ত্ৰণ ক্ৰমে ১৯৮৮ চনৰ ২৬ জুলাই দিৱসত যোগদান কৰাৰ সুযোগ পাওঁ। কিউবা চৰকাৰে মোক আমন্ত্ৰণ কৰা নাছিল। আমাৰ দল – ভাৰতৰ কমিউনিষ্ট পাৰ্টি (মাৰ্ক্সবাদী)ক আমন্ত্ৰণ কৰিছিল। আমাৰ দলৰ প্ৰতিনিধি হিচাপেহে মই কিউবালৈ যোৱাৰ সুযোগ পাওঁ। ভাৰতৰ পৰা কংগ্ৰেছ (ই) আৰু চি পি আই দলৰ পৰাও এজনকৈ প্ৰতিনিধি গৈছিল।

২৩ জুলাই পুৱা ৬ বজাত হাভানা বিমান কোঠত আমি যোৱা বিমানখন অৱতৰণ কৰে। বিমানৰ পৰা নমাৰ লগে লগে দুজনী মহিলাই আমাক আদৰণি জনায়। দুয়োজনীয়ে ইংৰাজী জানে যদিও আমাৰ লগত দোভাষী হিচাপে কাম কৰিব শ্ৰীমতী পেগী লীয়ে। আনজনী মহিলা পাৰ্টিৰ নেত্ৰী। নাম হিল্দা ভসল্লো। কিউবা কমিউনিষ্ট পাৰ্টিৰ এচিয়া বিভাগৰ ভাৰপ্ৰাপ্ত পাৰ্টি নেত্ৰী। খুব অমায়িক।

চাৰি বছৰ পিছত যোৱা জানুৱাৰী মাহত কমৰেদ হিল্দা ভসল্লোক আকৌ লগ পালো। আমাৰ পাৰ্টিৰ যোৱা ১৪শ পাৰ্টি কংগ্ৰেছত যোগদান কৰাৰ বাবে মাদ্ৰাছলৈ আহিছিল। কিউবা পাৰ্টিৰ দুজনীয়া প্ৰতিনিধি দল এটি আমাৰ পাৰ্টি কংগ্ৰেছলৈ আহিছিল। তাৰে এজনী কমঃ হিল্দা ভসল্লো। তেওঁক লগ ধৰি কিউবাৰ খবৰ সুধিলো। ছোভিয়েত ইউনিয়নৰ ভাঙোনৰ পিছত কিউবা এক জটিল পৰিস্থিতিৰ সমুখীন হৈছে। সেয়েহে কিউবাৰ বৰ্তমান অৱস্থাৰ কথা জানিবৰ মন গ'ল। তেওঁ কলে যে ছোভিয়েত ইউনিয়নৰ ভাঙোনৰ পিছত কিউবাৰ সমাজতান্ত্ৰিক সমাজব্যৱস্থা ৰক্ষাৰ বাবে কিউবাবাসীয়ে আগতকৈ কঠোৰ পৰিশ্ৰম কৰিব লগা হৈছে। আমেৰিকা সহ সাম্ৰাজ্যবাদী দেশ সমূহৰ কিউবাৰ বিৰুদ্ধে অৱৰোধ অব্যাহত। এই অৱস্থাত পূব ইউৰোপ আৰু ৰাচিয়াৰ পৰা আমদানিৰ অভাবনীয় হ্ৰাস। নানাবিধ সামগ্ৰীৰ অভাৱ হৈছে। এই প্ৰত্যাহ্বানৰ সমুখীন হবলৈ কিউবাৰ জনগণে সৰ্বতো প্ৰকাৰে প্ৰস্তুতি চলায়। কিউবাৰ জনগণ কিউবাৰ সমাজতান্ত্ৰিক সমাজ ব্যৱস্থা অক্ষুণ্ণ ৰখাৰ বাবে দৃঢ় প্ৰতিজ্ঞ। কমৰেদ হিল্দাৰ মুখত কিউবাৰ জনগণৰ মানসিক দৃঢ়তাৰ কথা শুনাৰ পিছত কিউবাবাসীলৈ শ্ৰদ্ধা নিবেদন কৰিলো। আজি পূৰ্ব ইউৰোপ আৰু ছোভিয়েত ইউনিয়নত সমাজতান্ত্ৰিক সমাজ ব্যৱস্থা দ্ৰুত অৱলুপ্তিৰ পিছত সমাজবাদৰ ধ্বজা সসম্মানে উৰুৱাই ৰখা দেশ সমূহৰ অন্যতম দেশ কিউবা। মাত্ৰ ৯০ কিলোমিটাৰ দূৰৰ পৰা মাৰ্কিন সাম্ৰাজ্যবাদৰ কুটিল ষড়যন্ত্ৰ ব্যৰ্থ কৰি বিশ্বৰ বুকুত এখন সুউচ্চ স্থান অধিকাৰ কৰি আছে সমাজতান্ত্ৰিক কিউবা – যাৰ নেতৃত্বত আছে বিপ্লৱৰ মূৰ্ত প্ৰতীক ফাইদেল কাষ্ট্ৰো। ফাইদেল কাষ্ট্ৰোৰ নেতৃত্বাধীন কিউবাৰ কমিউনিষ্ট পাৰ্টিয়ে ভালদৰে জানে যে কিউবাৰ বিৰুদ্ধে মাৰ্কিন প্ৰশাসনৰ ঘৃণ্য চক্ৰান্তৰ আজিও অন্ত পৰা নাই।

বিমানৰ পৰা নামি বিমান কোঠৰ জিৰণি কোঠাত প্ৰায় ৩০ মিনিটমান সময় হোটেললৈ যোৱা গাড়ীৰ বাবে অপেক্ষা কৰিব লগা হয়। আমি অহা এয়াৰ বাছখনৰ পৰা প্ৰায় দুশমান যাত্ৰী হাভানা বিমান বন্দৰত নামিছে। বেছিভাগেই বিভিন্ন দেশৰ পৰা ২৬ জুলাই দিৱসত যোগদান কৰিবলৈ আহিছে। আমাক কফি খাবলৈ দিলে। গাখীৰ বিহীন কফি। খুব ঘন। তিতা লাগে। তথাপিও খালো।

বিমান কোঠাৰ পৰা হোটেল হাবানা লিবাৰ লৈ (Hotel Habana Libre) গলো। সকলো প্ৰতিনিধি এইখন হোটেলতে উঠিল। প্ৰকাণ্ড হোটেল। ৩০ মহলীয়া। হাভানা চহৰত ইয়াতকৈ ওখ ঘৰ আৰু নাই। বাতিষ্টা চৰকাৰৰ আমোলত এই হোটেলটো হে দেশী বিদেশী ব্যৱসায়ী কিছুমানৰ মদ, জুৱা আৰু

কিউবাৰ আন্তঃৰাষ্ট্ৰীয় ফিল্ম আৰু টি ভি প্ৰশিক্ষণমহাবিদ্যালয়



বেশ্যাৰ কুখ্যাত আড্ডা আছিল। বিপ্লৱৰ পিছত হোটেলটো জাতীয়কৰণ কৰা হৈছে। সহস্ৰাধিক মানুহৰ থকা, খোৱাৰ সুবিধাৰ উপৰিও বিভিন্ন সামগ্ৰীৰ, ভালে কেইখন দোকান, উন্নত চুইমিং পুল আদিও আছে।

পুৱাৰে পৰা গৰম আৰম্ভ হৈছে। হোটেল পোৱাৰ পিছতেই গা ধুই উঠিলো। একেৰাহে ১৫ ঘণ্টা বিমান যাত্ৰাৰ পিছত জিৰণি লোৱাৰ কথা ভাবোতেই দোভাষী শ্ৰীমতী পেগীয়ে ফোন কৰি কলে, ব্ৰেকফাষ্ট খোৱাৰ বাবে তললৈ যাব লাগে। মোৰ ওচৰৰ কোঠাৰ পৰা কমঃ দেউচি সিঙক মাতি ব্ৰেকফাষ্ট খাব গলো। হোটেলৰ একেবাৰে তলৰ মহলাৰ এটা আন্ধাৰ কোঠালৈ লৈ গ'ল। আহল বহল কোঠা। দিন ৰাতিৰ সন্ধিক্ষণৰ পোহৰ। কোঠাতো প্ৰাচীন সামগ্ৰী কিছুমানৰ দ্বাৰা এনে ধৰণে সজোৱা হৈছে যে ইয়াক অত্যাধুনিক অট্টালিকা এটাৰ কোঠা বুলি কোনো মতেই ক'ব নোৱাৰি। আদিম মানৱৰ গুহাত প্ৰবেশ কৰা যেন লাগে। কোঠাৰ চিলিংখন নাৰিকলৰ পাতৰ দ্বাৰা দেৱা। মাজে মাজে ডাঙৰ ভুলুকা বাঁহৰ খুঁটা। চিলিঙত বাঁহ, বেতৰ বিভিন্ন সামগ্ৰী ওলোমাই থৈছে। মাছ ধৰা সঁজুলি যেনে চেপা, পলো, বাঁহৰ টুকুৰী, লাউ টোকৰা, ডাঙৰ ডাঙৰ শামুকৰ খোল আদিও ওলোমাই ৰাখিছে। চেপা, পলো, বাঁহৰ টুকুৰীৰ ভিতৰত খুব কম পোহৰৰ বিজুলী বাতি জ্বলি আছে। কোঠাৰ এটা কোণত শিলৰ উধানৰ ওপৰত দুটা প্ৰকাণ্ড পিতলৰ কেৰাহী। কেৰাহীৰ তলিত জ্বলি আছে জুইৰ আঙঠা। প্ৰকৃত আঙঠা নহয়। বিজুলীৰ তাঁৰ লগাই জ্বলাই ৰখা লোৰ টুকুৰা। কোঠাত কিছু সময় বহাৰ পিছত মানুহৰ মন দূৰ অতীতলৈ ধাবিত হয়। মাছ মৰা চেপা, পলো আদি দেখাৰ লগে লগে ৪০/৪৫ বছৰ আগতে ওচৰৰ নৈ-বিলত দল বান্ধি মাছ মৰাৰ কথা মোৰ মনত পৰিছিল।

প্ৰায় এঘণ্টা পিছত ব্ৰেকফাষ্ট খাই আহো। তেতিয়া বাহিৰত উজ্জ্বল ৰ'দ। চালে চকু চাং মাৰি ধৰে। বোধহয় আন্ধাৰৰ পৰা ওলাই অহাৰ বাবে স্বাভাৱিক পোহৰক অস্বাভাৱিক যেন লাগিল।

দুপৰীয়া অন্য এখন ৰেষ্টোৰাঁত লাঞ্চ খালো। ব্ৰেকফাষ্ট খোৱা ৰেষ্টোৰাঁখনৰ দৰে ইয়াত মেনু চাই খাদ্যৰ অৰ্ডাৰ দিব নালাগে। নিৰ্দিষ্ট প্ৰবেশ মূল্য দি ৰেষ্টোৰাঁত সোমাব লাগে, তাৰ পিছত যাৰ যিমান ইচ্ছা খাব পাৰে। ৰেষ্টোৰাঁৰ প্ৰবেশ পথত বহি থকা মানুহজনক আমাক দিয়া কুপন দেখুৱালো। এটুকুৰা কুপন চিঙি ৰাখি আমাক সোমাব দিলে। সোমাই দেখো মজিয়াত সুন্দৰকৈ সজাই থোৱা আছে বিভিন্ন সুস্বাদু ফল যেনে আম, অমিতা, তৰমুজ, কল, আপেল, আঙুৰ, চেপেটা ইত্যাদি। আন এঠাইত বিভিন্ন মিঠাই। কলিকতাৰ মিঠাইৰ দোকান যেন দেখি। অৱশ্যে এতিয়া গুৱাহাটীতো বহু মিঠাইৰ দোকান খুলিছে। প্ৰতি বিধৰ ওচৰত ষ্টেইনলেচ ষ্টীলৰ কাঁহী আৰু চামুচ এঠাইত দম কৰি ৰখা হৈছে। তাৰ পিছত দেৱালৰ কাষত দুটা বাচনৰ সমুখত হাতত কোৰচ লৈ থিয় হৈ আছে এজন মানুহ। বাচন দুটাৰ এটাত ভাত আৰু আনটোত কুকুৰাৰ মাংসৰ আঞ্জা। তেওঁৰ ওচৰতো এদম ষ্টেইনলেচ ষ্টীলৰ কাঁহী। কাঁহী হাতত লৈ তেওঁৰ ওচৰত থিয় দিলেই ভাত আৰু মাংসৰ আঞ্জা দিয়ে। যিমান খোজে সিমান দিয়ে। ফল আৰু মিঠাইৰ ওচৰত কোনো মানুহ নাথাকে। নিজে লৈ খাব লাগে।

পৰম তৃপ্তিৰে ভাত খালো। ২১ তাৰিখৰ পৰা অৰ্থাৎ দিল্লী এৰাৰ পিছত ভাত দেখা নাছিলো। ভাত খোৱাৰ পিছত টোপনি মাৰিবৰ মন গ'ল। কোনো জৰুৰী কাম নাথাকিলে দুপৰীয়া ভাত খোৱাৰ পিছত মই সদায় টোপনি মাৰো। বহুতৰ মতে ই এটা বদ অভ্যাস। মোৰ বাবে হলে সুঅভ্যাস। আন দিনাতকৈ আজি টোপনিৰ প্ৰয়োজন বেছি। একেৰাহে ১৫ ঘণ্টা বিমান ভ্ৰমণ কৰিলো। মস্কোৰ পৰা হাভানালৈ আহোতে ১৫ ঘণ্টা লাগিছে। বাটত আয়াৰলেণ্ডৰ চানোন বিমান কোঠত মাত্ৰ এঘণ্টাৰ জিৰণি। বাকী ১৪ ঘণ্টা বিমানতে আহিলো। আমনি লাগিছিল, শুবলৈ বিছনাৰ ওচৰ পাওঁতে ফোনটো বাজি উঠিল। ৰিচিভাৰ তুলিলো। কমৰেড হিন্দাই গ্ৰাউণ্ড ফ্ল'ৰলৈ মাতিছে। শোৱা নহ'ল। চাৰ্ট পেণ্ট পিন্ধি নামি গলো। এখন টেক্সিৰ ওচৰতে থিয় হৈ আছিল কমঃ হিন্দা আৰু পেগী লী। পেগীয়ে কলে, আহক আমি এতিয়া ফুৰিবলৈ যাওঁ। কিছুদূৰ গৈয়েই সাগৰ দেখিলো। সাগৰৰ পাৰৰ বহল ৰাজপথৰ ওপৰেদি আমাৰ টেক্সি গৈ থাকে, পথৰ দুয়ো কাষে চাহ-মিঠাহৰ দোকান কিছুমান নতুনকৈ পাতিব ধৰিছে। অন্যান্য সামগ্ৰীৰ দোকানো বহুত দেখিলো। একেবাৰে নতুন। পথৰ দাঁতিৰ দুই এটুকুৰা মুকলি ঠাইত থিয় হৈ আছে প্ৰাগঐতিহাসিক যুগৰ জন্তুৰ মাটিৰ মূৰ্ত্তি।

দোকানবোৰ কিয় পাতিব ধৰিছে এই বিষয়ে তেওঁলোকৰ পৰা জানিব বিচাৰিলো। কমৰেড হিন্দাই কলে, আজিৰ পৰা আমাৰ দেশত কাৰ্ণিভাল উৎসৱ আৰম্ভ হ'ব। ২৬ জুলাইলৈ এই উৎসৱ চলিব। নাচ-গান আদিও চলিব। কৃষিৰ লগত সম্পৰ্ক যুক্ত এই কাৰ্ণিভেল উৎসৱ।

সাগৰৰ ফালে চালো। আমাৰ দেশৰ পুৰী আৰু মেৰিনা বীচৰ দৰে সাগৰৰ ঢৌৰ গৰ্জন নাই। শান্ত সাগৰ। পেগীক সুধিলো, সাগৰে শুইছে নেকি? কলে, এয়া সাগৰ নহয়। পোতাশ্ৰয়। বিখ্যাত হাভানা পোতাশ্ৰয়। সৌৱা চাওক, পৃথিৱীৰ বিভিন্ন দেশৰ জাহাজ ৰৈ আছে।

এৰা, শ শ জাহাজ। বিভিন্ন দেশৰ পতাকা জাহাজত উৰি আছে।

প্ৰাক্‌বিপ্লৱ কিউবাৰ ৰাজপ্ৰাসাদৰ ওচৰত আমাৰ টেক্সী ৰাখিলে। আমি নামিলো। কমঃ হিন্দাই ৰাজপ্ৰাসাদলৈ বুলি খোজ ললে। আমি তেওঁৰ পিছে পিছে গলো। এটা কোঠাত প্ৰবেশ কৰাত তেওঁ কলে, এই কোঠাৰ পৰাই বাতিষ্টাই কিউবাৰ জনগণৰ ওপৰত স্বেচ্ছাচাৰী শাসন চলাইছিল। কোঠাৰ চেয়াৰ টেবুল আজিও আছে। বিপ্লৱৰ পিছত নগৰৰ মাজ ভাগত ৰাষ্ট্ৰপতিৰ ভৱন নিৰ্মাণ কৰা হৈছে। এই ভৱনটো এতিয়া এটা যাদুঘৰ হিচাপে সংৰক্ষণ কৰা হৈছে।

যাদুঘৰৰ ওচৰৰ এডোখৰ মুকলি ঠাইত এখন টিনৰ ছালিৰ তলত গ্ৰাণমাক দেখিলো। দুজন সৈন্যই গ্ৰাণমাক পহৰা দিছে। এই গ্ৰাণমাতেই ১৯৫৬ চনৰ ২ ডিচেম্বৰত ফাইদেল কাষ্ট্ৰোই ৮২ জন সহযোদ্ধাসহ বিপদশংকুল সমুদ্ৰ যাত্ৰাৰ অন্তত পুনৰ কিউবাৰ ভূমিত পদাৰ্পণ কৰে। এই পদাৰ্পণে কিউবাৰ ইতিহাসৰ গতিৰ দ্ৰুত পৰিবৰ্তন আনে। সিদিনা ফাইদেল কাষ্ট্ৰোৰ ৮২ জনীয়া বাহিনীৰ লগত আছিল বিশ্বৰ অন্যতম শ্ৰেষ্ঠ বিপ্লৱী বীৰ চে গুৱেভাৰা। ফাইদেল কাষ্ট্ৰোৰ মতে চে গুৱেভাৰা এজন প্ৰকৃত বিপ্লৱী আছিল। "Moreover he was a man of outstanding talent and great intelligence with a great capacity for theorising."


গ্ৰাণমাক জাহাজ বুলি নকৈ ডাঙৰ নাও বুলি ক'ব পাৰি। কিউবাৰ বিপ্লৱী জনগণৰ অতি আদৰৰ গ্ৰাণমাক বিপ্লৱী চৰকাৰে যথাযোগ্য সন্মানেৰে সংৰক্ষণ কৰিছে। এদিন সাগৰৰ উত্তাল তৰঙ্গমালা দুৰ্বাৰ গতিত অতিক্ৰম কৰি ৮২ জন বিপ্লৱী বীৰক বুকুৰ মাজত লৈ গ্ৰাণমা মেক্সিকোৰ কিউবালৈ আহিছিল। তাৰ পিছত গ্ৰাণমা কিউবাতেই ৰৈ গ'ল। সাগৰৰ তৰঙ্গমালাৰ ওপৰত অহৰ্নিশে নাচি থকা গ্ৰাণমা আজি মাটিৰ বুকুত পৰি আছে। গ্ৰাণমাৰ যেন কোনো দুখ নাই, কোনো ক্ষোভ নাই। তাইৰ অতি চেনেহৰ ফাইদেলৰ বাবে নিজৰ সকলো সুখ, সকলো আনন্দ হাঁহিমুখে ত্যাগ কৰিছে। দুপৰীয়াৰ সূৰ্যৰ উজ্জ্বল পোহৰত গ্ৰাণমাৰ তেল পিছল দেহ জিলিকি আছে।

ৰাতি ডিনাৰ খাওঁ ২৫ মহলাৰ এখন ৰেষ্টোৰাঁত। ইয়াত মানুহৰ ভিৰ কম। খিৰিকিৰ কাষত বহি ৰাতিৰ হাভানা চাওঁ। সাগৰো দেখা যায়। সাগৰৰ পৰা হোটেল অভিমুখে অবিৰাম শীতল বতাহ বৈ আছে। তলত, হোটেলৰ ওচৰৰ পথত আতচবাজী আৰু ফটকা ফুটি আছে। চাৰিওফালে ফটকা আৰু আতচবাজীৰ আৱাজ। ওপৰলৈ উৰি গৈ আতচবাজী ফাটি আকাশ পোহৰ কৰি তুলিছে। সাগৰৰ ওপৰতো আতচবাজী। নাও আৰু সৰু জাহাজেৰে সাগৰৰ মাজলৈ গৈ আতচবাজী ফুটাই কাৰ্ণিভাল উৎসৱক আদৰণি জনাইছে। একে সময়তে বিভিন্ন দিশৰ পৰা মাইক্ৰোফোনত গানৰ সুৰ ভাহি আহিছে। হাভানাৰ বুকুত আনন্দৰ জোৱাৰ নামিছে।

২৪ জুলাইৰ আবেলি বিমান যোগে চান্টিয়াগো দে কিউবালৈ যাওঁ। ফাইদেল কাষ্ট্ৰোৰ মতে চান্টিয়াগো দে কিউবা এখন বিপ্লৱৰ নগৰী। অহা ২৬ জুলাইত চান্টিয়াগো দে কিউবাত ফাইদেল কাষ্ট্ৰোই ভাষণ দিব। চান্টিয়াগো দে কিউবা বিমান কোঠত আমাক বিপুল অভ্যৰ্থনা জনোৱা হয়। বিমানৰ সকলো যাত্ৰী পৃথিৱীৰ বিভিন্ন দেশৰ পৰা অহা কিউবাৰ আলহী। মই ১৯৮৫ চনত মস্কোত লগ পোৱা ভিয়েতনামৰ নেতা এজনক লগ পালো। মস্কোত যে দুয়ো একেখন হোটেলত আছিলো (Old Octobar Hotel) সেই থকা তেখেতেও পাহৰা নাই। অল্পভাষী মানুহ। ভিয়েতনামৰ জনগণলৈ মোৰ বৈপ্লৱিক অভিনন্দন জনালো। তেখেতেও ভাৰতৰ মহান জনগণলৈ অভিনন্দন জ্ঞাপন কৰিলে। গিয়ানাৰ চেদি জাগানকো লগ পালো। তেখেতকো মস্কোৰ হাস্পাতাল এখনত ১৯৮৫ চনত লগ পাইছিলো। তেখেতে ইন্দিৰা গান্ধীৰ সময়ত ভাৰতলৈ আহিছিল। পাটনাত মিটিং কৰাৰ কথা কলে। ইংৰাজী জানে বাবে আমি দুয়োজনে কেইমিনিটমান কথা পাতিলো। কমঃ জাগানৰ লগত যোৱা যুৱক এজনে নিজৰ পৰিচয় দিলে ইংৰাজে ভাৰতৰ পৰা অনা কুলিৰ সন্তান বুলি। তেওঁলোক দুজনৰে পূৰ্ব-পুৰুষ ভাৰতীয়। ইংৰাজৰ কুঁহিয়াৰ খেতিত কাম কৰাৰ বাবে ভাৰতৰ পৰা অনা হাজাৰ হাজাৰ কুলিৰ লগত তেওঁলোকৰ পূৰ্ব-পুৰুষকো গিয়ানালৈ আনিছিল। কমঃ জাগান গিয়ানাৰ পাৰ্টিৰ জনপ্ৰিয় নেতা।

চান্টিয়াগো দে কিউবাৰ বিমান কোঠত আমাক আদৰণি জনাবলৈ বহুলোক সমাগম হৈছিল। বেন্দপাৰ্টিও আছিল। বিমানৰ পৰা চিৰিৰে নামি অহা চিৰিৰ দুয়োফালে শাৰী পাতি মানুহ থিয় হৈ আছে। তেওঁলোকৰ সমুখত কিছুমান সৰু ল'ৰা-ছোৱালী। সিহঁতৰ হাতত ৰঙা গোলাপ ফুল। আমাৰ হাতত এটি এটি ৰঙা গোলাপ ফুল তুলি দিলে। আমি দিলো মৰমৰ চুমা। মানুহৰ শাৰীৰ শেষত থিয় হৈ আছে বেন্দ পাৰ্টি। অবিৰাম কনচাৰ্ট মাৰি আছে। কনচাৰ্টৰ তালে তালে কিছুমান যুৱক-যুৱতীয়ে নৃত্য কৰি আছে। জীৱনত এনে আদৰ অভ্যৰ্থনা আগতে পোৱা নাছিলো।

সন্ধিয়াৰ আগে আগে চান্টিয়াগো দে কিউবাৰ পাতল বসতিপূৰ্ণ অঞ্চল এটাত অৱস্থিত হোটেল এখনত উঠো। এমহলীয়া ঘৰ। হোটেলৰ বহুত মাটি। বহুত মানুহ থকাৰ সুবিধা আছে। ওচৰত এখন সৰু পাহাৰ। পাহাৰৰ কাষে কাষে ৰাজপথ। ৰাজপথৰ কাষত অ'ত ত'ত মানুহৰ ঘৰ। মই হোটেলৰ কোঠাত



*কিউবাৰ দক্ষিণ পূবৰ চহৰ ত্ৰিনিদাদৰ এটি দৃশ্য*

প্ৰবেশ কৰিয়েই মহৰ গুণগুণনি শুনিলো। অলপ সময় পিছত হোটেলৰ কৰ্মচাৰী এজনে ফ্লিট স্প্ৰে কৰিলে। তেতিয়াহে মহৰ গুণগুণনি বন্ধ হ'ল। ইয়াৰ জলবায়ু ভাৰতৰ দৰে যেন লাগে। দিল্লীৰ দৰে গৰম। অসমৰ দৰে মহ। মালদহৰ দৰে আমৰ গছ।

২৫ জুলাই। ব্ৰেকফাষ্টৰ পিছতে বাছত উঠিলো। বিশ্বৰ বিভিন্ন দেশৰ প্ৰতিনিধিক লৈ দুখন বাছ আৰু কেইখনমান টেক্সী যাত্ৰা কৰিলে মায়াৰীলৈ। মায়াৰীত ফাইদেলৰ ভাতৃ ৰাউল কাষ্ট্ৰোৰ নেতৃত্বত দ্বিতীয় ফ্ৰন্টৰ গোপন সদৰ দপ্তৰ আছিল। মায়াৰীৰ এজন জমিদাৰৰ ঘৰ দখল কৰি বিপ্লৱী গৰিলা বাহিনীয়ে গোপন সদৰ দপ্তৰ স্থাপন কৰিছিল। এই ঘৰটো এতিয়া যাদুঘৰ। বিখ্যাত গৰিলা নেতা ফ্ৰেংক পাইচৰ নামত যাদুঘৰটোৰ নামকৰণ কৰা হৈছে। আমাৰ বাছ গৈ যাদুঘৰৰ সমুখত ৰ'ল। স্থানীয় ৰাইজে হাতত কিউবাৰ পতাকা লৈ আমাক আদৰণি জনায়। মায়াৰীলৈ গৈ থাকোতে বিভিন্ন স্থানত জনসাধাৰণে পথৰ দাঁতিত থিয় হৈ আমাক অভিবাদন জনাইছে। ইয়াৰ গাওঁবোৰ বৰ পাতল। গাওঁত মানুহৰ বসতিও পাতল। মায়াৰীত বহুত পাহাৰ দেখিলো। গুৱাহাটীৰ পাহাৰৰ দৰে সৰু সৰু পাহাৰ। ইয়াৰ পাহাৰবোৰ আমাৰ বোৰৰ দৰে বৃক্ষবিহীন হোৱা নাই। পাহাৰৰ গাত মানুহৰ ঘৰ উঠা নাই।

ফ্ৰেংক পাইচ যাদুঘৰৰ পৰা অলপ আঁতৰত এখন পাহাৰৰ নামনিত এখন সমাধি স্থান। বিপ্লৱৰ সময়ত মৃত জ্ঞাত-অজ্ঞাত বহু গৰিলাক ইয়াত সমাধিস্থ কৰা হৈছে। সমাধি স্থানৰ মাজত জ্বলি আছে অনিৰ্বাপিত অগ্নি শিখা। আন নাম অমৰজ্যোতি। সমাধি স্থানৰ প্ৰবেশ দ্বাৰত এদল কণ কণ ল'ৰা-ছোৱালী শাৰী পাতি থিয় হৈ আছে। হাতত ৰক্ত গোলাপ। সেই ফুল হাত পাতি লৈ কিউবা বিপ্লৱত প্ৰাণ দিয়া বিপ্লৱীৰ ছহিদ বেদীত শ্ৰদ্ধাৰে অৰ্পণ কৰিলো।

সমাধিৰ গাত লাগি আছে এখন পাহাৰ। গুৱাহাটীৰ নৰকাসুৰ পাহাৰৰ দৰে ওখ। গছ গছনিৰে ভৰপূৰ। পাহাৰখনত ত্ৰিভূজ আকৃতিৰ এখন উদ্যান পাতিছে। পাহাৰৰ টিঙত ত্ৰিভূজৰ শীৰ্ষবিন্দু। তাৰ পৰা দুই বাহু বহল হৈ নামি আহি মাটিত লাগিছে। মাজত সমাধি। এই ত্ৰিভূজত ৰঙা পাতৰ এবিধ গছ ৰুইছে। ঘন সেউজীয়া গছেৰে আবৃত পাহাৰৰ বুকুত পাতল ৰঙা পাতৰ গছ। এক মনোৰম দৃশ্য। মোৰ মনৰ পটত আজিও ভাহি উঠে সেইৰূপ, সেই সৌন্দৰ্য।

সন্ধিয়া এখন Amphitheatre লৈ গলো নাটক চাবলৈ। এখন বহল পথাৰত নিৰ্মাণ কৰিছে Mariana Grajeles Amphitheatre নামৰ মুকলি মঞ্চ। হাজাৰ হাজাৰ মানুহৰ বহা ঠাই আছে আমাৰ ইয়াৰ ষ্টেডিয়ামৰ দৰে। বিৰাট মুকলি মঞ্চ। এখন ফুটবল ফিল্ডৰ আধা যেন দেখি। মঞ্চলৈ মটৰ চলাই নিব পাৰে। মঞ্চৰ লগত সংলগ্ন ভালেকেইটা প্ৰবেশ-প্ৰস্থানৰ পথ আছে। মঞ্চৰ পিছফালে এখন স্থিৰ পৰ্দা। দীঘল ৫০ ফুটমান আৰু বহল ২০ ফুটতকৈ অধিক হ'ব যেন পালো। মঞ্চৰ দুয়োফালে সমুখলৈ দুডাল বিদ্যুতৰ তাঁৰ দূৰলৈ টানিছে। তাৰ লগত বিদ্যুত সংযোগ কৰি বিমান যুদ্ধৰ দৃশ্য দেখুৱালে। বিমান বিধ্বংসী কামানৰ গুলিত উৰি থকা বিমান জ্বলি উঠাৰ দৃশ্য কথা ছবিত দেখা যুদ্ধৰ দৃশ্য যেন পালো। নাটকৰ বিষয়বস্তু আছিল ১৯৬১ চনৰ বে অৱ পিগচৰ যুদ্ধ। নৱজাত বিপ্লৱী চৰকাৰ ধ্বংসৰ বাবে

১৯৬১ চনত মাৰ্কিন যুক্তৰাষ্ট্ৰই কিউবাৰ বে অব পিগ্‌চত বোমা বৰ্ষণ কৰিছিল। বিপ্লৱী কিউবাই এই আক্ৰমণ ব্যৰ্থ কৰিবলৈ সক্ষম হয়।

ৰাতি ডিনাৰৰ পিছত সাগৰৰ পাৰৰ লেনিনগ্ৰেড হোটেললৈ গলো। হোটেলত কাৰ্ণিভাল উৎসৱ আৰু ২৬ জুলাইক আদৰণি জনাবলৈ সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰিছে। সন্ধিয়াৰে পৰা হোটেলৰ হ'ল ঘৰত এই অনুষ্ঠান আৰম্ভ হৈছে। আমি হোটেল পোৱাৰ সময়ত পূৰ্ণদ্যমে নৃত্য-গীত চলি আছিল। আমাৰ বাবে অৰ্থাৎ বিদেশী অতিথিৰ বাবে বেয়াৰ টেবুলৰ আয়োজন কৰিছিল। আমি বেয়াৰ গ্ৰহণ কৰি টেবুললৈ চাই দেখিলো মদ, মাংস, চেম্পেইন, পাওঁৰুটি, বিস্কুট আদিৰে টেবুল পূৰ্ণ হৈ আছে। আমি পেট পুৰাই ডিনাৰ খাই গৈছো। এইবোৰত হাত দিয়াৰ প্ৰয়োজন নহ'ল। তদুপৰি মোৰ দৰে কমঃ দেউচি সিঙৰো মদৰ লগত সম্পৰ্ক নাই। আমাৰ দোভাষী পেগী লী আৰু আমাৰ তত্ত্বাবধানৰ দায়িত্বত থকা চান্টিয়া গো দে কিউবাৰ পাৰ্টি কৰ্মী কমঃ জোলান্দোই আমাৰ অনুমতি লৈ এক কাপমানকৈ পানীয় খালে। তেতিয়া মঞ্চত নৃত্য নাটক এখন চলি আছিল। নৃত্যৰতা গাভৰুবোৰৰ দেহত নাম মাত্ৰ বস্ত্ৰ বুকুত দুই ইঞ্চিমান আৰু কঁকালত দুই ইঞ্চিমান। আমাৰ দেশৰ মানুহে তেওঁলোক উলংগ বুলিয়েই ক'ব। নৃত্যৰত শিল্পীৰ মাজত এজনো বা এজনীও ইউৰোপীয় বংশোদ্ভৱ শিল্পী চকুত নপৰিল। আটাইবোৰ শিল্পী নিগ্ৰো আৰু ইণ্ডিয়ান।

ঠিক ১২ বজাত নৃত্য বন্ধ হ'ল। আৰম্ভ হ'ল ২৬ জুলাইৰ দীৰ্ঘায়ু কামনা কৰা শ্লোগান। হৰ্ষোল্লসিত জনতাই চিঞৰি চিঞৰি ২৬ জুলাইৰ দীৰ্ঘায়ু কামনা শ্লোগান দিব ধৰিলে। মঞ্চৰ শিল্পী সকলেও নৃত্য গীত এৰি শ্লোগান দিব ধৰিলে। কেইমিনিটমান শ্লোগান দিয়াৰ পিছত আৰম্ভ হ'ল চুমা পৰ্ব। ইজনে সিজনক চুমা খাব ধৰিলে। নিজৰ বহা ঠাই এৰি এজন এজনকৈ চুমা খাব ধৰিলে। মঞ্চৰ শিল্পী সকলেও চুমা খোৱাত লাগিল। আমিও চুমাৰ পৰা ৰেহাই নাপালো। ৪/৫ জনীমান তিৰোতা আৰু ২/৩ জনমান পুৰুষে মোৰ দুয়ো গালে চুমা খালে। ঠিক গালত বুলি ক'ব নোৱাৰি, কাণৰ লতিৰ তলত। সৌজন্যৰ খাতিৰত আমিও আমাৰ ওচৰত থিয় হৈ থকা কিছুমানক চুমা যাচিলো। এইদৰেই কিউবাবাসীয়ে ১৯৮৮ চনৰ ২৬ জুলাইক স্বাগত জনালে। জীৱনত এনে মৰ্মস্পৰ্শী দৃশ্য দেখাৰ সুযোগ পোৱা নাছিলো।

তাৰ পিছত আৰম্ভ হ'ল ভোজন পৰ্ব। টেবুলত সজাই থোৱা মদ-মাংস সদ্‌গতি লগোৱাত হলৰ মানুহ ব্যস্ত হ'ল। খবৰ লৈ জানিলো গোটেই নিশা নাচগান চলিব। আমি আৰু পলম নকৰি হোটেললৈ অহাৰ ঠিক কৰিলো। কমঃ জোলান্দোই এখন টেক্সিৰে আমাক থৈ গ'ল।

হলৰ পৰা ওলাই দেখিলো বাহিৰত বাটে বাটে শ শ যুৱক-যুৱতীয়ে নাচ গান কৰি ঘূৰি ফুৰিব ধৰিছে। কিছুমানে ফটকা ফুটাইছে, আতচবাজী উৰাইছে। এনেকৈয়ে ২৩ তাৰিখে আৰম্ভ কৰা কাৰ্ণিভাল উৎসৱৰ সামৰণি পেলাই ২৬ জুলাই কিউবা বিপ্লৱ দিৱসৰ আনন্দোৎসৱ আৰম্ভ কৰিলে।

মনত পৰিল আমাৰ দেশৰ স্বাধীনতা দিৱসৰ কথা। ১৯৪৭ চনৰ পিছত বোধহয় ১৫ আগষ্টক আদৰণি জনাবলৈ আমাৰ দেশৰ কোনো মানুহ মাজ নিশালৈ উজাগৰে নাথাকে। মোৰ আজিও মনত আছে ১৯৪৭ চনৰ ১৫ আগষ্টক আদৰণি জনাবলৈ আমাৰ গাওঁৰ ৰাইজ এঠাইত গোট খাইছিল ১৪ আগষ্টৰ নিশা ১২ বজাৰ লগে লগে স্বাধীন ভাৰত কি জয়, ভাৰত মাতা কি জয়, আৰু বন্দেমাতৰম্ ধ্বনিৰে নিশাৰ নীৰৱতা ভাঙি ভাৰতৰ স্বাধীনতালৈ আদৰণি জনাইছিল। মই সিদিনা পঞ্চম শ্ৰেণীৰ ছাত্ৰ আছিলো। গাওঁৰ ৰাইজৰ লগত ময়ো নিশা ১২ বজালৈ উজাগৰে থাকি ভাৰতৰ স্বাধীনতালৈ আদৰণি জনাইছিলো। কিন্তু তাৰ পিছত ৰাতি ১২ বজালৈ উজাগৰে থাকি ১৫ আগষ্টক আদৰণি জনাবলৈ আমি পাহৰি গলো। কিয় ???

২৬ জুলাই। ১৯৮৮ চন। চান্টিয়াগো দে কিউবাৰ ৰিভলিউচন স্কোৱাৰ লোকে লোকাৰণ্য। দূৰ দূৰণিৰ পৰা মানুহ আহিছে বিপ্লৱ নগৰীত ফাইদেল কাষ্ট্ৰোৰ ভাষণ শুনিবলৈ। ফাইদেল কাষ্ট্ৰোক দেখা আৰু তেখেতৰ বক্তৃতাৰ শুনাৰ বাবে মোৰ আগ্ৰহ সকলোতকৈ বেছি। কিউবাত ভৰি দিয়াৰ দিনৰে পৰা মোৰ এক মাত্ৰ চিন্তা – কেতিয়া ফাইদেল কাষ্ট্ৰোক দেখা পাম, কেতিয়া তেওঁৰ বক্তৃতা শুনাৰ সুযোগ পাম। হো-চি-মিনৰ মৃত্যুৰ পিছত বিশ্বৰ বুকুত মোৰ একমাত্ৰ শ্ৰদ্ধেয় নেতা ফাইদেল কাষ্ট্ৰো। হো-চি-মিনৰ পিছত বিশ্বৰ বৃহত্তম শক্তি মাৰ্কিন সাম্ৰাজ্যবাদৰ প্ৰত্যাহ্বানৰ সমুচিত জবাব দিব পৰা ক্ষমতাৰ অধিকাৰী ফাইদেল কাষ্ট্ৰো, কথাৰে নহয়, কামেৰে। ".......the United States had taken some measures against Cuba, such as declaring an embargo, the economic blockade, and we replied by nationalising US industries, it cut off our sugar quota and we nationalised some industries and all sugar mills. We responded to its measures by taking measures of our own. All these measures that United States adopted against Cuba speeded the nationalisation process" — F.C.

৬ বজাত ফাইদেল কাষ্ট্ৰো সভাত উপস্থিত হ'ল। দেখা মাত্ৰেই লক্ষ লক্ষ জনতা হৰ্ষধ্বনি কৰি থিয় হৈ কৰতালি দিব ধৰিলে। জনতাৰ লগতে ফাইদেলেও কৰতালি দিলে। ফাইদেলৰ মূৰৰ ওপৰত মুক্ত আকাশ। বহিবলৈ এখন চেয়াৰো নাই। এখন ওখ টেবুলৰ সমুখত তেওঁ থিয় দি থাকে। টেবুলৰ ওচৰত মাইক্ৰোফোন। কিউবাৰ ৰাষ্ট্ৰপতিয়ে ভাষণ দিব; কিন্তু তাৰ বাবে কোনো মঞ্চ সজা নাই। আমাৰ দেশৰ ভি আই পি-ৰ দৰে সমুখত কোনো খালি ঠাই নাই। জনতাৰ নেতাই জনতাৰ মাজৰ পৰাই জনতাক সম্বোধন ভাষণ দিব।

কৰতালি বন্ধ হোৱাত এজনী ১০/১১ বছৰ বয়সীয়া ছোৱালীয়ে এটি কবিতা আবৃত্তি কৰিলে। আবৃত্তি শেষ হোৱাত ফাইদেলে ছোৱালীজনীক দুয়োহাতে ওপৰলৈ তুলি দুয়ো গালত চুমা খালে। তাৰ পিছত আৰম্ভ কৰিলে সুদীৰ্ঘ ভাষণ। তেতিয়া আবেলি ৬.১০ মিনিট। প্ৰখৰ ৰ'দ আৰু অসহনীয় গৰম। এইবোৰে যেন তেওঁক স্পৰ্শ কৰিব পৰা নাই। সুদীৰ্ঘ তিনি ঘণ্টা বক্তৃতা দিলে কিন্তু এবাৰো পানী নাখালে। মই তেওঁৰ বক্তৃতা শুনি থাকোতে বহুবাৰ পানী খালো। তেওঁৰ দেহ কি অফুৰন্ত প্ৰাণশক্তিৰ আধাৰ। কণ্ঠস্বৰ যেন বহাগৰ মেঘৰ গৰ্জন।

তেওঁৰ প্ৰাণস্পৰ্শী ভাষণ শুনি জনতাই পুনঃপুনঃ কৰতালি দিয়ে। প্ৰতিবাৰ কৰতালি দিয়াৰ সময়ত জনতা থিয় দিয়ে। যুক্তি, তথ্য আৰু আবেগ মিশ্ৰিত ভাষণে লক্ষ লক্ষ জনতাক সম্মোহিত কৰি ৰাখে। তেওঁৰ ভাষণ শেষ হয় ৯.১৫ মিনিটত। তেতিয়াও সাজ লগা নাই। আমাৰ দেশৰ দৰে "এতিয়া সভা ভংগ হ'ল" বুলি কবলৈ এই বিৰাট জনসভাৰ কোনো সভাপতি নাই। ফাইদেলৰ বক্তৃতাৰ সামৰণিয়েই সভাৰো সামৰণি।

তেওঁ ভাষণৰ আৰম্ভণিতে চান্টিয়াগো দে কিউবাৰ বিপ্লৱ সচেতন জনগণক বৈপ্লৱিক অভিনন্দন জনায়। এই অঞ্চলতে গঢ়ি উঠিছিল কিউবাৰ বিপ্লৱী গৰিলা বাহিনী। চান্টিয়াগো দে কিউবাৰ পৰা মাত্ৰ ১৪ কিলোমিটাৰ দূৰত চিবোনী ফাৰ্ম। কুকুৰা পালকৰ ছদ্মবেশ ধাৰণ কৰি এই চিবোনী ফাৰ্মতে ফাইদেল কাষ্ট্ৰোই বিপ্লৱী গৰিলাৰ প্ৰথম গোপন ঘাটি স্থাপন কৰিছিল। চিবোনী ফাৰ্মৰ গোপন ঘাটিৰ পৰা ১৯৫৩ চনৰ ঐতিহাসিক মনকাদা দুৰ্গ আক্ৰমণ কৰিছিল। বৰ্তমান এই ফাৰ্ম ঘৰটো বা গোপন গৰিলাটো এটা যাদুঘৰ। নাম মিউজেও গ্ৰনজিতা দে চিবোনী (Museo Granjita De Shibony) মনকাদা দুৰ্গ আক্ৰমণত প্ৰাণাহুতি দিয়া বিপ্লৱী গৰিলা সকলৰ ফটো আৰু চমু জীৱনী দেখিলো। ঘৰৰ ভিতৰত আৰু বাহিৰত অস্ত্ৰ ৰখাৰ গোপন ভাণ্ডাৰ সমূহো দেখিলো। এই ঘৰটোৰ কাঠত অংকিত ছবি কিউবা চৰকাৰে আমাক উপহাৰ দিছে। অতি সুন্দৰ এইখন ছবি।

মনকাদা দুৰ্গলৈও গৈছিলো। কিউবা বিপ্লৱৰ ইতিহাস পঢ়িব ধৰাৰে পৰা মনকাদা দুৰ্গৰ নাম শুনিছো। এই দুৰ্গৰ দৰ্শন লাভ কৰিব নোৱাৰিলে কিউবা ভ্ৰমণৰ সাৰ্থকতা নাই বুলি ভাবো। এক দুঃসাহসিক অভিযানৰ স্বাক্ষৰ বহণ কৰি আছে মনকাদা দুৰ্গৰ দেৱালৰ অজস্ৰ বুলেট চিহ্নই। ১৯৫৩ চনৰ ২৬ জুলাইৰ বুলেটৰ ক্ষত চিহ্ন কিউবাৰ বিপ্লৱী চৰকাৰে সযত্নে সংৰক্ষণ কৰিছে। মনকাদা দুৰ্গ আজি দুৰ্গ হৈ থকা নাই। দুৰ্গৰ একাংশ যাদুঘৰ আৰু আন অংশত স্কুল স্থাপন কৰিছে। এই যাদুঘৰটোৰ নাম মিউজিও হিষ্টাৰিকো ২৬ দে জুলিও (Museo Historico 26 De Julio) ইয়াত কিউবাৰ আদিমবাসী মানুহৰ এখন ছবি দেখিলো। সাম্ৰাজ্যবাদী স্পেইনৰ আক্ৰমণকাৰীইঁতে তেওঁক এডাল গছৰ গাত লৰচৰ কৰিব নোৱৰাকৈ বান্ধি ৰাখিছে। তেওঁৰ ওচৰত হাতত বাইবেল লৈ থিয় দি আছে এজন ধৰ্ম যাজক। ছবিখনৰ অৰ্থ ব্যাখ্যা কৰি আমাৰ দোভাষী পেগী লীয়ে কলে, ধৰ্মযাজক জনে কিউবান জনক কলে – তুমি খ্ৰীষ্টান হোৱা। স্বৰ্গলৈ যাব পাৰিবা। কিউবান জনে যাজক জনক সুধিলে, আমাৰ দেশ আক্ৰমণ কৰা স্পেইনৰ খ্ৰীষ্টান সকলো স্বৰ্গলৈ যাব নেকি ? যাজকজনে উত্তৰ দিলে, হয়, যাব। তেতিয়া বন্দী কিউবান জনে কলে, তেনেহলে সেইখন স্বৰ্গলৈ মই নাযাওঁ। আজিৰ কিউবাত তেওঁলোকৰ বংশধৰ নাই বুলিলেই হয়। ফাইদেল কাষ্ট্ৰোৰ মতে স্পেনীচ সাম্ৰাজ্যবাদী সকলে কিউবাৰ আদিম অধিবাসী (ইণ্ডিয়ান) সকলৰ শতকৰা ৯০ জনক নিঃচিহ্ন কৰিছে।

এই যাদুঘৰৰ বৈশিষ্ট্য ইয়াত হো-চি-মিনৰ তিনিখন বৃহৎ আকাৰৰ ছবি আছে। এখন যাদুঘৰৰ সমুখ ভাগত আৰু দুখন ভিতৰত। তেওঁৰ পিছতেই দ্বিতীয় স্থান অধিকাৰ কৰিছে চে গুৱেভাৰাই। গুৱেভাৰৰ দুখন ছবি আছে। এই দুয়োজন নেতাৰ প্ৰতি কিউবাৰ জনগণৰ শ্ৰদ্ধা অসীম।

বিপ্লৱোত্তৰ কিউবাৰ সাফল্যৰ উদাহৰণ দি ফাইদেল কাষ্ট্ৰোই সমবেত জনতাক কয় যে স্বাস্থ্য সেৱা আৰু শিক্ষাত কিউবাৰ সাফল্য অতি চমকপ্ৰদ। বৰ্তমানে কিউবাত এজনো নিৰক্ষৰ লোক নাই। দেশৰ জনসংখ্যাৰ শতকৰা ২৭.৮ জন ছাত্ৰ। বিপ্লৱৰ আগতে কিউবাত এখনো নাৰ্চাৰী স্কুল নাছিল। আজি নাৰ্চাৰী স্কুলৰ সংখ্যা এক হাজাৰখন। (কিউবাৰ জনসংখ্যা ১ কোটি ২০ হাজাৰ)

পৃথিৱীৰ কোনো দেশে কিউবাৰ দৰে জনসাধাৰণলৈ স্বাস্থ্য সেৱা আগবঢ়াব পৰা নাই। প্ৰতি ১২০টা পৰিয়ালত এখন হাস্পাতাল। এনে হাস্পাতালৰ নাম ফেমিলি হাস্পাতাল। প্ৰতিখন ফেমিলি হাস্পাতালত এজন ডাক্তৰ আৰু এজনী নাৰ্চ থাকে। দুয়ো একেটা ঘৰতে থাকিব লাগে। হাভানাৰ ওচৰৰ কেইখনমান গাওঁৰ ফেমিলি হাস্পাতাল কেইখনমান চাব গৈছিলো। ইখন হাস্পাতালৰ পৰা ইখন হাস্পাতাল দেখা যায়। কিউবাতকৈ আমাৰ দেশ বহুত চহকী। কিন্তু ইয়াত ৫ হাজাৰ মানুহৰ মাজতো এজন ডাক্তৰ নাই। এনেকি এটা উপস্বাস্থ্য কেন্দ্ৰও নাই যত মাত্ৰ এজনী ANM থাকিব লাগে। ১৯৮৮ চনত কিউবাত কৰ্মৰত ডাক্তৰৰ সংখ্যা ২২৯১০ জন। হাস্পাতালত ৰোগী ৰখা বিছনাৰ সংখ্যা ৬৪৫৫৫খন। মানুহৰ আয়ু গড়ে ৭৪ বছৰ।

"কৃষি, উদ্যোগ আদিতো উন্নতি হৈছে।" কিন্তু তেওঁ কয়, "উন্নতি দেখি আত্মসন্তুষ্টি লাভ কৰা উচিত নহয়। বিপ্লৱী সকলে কোনো বিষয়তে আত্মসন্তুষ্টি লাভ কৰিব নালাগে।" আত্মসন্তুষ্টিৰ বিৰুদ্ধে সাবধান হবলৈ জনগণক উদাত্ত আহ্বান জনায়।

দেশৰ ৰাজনৈতিক পৰিস্থিতি ব্যাখ্যা কৰি তেওঁ কয় যে কিউবাৰ আকাশৰ পৰা বিপদৰ ক'লা মেঘ আঁতৰা নাই। ১৯৫৯ চনৰ পৰা কিউবাৰ বিৰুদ্ধে মাৰ্কিন যুক্তৰাষ্ট্ৰৰ অৱৰোধ অব্যাহত। কেৱল ছোভিয়েতৰ সাহায্যই ৰক্ষা কৰিব নোৱাৰে। আগ্ৰাসী মাৰ্কিন সাম্ৰাজ্যবাদৰ পৰা কিউবাক ৰক্ষা কৰাৰ দায়িত্ব কিউবাৰ বিপ্লৱী জনগণৰ। কিউবাৰ সমাজতান্ত্ৰিক ব্যৱস্থা ধ্বংসৰ বাবে মাৰ্কিন প্ৰশাসনে ঘৃণনীয় চক্ৰান্ত কৰি আছে। সিহঁতৰ সকলো চক্ৰান্ত ব্যৰ্থ কৰি আমি কিউবাক আগুৱাই নিব লাগিব। অতীতত সিহঁতৰ বহু চক্ৰান্ত আমি ব্যৰ্থ কৰিছো। ভৱিষ্যতেও ব্যৰ্থ কৰিব লাগিব। আমাৰ শক্তিৰ উৎস আমাৰ বিপ্লৱী আদৰ্শ। বিপ্লৱী আদৰ্শ অৰ্থাৎ মাৰ্ক্সবাদ লেনিনবাদৰ শুদ্ধতা ৰক্ষাৰ বাবে অবিৰাম মতাদৰ্শগত সংগ্ৰাম চলাই থাকিব লাগিব। মতাদৰ্শগত সংগ্ৰাম চলাই নিয়াৰ বাবে এটা পাৰ্টিৰ প্ৰয়োজন। সেই পাৰ্টিটো কিউবাৰ কমিউনিষ্ট পাৰ্টি। পাৰ্টি অবিহনে সমাজবাদ প্ৰতিষ্ঠা সম্ভৱ নহয়। পাৰ্টিয়ে ৰাষ্ট্ৰক দুৰ্বল নকৰে, শক্তিশালীহে কৰে। পাৰ্টিয়ে জনগণক সংগঠিত কৰে। গতিকে পাৰ্টি শক্তিশালী কৰিব লাগিব।

সমাজবাদৰ প্ৰয়োজনীয়তাৰ কথা উল্লেখ কৰি তেওঁ কয়, "Socialism has transformed our society. Socialism has made us masters of our own mind. We believe in socialism. We must be careful in each step."

বিশ্বৰ বিভিন্ন সমাজতান্ত্ৰিক দেশৰ অভিজ্ঞতাৰ পৰা শিক্ষা গ্ৰহণৰ প্ৰয়োজনীয়তাৰ কথা স্বীকাৰ কৰিও সকলো কথাতে আনক নকল কৰাৰ পৰা বিৰত থাকিবলৈ জনগণলৈ আবেদন জনাই তেওঁ কয়, – WE NEED NOT COPY WE CREATF.

এই দুটি বাক্য মনৰ মণিকূটত লৈ ২৮ জুলাইৰ নিশা কিউবা এৰিলো।



কিউবা জনগণৰ অসীম শ্ৰদ্ধাৰ ব্যক্তি গৰাকী ঃ চে গুৱেভাৰা

# আমাৰ সমাজত প্ৰতিভাশালী মহিলাৰ সংখ্যা সীমিত কিয় ?

সুৰ্বণ ভূঞা



এই কথা অনস্বীকাৰ্য যে আমাৰ সমাজত প্ৰতিভাশালী মহিলাৰ সংখ্যা পুৰুষৰ তুলনাত কম। অকল আমাৰ সমাজতেই নে ? প্ৰাচ্য আৰু পশ্চিমৰ দেশ সমূহতো প্ৰতিভাশালী মহিলাৰ সংখ্যা সীমিত।

কিন্তু যি এমুঠিমান মহিলাই সৌভাগ্যবশতঃ সুযোগ সুবিধা পাইছে তেওঁলোকে নিজ নিজ কৰ্মক্ষেত্ৰত দক্ষতা, কাৰ্যকুশলতা, আৰু প্ৰতিভাৰ প্ৰমাণ দিছে। আনকি যিবোৰ কৰ্মক্ষেত্ৰ পুৰুষৰ অধিকাৰত বুলি ভবা হয়, বা এচামে দাবী কৰে তেনেবোৰ কৰ্মক্ষেত্ৰতো মহিলাই নিজ প্ৰতিভাৰে চিৰদিনীয়া স্বাক্ষৰ বহুৱাই গৈছে।

মহিলাসকল বুদ্ধি বৃত্তিত পুৰুষতকৈ হীন, এই মনোবৃত্তি অজ্ঞতাৰ পৰিচায়ক। কাৰণ ইয়াৰ কোনো বৈজ্ঞানিক ভিত্তি নাই। স্ত্ৰী পুৰুষৰ এই গুণগত দিশটোৰ পাৰ্থক্যৰ নানান কাৰণ নিহিত আছে। তাকে চালি-জাৰি নেচাই অনেক শিক্ষিত লোকে "স্ত্ৰীবুদ্ধিৰ" ওপৰত দোষাৰোপ কৰি স্বন্তুষ্টি লাভ কৰে। দুঃখজনক ভাবে অনেক শিক্ষিতা মহিলাও এনে মনোবৃত্তিৰ পৰা মুক্ত নহয়। শতাব্দী জুৰি চলি অহা নানান সংস্কাৰ গোড়ামি আৰু সংকীৰ্ণ মানসিকতাৰে তেওঁলোকৰ চিন্তা বিভ্ৰম্ভ। গতিকেই যি ধ্যান ধাৰণাৰে তেওঁলোকে সৰুৰে পৰা লালিত-পালিত হৈছে বা সমাজ আৰু ধৰ্মই বান্ধি দিয়া নীতি নিয়মৰ আবেষ্টনীৰ মাজত সীমিত আছে তেনে ধ্যান ধাৰণাৰে তেওঁলোকে চাৰিওফালৰ জগতখনিক চাই বা এনে কিছুমান মানসিকতা তেওঁলোকৰ গঢ়ি উঠে যি তেওঁলোকৰ প্ৰগতিৰ অন্তৰায় আৰু পুৰুষৰ তুলনাত তেওঁলোক অনেক বিষয়ত যেনে স্বাধীন চিন্তাশক্তি, আত্মবিশ্বাস আৰু সুস্থ শক্তিশালী চিন্তাৰ অধিকাৰী হব নোৱাৰে।

পুৰুষ সকলে অৱশ্যে স্ত্ৰী বুদ্ধিৰ ওপৰত দেখাত ভৰসা নকৰে যদিও নানান গুণেৰে সেই তাহানি যুগৰ পৰা নাৰীৰ গুণানুকীৰ্তন কৰি আহিছে।

কৰুণাময়ী, স্নেহশীলা, ধৈৰ্যশীলা আদি নানান কোমল গুণেৰে বিভূষিতা নাৰী জাতি। কথাখিনি অসত্যও নহয়। নাৰী হ'ল মাতৃ। মাতৃৰ সকলো ৰূপ স্নেহময়ী, মমতাময়ী, স্নেহশীলা ধৈৰ্যশীলা আদি বিৰল গুণৰ অধিকাৰী। আৰু ইয়াৰ বৈজ্ঞানিক ভিত্তিও আছে।

পুৰুষ আৰু নাৰীৰ শাৰীৰিক পাৰ্থক্য যেনেদৰে সুস্পষ্ট তেনেদৰে তেওঁলোকৰ স্বভাৱগত বৈশিষ্ট্যও সুস্পষ্ট। মানব শৰীৰৰ বিশেষ কিছুমান হৰমন আৰু কিছু শাৰীৰিক অঙ্গই পুৰুষ আৰু নাৰীৰ শাৰীৰিক বিবাদখিনিক স্পষ্ট কৰি তোলে। পুৰুষ আৰু নাৰীক অধিকাৰী কৰি তোলে বিশেষ কিছুমান গুণৰ। নাৰীয়ে যিহেতু সন্তান ধাৰণ কৰে তাৰ বাবে বিশেষ কিছু হৰমন আৰু কিছুমান তেওঁলোকৰ এই গুণসমূহৰ বিকাশ লাভ কৰায়। ইয়াৰ লগতে যি পাৰিবাৰিক, সামাজিক তথা ৰাজনৈতিক পৰিবেশত এটি কন্যা সন্তান লালিতা পালিতা হয় সেই পৰিবেশেও বহুলভাবে এনে গুণবোৰ বিকশিত হোৱাত সহায়ক হয়। পুৰুষৰ ক্ষেত্ৰতো এই একেখিনি কথাই সত্য।

কিন্তু পুৰুষ আৰু মহিলাৰ প্ৰতিভাৰ তুলনা কৰি চালে, মহিলা সকলৰ হতাশজনক অৱস্থাৰ বাবে তেওঁলোকৰ জন্মগত অথবা শাৰীৰিক অৱস্থান কোনোপধ্যেই দায়ী নহয়। পুৰুষ আৰু নাৰী উভয়েই জন্মগত সুত্ৰে বিশেষ বিশেষ কিছুমান প্ৰতিভাৰ অধিকাৰী হয়। কোনো যদি কলাসুলভ গুণৰ অধিকাৰী আন কোনো হয়তো অসাধাৰণ পাণ্ডিত্যৰ অথবা কাৰিকৰী অথবা অনেক সম্ভাৱনাপূৰ্ণ প্ৰতিভাৰ অধিকাৰী। মাত্ৰ সেই প্ৰতিভাৰ বিকাশ ঘটিবলৈ যিবোৰ বিশেষ পৰিস্থিতি– পাৰিবাৰিক, সামাজিক ৰাজনৈতিক ইত্যাদি সেই পৰিস্থিতি তথা বাতাবৰণ আৰু পাৰিপাৰ্শ্বিকতা পুৰুষ আৰু মহিলাৰ ক্ষেত্ৰত একে নহয়।

তৰ্কৰ খাতিৰত যদি পুৰুষ আৰু মহিলাৰ তুলনা কৰিবলৈ যাওঁ, কেইগৰাকীমান বিশ্ববিখ্যাত মহিলাৰ নাম লোৱাৰ পাছত হতাশ হৈ পৰিম। কিছু অতি উৎসাহী লোকে হয়তো প্ৰশ্ন কৰিব মহিলাৰ একান্ত নিজ কৰ্মক্ষেত্ৰবোৰতো দেখোন পুৰুষৰ জয়জয়কাৰ। হোটেলৰ ৰসাল ৰান্ধনিসকল, ফেচন দুনীয়াৰ যাদুকৰ কেইজন ইত্যাদি ইত্যাদি সদায় পুৰুষেই। কিন্তু প্ৰশ্ন উঠে কেইগৰাকী মহিলাই নিজ ৰান্ধনিশাল খনৰ পৰা ওলাই হোটেলৰ ৰান্ধনি ৰূপে বৃত্তি এটা লোৱাৰ সুযোগ সুবিধা পায় ? আন আন বৃত্তিৰ ক্ষেত্ৰতো একেই কথা। আজিৰ প্ৰফেচনেলিজমৰ যুগত অতি সীমিত সংখ্যক মহিলাইহে এনে সুযোগ সুবিধা পাই নিজকে প্ৰতিষ্ঠিত কৰিব পাৰিছে।

ঐতিহাসিক সকলে স্বীকাৰ কৰিছে যে প্ৰাগঐতিহাসিক যুগত নাৰী আৰু পুৰুষৰ সামাজিক পদমৰ্যাদাৰ বিশেষ কোনো পাৰ্থক্য নাছিল। বৰঞ্চ মাতৃতান্ত্ৰিক সামাজিক পৰিবেশত মহিলা সকলে বিশেষ কিছুমান মৰ্যাদাৰ অধিকাৰী আছিল।

নাৰীৰ এই সামাজিক পদমৰ্যাদাৰ লগত প্ৰতিভা বিকাশৰ বিশেষ ওচৰ সম্বন্ধ আছে বুলিয়েই এই বিষয়টি উত্থাপন কৰা হ'ল। ভাৰতীয় পৰিবেশত এই বিষয়টিৰ আলোচনা কৰিলে দেখা যায় যে বৈদিক যুগত নাৰীয়ে যেতিয়া বিশেষ কিছু সুযোগ আৰু সামাজিক মৰ্যাদা পাইছিল তেতিয়াই সৃষ্টি হৈছিল গাৰ্গী, মৈত্ৰেয়ী, লীলাবতী আদি প্ৰতিভাশালী নাৰীৰ। গোষ্ঠী সমাজৰ চিত্ৰ অঙ্কিত হৈ থকা ঋগবেদত নাৰী আৰু পুৰুষৰ সম মৰ্যাদাৰ লিপিবদ্ধ হৈ থকা স্তোত্ৰ সমূহ পোৱা যায়। তথাপি সেই স্তোত্ৰ সমূহৰ পৰা আন এখন চিত্ৰ আমাৰ সমুখত স্পষ্ট হয়, যুদ্ধজয়ী সকলে নাৰীক পণ্যসামগ্ৰীলৈ ৰূপান্তৰিত কৰি পশুধনৰ লগত ব্ৰাহ্মণক দান কৰিছিল আৰু তেওঁলোক পৰিণত হৈছিল দাসীলৈ। অৰ্থাৎ বৈদিক যুগৰ নাৰীক লৈ আমি সি অনুভব কৰো সেই সময়তো নাৰী সকল সামাজিক শোষণৰ পৰা মুক্ত নাছিল। ঘৰৰ বোৱাৰী সকল দাসীত কৈ কিছু ক্ষেত্ৰত হে উন্নত আছিল। নাৰীৰ ওপৰত ন্যস্ত আছিল সন্তান জন্ম দিয়াৰ পৰা লালন-পালন সকলো গৃহকৰ্ম আৰু খেতিবাতিৰ কাম। অৰ্থাৎ পুৰুষ সকলৰ এচামে যেতিয়া আজৰি পৰত নিজ নিজ ৰুচি আৰু প্ৰতিভা অনুসৰি নিজকে বিকাশ কৰিবলৈ সুযোগ পাইছিল গৃহকৰ্ম আৰু সামাজিক পৰ্দাৰ আঁৰত নাৰীয়ে হেৰুৱাইছিল লাহে লাহে এই সুযোগ আৰু সুবিধা। গঢ়ি উঠিছিল সামন্ততান্ত্ৰিক সমাজব্যৱস্থা আৰু নাৰীয়ে গতি কৰিছিল সংকীৰ্ণৰ পৰা সংকীৰ্ণতৰ অন্য এখন জগতলৈ। পৰিণত হৈছিল সন্তান জন্ম দিয়া যন্ত্ৰত, ভোগৰ পণ্য আৰু বিনামূলীয়া গৃহদাসীত।

স্বাভাৱিকতে সন্তান জন্ম দিয়া নাৰীৰ প্ৰকৃতি প্ৰদত্ত ধৰ্ম। কিন্তু সন্তান লালন-পালন নানান গৃহকৰ্ম খেতিবাতিৰ লগত জড়িত এগৰাকী নাৰীয়ে নিজৰ প্ৰতিভাৰ বিকাশ ঘটাবলৈ কিমানেই বা সুযোগ পায়। কিন্তু এনেবোৰ কৰ্মৰ মাজত ব্যস্ত থাকিও তেওঁলোকে শিল্পী সুলভ গুণ খিনি নিজ আবেষ্টনীৰ মাজতে বিকশিত কৰে। তাঁতৰ পাতত সপোন ৰচে। জুতি লগা নানান ব্যঞ্জনেৰে সকলোকে সন্তুষ্ট কৰে। পাৰিবাৰিক বান্ধোনখিনি নিজ স্নেহ, মমতা ত্যাগেৰে বান্ধি ৰাখে। কিন্তু এই গুণবোৰৰ সামাজিক স্বীকৃতি দাবীও নকৰে বা আশাও নকৰে। এই ছবিখিনি আজিৰ আধুনিক সমাজতো বহুখিনি সত্য। যৌথ পৰিয়ালবোৰত সমাজৰ ৰঙা চকু পাৰিবাৰিক নানান নীতি নিয়ম, দীঘল ওৰণিৰ তলত বহুতো সম্ভাৱনাময় প্ৰতিভা হেৰাই গৈছিল। তদুপৰি বাল্য বিবাহৰ প্ৰচলনে কেইজনী কিশোৰীক পূৰ্ণ যুৱতী অথবা সম্ভাৱনা পূৰ্ণ প্ৰতিভাশালী মহিলালৈ ৰূপান্তৰিত হোৱাৰ সুযোগ দিছিল ?

পৰবৰ্তী কালত বৃটিছৰ আশীৰ্বাদিত স্ত্ৰী শিক্ষাৰ প্ৰচলনে ভাৰতীয় নাৰীৰ মুক্তিৰ দুৱাৰ খন লাহে লাহে মেল খুৱালে। আৰু ইতিহাসৰ পাতত আমি লগ পালো সৰোজিনী নাইডু, বিজয়লক্ষী পণ্ডিত, ৰাণী গাইডুলু। ইতিহাসৰ আৰু কিছু আগৰ পাত লুটিয়ালে আমি লগ পাওঁ ঝান্সীৰ ৰাণী লক্ষীবাই, চুলতানা ৰেজীয়া, অসমৰ মূলাগাভৰু, ফুলেশ্বৰী কুৱঁৰী।

কিন্তু বিশেষ কিছুমান ৰাজনৈতিক তথা সামাজিক বাতাবৰণে এই সকল মহিলাক জন্ম দিছিল। ইন্দিৰা গান্ধী লালিতা-পালিতা হৈছিল জৱহৰলাল নেহেৰুৰ দৰে পিতৃৰ ডেউকাৰ তলত, আৰু বিশেষ এটা ৰাজনৈতিক সামাজিক পৰিবেশত। তেনে পাৰিবাৰিক সামাজিক ৰাজনৈতিক সুবিধাৰ অধিকাৰী হোৱা মহিলাৰ লেখ হাতৰ আঙুলিত।

অৱশ্যে বৰ্তমান সমাজৰ এই ছবিখনৰ যথেষ্ট পৰিবৰ্তন ঘটিছে। অলেখ বিদুষী মহিলাৰ প্ৰবেশ ঘটিছে বিভিন্ন কৰ্মক্ষেত্ৰত। শিল্পী, সাহিত্যিক, কবি, চিকিৎসক, বৈজ্ঞানিক, শিক্ষাবিদ আনকি আধুনিক প্ৰযুক্তি বিদ্যাৰ নানান বিভাগ, পাইলট, ইঞ্জিনীয়াৰ আদি বিভিন্ন কৰ্মক্ষেত্ৰত অলেখ সুদক্ষ প্ৰতিভাশালী মহিলাৰ প্ৰবেশ ঘটিছে।

তথাপি সংখ্যাত পুৰুষৰ তুলনাত এতিয়াও তেওঁলোক যথেষ্ট কম বুলিয়েই কব লাগিব। অলেখ পিতৃ-মাতৃয়ে তেওঁৰ কন্যা সন্তানটিক গৃহকৰ্মত নিপুণ হোৱাটোকে এতিয়াও কামনা কৰে। তাই যাতে ভৱিষ্যতত এগৰাকী সুনিপুণা গৃহিনী, পত্নী হিচাপে সুনাম অৰ্জন কৰিব পাৰে তাকেই কামনা কৰে। সৰুৰে পৰা কন্যা শিশুটি এনে এটি মানসিকতাৰে গঢ়ি উঠে যে তাই নিজেই কব নোৱৰাকৈয়ে প্ৰভাবিত হয় এনে আত্মঘাতী মানসিকতাৰে নিজকে গঢ়ি তোলাৰ প্ৰয়াস কৰে এগৰাকী সু-পত্নী আৰু গৃহিনী ৰূপে। সমাজত নিজৰ ব্যক্তিত্ব তথা প্ৰতিভাৰ বিকাশ ঘটাই স্বাধীন মনৰ ব্যক্তি ৰূপে গঢ়ি উঠাৰ বাসনা বহুত কম সংখ্যক ছোৱালীৰ মাজতেই দেখিবলৈ পোৱা যায়। বহুত পিতৃ মাতৃয়ে ছোৱালী বুলিয়েই নানান ধৰণৰ বৃত্তিৰ পৰা সন্তানটিক বিৰত ৰাখে। খেলা-ধূলা, চিনেমা, নাটক কাৰিকৰী নানা বৃত্তিত আমি সেই বাবেই বহুত সংখ্যক মহিলাক লগ পাওঁ। প্ৰযুক্তিবিদ্যাৰ বিশাল পৃথিৱীখনত ক'ত ধৰণৰ সম্ভাৱনাপূৰ্ণ বৃত্তিৰ পৰা ছোৱালী বুলিয়েই বঞ্চিত হয় তেওঁলোক, সুযোগ হেৰুৱাই নিজকে স্বাৱলম্বী কৰি তোলাত, নিজৰ ৰুচি আৰু প্ৰতিভাৰ বিকাশ ঘটোৱাত।

অৱশ্যেই আমাৰ সমাজত হতাশজনক ভাবেই এতিয়াও গঢ়ি উঠা নাই এনে পাৰিবাৰিক তথা সামাজিক পৰিবেশ। অথবা এনে পাৰিপাৰ্শ্বিকতাৰ পূৰ্ণবিকাশ ঘটাবলৈ জোৰদাৰ কোনো সামাজিক, ব্যক্তিগত অথবা ৰাজনৈতিক প্ৰচেষ্টা, যি উৎসাহিত কৰিব পাৰে পিতৃ-মাতৃক কন্যা সন্তানটিক যি কোনো এটা বৃত্তিক নিজ ৰুচি আৰু প্ৰতিভা অনুসৰি বাছি লবলৈ।

গতিকেই "স্ত্ৰী জাতিৰ চুটি বুদ্ধি" এই বদনামটি গুচাবলৈ এক সামূহিক প্ৰচেষ্টা চলাব লাগিব। ইয়াৰ বাটকটীয়া হব লাগিব মহিলাসকলেই। জোৰদাৰ কৰি তুলিব লাগিব ব্যক্তিগত, সামাজিক ৰাজনৈতিক প্ৰচেষ্টা, যাৰ ভৱিষ্যতৰ আকাশত আমি মহিলাসকলৰ মাজৰ পৰাও অলেখ তৰাৰ জিলিকনি দেখিবলৈ পাওঁ। ■

# মানসিক পুষ্টিহীনতা

শৰীৰৰ বিকাশৰ কাৰণে যেনেকৈ পুষ্টিকৰ সুষম আহাৰৰ প্ৰয়োজন, মনৰ বিকাশৰ কাৰণে পুষ্টিকৰ মানসিক আহাৰৰ প্ৰয়োজন তাতোকৈ কোনো গুণেই কম নহয়। মনে তাৰ আহাৰ সংগ্ৰহ কৰে ঘাইকৈ অধ্যয়ন, আলোচনা আৰু সৎ-সঙ্গৰ পৰা। শৰীৰৰ নিচিনাকৈ মনেও নিয়মিতভাবে আহাৰৰ যোগান পাই নাথাকিলে সি এদিন পঙ্গু হৈ পৰে, অৰ্থাৎ সি চিন্তা কৰাৰ শক্তি হেৰুৱাই পেলায়। যিখন সমাজত মানসিকভাবে পঙ্গু লোকৰ সংখ্যা বেছি তেনে সমাজে কেতিয়াও উন্নতি কৰিব নোৱাৰে। ভিক্ষাৰীয়ে যেনেকৈ আনে পুতৌ কৰি দলিয়াই দিয়া অখাদ্য-কুখাদ্য বা উচ্ছিষ্ট খাই জীয়াই থাকিবলৈ বাধ্য হয়, ঠিক তেনেকৈ মানসিকভাবে পঙ্গু এটা জাতি বা এখন সমাজেও উন্নত সমাজৰ উচ্ছিষ্ট খাই জীয়াই থাকিবলৈ বাধ্য হয়।

আমাৰ নিজৰ সমাজখন অৰ্থাৎ অসমীয়া সমাজৰ কথাই বিচাৰ কৰি চোৱা যাওক। অসমীয়া মানুহে কিতাপ নপঢ়ে। পঢ়িব খোজা সকলৰ কাৰণেও ভাল কিতাপ দুষ্প্ৰাপ্য আৰু দুৰ্মূল্য। জ্ঞানানুশীলনৰ অন্যান্য প্ৰয়াসো – অৰ্থাৎ নিয়মিতভাবে বিভিন্ন বিষয়ৰ বক্তৃতা, আলোচনা আৰু তৰ্ক-সভা আদিৰ নিচিনা অনুষ্ঠানো অসমত নাই বুলিলেই হয়। বাহিৰৰ জগতখনে কি অবিশ্বাস্য দ্ৰুতগতিৰে জ্ঞান-বিজ্ঞানৰ নব নব সীমান্ত জয় কৰিবলৈ আগবাঢ়ি গৈছে সেইবোৰৰ কোনো খবৰ আমি নাৰাখো বা ৰখাৰ প্ৰয়োজন অনুভৱ নকৰো। আমাৰ তথাকথিত শিক্ষিত ডেকা-গাভৰুৱে মনৰ আহাৰ সংগ্ৰহ কৰে ভিডিঅ' পাৰ্লাৰৰ পৰা, চাহৰ দোকানৰ আড্ডাৰ পৰা, ফিল্ম মেগাজিনৰ পৰা। আৰু অৱশ্যে বাতৰি কাকতৰ পৰা। কাৰণ কিতাপক যমৰ দৰে ভয় কৰা মানুহেও বাতৰি কাকতখন বোধহয় দিনটোত অন্ততঃ এবাৰ হাতত তুলি লয়। আহাৰ-নিদ্ৰাৰ নিচিনাকৈ বাতৰি কাকত পঢ়াটোও আধুনিক মানুহৰ এটা এৰিব নোৱৰা অভ্যাসত পৰিণত হৈছে। সেই ফালৰ পৰা চাবলৈ গলে বাতৰি কাকতে পাঠকক উৎকৃষ্ট মানসিক আহাৰ যোগোৱাৰ কামত এটা গুৰুত্বপূৰ্ণ ভূমিকা ল'ব পাৰিলেহেঁতেন। কিন্তু আমাৰ বাতৰি কাকতবোৰে দিনৰ পিছত দিন আৰু সপ্তাহৰ পিছত সপ্তাহ ধৰি ৰাজনীতিৰ খোচা-বিন্ধা, কামোৰা-কামুৰি আৰু গালি-শপনিৰ দুৰ্গন্ধ গেলা-পচা বাতৰি পৰিবেশন কৰাৰ বাহিৰে আন কিবা মানসিক আহাৰৰ যোগান ধৰেনে? এখন দেশৰ মানুহে যদি দিনৰ পিছত দিন কেৱল এনেবোৰ মানসিক অখাদ্য আৰু কুখাদ্য খায়েই জীয়াই থাকিবলৈ হয়, তেন্তে সেইবোৰ মানুহ মানসিকভাবে পঙ্গু নহৈ আন কি হ'ব? তেনেবোৰ মানসিক পঙ্গু মানুহে ভিক্ষাৰীৰ দৰে আনৰ এৰেহা খাই জীয়াই নাথাকি আন কি প্ৰকাৰে জীয়াই থাকিব?

জ্ঞানৰ প্ৰচাৰত তথা মানুহৰ মানসিক বিকাশত বাতৰি কাকতেও কি প্ৰকাৰে সহায় কৰিব পাৰে তাৰে এটা উদাহৰণ দিব খুজিছো। যোৱা সংখ্যা 'সূত্ৰধাৰত' ডঃ মৰ্টিমাৰ এডলাৰৰ কথা উল্লেখ কৰিছিলো (সম্পাদকৰ টোকাবহী : 'চৌসত্তৰজন সৰ্বশ্ৰেষ্ঠ লেখক' দ্ৰষ্টব্য)। 'চিকাগো ছান-টাইমছ' আৰু 'চিকাগো ডেইলি নিউজ' নামৰ দুখন বাতৰি কাকতৰ প্ৰকাশকৰ অনুৰোধত ডঃ মৰ্টিমাৰ এডলাৰে সেই কাকত দুখনত এটা সাপ্তাহিক কলম লিখিছিল। কলমটোৰ বিষয়বস্তু আছিল : Great Ideas from the Great Books। ডঃ এড্‌লাৰে প্ৰথমে পাঠক সকলৰ পৰা বিভিন্ন বিষয়ৰ ওপৰত প্ৰশ্ন আহ্বান কৰে। হাজাৰ হাজাৰ পাঠকৰ পৰা প্ৰশ্নবোৰ পোৱাৰ পিছত উত্তৰ দিবৰ কাৰণে তেওঁ কিছুমান প্ৰশ্ন বাছি লয়। প্ৰশ্নবোৰৰ নমুনা এনে ধৰণৰ : (১) সত্য কি? (২) দৰ্শন কি? (৩) প্ৰাচীনকালৰ বৈজ্ঞানিক ৰচনাবোৰ এতিয়া আমি কিয় পঢ়িব লাগে? (৪) কৃতকাৰ্যতাই জীৱনৰ একমাত্ৰ সাৰ্থকতানে? (৫) মহৎ গ্ৰন্থৰ লক্ষণ কি? (৬) বিশ্বাস আৰু যুক্তিৰ মাজত পাৰ্থক্য কি? (৭) আত্মাৰ অমৰত্বৰ ধাৰণাৰ কিবা ভিত্তি আছেনে? (৮) টান কিতাপ কেনেকৈ পঢ়িব লাগে? – ইত্যাদি। প্ৰশ্নবোৰৰ উত্তৰত ডঃ এড্‌লাৰে নিজৰ কথা একো নকয়। পাশ্চাত্য জগতৰ সৰ্বশ্ৰেষ্ঠ গ্ৰন্থবোৰে কিভাবে এই প্ৰশ্নবোৰৰ উত্তৰ দিবলৈ চেষ্টা কৰিছে কেৱল সেই কথা ব্যাখ্যা কৰি তেওঁ বিভিন্ন দৃষ্টিকোণৰ পৰা প্ৰশ্নবোৰ বিচাৰ কৰি চাবলৈ পাঠকসকলক সহায় কৰে।

এনে এটা গুৰু-গম্ভীৰ বিষয়ৰ ওপৰত লেখা ডঃ এড্‌লাৰৰ সাপ্তাহিক কলম ইমান জনপ্ৰিয় হ'ল যে মাত্ৰ এবছৰৰ ভিতৰতে ২৮খন দৈনিক বাতৰি কাকতে সেই কলম প্ৰকাশ কৰিবলৈ ধৰিলে। সেই ২৮খন কাকতৰ ভিতৰত এখন আছিল 'টকিও কেনক্যু শ্বা' নামৰ এখন জাপানী ভাষাৰ কাকত। এইবোৰ অৱশ্যে প্ৰায় ত্ৰিশবছৰ মানৰ আগৰ কথা। এতিয়াও তেওঁৰ কলমটো চলি আছেনে নাই সেই কথা নাজানো। সি যি কি নহওক, ডঃ এড্‌লাৰৰ সাপ্তাহিক কলমৰ এটা নমুনা তলত দিয়া হ'ল। ডঃ এড্‌লাৰৰ আটাইবোৰ প্ৰশ্নোত্তৰ 'সূত্ৰধাৰত' প্ৰকাশ কৰিবলৈ ইচ্ছা আছে – যদিহে অৱশ্যে কমেও ১০০ জন পাঠকে তাৰ কাৰণে অনুৰোধ কৰি চিঠি লিখে।



প্ৰশ্ন : সম্প্ৰতি বৈজ্ঞানিক শিক্ষাত গণিতৰ ওপৰত বিশেষ গুৰুত্ব দিয়া হৈছে। বহুতো দাৰ্শনিকেও গাণিতিক চিন্তাক অতিশয় মূল্যবান বুলি বিবেচনা কৰে। গণিতৰ বৈশিষ্ট্য কি, আৰু দৰ্শন আৰু বিজ্ঞান উভয় ক্ষেত্ৰতে গণিতে ইমান গুৰুত্ব লাভ কৰাৰ কাৰণ কি?

ডঃ এড্‌লাৰৰ উত্তৰ :

প্ৰিয় পাঠক,

পশ্চিমীয়া চিন্তাধাৰা ঠিক আৰম্ভ হোৱাৰ মুহূৰ্ততে গ্ৰীক ঐতিহাসিক হেৰোদতাছে গণিতৰ গুৰুত্ব আৰু ব্যৱহাৰিক প্ৰয়োজন স্বীকাৰ কৰি লৈছিল। তেওঁৰ মতে প্ৰাচীন মিচৰৰ মাটি জৰীপ কৰোতা ৰাজ-কৰ্মচাৰী সকলেই আছিল জ্যামিতিৰ জন্মদাতা। বস্তুতঃ জ্যামিতিৰ আদিম অৰ্থই আছিল 'মাটিৰ জোখ-মাখ'। কিন্তু গ্ৰীক দাৰ্শনিকসকলে, বিশেষকৈ প্লেতোৱে, গণিতক কেৱল মাটি জোখা বা গ্ৰহ নক্ষত্ৰৰ অৱস্থান নিৰ্ণয় কৰাৰ কামত প্ৰয়োগ কৰাৰ প্ৰৱণতাক ঘৃণাৰ দৃষ্টিৰে চাইছিল। প্লেতোৰ মতে গণিতৰ অধ্যয়নেই হ'ল দাৰ্শনিক চিন্তাৰ আদৰ্শ প্ৰস্তুতি, কাৰণ গণিতৰ অধ্যয়নে মানুহৰ মনক কেৱল ইন্দ্ৰিয়-গ্ৰাহ্য বস্তুবোৰৰ পৰা আঁতৰাই আনি সংখ্যা, চিহ্ন আৰু অনুপাত আদি বিমূৰ্ত ধাৰণাবোৰৰ বিষয়ে চিন্তা কৰিবলৈ উদগনি দিয়ে।

দৰ্শন সম্পৰ্কে প্লেতোৱে ব্যক্ত কৰা এই অভিমতে দাৰ্শনিকসকলৰ মাজত বিতৰ্কৰ সৃষ্টি কৰি তেওঁলোকক দুটা শিবিৰত বিভক্ত কৰিছে। এই বিতৰ্ক প্লেতোৰ দিনৰ পৰা আজিলৈকে চলিয়েই আছে। এৰিষ্টটল প্লেতোৰ লগত এই কথাত একমত যে গণিতৰ ব্যৱহাৰিক প্ৰয়োজন থকাৰ ওপৰিও বিশুদ্ধ জ্ঞান হিচাপেও ইয়াৰ নিজস্ব মূল্য আছে। কিন্তু সেই বুলি একমাত্ৰ গণিতকেই সকলো দাৰ্শনিক জ্ঞানৰ আৰ্হি বুলি তেওঁ কোনো পধ্যেই মানি ল'ব নোখোজে। প্লেতোৰ অনুগামীসকলে দৰ্শন আৰু গণিতক একাকাৰ কৰি পেলাইছে – যাৰ ফলত নিজৰ দাৰ্শনিক চিন্তাক গাণিতিক আঙ্গিকত প্ৰকাশ কৰিব নোখোজা শিক্ষকৰ বক্তৃতা তেওঁলোকে সমূলি শুনিবই নোখোজে। এৰিষ্টটলৰ মতে বিজ্ঞানৰ প্ৰত্যেকটো শাখাৰেই নিজস্ব পদ্ধতি থাকে – যিটো পদ্ধতি তাৰ অধ্যয়নৰ বিষয়ৰ লগত সঙ্গতিপূৰ্ণ। সেই কাৰণে বিজ্ঞানৰ সকলো শাখাৰ অধ্যয়নতে গাণিতিক পদ্ধতি ব্যৱহাৰ কৰা উচিত নহয়।

গণিতৰ ব্যৱহাৰ সম্পৰ্কে এই প্ৰাচীন মতনৈক্যৰ আধুনিক কালত পুনৰাবৃত্তি হোৱা দেখা গৈছে ডেকাৰ্টে আৰু কান্টৰ পৰস্পৰ-বিৰোধী দৃষ্টিভঙ্গীত। ডেকাৰ্টে এজন মহান গণিতজ্ঞ আৰু দাৰ্শনিক। তেওঁৰ মতে গাণিতিক পদ্ধতিয়েই হ'ল জ্ঞানৰ মন্দিৰলৈ একমাত্ৰ প্ৰবেশ-পথ। পৰিদৃশ্যমান বিশ্ব-ব্ৰহ্মাণ্ডকে ধৰি সকলো বিষয়ৰে জ্ঞান একমাত্ৰ গাণিতিক পদ্ধতিৰ দ্বাৰাইহে আমি আহৰণ কৰিব পাৰো। নিউটন আৰু অন্যান্য মহান আধুনিক বিজ্ঞানীসকলৰ দৰে ডেকাৰ্টেও বিশ্বাস কৰে যে বস্তু-বিশ্বৰ ৰহস্য উদ্‌ঘাটন কৰাৰ সৰ্বোত্তম উপায় হ'ল গাণিতিক বিশ্লেষণ। বস্তু-বিশ্বৰ মূল গাঁথনিটোৱেই এনেকুৱা যে সঠিক আৰু নিৰ্ভুল গাণিতিক সংজ্ঞাত তাক প্ৰকাশ কৰিব পাৰি।

গাণিতিক সূত্ৰৰ সহায়েৰে যে প্ৰাকৃতিক জগতৰ ৰহস্য অধ্যয়ন কৰিব পাৰি সেই কথা কান্টে মানি লৈছে। তেওঁ নিউটনৰ প্ৰতিভাৰো প্ৰশংসা কৰে। কিন্তু লগতে তেওঁ এই কথাও ক'ব খোজে যে গণিতে যিটো ক্ষেত্ৰত অসাধাৰণ কৃতিত্ব দেখুৱাইছে তাত বস্তুবোৰৰ সংখ্যাগত সম্পৰ্কৰ জ্ঞানেই যথেষ্ট। কিন্তু জ্ঞানৰ অনুশীলনৰ অন্যান্য যিবোৰ ক্ষেত্ৰত বস্তুবোৰৰ সংখ্যাগত সম্পৰ্কৰ জ্ঞানেই যথেষ্ট বুলি বিবেচিত নহয় সেইবোৰ ক্ষেত্ৰতো একমাত্ৰ গণিতকেই সাৰথি বুলি গণ্য কৰিলে ডাঙৰ ভুল কৰা হ'ব। কান্টে ক'ব খোজে যে আমি যদি কেতবোৰ সুস্পষ্ট সংজ্ঞা আৰু সূত্ৰৰ পৰা যাত্ৰা আৰম্ভ কৰি নিশ্চিত আৰু নিৰ্ভুল সিদ্ধান্তত উপনীত হ'ব খোজো তেন্তে সেই পদ্ধতিৰ দ্বাৰা আমি অতি গুৰুত্বপূৰ্ণ কেতবোৰ বিষয়ৰ জ্ঞান কেতিয়াও আয়ত্ত কৰিব নোৱাৰিম। এই কথা আটাইতকৈ বেছিকৈ প্ৰযোজ্য দাৰ্শনিক জ্ঞানৰ ক্ষেত্ৰত। কাৰণ দাৰ্শনিক জ্ঞানৰ ক্ষেত্ৰত অনুসন্ধানৰ শেষতহে আমি কিবা এটা মীমাংসালৈ আহিব পাৰো; আৰম্ভণিতে নহয়। তদুপৰি যি নীতিশাস্ত্ৰক দৰ্শনৰ চূড়ান্ত কীৰ্তি বুলি গণ্য কৰা হয় সেই নীতি-শাস্ত্ৰৰ ক্ষেত্ৰতো গাণিতিক পদ্ধতিৰ একো ভূমিকা নাই।

যোৱা কেইবা শতাব্দী ধৰি গণিতৰ ক্ষেত্ৰত বিৰাট পৰিবৰ্তন ঘটিছে। কিন্তু দাৰ্শনিকসকলৰ মাজত এই প্ৰাচীন বিতৰ্কৰ আজিও অবসান হোৱা নাই। উদাহৰণ স্বৰূপে বৰ্তমান কালৰ দাৰ্শনিকসকলৰ ভিতৰত বাট্ৰাঁণ্ড ৰাছেলে দাৰ্শনিক সমস্যাবোৰৰ সমাধানৰ কাৰণে গণিতৰ প্ৰয়োগৰ পোষকতা কৰে; কিন্তু আনহাতে জন ডিওৱিয়ে একেবোৰ সমস্যাৰ সমাধানৰ কাৰণে জীৱবিজ্ঞান আৰু সম্পৰীক্ষাৰ সহায় ল'ব বিচাৰে। কিন্তু সকলো ধৰণৰ জ্ঞানৰ আৰ্হি হিচাপে গণিতৰ মূল্য সম্পৰ্কে দাৰ্শনিকসকলৰ মাজত গভীৰ মত-পাৰ্থক্য থাকিলেও এটা কথাত কিন্তু তেওঁলোক সকলোৱেই একমত : সেইটো হ'ল এই যে গণিতে কোনো ধৰণৰ সম্পৰীক্ষা আৰু অভিজ্ঞতা-লব্ধ জ্ঞানৰ সহায় নোলোৱাকৈয়ে কেৱল যুক্তিপূৰ্ণ বিশ্লেষণৰ দ্বাৰা সঠিক আৰু নিশ্চিত জ্ঞানৰ সন্ধেদ দিব পাৰে।

গণিতৰ প্ৰধান বৈশিষ্ট্য হ'ল স্পষ্টতা, কঠোৰ নিয়ম-নিষ্ঠা আৰু যুক্তিবাদিতা। এই বৈশিষ্ট্যবোৰৰ কাৰণেই শিক্ষাবিদসকলে যুগ যুগ ধৰি গণিতৰ শিক্ষাৰ ওপৰত বিশেষ গুৰুত্ব দি আহিছে। প্লেতোৰ মতে গণিত হ'ল এনে এক অনুশাসন – যি মানুহৰ মনটোক বিমূৰ্ত তত্ত্ব আৰু সম্পৰ্কবোৰৰ বিষয়ে ধ্যান কৰিবলৈ উদ্বুদ্ধ কৰে। গণিতে বিশ্বজগতৰ সংখ্যাগত দিশটো মানুহৰ কাৰণে বোধগম্য কৰি তোলে। গণিতৰ উচ্চতম ব্যৱহাৰিক মূল্য হ'ল এইটোৱেই যে ই মানৱ-মনৰ বিকাশত এটা গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।

# অসমৰ বৰ্তমান পৰিস্থিতিক উপলব্ধিৰ বাবে

পুলিন বৰকটকী

বৰ্তমান সময়ত অগ্নিগৰ্ভ অসমৰ সমস্যা সমাধান কৰিবলৈ যোৱাটো আৰু পৰিকল্পিত আন্দোলন আৰু আবেগিক চৰিত্ৰৰ মুখামুখী হৈ ৰাজ্য আৰু ৰাজ্যখনৰ জনগণৰ উত্তৰণ, বিকাশ ঘটাব বিচৰাটো মুখ্য মন্ত্ৰীজনৰ বাবে এক গুৰুত্বৰ প্ৰত্যাহ্বান। সমস্যা সমাধান কৰিব লাগে বুলি ৰাজনৈতিক আৰু অৰাজনৈতিক সংগঠনে দাবী কৰিলেও সমস্যা সমাধানৰ পথ দিব পৰা জ্ঞান আৰু দূৰদৰ্শিতাৰ অভাৱ ৰাৰুকৈয়ে দেখা গৈছে। ব্যক্তি সন্ত্ৰাসত মাত মাতিবলৈ ভয় কৰা দল আৰু সংগঠনে পুলিচ, মিলিটাৰীৰ নিয়ন্ত্ৰণ আৰু কোনো ক্ষেত্ৰত দুৰ্ভাগ্যজনক পৰিস্থিতিৰ বাবে ঘটা নিৰ্যাতনৰ কাৰণে আঁথে ফুটোৱা আৰম্ভ কৰে। আনহাতে ব্যক্তি সন্ত্ৰাসৰ ভয়ত আঞ্চলিক ৰাজনৈতিক দলৰ নেতাই চৰকাৰৰ নিৰাপত্তাৰক্ষী চিপাহীৰে নিজক সুৰক্ষিত কৰি ৰাখিব বিচাৰে। ৰাষ্ট্ৰসন্ত্ৰাসৰ বিৰুদ্ধে মুখৰ হোৱা অধ্যাপক, অধ্যক্ষ কিম্বা শিক্ষকে পৰীক্ষাত নকল কৰাৰ অভিযোগত পৰীক্ষা গৃহৰ পৰা বহিষ্কৃত কৰা ছাত্ৰ-ছাত্ৰীৰ ভয়ত পুলিচৰ সহায় বিচাৰে। অসমীয়া বাপতি সাহোন বিহুৰ বিহুতলীত গীত গাবলৈ যোৱা একমাত্ৰ আন্তৰ্জাতিক খ্যাতি সম্পন্ন অসমীয়া গায়ক পদ্মশ্ৰী ডঃ ভূপেন হাজৰিকাক অসমীয়া গুণ্ডাই আটক কৰি ৰাখিলে পুলিচেহে মুকলি কৰি আনিব লাগে। বৰ অসমৰ জাতিসত্তাৰ কথা সঘনে মুখত উচ্চাৰণ কৰা অসমৰ ৰাজনৈতিক আৰু অৰাজনৈতিক সংগঠনৰ নেতা সকলে জনজাতি সকলৰ অন্তৰলৈ সোমাব নিবিচাৰে। হিন্দু-মুছলমান প্ৰীতি-সমন্বয়ৰ কথা কোৱা, আলোচনাত ভাগলোৱা সকলৰ বাবে ফৰমুদ আলী আৰু শংকৰদেৱতে সমন্বয়ৰ বতৰা শেষ কৰে। অসমীয়া জাতীয়সত্তা ৰক্ষাৰ নামত জাগ্ৰত হোৱা জাতীয় চেতনাক এক চুক্তি পত্ৰত বিক্ৰী কৰি ৰাজভোগৰ অদম্য হেঁপাহ পূৰণ কৰাত ব্যস্ত হৈ পৰে নবীন সমাজ। শিক্ষাৰ পৱিত্ৰতা ৰক্ষা কৰাত হাজাৰ মিটাৰ কাপোৰেৰে লিখা শ্লোগানৰ কাপোৰে শিক্ষানুষ্ঠানৰ নকল নবিছ আৰু উদণ্ড ছাত্ৰহঁতৰ উলঙ্গ চৰিত্ৰক ঢাকি ৰাখিবলৈ অপাৰগ হয়। শোষণ আৰু অপশাসন শব্দই বিগত আঞ্চলিক চৰকাৰৰ চৰিত্ৰক অধিক লঘু কৰিব ধৰাত আৰু বুমেৰাং হৈ নিজৰ কৰ্মসংস্কৃতিক জঘন্যভাবে প্ৰহাৰ কৰাত শাক্ত-বৈষ্ণৱৰ বিতৰ্কিত খুৰেৰে মূৰ খুৰুওৱা আৰম্ভ কৰাৰ বাহিৰে গত্যন্তৰ নোহোৱাত পৰিছে। কাৰণ তেওঁলোকৰ পতৃয়ে কৰি যোৱা ব্যভিচাৰৰ বাবে পুত্ৰসকলৰ হাতত 'ত্যাজ্যপিতৃ'ৰ বাহিৰে আন অস্ত্ৰ নাই।

কিন্তু পৰিতাপৰ বিষয় – অসম এনে এখন ৰাজ্য, এই ৰাজ্যখনৰ জনগণেই অকাম্যভাৱে সৰ্বত্ৰত কোনো এটাও বিষয় গ্ৰহণ কৰিব নোৱাৰে। শাক্ত-বৈষ্ণৱ, এঘাৰদিনীয়া, মাহেকীয়া, মূৰ খুৰুৱা মূৰ নুখুৰুৱা লৈও বিতৰ্কৰ অবতাৰণাই মুণ্ডনৰ লেখিয়া ত্যাগতো বাধাদান কৰিব পৰা অশুভ শক্তি এইখন অসমতহে আছে? কিন্তু দুদিনমান আগলৈকে এটা কথাই সৰ্বাধিক স্তৰ আৰু পৰ্যায়ত স্পষ্ট ভাষাত দেখিবলৈ পোৱা গৈছিল যে ছাত্ৰ সমাজৰ কাৰণে গুৱাহাটীখন যেন এখন সাৰুৱা আৰু যি কোনো আন্দোলনৰ উৰ্বৰ ভূমি। আৰু এই মহানগৰীৰ কেইখনমান বাতৰি কাকত হ'ল কঠীয়াপৰা কঠীয়াতলি। কঠীয়াতলিৰ কঠীয়া উৰ্বৰ ভূমিত ৰোপণ হোৱাৰ লগে লগে যি দৰে বাঢ়িব ধৰে, ঠিক তেনেদৰে বাতৰি কাকতত বিবৃতি প্ৰকাশৰ লগে লগেই আন্দোলনৰ কোব চৰিব ধৰে। লগেভাগে উন্নত জাতৰ সাৰৰ দৰে উগ্ৰজাতীয়তাবাদৰ দাৰ্শনিক সকলে সাৰ জাৱৰ চপাই সহায় আৰু ত্যাগ (?) আগবঢ়োৱাত তথাকথিত বুদ্ধিজীৱী সাংবাদিকৰ কলমত নেতা-নেত্ৰী সকল, লাচিত, মুলাগাভৰু হৈ ধৰা দিব ধৰে। কিন্তু বিশ্বত সৰ্বপ্ৰথম বাৰৰ কাৰণে দুণ্ডণ প্ৰক্ৰিয়াৰে আন্দোলনৰ দ্বাৰ উন্মোচন কৰা সত্ত্বেও কোনো প্ৰতিক্ৰিয়া সগোত্ৰতে নঘটিল। দেখা গৈছে অসমীয়া মানুহ চালাক হৈছে; গুলি খায় মৰিলে এক লাখ টকা, ছহিদ হলে ত্ৰিশ হাজাৰ টকা। গতিকে একলাখ লোৱাই ভাল। কাৰণ বীৰ-পুৰুষক এবাৰ মাৰিলে তেওঁ দ্বিতীয় বাৰৰ বাবে আহিব; দ্বিতীয়বাৰ মাৰিলে হাজাৰবাৰলৈ আহিব। গতিকে গুলি খায় মৰিলে বীৰ আৰু আন্দোলনত মৰিলে ছহিদ। বীৰৰ মৰণ নাই, ছহিদ হয় বন্দী, ইটা চপৰাৰ মাজত; অনাদৃত ভাবে হাবি জংঘলৰ আঁৰত।

অসমীয়া আন্দোলনকাৰীক কি লাগে, নেতা সকলেই নেজানে; ৰাইজেনো কেনেকৈ জানিব, যি সকল ৰাইজে আগ-পাছ নুবুজি কেৱল ঢাপলি মেলে। ঢাপলি মেলাই যাৰ কাম। অসমৰ জনসংখ্যা কিমান নেজানে। এই জনসংখ্যাৰ ভিতৰত নিজকে অসমীয়া বুলি দাবী কৰাৰ সংখ্যা কিমান নেজানে। কিন্তু বড়ো জাতিৰ জনসংখ্যাৰ গাঁথনিত গুৱাহাটীত বহি হাঁহিব বিচৰা অসমীয়া যুৱ নেতাৰ অভাৱ নাই। শিলপুখুৰী বা জালুকবাৰীক অসম বুলি ভবা উগ্ৰজাতীয়তাবাদী যুৱ নেতা বহুতেই দক্ষিণ শালমৰা দেখা নাই। দেখা নাই নিশ্চয় শদিয়া। চাহবাগান দেখিছে, কিন্তু চাহ জনজাতিৰ সংখ্যা কিমান নেজানে। মিৰি জনজাতিৰ সংখ্যা কিমান নেজানে। নেপালী সম্প্ৰদায়, বঙালী সম্প্ৰদায়, মুছলমান সম্প্ৰদায় আদিৰ লোক-সংখ্যা কিমান জনাৰ দৰকাৰ। কাৰণ আত্ম নিয়ন্ত্ৰণ, স্বনিয়ন্ত্ৰণ, স্বাধীন অসমৰ ক্ষেত্ৰত এইসকল অসমবাসীৰ কথা উপলব্ধি কৰিব নিবিচাৰিলে সৰ্বদায় আন্দোলনত নিমজ্জিত হ'ব বিচৰা সীমিত সংখ্যক অসমীয়াৰ কথা আনে উপলব্ধি কৰিব জানো? আহোম জনক শত্ৰু সজায় মহন্ত বা ভট্টাচাৰ্যজনক আঁকোৱালি লোৱা হয়, তেন্তে প্ৰবল প্ৰতাপেৰে পাঁচ শ বছৰ শাসন কৰি যোৱা আৰু অসমীয়া জাতীয়তাবাদৰ ভেটি গঢ় দি যোৱা আহোম সকলৰ বাবে মান-সন্মানৰ প্ৰশ্ন হৈ থিয় দিব। ক্ষমতাত বহাৰ বাবেই আহোম জনক সৰ্বদায় কৌশলগতভাবে অসমীয়া ৰাইজৰ শত্ৰু সজোৱাৰ সাংস্কৃতিক বিসৰ্জন দিবৰ হ'ল নহলে বৰ্ণ হিন্দু অসমীয়া সমাজ এদিন ভয়াবহ পৰিণামৰ সমুখীন হ'ব লাগিব। কাৰণ স্বাধীনোত্তৰ কালত সৰ্বপ্ৰথমবাৰৰ বাবে জাগ্ৰত হোৱা অসমীয়া জাতীয় চেতনাক অসম চুক্তিৰে বিক্ৰী কৰি ৰাজ্য আৰু ৰাজ্যখনৰ জনগণক প্ৰতাৰণা, বিশ্বাসঘাতকতা কৰাৰ বাবে বৰ্ণবাদী অসমীয়া নেতা সকল সৰ্বকালৰ বাবে ৰাজ্য আৰু জনগণৰ বাবে শত্ৰু হ'ব লাগিছিল। সময়ে সকলো নিৰীক্ষণ কৰিব লাগিছে। সময় ভয়ানক হৈ এই কথা এদিন সুধিবই আৰু যোগ্য প্ৰতিশোধ ল'ব।

বৰ্তমান সময়ত অসমত এটা অতি গুৰুত্বপূৰ্ণ বিষয়ত আন্দোলন হ'ব লাগে। গণ মুণ্ডণ হ'ব লাগে, গণ অনশন হ'ব লাগে। এই বিষয়টো হৈছে স্বাধীন অসমৰ দাবীত উত্থাপন কৰা 'গণ ভোটৰ' বিৰুদ্ধে। এই ক্ষেত্ৰত অসমৰ আঞ্চলিক দল আৰু অৰাজনৈতিক সংগঠনে নিটাল মাৰি আছে। মনে মনে আছে। মৌনেন সম্মতি লক্ষণম্ গণ ভোটৰ অন্তৰালত থকা চক্ৰান্ত আজিৰ নহয় যদিও, অসমৰ সন্তানে এনে যুক্তি দাঙি ধৰাৰ মাজেদি ৰাজ্য আৰু ৰাজ্যখনৰ জাতিসত্তালৈ কৰুণ পৰিণতি মাতি আনিব ধৰিছে। এই দাবীটো কেতিয়াবা কেনেবাকৈ যদিহে ভাৰতীয় সংবিধানত সন্নিবিষ্ট হবলৈ পায় তেন্তে জিন্নাৰ সপোন বাস্তৱত সফল হবলৈ সুবিধা লাভ কৰিব। ইয়াৰ বাবে অসমৰ মুছলমান সম্প্ৰদায়ক জগৰীয়া কৰিলে নচলিব। তাৰবাবে তেওঁলোক জগৰীয়া এই কাৰণেই নহ'ব যে তেওঁলোকে অসমীয়া জাতিৰ প্ৰতিটো দুৰ্যোগপূৰ্ণ মুহূৰ্তত অসমীয়া জাতিসত্তাৰ মূল সুঁতিৰ লগত নিজকে সম্পূৰ্ণ গতিশীলতাৰে মিলাই ৰাখিছে। অসমীয়া মানুহৰ শত্ৰু বাস্তৱ ক্ষেত্ৰত অসমীয়া হিন্দুজনহে। শোষকজন অসমীয়াহে। কাৰণ চল্লিছ লাখ বিদেশী থকা বুলি উগ্ৰবাদী অসমীয়া নবীন নেতাইহে প্ৰথম আন্দোলনৰ সূত্ৰপাত ঘটাইছিল। কিতাপ লিখি বুৰঞ্জীৰ সৃষ্টি কৰিছিল। আৰু ভাৰতীয় সংবিধানত নতুন ধাৰা সন্নিবিষ্ট কৰায় বাংলাদেশীৰ স্বাৰ্থত আইনৰ সুৰক্ষা দিছিল। ভোটাৰ তালিকাত বিদেশী থকা বুলি অভিযোগ তুলি পুনৰ আন্দোলনৰ নেতাই নিৰ্বাচন খেলি, বিধান সভালৈ নিৰ্বাচিত হৈ, মন্ত্ৰী হৈ, বিধান সভাত বিল আদি পাছ কৰি ভোটাৰ তালিকা বিষয়টো সম্পূৰ্ণ শুদ্ধ বুলি প্ৰমাণিত কৰিছিল। এই ক্ষেত্ৰত অসমত বস-বাস কৰি থকা মুছলমান সকলে কেতিয়াও প্ৰত্যাহ্বান জনাই আন্দোলন কৰা নাই। হাৰাশাস্তি হোৱা, মান-সন্মান জড়িত প্ৰশ্নৰ সমুখীন হোৱা থলুৱা অসমীয়া মুছলমান সম্প্ৰদায়ে উগ্ৰ অসমীয়া জাতীয়তাবাদৰ বিৰুদ্ধে কোনো অভিযোগ অনা নাই। বৰ্তমানে তোলা গণ ভোটৰ দাবী সংবিধানত সন্নিবিষ্ট হবলৈ হলে অসমীয়া জাতিটো অসমৰ জন-জাতি সম্প্ৰদায়ৰ মানত অতিকৈ লঘু আৰু হেয় প্ৰতিপন্ন হৈ পৰিব। কাৰণ অসমৰ আদিবাসী সকল মূলতঃ জনজাতিহে। গতিকে অসমীয়া উগ্ৰ-দাৰ্শনিকসকলে নিজৰ জাতিৰ জনসংখ্যাৰ হাৰৰ খিতাপেৰে ৰণত জিকিব বিচৰা কৌশলে অসমীয়া নবীন সমাজক ঘাইল কৰাৰ ওপৰিও অসমীয়া জাতিসত্তাৰ মাজলৈ নিজ নিজ জাতিসত্তা ৰক্ষা কৰাৰ ব্যৱস্থাতে অসমৰ জনজাতি সকলে আত্ম নিয়ন্ত্ৰণৰ বাট বিচাৰিব আৰু আদিবাসীৰ মৰ্যাদা, নিৰাপত্তা, ৰক্ষণা-বেক্ষণৰ ব্যৱস্থাৰে বুৰঞ্জী সম্মত আদি বাসস্থান ঘূৰায় পোৱাৰ যুক্তিত অসমীয়া জাতিসত্তাৰ পৰা পৃথক হৈ নিজক সুৰক্ষিত কৰাত সৰ্বাধিক গুৰুত্ব দিব। ১৯৭৯ চনৰ পৰা বৰ্তমান সময় কাললৈকে চলি অহা নবীন সমাজৰ কাৰ্যসূচীত ধাৰাবাহিক হিচাপে এইটো স্পষ্ট হৈ পৰিব ধৰিছে যে অসম প্ৰেমৰ নামত, অসমীয়া জাতীয়সত্তা ৰক্ষাৰ নামত, সুৰক্ষা, উত্তৰণৰ নামত জাগ্ৰত হোৱা আন্দোলন সংস্কৃতিয়ে অসমীয়া ৰাইজক সৰ্বনাশ ঘটাইহে এৰিব। অসম আন্দোলনৰ নেতৃত্বত থকা আৰু আঞ্চলিক দলৰ শাসনকালত চৰকাৰৰ নেতৃত্বত থকা জনে বড়ো জনসংখ্যাক তাচ্ছিল্য কৰাও পৰিলক্ষিত হৈছিল। এনে মানসিকতা বৰ্তমানেও বৰ্ণ হিন্দু অসমীয়া নেতা সকলৰ চৰিত্ৰত দেখা পোৱা গৈছে। গুৱাহাটীৰ পৰা প্ৰকাশিত কেইখনমান বাতৰি কাকতে যুক্তিহীনভাবে সংকীৰ্ণমনা উগ্ৰ জাতীয়তাবাদী আৰু বৰ্ণহিন্দু অসমীয়া নেতাৰ প্ৰতিটো বক্তব্যক দাৰ্শনিকৰ মৰ্যাদা আৰু গুৰুত্বৰে প্ৰকাশ কৰিবলৈ ধৰাত আৰু তাৰ ওপৰত হ'ব লগা সম্ভাব্য সমালোচনা এৰাই চলিব বিচৰা মানসিকতাই অসমীয়া ৰাইজক বিপথে পৰিচালিত কৰাৰ ওপৰিও ঘোৰ অন্ধকাৰ নমাই আনিব ধৰিছে। অসম আৰু অসমীয়া জাতিৰ হিত চিন্তা কৰিম বুলি ভবা সকলে উক্ত বিষয়ত গভীৰ অধ্যয়ন কৰি বাস্তৱলৈ ঘূৰি অহাটোৱেই উত্তম হ'ব। ব্যক্তি হিংসা আৰু সন্মানৰ প্ৰশ্নক দীৰ্ঘকালীনভাবে জড়িত কৰি ৰাখিবৰ হলে নিজৰহে সাংঘাতিক ক্ষতি হ'ব।

গণভোটৰ অন্তৰ সত্তাত লুকাই থকা নিৰ্মম বতৰা অসমৰ ভূমিপুত্ৰ আদিবাসী, জনজাতি সকলৰ নেতাসকলে উপলব্ধি কৰিব পাৰিছেনে নাই ক'ব পৰা নেযায় যদিও, জনজাতি সকলে সুকীয়া ৰাজ্য বিচৰাৰ অন্তৰালত তেওঁলোকৰ জাতিসত্তাৰ নিৰাপত্তাৰ উপৰিও আদি ভূমিৰ নিৰাপত্তাৰ দৰে গুৰুত্বপূৰ্ণ বিষয়, চিন্তাধাৰা নিশ্চয়কৈ নিহিত হৈ আছে। আঞ্চলিক ভিত্তিত ৰাজনৈতিক আৰু অৰাজনৈতিক সংগঠনে অসমীয়া জাতিসত্তাৰ ভালৰ বাবে আত্মঘাতী ট্ৰিবিউনেল আইন/৮৩খন ভাৰতীয় সংবিধানত সন্নিবিষ্ট কৰি লোৱাৰ দৰে গণভোটৰ ব্যৱস্থাও ভাৰতীয় সংবিধানত সন্নিবিষ্ট কৰি লোৱা হয়, তেন্তে অসমৰ জনজাতি সকলে সুকীয়া ৰাজ্য দাবী আৰু স্বায়ত্তশাসিত অঞ্চল বিচৰা যুক্তি নিশ্চয় যুক্তি সংগত। নহলে অসমৰ বৃহত্তৰ জাতিসত্তা ৰক্ষাৰ নামত, ব্যক্তি স্বাৰ্থ পূৰণ কৰিব বিচৰা আঞ্চলিক উগ্ৰ ৰাজনৈতিক আৰু অৰাজনৈতিক নেতাসকলে ৰাজ্য আৰু ৰাজ্যখনৰ সৰ্বতো স্তৰৰ জনগণৰ সৰ্বনাশ ঘটাব। এইটো কথা স্পষ্ট আৰু সত্য যে, পাকিস্তানে ভাৰতবৰ্ষৰ লগত মিতিৰালি অব্যাহত ৰাখিলেও আজন্ম শত্ৰু। প্ৰয়াত পাকিস্তানৰ প্ৰধান মন্ত্ৰী জুলফিকৰ আলী ভুট্টোৱে ভাৰতবৰ্ষৰ লগত হাজাৰ বছৰ যুদ্ধ কৰাৰ সংকল্প লোৱাৰ কথা বৰ্তমানেও মচিব পৰা নাই। তাৰেই বাস্তৱ প্ৰমাণ সৌ-সিদিনা ইছলামাবাদত ভাৰতীয় কূটনীতিবিদ ৰাজেশ মিত্তালৰ ওপৰত নিৰ্মমভাবে পাকিস্তানী চোৰাংচোৱা বিভাগে কৰা অত্যাচাৰ তথা ভাৰত চৰকাৰৰ প্ৰতি ব্যৱহাৰ। পাকিস্তানৰ বুকুৰ পৰা পূৱ-পাকিস্তানক উলিয়াই আনি স্বাধীন বাংলাদেশ কৰাৰ অন্তৰালত ভাৰতবৰ্ষ জড়িত থকাটো ধাৰণা কৰি পাকিস্তানে ভাৰতৰ বিৰুদ্ধে প্ৰতিমুহূৰ্ততে প্ৰতিশোধ লোৱাৰ ষড়যন্ত্ৰত বৰ্তমানলৈকে লিপ্ত হৈ অহা দেখা গৈছে। শেহতীয়া ভাবে ভাৰতীয় কূটনীতিবিদৰ ওপৰত অত্যাচাৰ কৰাৰ দ্বাৰা ভাৰত চৰকাৰক অসন্মানজনক ব্যৱহাৰ কৰিছে। আনহাতে কাশ্মীৰ উপত্যকাৰ ভাৰত সীমান্তত পাকিস্তান চৰকাৰে আফগান মুজাহিদৰ দ্বাৰা দেশৰ সাৰ্বভৌমত্বৰ প্ৰতি ভাবুকি দিব বিচৰা পৰিলক্ষিত হৈছে। বাংলাদেশ স্বাধীন হোৱাৰ পাছত ক্ৰমাগতভাবে পাকিস্তানী পাঠান মুছলীম সম্প্ৰদায়ে বাংলাদেশ এৰি যাব লগীয়া হোৱা বেদনাদায়ক অৱস্থাক আজিও স্মৰণ কৰি পাকিস্তানে ভাৰতৰ লগত বাহিৰে মিত্ৰদেশ বুলি পৰিচয় দি আহিছে যদিও অন্তৰত বৈৰী ভাব বৰ্তমানেও পুহি ৰখা দেখা গৈছে। আনহাতে ইছলামিক দেশ হোৱা সত্ত্বেও বাংলাদেশৰ সামাজিক আৰু সাংস্কৃতিক ব্যৱস্থা ভাৰতবৰ্ষৰ উত্তৰ পূৰ্বাঞ্চলৰ অতি ওচৰ চপা। ধৰ্মৰ ভিত্তিত একলগ হবৰ হলেও সামাজিক আৰু সাংস্কৃতিক দিশত বাংলাদেশ পাকিস্তানৰ পৰিবৰ্তে ভাৰতবৰ্ষৰহে নিচেই ওচৰ চপা। এনে এক অৱস্থাত পাকিস্তানে ভাৰতবৰ্ষৰ ক্ষতিসাধন কৰাৰ স্বাৰ্থত উগ্ৰপন্থী সংগঠনৰ লগত মিলিছে। শেহতীয়াভাবে আফগান বিদ্ৰোহীৰ কৃতকাৰ্যতা আৰু দেশ দখলৰ শক্তিয়ে পাকিস্তান চৰকাৰক আত্মবিশ্বাস জন্মাইছে। কাৰণ আফগান বিদ্ৰোহীক পাকিস্তান চৰকাৰে নাজিবুল্লা চৰকাৰ পতনৰ স্বাৰ্থত সকলো প্ৰকাৰৰ সহায় কৰিছিল বুলি সৰ্বত্ৰত প্ৰচাৰিত হৈছিল আৰু এই সত্যতা বিদ্ৰোহীসকলৰ মুখৰ পৰাই বৰ্তমানে প্ৰকাশ পাইছে। গৰ্বচিভৰ পতন আৰু ছোভিয়েত ৰাছিয়া থান-বান হোৱাৰ পৰিপ্ৰেক্ষিতত ভাৰতে শক্তিশালী ৰাষ্ট্ৰ এখনৰ সবল হাত হেৰুৱাব লগীয় হয়।

আনহাতে চীনৰ বন্ধুত্ব বৰ্তমানেও বহুতো দূৰত। আমেৰিকা যুক্তৰাষ্ট্ৰই ভাৰতবৰ্ষক শক্তিশালী হোৱাটো কোনো দিনেই কাম্য নকৰে। ভাৰতবৰ্ষৰ প্ৰাকৃতিক সম্পদ আৰু মানৱ সম্পদৰ প্ৰতি আমেৰিকাৰ ভয়, জানোছা ভাৰতীয় বৈজ্ঞানিক সকলে ভাৰতবৰ্ষক সকলো দিশত শক্তিশালী কৰি তোলে। গতিকে ভাৰতবৰ্ষৰ প্ৰগতিত বাধাদান দিব পৰাকৈ শত্ৰুদেশ সমূহে দেশৰ তিনিটা অঞ্চল বাছি লৈছে। আৰু এই তিনিটা অঞ্চল ক্ৰমে দাক্ষিণাত্যৰ সমুদ্ৰ উপকূল, পাঞ্জাৱ আৰু কাশ্মীৰ আৰু উত্তৰ-পূৰ্বাঞ্চল। ভাৰতীয় জাতীয় সত্তাৰ অন্তৰসত্তাত থকা জাগ্ৰত দেশ প্ৰেমৰ কাৰণে বিদেশী শত্ৰু ৰাষ্ট্ৰই ভাৰতবৰ্ষৰ সাৰ্বভৌমত্ব, অখণ্ডতা আৰু সংহতিত ভাবুকি সৃষ্টি কৰিব পৰা নাই যদিও শেহতীয়াভাবে অসমৰে সন্তানে তোলা গণভোটৰ দাবীৰ অন্তৰালত ইতিপূৰ্বে কাশ্মীৰ সম্পৰ্কত একাধিকবাৰ গণভোটৰ দাবী তোলা পাকিস্তানৰ চিন্তাধাৰা আৰু কৌশল নিঃসন্দেহে জড়িত থকা বুলি ধৰিব পাৰি। পাকিস্তান আৰু বাংলাদেশে কাশ্মীৰ উপত্যকাত আৰু অসমত ইছলামধৰ্মী লোকৰ জনসংখ্যা কিমান জানে। আৰু জানে বাৰুদৰ দ্বাৰা ভাৰতবৰ্ষৰ অনিষ্টসাধন কৰিবলৈ বিচৰা মানে তেওঁলোকৰ নিজৰে ক্ষতি সাধন হোৱা। জিন্নাই দেখা সপোন বাস্তৱত ৰূপায়ণ কৰাৰ চিন্তাত বৰ্তমানে বাংলাদেশ আৰু পাকিস্তান মিলিত হোৱা দেখা গৈছে। তাৰেই পটভূমিত পাঞ্জাৱ, কাশ্মীৰ, তামিলনাডু, অসম তথা ভাৰতবৰ্ষৰ উগ্ৰবাদী সন্তানে বিদেশী শত্ৰুৰ

সহায়ত নিজৰ মুক্তি বিচৰাৰ নামত নিজৰ জাতীয়সত্তাক কবৰ দিয়াত উঠিপৰি লাগিব ধৰিছে।

অসমৰ জনসংখ্যাৰ গাঁথনি চাৰিটা সমান্তৰাল দিশত অৱস্থিত। জনজাতি, চাহজনজাতি, মুছলমান সম্প্ৰদায় আৰু অ-জনজাতি। অ-জনজাতিৰ ভিতৰত বঙালী, বিহাৰী, মণিপুৰী, নেপালী আদি বিভিন্ন জাত সম্প্ৰদায় আছে। টাই-আহোম, কোচ ৰাজবংশী আদি কৰি বৰ্ণহিন্দু সম্প্ৰদায়লৈকে থকা অসমীয়া জনসংখ্যাৰ কোনোটোৰে সাম্প্ৰদায় ভিত্তিত জনসংখ্যাৰ হাৰ সবল নহয়। এই হাৰ জনজাতি, চাহজনজাতি আৰু মুছলমান সম্প্ৰদায়তকৈ বোধকৰো বেছি নহ'ব। গতিকে অসমীয়া উগ্ৰবাদী দৰ্শন আৰু বৰ্ণ হিন্দু আধিপত্য থকা সংকীৰ্ণমনা নেতাৰ কৰ্মসূচীৰ ফলত বৃহত্তৰ অসমীয়া জাতিসত্তাৰ পৰা ক্ৰমে সম্প্ৰদায় ভেদে জনসংখ্যা আঁতৰি যাবৰ হবলৈ হলে বিশুদ্ধ বুলি দাবী কৰা অসমীয়াৰ সংখ্যা নগণ্য হ'ব। এনে নগণ্য সংখ্যাই গণভোটৰ যুদ্ধৰে নিজক প্ৰতিষ্ঠিত কৰাৰ পৰিবৰ্তে নিজৰে ভাবিব নোৱৰা ক্ষতি কৰিব। অসম আন্দোলন কালৰ ১৯৮৩ চনৰ ঘটনা। সদৌ অসম ছাত্ৰসংস্থাৰ ইতিবাচক সঁহাৰিত সেই সময়ৰ ভাৰত চৰকাৰে ট্ৰিবিউনেল/৮৩ অৰ্ডিনেঞ্চখন ৰাষ্ট্ৰপতি শ্ৰীজাইল সিঙৰ স্বাক্ষৰত অৰ্ডিনেঞ্চ আকাৰে আইনত প্ৰথমে সংযোজিত কৰিছিল। সংসদত গ্ৰহণ কৰা প্ৰক্ৰিয়াৰে অৰ্ডিনেঞ্চ হিচাপে প্ৰাৰম্ভিক কাম চলোৱাৰ এনে ব্যৱস্থাত অসম আন্দোলনৰ মুখ্য নেতৃত্বই কোনো প্ৰতিক্ৰিয়া ব্যক্ত কৰা নাছিল। অৰ্থাৎ সঁহাৰিহে জনাইছিল। তাৰেই বাস্তৱ সম্মতি অসম চুক্তি পত্ৰত সংযোজিত হোৱা দেখা গৈছিল। কিন্তু অসম আন্দোলনৰ সক্ৰিয় সহযাত্ৰী তথা সদৌ অসম গণ সংগ্ৰাম পৰিষদৰ অংশীদাৰ দল পূৰ্বাঞ্চলীয় লোক পৰিষদে উক্ত সময়তে ট্ৰিবিউনেল/৮৩ অৰ্ডিনেঞ্চখনৰ বিৰুদ্ধে সৰব প্ৰতিবাদ জনাইছিল। পূৰ্বাঞ্চলীয় লোক পৰিষদৰ বাস্তৱসম্মত এনে কাৰ্যসূচীক সদৌ অসম ছাত্ৰসংস্থাৰ উপৰিও সেই সময়ৰ সদৌ অসম গণ-সংগ্ৰাম পৰিষদৰ অংশীদাৰ দলে সমৰ্থন দিয়াৰ পৰিবৰ্তে এৰাই চলা মনোভাবেৰে অৰ্ডিনেঞ্চখনক সমৰ্থন দিয়া পৰিলক্ষিত হৈছিল। ১৯৮৩ গ'ল, ১৯৮৪ গ'ল। অৰ্ডিনেঞ্চখনৰ বিৰুদ্ধে পূৰ্বাঞ্চলীয় লোক পৰিষদৰ বাদে আন কাৰোৰে মাত নুফুটিল। ১৯৮৫ চনৰ ১৪ আগষ্টৰ ৰাতি স্বাক্ষৰিত হোৱা অসম চুক্তিত উক্ত বিষয় সন্নিবিষ্ট ঘটিল। সময়ত আইনত পৰিণত হ'ল। ঐতিহাসিক অসম চুক্তি বুলি পূৰ্বাঞ্চলীয় লোক পৰিষদৰ বাদে আন্দোলনকাৰী নেতাৰ লগত অসমৰ ৰাইজ আনন্দ আৰু গৌৰৱত আত্মহাৰা হৈ পৰিল। কিন্তু এই অসম চুক্তিখনতো সদৌ অসম গণ-সংগ্ৰাম পৰিষদৰ অংশীদাৰ দল পূৰ্বাঞ্চলীয় লোক পৰিষদে স্বাক্ষৰ নকৰিলে। স্বাক্ষৰ নকৰিলে সদৌ অসম উকিল সংস্থাৰ প্ৰতিনিধি শ্ৰীহেম শৰ্মাই (গুৱাহাটী)। আৰু স্বাক্ষৰ নকৰিলে সদৌ অসম জনজাতি যুৱসংস্থাৰ প্ৰতিনিধি শ্ৰীবিশ্বেশ্বৰ বড়োৱে। চুক্তি স্বাক্ষৰ কালত দিল্লীত বাহৰ পাতি থকা অসম আন্দোলনৰ নেতাসকলৰ ভিতৰত পূৰ্বাঞ্চলীয় লোকপৰিষদৰ প্ৰতিনিধি ক্ৰমে শ্ৰীপবিন্দ্ৰ ডেকা আৰু শ্ৰীথানেশ্বৰ বড়োৱে অসম চুক্তি পত্ৰত স্বাক্ষৰ কৰাৰ পৰিবৰ্তে উক্ত চুক্তিৰ বিৰুদ্ধাচাৰণহে কৰিছিল। কিন্তু নিৰ্লজ্জভাবে বৰ্তমান সময়ত আই এম ডি টি এক্টখন ৰদ কৰিব লাগে বুলি এতিয়াহে পূৰ্বৰ অসম আন্দোলনৰ নেতাই অনুভৱ কৰিছে। এয়া চৰম লজ্জাজনক কথাই নহয়, পূৰ্বাঞ্চলীয় লোক পৰিষদৰ সতৰ্ক বাণী পদাঘাত কৰি অসমীয়া জাতীয়তাবাদক বিক্ৰী কৰি ৰাজভোগ কৰি যোৱা তথাকথিত নেতাসকলৰ দৰে গণভোটেও এদিন অসম আৰু অসমীয়া জাতিসত্তাৰ সৰ্বনাশ ঘটাব। নিজকে বিজ্ঞ বুলি ভবা অসম আন্দোলনৰ অন্যতম নেতৃত্বধাৰী সংগঠনটো উলংগ ৰজাত পৰিণত হোৱাটো নিবিচৰা পূৰ্বাঞ্চলীয় লোকপৰিষদ দল আৰু উক্ত দলৰ নেতা সকলক বৰ্তমানলৈকে বিশ্বাসত লোৱা পৰিলক্ষিত নোহোৱাৰ বাবে নিজকে বিশুদ্ধ শ্ৰেণীৰ অসমীয়া বুলি ভবা আৰু তথাকথিত অসম প্ৰেমী বুলি সময়ে সময়ে আন্দোলন কৰাৰ স্বাৰ্থৰে অসমীয়াৰ মুক্তি বিচৰা কাৰ্যসূচীৰ অন্তৰালত চৰম বিশ্বাসঘাতকতাৰ চৰিত্ৰহে দেখা পোৱা গৈছে।

বিস্তৃত আৰু গভীৰ অধ্যয়নৰ পাছত অসমৰ পৰিস্থিতি দিনে দিনে তথাকথিত বিশুদ্ধ অসমীয়া শ্ৰেণীৰ নেতাই ৰাজ্য আৰু জাতিসত্তাৰ বিস্তৰ ক্ষতি কৰি আহিছে বুলি ভাবিবৰ থল আছে। এই তথাকথিত বিশুদ্ধ অসমীয়া সমাজখনৰ সমৰ্থনত বৰ্ণবাদী বা বৰ্ণহিন্দু ৰাজনৈতিক আৰু অৰাজনৈতিক নেতাই আবেগিকভাবে ৰাজ্যভিত্তিত আন্দোলন চলাই ৰাখিব বিচৰা পৰিলক্ষিত হৈছে। শোষণ আৰু অপশাসনৰ নামত তেওঁলোকেই জনজাতি, চাহজনজাতি মুছলমান সম্প্ৰদায় আৰু অন্যান্য পিছপৰা সম্প্ৰদায়ক শোষণ কৰা দেখা গৈছে আৰু বিগত শাসনকালে অপশাসনৰ নমুনা দাঙি ধৰি ৰাখিছে। গুৱাহাটীক কেন্দ্ৰ কৰি বিয়পিব ধৰা এই বিষবাষ্পৰ পৰা উদ্ধাৰ হবৰ হবলৈ হলে বৃহত্তৰ অসমীয়া জাতিসত্তাৰ ভিতৰত সোমাই থকা ক্ষুদ্ৰ ক্ষুদ্ৰ জাতি সত্তাই নিজৰ নিৰাপত্তা, সুৰক্ষা আৰু বিকাশৰ স্বাৰ্থত অঞ্চল ভেদে স্বায়ত্তশাসিত অঞ্চল বিচৰাৰ যুক্তি-যুক্ততা অসমৰ ৰাইজৰ মাজলৈ অনাটো বিশেষ প্ৰয়োজন হৈ উঠিছে। জনসংখ্যাৰ ভিত্তিত বিচাৰৰ বাট মুকলি নথকা জনজাতি তথা ভূমিপুত্ৰ সকলেও বুৰঞ্জীসম্মত আদি ভূমিৰ নিৰ্ণয়ক ভিত্তিত স্বায়ত্তশাসিত অঞ্চল পাবলৈ ভাৰতীয় সংবিধানত ব্যৱস্থা সংযোজিত কৰোৱাটো বিশেষ দৰকাৰ হৈ পৰিছে। অসমীয়া জাতিসত্তাৰ ভিতৰত টাই-আহোম, কোচ-ৰাজবংশী আদিয়েও ঐতিহ্য আৰু বুৰঞ্জীৰ ভিত্তিত স্বায়ত্তশাসিত অঞ্চল বিচৰাৰ মাজেদি নিজৰ নিজৰ জাতিসত্তাৰ নিৰাপত্তা, সুৰক্ষা আৰু বিকাশ ব্যৱস্থাক নিশ্চিত ৰূপত গঢ় দিয়াটো ভাল। শুনিবলৈ বেয়া হলেও আৰু নিৰ্ঘাতি সত্য যে, বৰ্তমান সময়ত জাতিসত্তা ৰক্ষাৰ নামত আন্দোলন প্ৰক্ৰিয়াৰে তথাকথিত মাতৃপ্ৰেমৰ ব্যৱসায়ত নমা তথাকথিত বিশুদ্ধ অসমীয়া সমাজৰ নবীন নেতা সকলে বৃহত্তৰ অসমীয়া জাতিক আন্দোলন কৰাৰ মানসিকতাৰে জাতিসত্তাৰ উত্তৰণ আৰু বিকাশৰ প্ৰতিবন্ধক হৈ সৰ্বনাশ ঘটাব ধৰিছে। আনহাতে কৰ্ম সংস্কৃতিৰে অসমীয়া জাতীয় জীৱন আৰু ৰাজ্যখনলৈ অৰিহণা দি অহা চাহ জনজাতি আৰু মুছলমান সম্প্ৰদায়ৰ প্ৰকৃত মূল্যবোধ বৰ্তমানলৈকে পৰিলক্ষিত হোৱা নাই। আত্ম নিয়ন্ত্ৰণ, স্বনিয়ন্ত্ৰণ, সম অধিকাৰৰ বক্তব্য দাঙি ধৰা বিশুদ্ধ অসমীয়া নেতা সকলে শ্ৰমজীৱী পমুৱা-অসমীয়া (?) আৰু শ্ৰমজীৱী চাহজনজাতি অসমীয়া সমাজক ভাষা আৰু ভোটৰ বেলিকাহে বিচৰা পৰিলক্ষিত হয়। গতিকে অসমত বসবাস কৰা সকলো সম্প্ৰদায়কে একে বাক্যত নিভাঁজ অসমীয়া বুলি প্ৰথমে স্বীকৃতি দিয়াটো প্ৰয়োজন হৈ পৰিছে। নহলে স্বাৰ্থত আন্দোলন কৰিবৰ পৰত অসমীয়া বুলি ধৰি, স্বাৰ্থ পূৰণৰ পাছত পমুৱা, শ্ৰমজীৱী অসমীয়া বুলি ব্যাখ্যা আৰু ব্যৱহাৰ কৰাৰ অৰ্থ থাকিব নোৱাৰে। অসমৰ মুছলমান সম্প্ৰদায়ৰ মাজত গণভোটৰ গইনা কৰি ফুটাব বিচৰা বিদেশী চক্ৰান্তক প্ৰতিহত কৰিবলৈ অসমৰ মুছলমান সম্প্ৰদায়ৰ মাজত পুনৰ আবুল কালাম আজাদ, মহম্মদ তৈয়বুল্লা, ফখৰুদ্দিন আলী আহমেদৰ পুনৰ জন্ম দিব লাগিব বা তেনে দৃষ্টিভঙ্গীৰে বিদেশীৰ ষড়যন্ত্ৰক প্ৰতিহত আৰু পৰাভূত কৰিব লাগিব। আৰু অসমৰ ৰাজনীতিবিদ সকলৰ মাজতো গোপীনাথ বৰদলৈৰ দৰে তীক্ষ্ণ, দূৰদৰ্শী সম্পন্ন, সাহসী, সুদক্ষ প্ৰশাসক ওলাবৰ নহলেও সমস্যাৰ মুখামুখী হ'ব পৰা আৰু সমস্যা সমাধানৰ বাট বিচাৰি আলোচনাত বহা বৰ্তমানৰ মুখ্য মন্ত্ৰীজনৰ দৰে নেতৃত্বক সহযোগ, সহায় আৰু সময় দিবৰ হবলৈ হলেহে বৃহত্তৰ অসমীয়া জাতিসত্তাৰ মাজলৈ হেৰুওৱা অবিশ্বাস পুনৰ ফিৰি অহা সম্ভৱ আৰু জাতিসত্তা ৰক্ষা পৰাটো সম্ভৱ। তাকে নকৰি হিতেশ্বৰ শইকীয়াক অসমীয়া জাতিৰ শত্ৰু সজাই তথাকথিত বিশুদ্ধ অসমীয়া আৰু অসম প্ৰেমী তথা উগ্ৰজাতীয়তাবাদী নেতাসকলে অসম আৰু অসমীয়া জাতিসত্তা ৰক্ষা আৰু উন্নতিৰ কাৰণে পুনৰায় অসমীয়া ৰাইজক আবেগিকভাবে বন্দী কৰি আন্দোলন কৰিব বিচাৰিলে বা আন্দোলন কাৰ্যসূচী অব্যাহত ৰাখিবৰ হলে তথাকথিত অসম প্ৰেমী সকলৰ অস্ত্ৰই বুমেৰাং হৈ নিজকেই শেষ কৰিব।





# অধিক স্বায়ত্ত শাসনেই জনজাতি সমস্যা সমাধানৰ একমাত্ৰ পথ

হিতেন মহন্ত

ৰাজ্যখনৰ তিনিটা প্ৰধান সমস্যাৰ ভিতৰত কাৰ্বি সমস্যা প্ৰায় সমাধানৰ পথত। কাৰ্বি আংলং আৰু উত্তৰ কাছাৰ পাৰ্বত্য জিলাক লৈ সুকীয়া ৰাজ্যৰ দাবী কৰা স্বায়ত্ত শাসিত ৰাজ্য দাবী সমিতিৰ নেতৃত্বই ৰাজ্য চৰকাৰে আগবঢ়োৱা অধিক স্বায়ত্ত শাসনৰ প্ৰস্তাৱ গ্ৰহণৰ সপক্ষে শতকৰা ৯০ ভাগ সন্মতি প্ৰদান কৰিছে। জিলা পৰিষদ বা বাজেট প্ৰস্তুত কৰা ক্ষমতাকে আদি কৰি ত্ৰিশটা বিভাগ পৰিচালনাৰ দায়িত্ব অৰ্পণ কৰাৰ প্ৰস্তাৱ দিয়া হৈছে। ভাৰতীয় সংবিধানৰ ষষ্ঠ অনুসূচী অনুযায়ী ৰাজ্য চৰকাৰে এই প্ৰস্তাৱ আগবঢ়াইছে। জানিব পৰা মতে স্বায়ত্ত শাসিত ৰাজ্য দাবী সমিতিৰ নেতৃত্বই গৃহবিভাগৰ দায়িত্বও জিলা পৰিষদক দিয়াৰ বাবে দাবী জনাইছে। কিন্তু ৰাজ্য চৰকাৰে এই দাবী মানি লোৱা নাই। সেইটো কাৰণতে সমস্যা সমাধানৰ পথত বহুদূৰ আগবাঢ়িও চুক্তিখন সম্পাদিত হোৱা নাই। এই বিষয়লৈ ৰাজ্য চৰকাৰ আৰু এ এছ ডি চি নেতৃত্বৰ মাজত আলোচনা বিলোচনা চলি আছে। আশা কৰা হৈছে যে এই বিষয়টোৰ সন্দৰ্ভতো ঐক্যমতত উপনীত হ'ব পৰা যাব।

এটা কথা ঠিক যে ৰাজ্য চৰকাৰে জিলা পৰিষদলৈ গৃহবিভাগৰ পৰিচালনাৰ দায়িত্ব হস্তান্তৰ কৰিব নোৱাৰে। কিয়নো উক্ত দাবী মানি লোৱা মানেই পাকে প্ৰকাৰে সুকীয়া ৰাজ্যৰ দাবী মানি লোৱা হ'ব। ইয়াৰ লগে লগে অসমৰ অন্যান্য জনগোষ্ঠীৰ ওপৰতো তাৰ প্ৰভাৱ পৰিব। বড়ো জনগোষ্ঠীৰ দাবীৰ বিষয়টো এই ক্ষেত্ৰত উল্লেখ কৰিব পাৰি। আবছু আৰু বিপি এচিৰ নেতৃত্বই সুকীয়া বড়োলেণ্ড গঠনৰ দাবী কৰিছে। ধৰি লোৱা হওক এ এছ ডি চিৰ নিচিনাকৈ বড়ো নেতৃত্বকো অধিক স্বায়ত্ত শাসনৰ প্ৰস্তাৱ দিয়া হ'ল। কিন্তু এ এছ ডি চিৰ নেতৃত্বৰ দৰে যদি বড়ো নেতৃত্বইও গৃহ বিভাগ বিচাৰে, তেতিয়া? এইদৰে যদি অসমৰ প্ৰত্যেকটো জনগোষ্ঠীক সুকীয়া আৰক্ষী বাহিনী গঠনৰ ক্ষমতা প্ৰদান কৰা হয়, তেতিয়া এটা অচলাৱস্থাৰ সৃষ্টি নহ'বনে? এনে এটা পৰিস্থিতিত অসমখন খণ্ডিত হোৱা টোৱে নুবুজাবনে? এ এছ ডি চিৰ নেতৃত্বই নিশ্চয় এই সমস্যাৰ কথা উপলব্ধি কৰিব পাৰিব। যিদৰে তেওঁলোকে সুকীয়া বা ৰাজ্য স্বায়ত্ত শাসিত ৰাজ্য গঠনৰ অসুবিধাৰ কথা পলমকৈ হ'লেও উপলব্ধি কৰিব পাৰিছে।

শেহতীয়াভাবে আবছু আৰু বিপিএচিৰ নেতৃত্বইও নিশ্চয় এ এছ ডি চিৰ নেতৃত্বৰ উপলব্ধিৰ বিষয়ে হৃদয়ঙ্গম কৰিব পাৰিছে। সেয়ে বড়ো সমস্যা সমাধানৰ ক্ষেত্ৰতো আশাৰ ৰেঙণি দেখা গৈছে। অসম চৰকাৰে যোৱা জুনমাহৰ শেষৰ ফালে বড়ো সমস্যা সমাধানৰ বাবে দুখলপীয়া স্বায়ত্ত শাসনৰ প্ৰস্তাৱ আগবঢ়াইছিল। অৱশ্যে আবছু বিপিএচিৰ নেতৃত্বই সেই প্ৰস্তাৱ প্ৰত্যাখ্যান কৰে। সি যিকি নহওক ইয়াৰ পিছতো বড়ো আৰু ৰাজ্য চৰকাৰৰ মাজত সমস্যাটোৰ সন্দৰ্ভত অনানুষ্ঠানিক আলোচনা চলি থাকে। কাৰ্বি আংলঙৰ সমস্যা সমাধানৰ ক্ষেত্ৰত লাভ কৰা অগ্ৰগতিয়ে বড়ো নেতৃত্বৰ ওপৰত যে প্ৰভাৱ পেলাইছে, সেইটো যোৱা কিছুদিনৰ ঘটনাৱলীৰ পৰাই প্ৰমাণ পোৱা গৈছে। অলপতে গুৱাহাটীৰ জজ খেল পথাৰত আবছু বিপি এচিৰ নেতৃত্বই জনতাদল, চি পি আই (এম), চি পি আই, এ এছ ডি চি আদি কেবাটাও বিৰোধী ৰাজনৈতিক দল লগত লৈ বড়ো সমস্যা সমাধানৰ দাবীত এক বিৰাট গণ সমাবেশৰ আয়োজন কৰে। সমাবেশত আবছু বি পি এচিৰ নেতৃত্বই সুকীয়া বড়োলেণ্ডৰ দাবী দোহাৰে যদিও এইটো সৰ্বজন বিদিত যে চি পি আই, চি পি আই (এম), জনতা আদি বিৰোধী ৰাজনৈতিক দল কেইটাই সুকীয়া বড়োলেণ্ডৰ দাবী সমৰ্থন নকৰে। বৰং এই ৰাজনৈতিক দল কেইটাই বড়ো জনগোষ্ঠীক অধিক স্বায়ত্ত শাসন প্ৰদান কৰাটোহে সমৰ্থন কৰে। তেনেস্থলত আবছু বিপি এচিৰ নেতৃত্বই বিৰোধী ৰাজনৈতিক দল কেইটাৰ সৈতে একেলগে কাম কৰাটোৱে তেওঁলোকৰ স্থিতি পূৰ্বতকৈ কিছু পৰিমাণে হ'লেও শিথিল হোৱাৰ ইংগিত বহণ কৰে। কেৱল সেয়ে নহয় আবছু বিপিএচিৰ নেতৃত্বই যোৱা কিছুদিনত বিভিন্ন বাতৰি কাকতৰ সম্পাদক, বুদ্ধিজীৱী আদিৰ সৈতে তেওঁলোকৰ দাবী সম্পৰ্কে অনানুষ্ঠানিক আলোচনা কৰে। বড়ো নেতৃত্বই যে অসমৰ সকলো পক্ষৰে গ্ৰহণযোগ্য এটা সমাধান বিচাৰিছে, ওপৰোক্ত পদক্ষেপৰ পৰা সেইটো ধৰি ল'ব পাৰি। পলমকৈ হ'লেও বড়ো নেতৃত্বৰ এই ভূমিকা নিশ্চয় প্ৰশংসনীয়।

স্বাধীনোত্তৰ কালত দেশৰ অন্যান্য জনগোষ্ঠীৰ তুলনাত জনজাতি জনগোষ্ঠীবোৰ আৰ্থ-সামাজিক আৰু ৰাজনৈতিক অধিকাৰ সাব্যস্ত কৰাৰ দিশত অৱহেলিত, বঞ্চিত হৈ আহিছে। জনজাতি জনগোষ্ঠীবোৰে আন্দোলনৰ পথ গ্ৰহণ কৰাৰ এইটোৱে মূল কাৰণ। আন্দোলনৰ পথেৰেই জনজাতি সকলে পুঞ্জীভূত ক্ষোভ প্ৰকাশ কৰিছে। সেয়ে ৰাজ্যখনৰ প্ৰধান জনজাতি জনগোষ্ঠীবোৰক অধিক স্বায়ত্ত শাসন প্ৰদানেই হৈছে এই সমস্যা সমাধানৰ একমাত্ৰ পথ। পলমকৈ হ'লেও সৰহভাগ ৰাজনৈতিক দলেই এই কথা উপলব্ধি কৰিব পাৰিছে, সৰ্বদলীয় বৈঠকবোৰত ৰাজনৈতিক দলবোৰে গ্ৰহণ কৰা স্থিতিৰ পৰাই তাৰ উমান পোৱা যায়।

কাৰ্বি আৰু বড়ো সমস্যা সমাধানৰ পথত আগবাঢ়োতেই শেহতীয়াভাবে ৰাজ্যখনৰ প্ৰধান আঞ্চলিক দল অগপই গ্ৰহণ কৰা স্থিতিয়ে এই ক্ষেত্ৰত খেলি মেলি আৰু কিছু পৰিমাণে উত্তেজনাৰ সৃষ্টি কৰিছে। কাৰ্বি সমস্যা সমাধানৰ বাবে ৰাজ্য চৰকাৰে যি প্ৰস্তাৱ আগবঢ়াইছে, অগপ দলে তাৰ বিৰোধিতা কৰিছে। অগপ দলৰ মতে উক্ত প্ৰস্তাৱৰ জৰিয়তে ভাৰতীয় সংবিধানৰ ২৪৪ (ক) ধাৰা অনুযায়ী সুকীয়া ৰাজ্যৰ দাবী মানি লোৱাটো বুজায়। কিন্তু ভাৰতীয় সংবিধানৰ ষষ্ঠ অনুসূচীত বিভিন্ন জনগোষ্ঠীক স্বায়ত্ত শাসন দিয়াৰ বিষয়টো উল্লেখ কৰা হৈছে। তেনেস্থলত কাৰ্বি জনগোষ্ঠীক অধিক স্বায়ত্ত শাসন প্ৰদানত আপত্তি থকাৰ যুক্তি আছেনে? মনত ৰাখিব লাগিব যে অসমৰ জনজাতি সকলৰ আন্দোলন অতি স্পৰ্শকাতৰ বিষয়। দিল্লীৰ দমননীতি সামগ্ৰিকভাবে অসমবাসীয়ে যিদৰে সহ্য নকৰে, ঠিক তেনেদৰে অসমৰ কোনো এটা জনগোষ্ঠীয়ে আন এটা জনগোষ্ঠীৰ দমনমূলক নীতি সহ্য নকৰে। এটা জনগোষ্ঠীয়ে আন এটা জনগোষ্ঠীক সমমৰ্যাদা প্ৰদৰ্শনৰ জৰিয়তেহে বিভিন্ন একতা আৰু ভ্ৰাতৃত্বৰ বন্ধন সুদৃঢ় কৰিব পৰা যাব। অৱশ্যে এই দিশত ন অগপ দলে ৰাজনৈতিক বিচক্ষণতাৰ পৰিচয় দিছে। নঅগপ দলে মত পোষণ কৰিছে যে সংবিধানৰ ষষ্ঠ অনুসূচী যদি অসমৰ প্ৰধান জনজাতি জনগোষ্ঠীক স্বায়ত্ত শাসন প্ৰদান কৰা হয়, তাৰ বিৰোধিতা কৰাৰ প্ৰশ্ন নুঠে। কোৱা বাহুল্য ৰাজনৈতিক দলবোৰৰ বহল দৃষ্টি ভংগীৰ আধাৰতেই কাৰ্বি আৰু বড়ো সমস্যাৰ সমাধান নিশ্চিত হৈ আছে।

আশা কৰিব পাৰি যে এ এছ ডি চিৰ নেতৃত্বৰ লেখিয়াকৈ বড়ো নেতৃত্বইও সুকীয়া ৰাজ্যৰ দাবী পৰিহাৰ কৰি স্বায়ত্ত শাসনৰ ক্ষমতাৰ জৰিয়তে নিজৰ ভাগ্য ৰচনাত ব্ৰতী হ'ব।

দৃষ্টিকোণ

# শিয়ালৰ হোৱাই সিংহৰ গোজৰণি ৰুদ্ধ কৰিব পাৰিবনে

অৰিন্দম শইকীয়া

"ইন্দিৰা গান্ধীয়েই আমাৰ দেশখন একেবাৰে ডুবাই থৈ গ'ল। এওঁৰ সলনি অন্য এগৰাকী প্ৰধান মন্ত্ৰী হোৱা হলে ভাৰতৰ আজি এই পানীত হাঁহ নচৰা অৱস্থা নহ'লহেঁতেন। মানুহৰ তেজ আছিল জানো ! এনেয়ে কোনোবা এগৰাকীয়ে পাইকাৰী হাৰত মানুহ হত্যা কৰাব পাৰেনে।" উগ্ৰ জাতীয়তাবাদী মনোভাবৰ এগৰাকী ভাৰতীয় জনতা পাৰ্টিৰ ভক্তই দুজনমান তেখেতৰেই অনুগতক ইন্দিৰা গান্ধীৰ বদগুণবোৰৰ সম্বন্ধে এনেদৰে বৰ্ণাই আছিল। অলপপৰ ৰোৱাৰ পিছত আকৌ অনৰ্গল ভাবে প্ৰয়াত প্ৰধান মন্ত্ৰী গৰাকীৰ চৈধ্য পুৰুষ উজাৰি গালি পাৰিবলৈ ধৰিলে। মানুহ গৰাকীৰ উত্তপ্ত ভাষণবোৰ শুনিবলৈ ওচৰ চাপিলো। মোক দেখি তেখেতে সাদৰে মাতিলে আৰু ক'লে – "আহক আহক। আমি দেশৰ কিছুমান কলংকিত ব্যক্তিৰ কথা আলোচনা কৰিছো।" – পুনৰ আৰম্ভ কৰিলে গান্ধী বংশৰ সেই গতানুগতিক লেকচাৰবোৰ।

ইন্দিৰা গান্ধীয়ে তেতিয়া হলে কোনো ভাল কাম কৰাই নাছিল ? প্ৰশ্নটো সোধা নহলেই, পুনৰ তেখেতে আৰম্ভ কৰিলে – "পালে নহয় মজাটো। বংশটোৱেই উছন যাব। মানুহে ভাল কাম কৰিলেহে প্ৰশংসা কৰিব পাৰি। আজি বিজ্ঞানৰ যুগ। মানুহৰ বিচাৰ-বুদ্ধি জ্ঞান আদিৰ সহায়ত মহাকাশখনকো বিজয় কৰিছে। আমিবোৰ এতিয়া একোটাইঁত 'বেল' নহয়। মানুহৰ ভাল বেয়া বিচাৰ কৰাৰ ক্ষমতা পূৰাদমেই আছে। নে কি কোৱা ? অনুগত দুগৰাকীয়ে মূৰ দুপিয়াই সমৰ্থন কৰিলে।

আপোনাৰ মুখত ইন্দিৰা গান্ধীৰ বহুতো অপযশ, কুকীৰ্তি আদি শুনি বেছ ভাল লাগিল। কথাবোৰৰ কিবা নহয় কিবা সত্যতা আছে। তাত মই আপোনাৰ স'তে একমত। কিন্তু ইমানবোৰ বেয়া কামৰ মাজত ইন্দিৰা গান্ধীয়ে নিশ্চয় দুই এটা ভাল কাম কৰিছিল। তাক আপুনি মানি লয়নে ?

'দুই এটা অৱশ্যে ভাল কাম কৰিছিল।' গুৰু গম্ভীৰ স্বৰেৰে ওপৰলৈ মুখ কৰি মানুহজনে ক'লে।

আচ্ছা মোক অন্ততঃ তেখেতৰ এটা ভাল কামৰ উদাহৰণ দিয়কচোন। 'ভাল কাম' মুখত অলপপৰ কিবাকিবি ভোৰভোৰালে। পাঁচ মিনিটমান মৌন হয় ৰ'ল। 'মই অলপ পাহৰিছো বুজিছে। মনত পেলাব লাগিব।' মানুহজনে খেৰো-গেৰোকৈ উত্তৰটো দিলে।

এয়াই আজিৰ সমাজৰ এখন চিনাকি আলেখ্য। ইন্দিৰা গান্ধীৰ নামত সাতকিল মৰা এই ভদ্ৰলোকজনে ইন্দিৰাই কৰা ভাল কাম এটাৰ কথাকে মনলৈ আনিবলৈ সক্ষম নহ'ল। অনাহকত লোকৰ কুৎসা ৰটনা কৰা মানুহৰ সংখ্যাই আমাৰ সমাজত অধিক। উপৰোক্ত ব্যক্তি গৰাকী আমাৰ সেইচাম মানুহৰেই এগৰাকী যোগ্য প্ৰতিনিধি। ইয়াৰ মূল কেৰোণ ক'ত আছে তাক অলপ দকৈ বিবেচনা কৰিলে ওলাই পৰে। যিখন সমাজত জনসাধাৰণৰ মাজত কাৰোবাৰ প্ৰতি বীভৎস গালি-গালাজেৰে এখন কাকত চলাব পাৰি, সেইখন সমাজত মানুহৰ এনেধৰণৰ স্বভাৱ গঢ়লৈ উঠাতো তেনেই স্বাভাৱিক কথা।

মূল সমস্যা সমাধান নোহোৱালৈকে অসমখন কোনো দিনেই ঠাণ্ডা নহয়। পুনৰ এদিন জ্বলি উঠিব অসমখন। কথাষাৰ অস্বীকাৰ নকৰি নোৱাৰি। কিন্তু অকল অসমখন নহয়, সমগ্ৰ ভাৰতবৰ্ষখনেই দপদপ কৰে জ্বলি উঠিব। কোটি কোটি মানুহৰ পেটত যিদিনা এমুঠি আহাৰ নপৰিব, সেইদিনাই হয়তো নিঃশেষ হৈ যাব ভাৰতবৰ্ষৰ তথাকথিত গণতান্ত্ৰিক শাসন ব্যৱস্থা। ধ্বংস হৈ যাব টাটা, বিৰলা, আম্বানিহঁতৰ ওখ ওখ দালানবোৰ। ইতিমধ্যে ফিৰিঙতি দেখা গৈছেই। খুব বেছি আৰু বিশটা বসন্ত। অপেক্ষা কৰক।

এই কথাষাৰ বৰ্তমান অসমৰ পটভূমিত সুন্দৰকৈ খাটে। অসমৰ বৰ্তমানৰ মুখ্য মন্ত্ৰী হিতেশ্বৰ শইকীয়াক লৈও তৰ্ক-বিতৰ্কৰ ওৰ পৰা নাই। বৰ্তমানৰ পৰিস্থিতিত শইকীয়াৰ প্ৰাসঙ্গিকতা কিমান ? অসমৰ শতকৰা কিমান ভাগ মানুহে শইকীয়াক বেয়া পাব পাৰে ? আনহাতে ভালপোৱাৰ সংখ্যা একা ?

এটা কথা অৱশ্যে ঠিক যে হিতেশ্বৰ শইকীয়াই অসমৰ মুখ্য মন্ত্ৰী হবলৈ উপযাচি কেতিয়াও আগবাঢ়ি অহা নাই। প্ৰতিবাৰেই অসমেহে হিতেশ্বৰ শইকীয়াক টানি আনিছে। তাকো ঘোৰ সঙ্কট কালত। অসমৰ ঘোৰ সঙ্কটৰ কালছোৱাত মুখ্য মন্ত্ৰীৰ দায়িত্ব কান্ধত মূৰ পাতি লৈ পৰিস্থিতিৰ মোকাবিলা কৰাৰ একমাত্ৰ ক্ষমতা মুখ্য মন্ত্ৰী শইকীয়াৰহে আছে। ১৯৯১ৰ ৩০ জুনত শপত গ্ৰহণ কৰা শইকীয়াই মাত্ৰ এবছৰৰ ভিতৰতে অসমৰ ছবিখনেই সলনি কৰি পেলালে। কেনেকৈ এয়া সম্ভৱ হ'ল। কোনোবা এচামে হয়তো ক'ব পাৰে শইকীয়াই বিভাজনৰ ৰাজনীতিৰে অসমখন আৰু কিমান দিনলৈ ঠাণ্ডা কৰি ৰাখিব। মূল সমস্যা সমাধান নোহোৱালৈকে অসমখন কোনো দিনেই ঠাণ্ডা নহয়। পুনৰ এদিন জ্বলি উঠিব অসমখন। কথাষাৰ অস্বীকাৰ নকৰি নোৱাৰি। কিন্তু অকল অসমখন নহয়, সমগ্ৰ ভাৰতবৰ্ষখনেই দপদপ কৰে জ্বলি উঠিব। কোটি কোটি মানুহৰ পেটত যিদিনা এমুঠি আহাৰ নপৰিব, সেইদিনাই হয়তো নিঃশেষ হৈ যাব ভাৰতবৰ্ষৰ তথাকথিত গণতান্ত্ৰিক শাসন ব্যৱস্থা। ধ্বংস হৈ যাব টাটা, বিৰলা, আম্বানিহঁতৰ ওখ ওখ দালানবোৰ। ইতিমধ্যে ফিৰিঙতি দেখা গৈছেই। খুব বেছি আৰু বিশটা বসন্ত। অপেক্ষা কৰক। হয়, এইটো স্বীকাৰ কৰিব লাগিব যে শইকীয়া চৰকাৰে অসমৰ মৌলিক সমস্যা সমাধান কৰিবলৈ কোনো যত্ন কৰা নাই। মাত্ৰ ৰাজনৈতিক ক্ষেত্ৰত নিজৰ অস্তিত্ব সাব্যস্ত কৰিছে। আজি হিতেশ্বৰ শইকীয়াৰ সলনি অন্য এগৰাকী অসমৰ মুখ্য মন্ত্ৰী হলেও অসমৰ মৌলিক সমস্যা সমূহৰ সমাধান কৰিব নোৱাৰে। আল্‌ফাৰ পৰেশ বৰুৱা অসমৰ মুখ্য মন্ত্ৰী হলেও বৰ্তমানৰ পদ্ধতিত চুলি এডালকে লৰাব নোৱাৰে। আৰু নোৱাৰে অনবৰত পগলা কুকুৰৰ দৰে শইকীয়াক জধে-মধে ভুকি থকা তথাকথিত অসমৰ স্বয়ম্ভু অসমপ্ৰেমী সকলেও।

হিতেশ্বৰ শইকীয়াক ওচৰৰ পৰা চিনি পোৱা ব্যক্তিসকলে এষাৰ কথা অন্ততঃ ভালকৈ জানে। মুখ্য মন্ত্ৰী পদত অধিষ্ঠিত হোৱাৰে পৰাই শইকীয়াই প্ৰতিটো পল অনুপল অসমৰ মঙ্গলৰ বাবেই খৰচ কৰিছে। এই লেখকে শইকীয়াক ওচৰৰ পৰা বহুত দিন প্ৰত্যক্ষ কৰিছে। চেষ্টাও কৰা হৈছে শইকীয়াৰ ভিতৰৰ মানুহজনক চাবলৈ। প্ৰকৃততে অসমীয়া সকলৰ প্ৰতি তেখেতৰ বিৰাগ ভাব আছে নেকি ? ১৯৯১ চনৰ ৩ জুলাই। মুখ্য মন্ত্ৰী হোৱাৰ পিছত শইকীয়াৰ স'তে মোৰ সেয়া প্ৰথম দৰ্শন আছিল। নিশা তেতিয়া ১০মান বাজিছে। জনতা ভৱনৰ পৰা উভতি আহিছে মটৰীয়াৰ বাসভৱনলৈ। আল্‌ফাৰ অপহৰণৰ দায়িত্ব স্বীকাৰ কৰি আল্‌ফাই তেওঁলোকৰ প্ৰথম বিবৃতি দিছে। বিবৃতিটো মোলৈ আগবঢ়াই দি ক'লে, "জোৰেৰে পঢ়া। বাইদেৱে শুনক।' ওচৰত হেমপ্ৰভা বাইদেও বহি আছিল। আল্‌ফাৰ স্পষ্টীকৰণটো পঢ়াৰ পিছত মুখ্যমন্ত্ৰী শইকীয়াই মোৰ মন্তব্য বিচাৰিলে। শেহত শইকীয়াই মন্তব্য আগবঢ়ালে ঃ "বুজিছা, অসমৰ মানুহক এইবাৰ মোৰ কামৰ মাজেৰে প্ৰমাণ কৰি দিব বিচাৰো মই প্ৰকৃততে অসম বিৰোধী নে অসম প্ৰেমী। আল্‌ফাৰ অপহৰণ ঘটনাটো মই নৰমভাৱে লোৱাটোকে ঠিক কৰিছো। ডেকা ল'ৰা। আমি যে দুৰ্বল নহয় তাকেই সম্ভৱ 'অপহৰণ' ঘটনাটোৰে প্ৰমাণ কৰিব বিচাৰিছে। চৰকাৰ সৰু হৈ দিলেই যদি কামটো সিজে বা শান্তি ঘূৰি আহে, তেন্তে মই তাকেই কৰিম।" ইয়াৰ পিছত দূৰদৰ্শনৰ জৰিয়তে মুখ্য মন্ত্ৰীয়ে কিমানবাৰ আল্‌ফালৈ অনুৰোধ জনাইছে ৰাইজে সেয়া নিজেই দেখিছে।

অসমৰ বৰ্তমান শান্তিপূৰ্ণ পৰিবেশটোৰ বাবে শইকীয়াৰ আন্তৰিকতাক বাৰে শতৰুৱেও স্বীকাৰ কৰিব লাগিব। আজি যি হৈছে শইকীয়াৰ কূট-কৌশলী তথা বিভাজনী নীতিৰ বাবে হৈছে বুলি কোনোবাই শিলত মূৰ ঠেকেচি ক'ব পাৰে কিন্তু কথাষাৰ মুঠেই সঁচা নহয়। শইকীয়া মুখ্য মন্ত্ৰী হোৱাৰ পিছত অসমৰ কিছুমান বুদ্ধিজীৱীয়ে শইকীয়াৰ ৰাজনীতিক আজিৰ অসমৰ পৰিস্থিতিত অকল টকা বুলি আখ্যা দিছিল। তাহানিৰ যুগৰ ৰাজনীতিৰ চালৰ সহায়ত অসমৰ পৰিস্থিতিক ঠাণ্ডা কৰিব নোৱাৰিব বুলি দুজনমানে শিয়ালে হোৱা দিয়াৰ দৰে চিঞৰাত লাগিল। সময়বোৰ বাগৰি গ'ল শেহত শইকীয়াই প্ৰমাণ কৰিলে লগতে তথাকথিত সেই অনাহকত হোৱা দিয়া শিয়ালমখাক বুজাই দিলে হিতেশ্বৰ শইকীয়াৰ ৰাজনীতিৰ চোক কিমান !

হে সহৃদয় পাঠক বৃন্দ আপোনালোকে কথাবোৰ নিজৰ দৃষ্টিৰেই বিশ্লেষণ কৰক। অসমৰ আকাশত আজি এবছৰ আগতে দুৰ্ঘোৰ অমানিশাই ৰাজত্ব কৰিছিল। আল্‌ফাৰ নিৰ্মম হত্যাকাণ্ডত কঁপি উঠিছিল লক্ষীপথাৰৰ অৰণ্য। শ শ মহিলাই শিৰৰ সেন্দুৰকণ মচি পেলাব লগা হ'ল। ফুল কুমলীয়া সন্তানবোৰৰ মুখৰ পৰা 'দেউতা' নামৰ মৰমৰ শব্দটো চিৰদিনৰ বাবে কাঢ়ি নিয়া হ'ল। নিষ্পাপ কেইবাটাও দেৱ শিশুৰ কোমল শৰীৰ গুলীৰে থকা-সৰকা কৰি পেলোৱা হ'ল। নিশা পাঁচ বজাৰ লগে লগে দোকান-পোহাৰ বন্ধ হৈ পৰে। চাৰিওফালে মৰি শালিৰ নিৰ্জনতা বিৰাজ কৰিছিল। কোনে কাক ঘৰৰ পৰা টানি আনি গুলিয়াই হত্যা কৰে তাৰ কোনো ঠিকনা নাছিল। নিশা কাৰোবাৰ ঘৰত টোকৰ মাৰিলে কোনোবাই দুৱাৰ নিসঙ্কোচে খুলিব পাৰিছিলনে বাৰু। – আৰু আজি চাওক অসমৰ পৰিবেশটো। ইয়াৰ বাবে মুখ্যমন্ত্ৰী শইকীয়াক সঁচাই ধন্যবাদ দিব নোৱাৰিবনে ?

আলফাৰ আত্মসমৰ্পণকাৰী, কাৰ্বি নেতৃত্ব, বড়ো নেতৃত্ব আদিক ধনৰ প্ৰলোভনেৰে নিজৰ ফালৈ টানি নিছে বুলি কোৱা কথাষাৰ বাৰু কিমান দূৰ বিশ্বাসযোগ্য ! সমাজখনক আত্মঘাতী পথলৈ অনবৰতে উচটনি দি থকা তথাকথিত সাংবাদিক-বুদ্ধিজীৱী মখাক অসমীয়া ৰাইজে বুজিবৰ সময় হৈছে। নহলে অসমীয়া মানুহৰ যি কেইটা সদ্‌গুণ এতিয়ালৈকে জীয়াই আছে সেই কেইটাকো এওঁলোকে অতি শীঘ্ৰে ফাঁচি কাঠত ওলমাবগৈ। হিতেশ্বৰ শইকীয়াৰ বদনাম ৰটনা কৰিবলৈ ৰাইজে বহুত সময় পাব। কিন্তু সময় নাপাব অসমীয়াৰ গাত দেখা দিয়া দুৰাৰোগ্য বেমাৰটো ভাল কৰিবলৈহে ! এই বেমাৰৰ বীজাণু বিদেশৰ পৰা আমাৰ ৰাজ্যলৈ কঢ়িওৱা সকলক প্ৰথমতে বধ কৰক।

অসমৰ জ্বলন্ত সমস্যাবোৰৰ ওপৰত সতৰ্ক দৃষ্টি ৰাখি আন্তৰিকতাৰে সমাধান কৰিবলৈ শইকীয়াই প্ৰথমৰে পৰা অহোপুৰুষাৰ্থ কৰি আছে। কাৰ্বি সমস্যাৰ লগতে বড়ো সমস্যাও যে অতি সোনকালে সমাধান কৰিব পৰা যাব, তাক অসমৰ সৰহভাগ ৰাইজেই ইতিমধ্যে উপলব্ধি কৰিব পাৰিছেগৈ। কিন্তু অতি দুখৰ বিষয় এয়ে যে আমাৰ অসমখনক মুখ্য মন্ত্ৰী শইকীয়াই ৰুগ্ন দেহা এটাৰে বচাবলৈ যিমানেই যত্ন কৰিছে বা দিনে প্ৰতিদিনে কষ্ট কৰিছে তাৰ বিপৰীতে আন এটা চামে সিমানেই তৎপৰতাৰে লাগি পৰিছে অসমখনক ধ্বংস কৰিবলৈ। বিদেশীৰ হাতত বিক্ৰী কৰিবলৈ। শইকীয়াৰ প্ৰতিটো কামতে এওঁলোকে মাথো টকা-পইছাকহে দেখে। আল্‌ফাৰ আত্মসমৰ্পণকাৰী, কাৰ্বি নেতৃত্ব, বড়ো নেতৃত্ব আদিক ধনৰ প্ৰলোভনেৰে নিজৰ ফালৈ টানি নিছে বুলি কোৱা কথাষাৰ বাৰু কিমান দূৰ বিশ্বাসযোগ্য ! সমাজখনক আত্মঘাতী পথলৈ অনবৰতে উচটনি দি থকা তথাকথিত সাংবাদিক-বুদ্ধিজীৱী মখাক অসমীয়া ৰাইজে বুজিবৰ সময় হৈছে। নহলে অসমীয়া মানুহৰ যি কেইটা সদ্‌গুণ এতিয়ালৈকে জীয়াই আছে সেই কেইটাকো এওঁলোকে অতি শীঘ্ৰে ফাঁচি কাঠত ওলমাবগৈ। হিতেশ্বৰ শইকীয়াৰ বদনাম ৰটনা কৰিবলৈ ৰাইজে বহুত সময় পাব। কিন্তু সময় নাপাব অসমীয়াৰ গাত দেখা দিয়া দুৰাৰোগ্য বেমাৰটো ভাল কৰিবলৈহে ! এই বেমাৰৰ বীজাণু বিদেশৰ পৰা আমাৰ ৰাজ্যলৈ কঢ়িওৱা সকলক প্ৰথমতে বধ কৰক। অসম প্ৰেমীৰ মুখা পিন্ধা 'স্বয়ম্ভু অসমপ্ৰেমী' সকলৰ ভণ্ডামী এতিয়াই নুবুজিলে আমাৰ নিস্তাৰ নাই।

**শইকীয়াৰ দুৰ্বলতা ঃ** খোলাখুলিকৈ কবলৈ গ'লে অসমৰ সংখ্যালঘু সম্প্ৰদায়ৰ প্ৰতি হিতেশ্বৰ শইকীয়াৰ কিছু দুৰ্বলতা আছে। বহুতে কয় শইকীয়াই সংখ্যাগৰিষ্ঠ অসমীয়া জনসাধাৰণতকৈ সংখ্যালঘু সকলক বেছি আস্থাত লয়। ইয়াৰ কাৰণ কি। ইয়াৰ বাবে দায়ী কোন ? অসমীয়া জনসাধাৰণৰ বাবে শইকীয়াই ৰাজনীতিত সোমোৱাৰে পৰা সম্ভৱ আজিলৈকে কোনো অহিত চিন্তা কৰা নাই। ওৰেটো জীৱন অসমীয়াৰ হিতৰ বাবে সকলোখিনি কৰিও যেতিয়া মানুহজনে পদে পদে অসমীয়া জনসাধাৰণৰ ওচৰত লাঞ্ছিত হ'ব লগা হয়, তেতিয়া হলে স্বাভাৱিকতে বিৰাগ ভাব আহিবই। ঠিক বিৰাগভাব বুলি কোৱাতকৈ বিশ্বাস হেৰুৱালে বুলি কোৱাটোহে যুগুত হ'ব। এগৰাকী ৰাজনীতিবিদ হিচাপে আনে নিবিচাৰিলেও শইকীয়াই এইখিনি কৰিবলৈ বাধ্য। এইবাৰ কিন্তু বৃহৎ সংখ্যাক অসমীয়া জনসাধাৰণৰ শুভেচ্ছা পাই শইকীয়াই অগ্ৰসৰ হৈছে সমুখ সমৰ জিনিবলৈ। এটা কিডনিৰ সহায়ত দুৰ্বল শৰীৰেৰে দিনে ১৮ ঘন্টাকৈ খাটিছে মাথো আমাৰ বাবেই।

# কালচক্ৰ ঃ সন্ধিক্ষণ

ডাঃ আনন্দেশ্বৰ বৰঠাকুৰ



অংকন ঃ চম্পক বৰবৰা

পিছদিনা ৰাতিপুৱা শহুৰেকক লগত লৈ শইকীয়াই দোকান পালেহি। ইতিমধ্যে ৰতি মিস্ত্ৰীক লগত লৈ শ্ৰীমন্তই ঘৰৰ পিছফালে ঘৰ সাজিবলৈ মাটিত খুঁটি পুতিবলৈ গৈছিল। মিস্ত্ৰীয়ে বস্তুৰ যোগাৰ পালে তিনি সপ্তাহতে ঘৰ উলিয়াই দিম বুলি কথা দিলে। ৰতি মিস্ত্ৰীয়ে মানুহ লৈ পিছদিনাৰ পৰা কাম আৰম্ভ কৰিম বুলি ক'লে। হাওলাৎ হিচাপে বাকচৰ পৰা টকা ত্ৰিশটা মিস্ত্ৰীৰ হাতত দি হিচাপৰ বহীত শ্ৰীমন্তই লিখি ল'লে। মিস্ত্ৰী যোৱাৰ পিছত শ্ৰীমন্তই পিতাকক কলে, "তিনি সপ্তাহতে কৈছে যদিও মই এমাহৰ আগতে ঘৰ হ'ব বুলি নেভাবো। পিতাই, তই চাউল বনা হ'লে আগফালৰ ঘৰ দুটাত চাং পাতি বৰ্তমান তাৰ ওপৰত চাউল থবি। এইপিনে মই কাৰবাৰটোৰ ব্যৱস্থাও কৰি ল'ম।" ভনী জোঁৱায়েকলৈ চাই এবাৰ সুধিলে – "কেনে হ'ব বুলি ভাবা ?"

"ভাল হ'ব, বেয়া হ'ব কেলেই।" কথোপকথনৰ মাজতে দোকানৰ বিক্ৰীও চলি আছিল। ইয়াৰ ভিতৰতে ঘৰৰ মালিক চৈফুদ্দিন চাহাব আহিলে। শইকীয়াই শহুৰেকৰ সৈতে চিনাকি কৰি দিলে। মালিকে কাকতিক ক'লে, "আপোনাৰ ল'ৰা আৰু জোঁৱাই দুয়ো লায়েক হৈছে। আমি দোৱা কৰিছো দুয়ো আৰু আগবাঢ়ক। আপোনাৰ নাম ৰাখক।"

ভাড়াৰ হিচাপৰ কথা বেছি পাতিবলগীয়া নহ'ল। জনাবে ক'লে, "বাবা তুমি যি ক'বা সেয়ে হ'ব। বেয়া নাপাবা। তুমি বুলি মাতিছো। নিজৰ ল'ৰাৰ নিচিনা লাগে।"

হাঁহি হাঁহি শইকীয়াই অনুমোদন জনালে। "মইতো বহু দিনৰ পৰা ভাবি আছিলো আপোনাক তুমি বুলি মাতিবলৈ ক'ম।"

হঠাৎ বুঢ়াৰ চকু দুটা চলচলীয়া হৈ উঠিল, "সকলো আল্লাৰ ইচ্ছা, বাবা। মোৰ ডাঙৰ ল'ৰা দুটা বাচি থকা হ'লে তোমালোকৰ বয়সৰে হ'লহেঁতেন। টাইফয়েদ বেমাৰত দুয়োটা গ'লগৈ। তোমালোকৰ ভাল হোৱা দেখিলে মোৰো ল'ৰাহাললৈ মনত পৰে। আৰু আল্লাৰ ওচৰত তোমালোকৰ বাবে দোৱা বিচাৰো। সম্পত্তি বুলিবলৈ মোৰ মাটি এইখিনিয়ে। নিজে কাৰবাৰ কৰিব পৰা ক্ষমতা আজি নাই। আল্লাই নকৰক মোৰ কিবা হ'লে ঘৰৰ মানুহ আৰু ল'ৰা-ছোৱালী কেইটাৰ বাবে তোমালোক দুয়োটাই মোৰ ভৰসাৰ স্থল হৈ থাকিবা। ঘৰৰ মানুহজনীয়ে বহুদিন কৈ আছে তোমালোকক মাতিবলৈ বুলি। আহিবাচোন এদিন, দুইটাকে চাবলৈ তেওঁৰ বৰ হেঁপাহ।"

কথা কেইটা কৈ তেখেত যাবলৈ ওলাল। দুপৰীয়াৰ নামাজৰ সময় হৈছে। শইকীয়ায়ো থিয় হৈয়েই ক'লে, "যাম খুড়াদেউ। খুড়ীটিক ক'ব এদিন তেখেতক নমস্কাৰ জনাই আহিম বুলি। আমাক আশীৰ্বাদ কৰিবলৈ ক'ব।"

কাকতিয়ে মন্ত্ৰমুগ্ধৰ দৰে মানুহজন যোৱাৰ পিনে চাই থাকিল। "বোপা এইবোৰ আমাৰ নিজৰ মানুহ, জাত বেলেগ হ'লেও গিয়াতী বুলি ধৰিবা।"

পাইকাৰী কাৰবাৰ আৰম্ভ কৰাৰ আগতে শ্ৰীমন্তই বৰ্তমানৰ কাৰবাৰী কেইজনৰ লগত দেখা কৰি নিজৰ ব্যৱসায় কৰাৰ কথাটো বেকত কৰিলে। লগতে ক'লে, "আমাৰ মিলাপ্ৰীতিৰ বান্ধোনটো নেভাঙিব। কেতিয়াবা আপোনালোকৰ গাদীত চাউল কম হ'লে মোৰ তাৰ পৰা দৰত আপোনালোকে বাহিৰৰ পৰা কিনে, সেই দৰতে লৈ আহিব পাৰিব বা তাৰ পৰাই ক'ত ক'ত খুচুৰা দোকানত দিব লাগে জনালে মোৰ গাড়ীয়ে দি আহিবগৈ। পইছা মই নোতোলো আপোনালোকে তুলিব। আপোনালোকৰ গ্ৰাহক মই নভঙাও, যি আহে নিজে নিজে আহিব।"

মাৰোৱাৰী বেপাৰী কেইজনে শ্ৰীমন্তৰ কথা শুনি গহীন হ'ল। তেওঁলোকে তেওঁলোকৰ কাৰবাৰৰ মাজত অইন মানুহ সোমালে বেয়া পায়। তাৰ কাৰণ জাতিগত বিদ্বেষ বুলি বহুতে ভাবিলেও শ্ৰীমন্তই বুজে মাৰোৱাৰী মানুহবিলাকৰ কাৰবাৰৰ কিছুমান নীতি আছে। কোনো এখন দোকানৰ বস্তু সেই সময়ৰ চলিত দামত কিনিম বুলি কথা পকাপকি হোৱাৰ পিছত সেই বস্তুৰ দাম বাঢ়িলেও বেচোতাজনে লাভৰ লোভত তেওঁৰ ভাগৰ বস্তু আনক বিক্ৰী নকৰে। দাম কমিলেও কিনোতাজনে তাৰ পৰা নিকিনি আন দোকানৰ পৰা কিনিবলৈ নেযায়। এইটো তেওঁলোকে "চওদা" বুলি কয়। সেইবাবে তেওঁলোকৰ লগত কথা পাতোতে শ্ৰীমন্তই কথা দি আহে "বাবুজী আপোনালোকৰ নিয়মমতে মই কাৰবাৰ কৰিম। কেতিয়াবা কিবা চওদা কৰিলে সেই কথা শিলৰ ৰেখাৰ দৰে মানিম।"

পাইকাৰী গাদীৰ মালিক হৰগোবিন্দ বাবুৱে শ্ৰীমন্তৰ মুখত এনেকুৱা কথা শুনি কৈছিল, "আপুনি দেখোন মাৰোৱাৰী বনি গ'ল। তেতিয়াহলে আপুনি কাৰবাৰ কৰিলে আমাৰ কোনো দিগদাৰি নহয়, আমাৰ আপোনাৰ লগত কোনো কাজিয়া নাই।"

জগবন্ধু ৰয় আৰু কালিকিঙ্কৰ চন্দ – তেওঁলোক দুজন ডাঙৰ বঙালী আড়তদাৰ। শ্ৰীমন্তৰ কথা শুনি তেওঁলোকে ততালিকে আনন্দ প্ৰকাশ কৰে আৰু কয় "নতুনকৈ কাৰবাৰ কৰিবলৈ লৈছে। কিবা কথাত দিগদাৰি পালে জনাবা।"

কাকতিয়ে ইতিমধ্যে ভতিজা বোৱাৰীয়েকক আনিবলৈ গাঁৱলৈ গাড়ী পঠিয়াই দিলে। ভতিজা বোৱাৰী আহিলত সেউতীৰ মাকক ঘৰলৈ পঠিয়ালে। ছোৱালীজনীৰ ঘৰলৈ আহিলে বাপেকৰ উভতিবলৈ মন নোযোৱা হয়। মাজে মাজে ভাবে কিনো মায়াৰে বান্ধিলে জোঁৱায়েকটোৱে। শ্ৰীমন্তৰ কাৰণে তেওঁৰ চিন্তা নোহোৱা হ'ল। হঠাৎ সেইদিনা দুপৰীয়া কাকতিয়ে দোকান ওলালগৈ। পুতেকে আচৰিত হৈ সুধিলে, "কিনো হ'ল পিতাই, হঠাতে আহিলি দেখোন।"

"কথা এটা মনত ধৰিলে। তহঁত দুইটাৰে লগত আলচ কৰিম বুলি ভাবিছো।"

তাৰপিছত এটা সময়ত কাকতিয়ে কৈ গ'ল, "তহঁতৰ চাউলৰ কাৰবাৰটো ভালে ভালে চলিলে, মই পকামুৰাতে অহাবছৰলৈ ধান কল এটা বহাম বুলি ভাবিছো। কেনেকৈ কি কৰিব লাগে একো নেজানো, দামনো কিমান পৰিব বা-বাতৰি ল'বি। দৰকাৰ হ'লে মাটি দুপুৰাকে মই বিক্ৰী কৰিম।" অলপ ৰৈ আকৌ ক'লে, "ইমান ডাঙৰ খেতিখন সামৰা এতিয়া টান হৈ আহিছে।"

শ্ৰীমন্তই ক'লে, "এইবোৰ কথাৰ মই খবৰ লৈছিলো। পিতাই, সৰহভাগ মিল কেঞা মাৰোৱাৰীৰ। মই পাইকাৰী কাৰবাৰ আৰম্ভ কৰিম বুলি শুনাৰ পৰা মোক বৰ সন্দেহৰ চকুৰে চাবলৈ ধৰিছে। মিলৰ ভিতৰলৈ সোমাবলৈ নিদিয়ে। জোতাৰ দোকানী নাৰায়ণ সাহাই মোক কৈছিল, বঙালী মানুহ এজনৰ ধান কল এটা আছে বুলি। মালিকৰ লগত কথা-বতৰা পাতি মোক ধান কলটো দেখুৱাবলৈ লৈ যাব বুলি কথা দিছে।"

শ্ৰীমন্তৰ কথা শুনি দেউতাকে সন্তোষ পায়। "ঢেঁকীৰে বানিলে এমোন ধানত বাইশ সেৰ মানহে চাউল ওলায় আৰু দুসেৰমান খুদি, তিনিসেৰমান ভুচি। কলত বানিলে বোলে চৌবিশ সেৰমানকৈ ওলায়। আজিকালি নতুন ধৰণৰ কলবোৰত আৰু বেছিকৈ ওলায় বোলে। এই লোকচানৰ ফুটাটো বন্ধ কৰিব লাগিব। খুদি, ভুচিখিনি নিজৰ গৰুৱে খোৱাৰ পিছতো ভালেমান বাকী থাকে, পেলনি যায়। সেইবোৰ চহৰত বিক্ৰী হ'লেও যি দাম পাবি, গাওঁৰ পৰা কঢ়িয়াই অনাত খৰচ বেছিহে হ'ব।"

আজিকালি শ্ৰীমন্তৰ মনটোত ব্যৱসায়ৰ কথাবোৰ ঘূৰি থাকে। দেউতাকৰ মুখত খুদি, ভুচি পেলনি যোৱাৰ কথা শুনি মনে মনে ভাবে – বৰ ভেটাৰ চৰকাৰী কৃষি পামত ভালেমান উন্নত বিধৰ গাই গৰু দেখিছিল। একোজনী গৰুৱে দহ-বাৰ সেৰকৈ গাখীৰ দিয়ে। এইবোৰ সিন্ধু দেশৰ গৰু। সিন্ধি গাই বুলি কয়। চৰকাৰৰ পশুপালন বিভাগৰ পৰা মাজে মাজে এনেকুৱা উন্নত ধৰণৰ গাই-গৰু উচিত মূল্যত বিক্ৰী কৰে বুলি সি শুনিছিল। পাইকাৰীৰ পৰা চাউল লৈ খুচুৰা দোকানীক দিবলৈ যাওঁতে দেচোৱালী দোকানী এজনক লগ পাইছিল। কথা-বতৰা পাতি ভাল লাগিছিল। তেওঁৰ মুখত শুনিছিল বিহাৰৰ সোণপুৰত ডাঙৰ জন্তুৰ মেলা বহে বছৰি। তাত গাই-গৰু বিক্ৰী হয়। উট, হাতীৰ পৰা আৰম্ভ কৰি অন্যান্য বহুত পোহনীয়া জন্তুৰ মেলা সেইখন। দৰকাৰ হলে শ্ৰীমন্তক লগত গৈ ৰামসেৱক দোকানীয়ে সোণপুৰৰ মেলাত ভাল গাই-গৰু তাক কিনি দিব পাৰিব। ৰেলত বুক কৰি লগত খেৰ কিছুমান লৈ আহিলে মৰিয়নি পাবহি পাৰিব। তিতাবৰত নামিলে সিহঁতৰ ঘৰলৈ যাবলৈ চমু হয়। নানা পৰিকল্পনা, নানা চিন্তা ভাবনাত আঁত হেৰাই যায়। দেউতাকে তাৰ কামৰ শলাগ লৈছে। সি মেট্ৰিক পাছ কৰিব নোৱৰাৰ কাৰণে লাহে লাহে দেউতাকৰ মনৰ দুখ নাইকিয়া হ'ল।

ৰতি মিস্ত্ৰীয়ে মানুহ লৈ পিছপিনে গুদামৰ কাম চলাই থাকে। খুট্‌খাট্‌ তুংতাং শব্দ কাণত বাজেহি। এনেয়ে হলে এই শব্দবোৰে বৰ দিগদাৰি দিলেহেঁতেন। আজি কিন্তু শ্ৰীমন্তৰ ভাল লাগিছে। মিস্ত্ৰীয়ে বৰ উৎসাহেৰে কাম কৰিছে। গুদামটো শেষ হবলৈ বৰ বেছি পৰ নালাগিব। মিস্ত্ৰীয়ে কৈছে কেম্পিৰ ওপৰত টিন লগাই মানে ৰাজমিস্ত্ৰী আনি তলখন পকা কৰাই পেলাব। আৰু ইটাৰে হাফ ওৱাল গথাই দিব। ঘৰৰ দৰজা কেইখন মিস্ত্ৰীয়ে ঘৰতে নিশা মানুহ লগাই নিজে কাম কৰি সাজি আছে। মিস্ত্ৰীৰ কিবা জেদ্ লাগিছে। অসমীয়া মানুহক বাকীবোৰ মানুহে কাৰবাৰ কৰিবলৈ নিদিয়ে। শ্ৰীমন্তক মিস্ত্ৰীয়ে কৈছিল কাকজান, মেলেং, বৰীগাওঁ আদিৰ পৰা চাউল আনি তাৰ গুদামত দিয়াৰ দায়িত্ব তেওঁ ল'ব। এতিয়া বয়স হৈ আহিছে। কাঠ মিস্ত্ৰীৰ কাম আগৰ দৰে কৰিব নোৱাৰে। এনেকৈ দুপইছা যদি উপাৰ্জন হয়, ল'ৰা-ছোৱালী কেইটাৰ পঢ়া-শুনা বিয়া বাৰু আদিৰ খৰচ উলিয়াব পাৰিব।

দিনবোৰ পাৰ হৈ মাহত পৰিলেগৈ। চাওঁতে চাওঁতে সময় আহি পালেহি। সেউতীৰ গাটো মাজে মাজে বেয়া হয়। মাকে উৎকণ্ঠাৰে সৈতে সকলোবোৰ লক্ষ্য কৰে, গঙ্গীয়া বায়ে আহি চাই যায়হি। বিষ বেছি হ'লত এদিন তাই পাটী ল'লে। শোৱা কোঠাৰ কাষতে থকা সৰু কোঠাটোত মাটিত খেৰ পাৰি তাৰ ওপৰত বিছনা চাদৰ পাৰি দি তাইৰ বিছনা মাকে কৰিলে। তেতিয়াৰ দিনত অশৌচিয়া মানুহৰ বিছনাও অশুচি হয়। সেইবোৰ আকৌ ব্যৱহাৰ কৰিব নোৱাৰে। পেলনি যায়। দিনে-ৰাতি কষ্ট খোৱাৰ পিছত পিছদিনা নিচেই পুৱাতে কেঁচুৱাৰ কান্দোন শুনি সিফালৰ কোঠাটোত মধু শইকীয়াই উচপ্ খাই সাৰ পাই

উঠিল । কান্দোনটো শুনাৰ লগে লগে মনটো ফৰকাল লাগি গ'ল । নিশা শুইছিল যদিও টোপনি ভাগি গৈছিল । কাণপাতি শুনিছিল সেউতীৰ কেকনিবোৰ । মনটো বৰ বেয়া লাগিছিল । মাকে সেউতীৰ লগত লাগি আছিল । মাজে মাজে মূৰত তেল-পানী দিছিল, বিচনীৰ ৱা দিছিল আৰু কিবাকিবি কথা কৈ তাইৰ মনটো ভুলাবলৈ চেষ্টা কৰিছিল । নতুন মানুহ কষ্ট অলপ পাবই । কেঁচুৱাটো হাতত লৈ কাপোৰ এখনেৰে মেৰিয়াই গঙ্গীয়াই কাকতিয়নীক কেঁচুৱাটো ধৰিবলৈ ক'লে । নাভিটো বান্ধি কেঁচিৰে কাটিলে । আজিকালি সূতা আৰু কেঁচি পানীত উতলাই লয় । চিভিল চাৰ্জনে ধাইৰ কাম কৰা মানুহবোৰক মাতি নি ভালেমান কথা শিকাইছিল । নাভিটো কাটি লৈ কেঁচুৱাটো গৰম পানীৰে ধুই পখালি চাফা কৰিব লাগিব ।

গঙ্গীয়াই ক'লে, "আই ল'ৰা হৈছে মোক ভালকৈ বকচিচ দিব লাগিব কিন্তু । ৰৌ মাছৰ মাথা এটাও খাম । "কথাকেইটা কওঁতে তাইৰ সোলা দাঁতকেইটা হাঁহিত ওলাই পৰিছিল । জোঁৱায়েকে শুনাকৈ চিঞৰি ক'লে, "বোপা ল'ৰা হৈছে ।" সেউতীয়ে সেহাই সেহাই সুধিলে, "ল'ৰা হৈছে নেকি বৌটি ।" তাইৰ মুখত এটা বিমল আনন্দ । বিনিদ্ৰ ৰজনী পাৰ হ'ল । এই গোটেই অৱস্থাটোৰ মাজত হোৱা যুঁজখনৰ ক্লান্তিয়ে তাইৰ চকুকেইটা মুদ খুৱাই আনিছিল । মধুৱে লৰালৰিকৈ বিছনা-পাতি এৰি সুবৰ হতুৱাই চাহপানী কৰালে । তেওঁ চৰু চুলে শাহুৱেকে নেখাব । এঘাৰ দিনলৈ অশৌচ হ'ব । গাটো ধুই আহি সুবই কৰি দিয়া চাহ গিলাচ পিঠা দুখনেৰে সৈতে খাই গোঁসাইৰ থাপনালৈ হাত তুলি সেৱা কৰিলে । থাপনা চুব নোৱাৰে কাৰণে সুবক ক'লে, "তই গাটো ধুই থাপনাত চাকি এগছ দি সেৱা কৰিবি বায়েৰ আৰু ভাগিনীয়েৰৰ কাৰণে ।" তাইৰ টোপনি তেতিয়াও ভঙা নাছিল ।

"ভাগিন মানে ? মই মাহী হ'লো নেকি ?"

শইকীয়াই সঁহাৰি জনালে । "আইকো গা ধুই উঠিলে তই চাহপানী অকণমান খুৱাবি । গঙ্গীয়া বাইক জলপানটো ভালকৈ দিবি । মই দোকানলৈ গৈ ককায়েৰক পঠিয়াই দিম ।" ততাতৈয়াকৈ চাইকেল চলাই শইকীয়া দোকান পালেহি । শ্ৰীমন্তইঁতে তেতিয়াও সাৰ পোৱা নাছিল । শইকীয়াই ইমান পুৱাতে অহা দেখি শ্ৰীমন্ত উচপ্ খাই উঠিল । "কি হ'ল মধু ? ইমান পুৱাতে ওলালাহি দেখোন ।"

"আপুনি মোমায়েক হৈছে, ভাগিনীয়েকক চাওকগৈ । আজি আপুনি ঘৰত থাকিলে ভাল হয় । হাঁহিৰামক পকামূৰালৈ পঠিয়াই দিয়া হওক । ঘৰত বতৰা দিবগৈ লাগে ।"

শ্ৰীমন্তৰ মনটো আনন্দত উৎফুল্ল হৈ উঠিল । কেইদিনমানৰ আগতে মাকে কৈ পঠিয়াইছিল পানী কাপোৰ এখন কিনি থ'বলৈ বুলি । কিনি থৈছিল যদিও ঘৰলৈ পঠিওৱা হোৱা নাছিল । গাটো ধুই চাহপানী টোপা খাই সেইখন বেগত সুমুৱাই লৈ শ্ৰীমন্তই সবহিবন্ধাৰ ঘৰমুৱা হ'ল । যোৱাৰ আগতে হাঁহিৰামক মাতি ঘৰলৈ চিঠি এখন দি খবৰটো জনাবলৈ ক'লে । বৰদেউতাকৰ ঘৰৰ পৰা নবৌৱেক এজনী আহিলে ভাল হয় । মাকে অকলে চম্ভালিবলৈ টান পাব । ঘৰ আহি পোৱাৰ পিছত শ্ৰীমন্তই ভৰি-হাত ধুই চৰুত সোমালহি । মাকক ক'লে "বৌটি তই আহৰি হ'লে গাটো তিয়াবি মই ভাত মুঠি ৰান্ধিম । সুবই আজি স্কুললৈ যাব নেলাগে । কোন ক'ত খবৰ কৰিবলৈ আহে, চাহপানী এটোপা দিবলৈ তাই আহৰি হৈ থাকিলে ভাল হয় । বগামনক পইছা দি আহিছো । দোকান খুলিলেই মিঠাই এচৰু লৈ আহিব । খবৰ ল'বলৈ অহা মানুহৰ মুখত মিঠাই একণ পৰিলে কেঁচুৱাটোৱে আশীৰ্বাদ পাব ।"

সিপিনে দোকানত পিছফালৰ চালিখনৰ তলত থকা শ্ৰীমন্তৰ বিছনাতে শইকীয়াই কাতি হয় । কলামনেও কোনোবা এটা সময়ত আহি কয়, "দেউতা, ভাইটিকো মোৰ চাই আহিবৰ মন গৈছে ।"

বগামনে নন্দ ঘোষৰ দোকানৰ পৰা মিঠাই আনিবলৈ যোৱাৰ আগতে শইকীয়াক সোধে, "আমাৰ ইয়ালৈকো খবৰ কৰিবলৈ মানুহ আহিব । মিঠাই অলপ আনি থ'লে ভাল হয় ।"

শইকীয়াই জেপৰ পৰা টকা দুটা উলিয়াই বগামনক দিয়ে । আনন্দত তেওঁৰ মনটো উৎফুল্ল হৈ উঠিলেও ক'ৰবাত কিবা এটা ক্ষোভত, দুখত মনটো সেমেকি যায় । সাপেখাটিত এৰি অহা ঘৰখনলৈ এবাৰ মনত পৰে । উচাট্ মাৰি মনৰ পৰা সেইবোৰ কথা আঁতৰাই পেলায় । আজিৰ দিনত সেই আপুদীয়া কথাবোৰ ভাবিব নাপায় । দুপৰীয়া এবাৰ কাছাৰীলৈ গৈ মেধিহঁতক খবৰটো দিব লাগিব । বলো ককাইক নজনালে নবৌৰ মুখখন এপাচি হ'ব । পূৰ্বতে ভাবি অহাৰ দৰে মাহেক হৈ গ'লে ঘন পণ্ডিতৰ হতুৱাই পূজা-পাতল কৰি তিনিও সখি হ'ব লাগিব । বিয়াৰ আগতে লৰালৰিৰ মাজত কামটো হৈ নুঠিলগৈ । চিলমিলকৈ শইকীয়াৰ টোপনি আহি যায় । দেৰি হোৱা কাৰণে ক'লামনে জগাই দিয়ে, "দেউতা, বেলি বহুত হ'ল । দোকান খোলক ।"

সম্বিৎ ফিৰাই পাই শইকীয়াই মুখখন ধুই ততাতৈয়াকৈ চাবি-কাঠি হাতত লৈ দোকান খুলিবলৈ ওলাই গ'ল ।

সাঁজ লাগি ভগাৰ পিছত পকামূৰাৰ পৰা কাকতিয়ে ভতিজা বোৱাৰীয়েকক লৈ শইকীয়াৰ ঘৰ ওলাল । শ্ৰীমন্তই সকাহ পাই চৰুৰ পৰা ওলাই আহি নবৌয়েকক ক'লে, "তুমি এতিয়া চৰুটো লোৱা । বহুদিন অভ্যাস নাই কাৰণে জুইকুৰা ধৰোতে মোৰ চকু ৰঙা হ'ল ।"

শ্ৰীমন্তক জোকাই নবৌয়েক ৰান্ধনি ঘৰলৈ সোমাই গ'ল, "তোমাৰ কষ্ট গুচাবলৈ জা এজনী এইবাৰ চাব লাগিব ।"

কাকতিয়নীয়ে সৰুজনী বোৱাৰীয়েকৰ হাতেৰে নেখায় । হেলা কৰি থাকোতে তাইক এতিয়ালৈকে ৰান্ধনি পতা হোৱা নাই । অকণমান ছোৱালীজনী হোৱাৰ পিছত ডাঙৰ জাকৰ গাটো এতিয়া ভাল হৈছে । ঘৰলৈ গৈ এইবাৰ তাইক ৰান্ধনি পাতিব লাগিব বুলি কাকতিয়নীয়ে মন স্থিৰ কৰে । ঘৰলৈ অচিনাকি ওচৰ-চুবুৰীয়াবোৰ আহি আছে । শ্ৰীমন্তই আমনি পাইছিল বাবে লৰালৰিকৈ দোকানমুৱা হ'ল । নিশাৰ ভাতমুঠি ঘৰতে খাব বুলি কৈ গ'ল । কাকতিয়ে হাজৰিকাহঁতৰ ঘৰলৈ ওলাই গৈ ল'ৰাৰ গণনা কৰাৰ বাবে দেউক ক'ত পাব সম্ভেদ ল'ব । চাওঁতে চাওঁতে ল'ৰাৰ সূৰ্য দেখুওৱা মাহেকীয়া নামো হৈ গ'ল । সিপিনে দোকানত কামৰ বাহুল্যও বাঢ়িল । চাউলৰ কাৰবাৰত ভালেমান টকা লাভ হোৱাৰ উপৰিও মূলৰ টকা হোৰাহোৰে শ্ৰীমন্তৰ হাতত পৰিল । শইকীয়াৰ লগত বহি হিচাপ কৰি – টকা ৰতনবাবুৰ গাদীত থ'লে । ৰতি মিস্ত্ৰীয়ে তেওঁৰ পিনৰ পৰা কেবা গাড়ীও চাউল লানি নিছিগাকৈ আনি থাকিল । ৰতনবাবুৰ উপদেশ মতে শ্ৰীমন্তই ডিমাপুৰ, লামডিঙ আদিত ৰেলেৰে গৈ পাইকাৰী দোকান কেইখনমানৰ লগত বন্দৱস্ত কৰিলে । তেওঁলোকে তাৰ দোকানৰ পৰা আহি চাউল নিবলৈ ল'লে । কাকজান, মেলেঙ আদি পিনৰ পৰা অহা ধানৰ খেতিয়ক কেইজনে লাহে লাহে আসৈ পাই টকাৰ হিচাপ কৰি শ্ৰীমন্তৰ তাতে টকা জমা থৈ গ'ল । বগামনে আজিকালি দোকানত সহায় কৰিবলৈ সময় নাপায় । গাঁৱৰ পৰা অহা এইবোৰ মানুহক শ্ৰীমন্তই এসাজ খুৱাই পঠিয়ায় । এনেকুৱা কৰোতে কাৰবাৰ বাঢ়ে – আপোনভাৱ এটাও হয় । শ্ৰীমন্তৰ ব্যৱহাৰত তেওঁলোক বৰ সন্তুষ্ট হয় । এইখিনি আপ্যায়ন আনবোৰ গাদীত তেওঁলোকে নাপায় । মধু শইকীয়াই য'ত যেনৈকে পাৰে সহায় কৰে । কিতাপৰ দোকানখনো আগতকৈ ডাঙৰ হ'ল । মনোহাৰী দোকানখনৰ আকাৰো বাঢ়িল । পূজাৰ আগতে নাৰায়ণ সাহাই এদিন আহি ক'লেহি, "শইকীয়া, ইয়াৰ পাইকাৰীৰ পৰা বস্তু কিনি আপুনি কি লাভ কৰিব ? মই কলিকতালৈ যাম – দোকানৰ বাবে জোতা আনিবলৈ । পূজাত জোতা ভালেমান বিক্ৰী হয় । সৰু ল'ৰা-ছোৱালীৰ বাবে নানা তৰহৰ কাপোৰ ৰাখিলে, বিক্ৰী ভাল হ'ব । কলিকতাত এইবোৰ বস্তু সস্তা দৰত পায় । মোৰ লগত ওলাওক । আমি বস্তু লৈ একেলগে উভতিম । ৰতনবাবুৰ গাদীৰ পৰা হুণ্ডি লৈ গ'লে, কলিকতাত তেওঁলোকৰ লগত ব্যৱসায় কৰা গাদীৰ পৰা পইছাটো তুলিব পাৰিম ।"

সেই নিশা শইকীয়াই শ্ৰীমন্তৰ লগত পৰামৰ্শ কৰিলে । কাৰবাৰকেইটা একেলগে কৰিছে যদিও মধু শইকীয়াৰ পৰামৰ্শ মতে প্ৰত্যেকটো কাৰবাৰৰ হিচাপ বেলেগে ৰখা হৈছে । কলিকতালৈ যোৱাৰ বাবে যিখিনি যাবতীয় খৰচ লাগিব, বস্তু কিনাৰ বাবে যিখিনি টকা লাগিব, সেই টকা চাউলৰ পাইকাৰী কাৰবাৰৰ পৰা টানিব লাগিব । দুয়ো গমি-পিতি চাই দেখিলে দুমাহৰ মূৰত পূজাৰ সময়তেই কলিকতাৰ পৰা অনা সৰহভাগ বস্তু বিক্ৰী হৈ যাব । শইকীয়া কলিকতালৈ যোৱাৰ কেইদিন শহুৰেক কাকতিয়ে আহি ঘৰ ৰখিব পাৰিব ।

নাৰায়ণ বাবুৰ লগত কথা পকা-পকি কৰি দুয়ো যোৱাৰ দিন-বাৰ ঠিক কৰিলে । টিফিন কেৰিয়াৰত বাটত খাবৰ কাৰণে জা-জলপান জোগাৰ কৰি দিলে দুয়োখন ঘৰৰ পৰা । হোল্ডলত বিছনা ভৰাই, চুটকেচত কাপোৰ-কানি সুমুৱাই জে পি আৰৰ অকণমানি ৰেলগাড়ীখনত দুয়ো পুৱাতে উঠিল । নিশা ভাটিমুৱা ৰেলগাড়ী মৰিয়নি ষ্টেচনত ধৰিব লাগিব । দুয়ো দুখন ইন্টাৰক্লাচৰ টিকট লৈছিল । হাজাৰ হলেও ইমান দূৰ বাট যাব লাগিব যেতিয়া ইন্টাৰক্লাচত যোৱাটোৱে ভাল হ'ব বুলি শইকীয়াই ক'লে । ইন্টাৰক্লাচত ভদ্ৰলোক মানুহবোৰ উঠে । কিন্তু তৃতীয় শ্ৰেণীত উঠা মানুহবোৰ অলপ অপৰিষ্কাৰ আৰু ডবাবোৰ কিছু লেতেৰা কৰি পেলায় । মৰিয়নিৰ পৰা গাড়ী এৰোতে আবেলি হ'ল । তেতিয়া ৰেলগাড়ীবোৰ সময়মতে চলিছিল । মৰিয়নি ষ্টেচনত কেইবাজনো কৰ্মচাৰী নাৰায়ণবাবুৰ আগৰ চিনাকি । সেই যুগত ৰেলৰ প্ৰায়বোৰ কৰ্মচাৰীয়ে বঙালী মানুহঁ আছিল । সাধাৰণতে এওঁলোকৰ ভিতৰত এটা জাতীয়তাপ্ৰসূত আকৰ্ষণ আছিল । মৰিয়নি ষ্টেচনত দুই এজন কৰ্মচাৰীয়ে তেওঁবিলাকক ৰেলত উঠাই দিয়ে আৰু টিকেট চেকাৰজনক তেওঁলোকৰ আপোন মানুহ বুলি ক'লে । ৰেল গৈ পাণ্ডু পাওঁতে পিছদিনা দুপৰীয়া হ'লহি । তাতে নামি দুয়ো বস্তু-বাহানিৰে সৈতে খাপ পাতি ৰ'বলগীয়া হ'ল সন্ধিয়াৰ ফেৰীত উঠি ব্ৰহ্মপুত্ৰ পাৰ হ'বলৈ । গা ধোৱাৰ ব্যৱস্থা আছিল ৰেল ষ্টেচনৰ চৌহদতে । দুয়ো গা ধুই ওচৰৰ হোটেলত ভাত-পানী খাই নাৰায়ণবাবুৰ পৰামৰ্শমতে আবেলি হোৱাৰ আগতেই নাৱেৰে ব্ৰহ্মপুত্ৰ পাৰ হৈ আমিনগাওঁ পালেগৈ । নাৰায়ণবাবুৱে মধু শইকীয়াক বুজালে – নৈত পানী এতিয়া তাকৰ । ডাঙৰ নাওত গ'লে পাৰ হোৱাত কোনো ভয়ৰ কাৰণ নাথাকে । ফেৰীত পাৰ হ'ব লাগিলে মানুহৰ ভিৰত ৰেলত উঠিবলৈ আহুকাল হ'ব । সময় থাকোতে দুয়োজনে ষ্টেচনলৈ ৰেল অহাৰ লগে-লগে ইন্টাৰক্লাচৰ ডবা এটাৰ ওপৰৰ বাঙ্কত বিছনা কৰি ল'লে । ফেৰীত পাৰ হৈ অহা মানুহবিলাকে ডবাটো ছাটি ধৰিলে । তলত থকাবিলাকে কদাচিৎহে দুই-এজনে শুবলৈ বিছনা পাৰি ল'ব পাৰিলে ।

আমিন গাওঁৰ পৰা ৰেল এৰি দিওঁতে নিশা হ'ল । নিশাৰ আন্ধাৰৰ মাজেৰে ৰেলগাড়ী অসমৰ বুকুৰে বগাই গৈ পুৱাৰ ভাগত বঙ্গদেশৰ পাৰ্বতীপুৰ ষ্টেচন পালেগৈ । বাটত সৰু-ডাঙৰ ভালেমান ষ্টেচনত ৰৈ গৈছিল । শইকীয়াহঁতে সেইবোৰ নামি চোৱা নাছিল । পাৰ্বতীপুৰত নামি দুয়ো ৰেলগাড়ী সলালে । এতিয়া মিটাৰগেজৰ পৰা ব্ৰডগেজৰ ৰেলত তেওঁলোক উঠিল । টিফিন কেৰিয়াৰত লৈ যোৱা জা-জলপানখিনি মুখ-হাত ধুই ভালকৈ খাই ল'লে । শিয়ালদহ ষ্টেচন পাওঁতে আবেলি হৈছিল । সেইখন পুৰণি দিনৰ বঙ্গদেশ । তেতিয়া পূব আৰু পশ্চিমৰ বিভাজন হোৱা নাছিল । শিয়ালদহ ষ্টেচনত নামি নাৰায়ণবাবুৱে অভ্যস্তভাৱে মুটিয়া দুজনৰ মূৰত বস্তু-বাহানিখিনি দি মধু শইকীয়াক লগত লৈ ষ্টেচনৰ পৰা ওলাই আহিল ।

কলিকতাখন তেতিয়া নিকা চহৰ আছিল । আলিবাটত বাছ গাড়ী বেছিকৈ নচলিছিল । মানুহে টনা ৰিক্সা, ঘোঁৰাগাড়ী আৰু ইঞ্জিনে চলোৱা ট্ৰাম গাড়ী এইবোৰেই চহৰৰ ভিতৰত পৰিবহণৰ ব্যৱস্থা আছিল । মানুহৰ হেম-গেম নিয়মীয়া । আলি-পদুলিবোৰ পাৰ হওঁতে অঘটনৰ কাৰণে শঙ্কাকুল হৈ থাকিব নেলাগিছিল । মুটিয়া দুটাক লগত লৈ তেওঁলোক দুয়ো চাৰকুলাৰ ৰোড পাৰ হৈ হেৰিচন ৰোডেদি দুখোজমান আগবাঢ়ি গৈয়ে সোঁহাতে সোমাই যোৱা বৈঠকখানালেন পালেগৈ । তাতে অলপদূৰ আগবাঢ়ি নাৰায়ণবাবুৰ চিনাকি সিংলেও হোটেলত দুয়ো সোমাল ।

মেনেজাৰৰ পৰা আৰম্ভ কৰি চাকৰ কেইটালৈকে সকলোবোৰ নাৰায়ণবাবুৰ চিনাকি । ওচৰা ওচৰিকৈ কোঠা দুটাত দুয়ো দুখন তক্তাপোচত বিছনা পাৰি ল'লে । গা-পা ধুই নিশাৰ ভাত মুঠি খাই সেইদিনা দুয়ো আৰু ওলাই নগ'ল । ক্লান্তি আৰু অৱসাদত তন্দ্ৰাই নিমিষতে চকুকেইটা হেঁচা মাৰি ধৰিলে । আচহুৱা জাগালৈ অহা বাবে মনত আশঙ্কা এটা আছিল যদিও হোটেলৰ মানুহখিনি নাৰায়ণবাবুৰ চিনাকি কাৰণে মধু শইকীয়াৰো চিনাকি যেন লাগিল । এদিন দুদিনকৈ ইখন দোকান সিখন দোকানলৈ দুয়ো ঘূৰিলে । ৰতনবাবুৰ চিনাকি গাদীৰ পৰা হুণ্ডি দেখুৱাই টকা আনি বস্তু-বাহানি কিনি ঘৰলৈ ওভতোতে তেওঁলোকৰ সাদিনমান লাগিল । ইয়াৰ ভিতৰতে ঘৰলৈ চিঠিও দিলে । চিন্তা নকৰিবৰ বাবে । মৰিয়নি গৈ পোৱাৰ তাৰিখ জনালে । মৰিয়নি ষ্টেচনত নামোতে বেলা দুপৰ হৈছিল । নামিয়ে দেখিলে হাঁহিৰাম ৰৈ আছিল । দুয়ো চিন্তাকুল হৈ আছিল । ইমানবোৰ বস্তু লৈ জে পি আৰৰ ৰেলৰ বাবে পিছদিনা ষ্টেচনত পুৱালৈকে কেনেকৈ খপিব ? বস্তু তুলি গাড়ীত উঠি মধু শইকীয়াই দেখিলে হাঁহিৰামে গাড়ীখন পকামূৰাৰ ঘৰৰ পিনেহে ভিৰাইছে । কাকতিৰ ঘৰ পাওঁতে নিশা হ'লগৈ । দুয়ো তাতে নিশাটো কটাই নিচেই পুৱাতে গৰু গাড়ীত উঠি ঘৰমুৱা হ'ল । নাৰায়ণবাবুয়ে নিশা ভালকৈ কাকতিৰ ঘৰখন দেখা নাছিল । পুৱাৰ পোহৰত মেটমৰা ভঁৰালকেইটাৰে সৈতে প্ৰকাণ্ড বাৰীখন পুখুৰীটো ঘূৰি-পকি চালে । তেওঁৰ মুখত এটা আত্মপ্ৰসাদৰ ভাব জিলিঙি উঠিল । মধু শইকীয়াৰ পিঠিত আত্মীয়তাৰ ঢকা এটা মাৰি – ক'লে, "ভগৱানে আপোনাৰ নিচিনা মানুহক চকু তুলি নাচাই কাক চাব ?"

পুৱাৰ ভাগতে দোকানত বস্তুবোৰ নমাই থৈ মধু শইকীয়াই ঘৰ পালেগৈ । গোটেই ঘৰতে আনন্দৰ ৰোল উঠিল । সেউতী, সুব আৰু ল'ৰাকণৰ বাবে অনা বস্তুবোৰ ঘৈণীয়েকৰ হাতত চমজাই দিলে । হাঁহিৰাম, মনবৰ আৰু ঘৰত কাম কৰা সৰু ছোৱালীজনীৰ কাৰণেও কিবা একোটাকৈ বস্তু আনিছিল । শহুৰেকৰ বাবে ফ্ৰেন্দ কোম্পানীৰ এটকা এক অনা দি ধুনীয়া জোতা এযোৰ আনিছিল । যোৰহাটৰ বজাৰত তেনেকুৱা জোতা পাবলৈ নাছিল । পালেও বহুত দাম হ'লহেঁতেন । আন্দাজ কৰি অনা সত্ত্বেও জোতাযোৰ কাকতিৰ ভৰিত সুন্দৰকৈ খালে । এখোজ দুখোজকৈ খোজ কাঢ়ি জোতাজোৰ পিন্ধি বৰ ভাল পোৱা বাবে কাকতিৰ মুখত হাঁহি বিৰিঙি উঠিল । জীয়েকক চিঞৰি চিঞৰি ক'লে, "সেউতী চাছোন, জোঁৱায়ে মোলৈ কি আনিছে । আগতে সেয়া চুৰিয়া দিলে, চোলা দিলে । এতিয়া ভৰিত পিন্ধিবলৈ জোতা এযোৰো দিলে । মোৰ বোপাইৰ কল্যাণ হওক । তহঁতৰ ঘৰখন নদন-বদন হওক ।" কথা কওঁতে কওঁতে কাকতিৰ মাতটো আনন্দৰ উচ্ছ্বাসত থোকাথুকি হ'ল ।

ল'ৰাকণক কোলাত লৈ দেখিলে – সহজে সি ওচৰলৈ আহিবলৈ নোখোজে । আজি-কালি সি আঠু কাঢ়ি ফুৰে আৰু লাহে লাহে থিয় ভঙা দিবলৈ শিকিছে । মানুহ চিনি পোৱা হৈছে । সি দেউতাকৰ কোলালৈ আহিব নোখোজা দেখি সকলোৱে গিৰগিৰকৈ হাঁহিবলৈ ধৰিলে । এবাৰ শইকীয়াই সুধিলে "সুব, তহঁতে ইয়াৰ নামটো কি থ'লি ?"

"পিতাই তাক বাপ বুলি মাতিবলৈ কৈছে । ডাঙৰ হ'লে ভাল নাম এটা দিব লাগিব । তোমাৰ কিতাপৰ দোকান আছে । তাৰ পৰা কিতাপ চাই ভাল গোঁসাইৰ নাম এটা তুমি দিব পাৰিবা বুলি পিতায়ে কৈছে ।"

শইকীয়াই শহুৰেকক কেইদিনমান থাকিবলৈ খাটিলে, "বস্তু ভালেমান আনিছো, অনাখিনিৰ দাম-দৰবোৰ ঠিক কৰি ল'ব লাগিব । এই কেইদিন মোৰ গাত ততেই নাথাকিব । আপুনি আৰু এসপ্তাহমান থাকিলে মই আহৰি হৈ ল'ব পাৰিম ।"

কাকতিৰ কোনো আহুকাল নহ'ল । খেতি চপাবলৈ এতিয়াও ভালেমান সময় বাকী আছে । আন কামবোৰো ঘৰত ভাগে ভাগে ভাগ কৰি দি অহা হৈছে ।

পূজাত দোকানত বিক্ৰী বহুত হ'ল । লাভো অনেক হ'ল । কলিকতাৰ বস্তুবোৰ ইয়াৰ বজাৰত হিচাপ কৰি লাভ লোৱা সত্ত্বেও গ্ৰাহকে দৰ সস্তা যেন পালে । সৰু ল'ৰা-ছোৱালীৰ কাপোৰবিলাকে মাক-বাপেকৰ মনত বৰ আনন্দ দিলে ।

(ক্ৰমশঃ)

# মানিকবাবু সত্যজিৎ ৰায়

আবু নাছাৰ চাঈদ আহমদ

*যোৱা সংখ্যাৰ পাছৰ পৰা*

## ল'ৰালি কাল

১৯২১ চনৰ ২ মে'ৰ দিনা সত্যজিতৰ জন্ম হয় গড়পাৰ পথত থকা ঘৰত। সেই সময়তে সুকুমাৰৰ ক'লাজ্বৰ আৰম্ভ হয়। আৰু আগতে উল্লেখ কৰা হৈছে যে মাত্ৰ দুবছৰ চাৰি মাহ বয়সত সত্যজিত পিতৃহাৰা হয়। পিতৃ বিয়োগৰ শূন্যতা সত্যজিতে অনুভৱ কৰিব পৰা বয়স তেতিয়া হোৱা নাছিল আৰু নিজকে অকলশৰীয়া যেন লগাৰো গড়পাৰৰ সেই তিনিমহলীয়া ঘৰটোত পৰিবেশ নাছিল। উপেন্দ্ৰকিশোৰৰ সেই ঘৰখনত অকণমানি সত্যজিৎ সকলোৰে অতি আদৰৰ আছিল। সেইখন ঘৰত বহুত দিনৰ মূৰত সন্তান এটি জন্ম হৈছিল। সুকুমাৰ আৰু সুপ্ৰভাৰ বহু আকাংক্ষিত পুত্ৰ সন্তান সত্যজিৎ। এটি যেন সৰগৰ মাণিকৰ জন্ম হ'ল। সেয়েহে সকলোৱে মৰমতে শিশুটিৰ ঘৰত মতা নাম থলে 'মাণিক'। এই নামেৰে ঘৰত তেওঁৰ বন্ধু বান্ধৱে সম্বোধন কৰিবলৈ ল'লে। কোনোৱে 'মাণিকবাবু" কোনৱে 'মাণিকদা" বুলি মৰম আৰু শ্ৰদ্ধাৰে সত্যজিৎ ৰায়ক সম্বোধন কৰিবলৈ ললে। Marie seton ৰ অন্য এখন গ্ৰন্থৰ শীৰ্ষক নাম "The world of Manik" বুলি ৰাখিলে।

সত্যজিৎ ৰায়ৰ সৰু কালৰ বিষয়ে নিজৰ আত্মজীৱনীমূলক গ্ৰন্থ "যখন ছোট ছিলাম'ত ভালদৰে পোৱা যায়। ককাদেউতাক উপেন্দ্ৰকিশোৰে প্ৰকাশ কৰা "সন্দেশ' আলোচনীখন আকৌ নতুন ৰূপত সত্যজিৎ ৰায়ৰ তত্ত্বাৱধানত প্ৰকাশ হ'বলৈ লোৱাৰ পিছত ১৯৮১ চনৰ পৰা তেওঁ নিজৰ শৈশৱ কালৰ কথা ইয়াতে প্ৰকাশ কৰিছিল। এবছৰ পিছত ধাৰাবাহিক ভাৱে ওলোৱা এই আত্মজীৱনী কিতাপ আকাৰত প্ৰকাশিত হয়। তাতে তেওঁৰ ল'ৰালি কালৰ বহু ছবি নিজে আঁকি সৰুকালৰ এটা সুন্দৰ আভাস দিছিল।

সৰুতে পিতৃহাৰা সত্যজিৎ মৰমৰ মাজতে লালিত-পালিত হৈছিল। তিনিমহলীয়া বিয়াগোম ঘৰটোত তেওঁ অকণো অকলশৰীয়া অনুভৱ কৰা নাছিল। যদিও তেওঁৰ সমনীয়া ল'ৰা কোনোৱেই নাছিল (হৰেন নামৰ বনকৰা মানুহৰ ল'ৰা এটাই তেওঁৰ খেলাৰ লগৰী আছিল) তথাপি তেওঁৰ সৈতে কটোৱা মানুহ যথেষ্ট আছিল। সকলোৰে মৰম, বেছিকৈ পালে সৰু ল'ৰা সাধাৰণতে নষ্ট হয় বুলি কোৱা কথাষাৰ মাণিকৰ ক্ষেত্ৰত প্ৰযোজ্য নাছিল। মাক সুপ্ৰভাৰ আদৰ, পেহীয়েক পুণ্যলতাৰ মৰম, পেহীয়েকৰ ছোৱালী ৰুবিৰ অপৰিসীম চেনেহৰ মাজত মাণিকৰ ব্যক্তিত্ব ভালদৰেই গঢ়লৈ উঠিছিল। এইবোৰ আদৰ-সাদৰ আৰু যত্নৰ কথা তেওঁৰ বৰকৈ মনত নাছিল যদিও উপেন্দ্ৰকিশোৰৰ সৰু ভায়েক কুলদাৰঞ্জনৰ কথা তেওঁৰ বাৰুকৈ মনত আছিল। মাণিকে তেওঁক "ধনদাদু বুলি মাতিছিল। ধনদাদুৱে সত্যজিতক সদায়ে লগত ৰাখিছিল। ফটোগ্ৰাফিৰ কাম কৰাৰ সময়ত, পুৰণি সাধু কোৱাৰ সময়ত, ক্ৰিকেট খেলাৰ সময়ত আৰু ছপাশালৰ কাম-বন চোৱাৰ সময়ত তেওঁ মাণিকক লগতলৈ ফুৰিছিল। সুকুমাৰৰ এখন ডাঙৰকৈ বন্ধোৱা ফটো কাপোৰেৰে মচি নিকা কৰি ধনদাদুৱে দেৱালত ওলোমাই ৰখাৰ দৃশ্য এটাৰ কথা মাণিকৰ মনত আছিল। ফটোখন চাই মাক সুপ্ৰভাই উচুপি কন্দা দেখি চাৰে তিনি বছৰীয়া মাণিকৰ অকণমানি মনটো কান্দি উঠিছিল। মৃত্যুক কোনোৱে বাধা দিব নোৱাৰে। সেয়ে বোধকৰো মৃতকৰ নিচেই আপোনজনৰ মনটো অসহায়ত উচুপি উঠে। সৰু মাণিকে তাকেই বোধকৰো বুজি উঠিছিল। আৰু বুজিছিল মৃত্যু জীৱনৰ অন্যতম অধ্যায়।



আঠ বছৰীয়া মাণিক

উপেন্দ্ৰকিশোৰৰ তিনিমহলীয়া ঘৰটোৰ প্ৰথম তলাত থাকিছিল সত্যজিৎ আৰু মাক সুপ্ৰভা। দ্বিতীয় তলাত আছিল সুকুমাৰৰ নুমলীয়া ভায়েক সুবিনয়। সত্যজিতে তেওঁ "ছোটকাকা" বুলি মাতিছিল। চিৰকুমাৰ ছোটকাকা অলপ খেয়ালি ধৰণৰ আছিল। এখন বিদ্যালয়ৰ শিক্ষকতা কৰা "ছোটকাকা" তাহানি কালৰ লোকনাথৰ দৰে বৈৰাগী ধৰণৰ আছিল। এইজন খুড়াকৰ এটা কথাই সত্যজিতক বৰকৈ আকৰ্ষিত কৰিছিল। তেওঁ অৰ্থাৎ সুবিনয়ে প্ৰাতটো কথা বিতংভাৱে জানি আৰু তাক নিজৰ দিনলিপিত সদায়ে টুকি ৰাখিছিল। কিশোৰ সত্যজিতৰ কাৰণে এই দিনলিপিখন বৰ ৰহস্যজনক আছিল। ৰাতিপুৱা শুই উঠি মুখ-হাত ধোৱাৰ পৰা আৰম্ভ কৰি দিনটো কি কি কাম কৰিলে, কি খালে আৰু নিশা শোৱাৰ আগলৈকে কি কি কৰিলে সকলোবোৰ কথা বিতংভাবে দিনলিপিখনত টুকি ৰাখিছিল। তেওঁৰ সুক্ষ্ম দৃষ্টিভংগী আৰু বিতংভাৱে দিনলিপি লিখি ৰখা স্বভাৱটোৰ প্ৰভাব সত্যজিতৰ ওপৰতো পৰিছিল। সত্যজিতে কথাছবিত সদায়ে প্ৰতিটো দৃশ্যৰ বিতং উপস্থাপন কৰিছিল আৰু তাতে তেওঁ সকলো কথাৰ পূৰ্ণতা বিচাৰি পাইছিল। সত্যজিতৰ মনত থকা আনটো কথা আছিল– সুবিনয়ে তাকাগাজি নামৰ জাপানী জুদু বিশেষজ্ঞৰ ওচৰত এই খেলৰ প্ৰশিক্ষণ লোৱাৰ আমোদজনক দৃশ্যবোৰ।

পাঁচ বছৰ বয়সত সত্যজিতে জন্ম ঠাই গড়পাৰ এৰি মাকৰ লগত ভবানীপুৰলৈ গুচি আহিল। সুকুমাৰ নৰিয়াত পৰাৰ পিছৰে পৰা সত্যজিতৰ মাকে আহিবলগীয়া দুৰ্দিনৰ পূৰ্বাভাষ পাবলৈ ধৰিলে। সুকুমাৰৰ মৃত্যুৰ পিছত পৰিয়ালটোত বহুতো সংকটে দেখা দিলে। সুবিনয়ে ছপাশাল আৰু "সন্দেশ" আলোচনীখনৰ প্ৰকাশৰ কাম-কাজ নিয়াৰিকৈ চলাব পৰা নাছিল। উপেন্দ্ৰকিশোৰে প্ৰতিষ্ঠা কৰি যোৱা U: Ray and sons ছপাশালৰ অৱস্থা শোচনীয়তাৰ পিনে গতি ল'লে আৰু অৱশেষত ১৯২৬ চনত ছপাশাল বন্ধহৈ পৰিল লগতে "সন্দেশ" আলোচনীখনো। ১৯৩১ চনৰ কেইটামান সংখ্যা ওলাইছিল যদিও "সন্দেশ" মৃত্যুৰ মুখত পৰিল। ত্ৰিশ বছৰৰ পিছত ১৯৬১ চনত অৱশ্যে "সন্দেশে" পুনৰ ভুমুকি মাৰিলে। ১৯২৬ চনত পৰিয়ালটোৰ আৰ্থিক অনাটনত পৰি মাণিকক লগতলৈ সুপ্ৰভা ৰায়ে ভৱানীপুৰত থকা তেওঁৰ ভাতৃৰ গৃহলৈ গুচি আহে। গড়পাৰ পথত এৰি অহাৰ ৪০ বছৰৰ পিছত সত্যজিৎ ৰায় এবাৰ আহিছিল তেওঁ জন্মগ্ৰহণ কৰা আৰু বহু ইতিহাসৰ সাক্ষ্য বহন কৰা এই ঘৰটোলৈ। মাথোন পাঁচ বছৰ বয়সতে এৰি অহা গড়পাৰ পথৰ ঘৰটোৰ বহু কথাই মনত আছিল মাণিকবাবুৰ। একেবাৰে তলৰ মহলাত থকা ছপাশালটোৰ নানা কল-কব্জা বিশেষকৈ টাৰপিন তেলৰ গোন্ধটো। সেই স্মৃতিৰ অৱলম্বনতে তেওঁ "চাৰুলতা" বোলছবিখনত ছপাশালৰ এটা দৃশ্য অৱতাৰণা কৰিছিল।

ভবানীপুৰলৈ অহাৰ পিছত মাণিকৰ মাক সুপ্ৰভাই চিলাই শিক্ষয়ত্ৰীৰ কাম এটা গ্ৰহণ কৰিলে। সেই সময়ত যদিও মহিলাই ঘৰৰ পৰা বাহিৰলৈ গৈ কাম কৰাটো সমাজৰ চকুত দোষণীয় যেন আছিল, সুপ্ৰভাই আনৰ ওপৰত নিৰ্ভৰ কৰাতকৈ কিবা এটা চাকৰিৰ যোগেদি সংস্থান আৰু স্বাধীনতা বিচাৰিছিল। মাণিকৰ পঢ়া-শুনা আৰু লালন-পালনৰ বাবে কাৰো ওচৰত যাতে হাত পাতিব নালাগে– সেই কথা চিন্তা কৰি তেওঁ চিলাইৰ প্ৰশিক্ষকৰ কামটো লৈছিল। উপেন্দ্ৰকিশোৰৰ সম্পত্তিৰ ভাগ-বতৰা হোৱাৰ পিছত সুকুমাৰ ৰায়ৰ পত্নী হিচাপে সুপ্ৰভাই মাহিলী অলপমান টকা পাইছিল। দুয়োখিনি মিলাই মাণিকৰ পঢ়া-শুনাৰ বাবে সুপ্ৰভাই আচুতীয়াকৈ ৰাখিছিল।

ভবানীপুৰলৈ আহি কিশোৰ সত্যজিতৰ ভাল লগা নলগাৰ প্ৰশ্ন মনলৈ অহা নাছিল। প্ৰথম কথা, তেনেবোৰ কথাৰ উপলব্ধি কৰাৰ তেওঁৰ বয়স হোৱা নাছিল। দ্বিতীয়তে ভবানীপুৰত তেওঁক সময় দিবলৈ যদিও "ধনদাদু" বা "ছোটকাকা" নাছিল, তথাপি তাত আন এখন বেলেগ জগতো পাইছিল। মাক সুপ্ৰভাৰ মুখত ৰবীন্দ্ৰ সংগীত শুনিছিল আৰু লগতে সংগীতৰ প্ৰতি আকৃষ্ট হৈছিল। আৰু সান্নিধ্যলৈ আহিছিল বিজয়া নামৰ সম্পৰ্কীয় ছোৱালীৰ লগত। পিছত সৰু কালৰ লগৰীয়া এইজনী বিজয়াই তেওঁৰ পত্নী স্বৰূপে নতুন ভূমিকা লৈছিল। কেতিয়াবা আৰু লগ পাইছিল সৰুতে মৰম কৰা গা ধুৱাই দিয়া ৰুবীক আৰু ৰুবীৰ ভনীয়েক নিনিক। সমনীয়া ল'ৰাৰ বিশেষ সংগ নাছিল যদিও তেওঁ অকলশৰীয়া অনুভৱ কৰা নাছিল। পিছত তেওঁক সাক্ষাৎকাৰ লওঁতাসকলে শৈশৱৰ অকলশৰীয়া কথা শুধিলে তেওঁ প্ৰায়ে কৈছিল যে ভবানীপুৰত যদিও বিশেষ লগৰীয়া নাছিল তথাপি তেওঁ অকলশৰীয়া অনুভৱ কৰা নাছিল। কিন্তু অকলশৰীয়া পৰিবেশে তেওঁক এক বিশিষ্ট গুণ দি থৈ গৈছিল– সেয়া হ'ল সংবেদনশীলতা। পোহৰ আৰু শব্দৰ প্ৰতি তেওঁৰ অসীম সংবেদনশীলতা গঢ়ি উঠিছিল। তাকে তেওঁৰ বিখ্যাত কথাছবি "চাৰুলতা"ত প্ৰকাশ কৰিছে। "চাৰুলতা" কথাছবিখনৰ আৰম্ভণিৰ সাঁত মিনিটমান মাথোন চাৰুৰ নিসংগতাকে দেখুৱাই থকা হৈছে। বিশাল ঘৰটোত অকলে চাৰুৱে ইটো কোঠাৰ পৰা সিটোলৈ এখন খিড়িকিৰ পৰা আনখন খিড়িকিলৈ গৈ পথেদি যোৱা মানুহ চাই থকা দৃশ্য, দূৰবীণটো লৈ সময় কটোৱাৰ প্ৰস্তুতি আদি মনঃতাত্বিক পৰ্যবেশন সত্যজিতৰ নিজৰ অভিজ্ঞতাৰ সংবেদনশীল এক চচ্ছ আৰু মূৰ্ত প্ৰকাশ।

নিসংগ মাণিকক সংগ দিছিল বিভিন্ন কিতাপে। মাক সুপ্ৰভাই কিতাপত মগ্ন ৰাখিবৰ কাৰণে যথেষ্ট সংখ্যক কিতাপ কিনি দিছিল। এই সময়ত তেওঁ বেছি ভাগ ইংৰাজী কিতাপহে পঢ়িবলৈ পাইছিল। তাৰ ভিতৰত তেওঁ "Book of Knowledge"ৰ দহটা খণ্ড "Romance of Famous Lives" চাৰলক হ'ম আৰু পি জি উদ হাউচৰ কিতাপবোৰ পঢ়ি ভাল পাইছিল। বঙলা সাহিত্য তেওঁ পিছৰ বয়সতেহে পঢ়িবলৈ ধৰে। কিতাপ পঢ়াৰ প্ৰতি ধাউতি তেওঁ মাকৰ পৰাই পাইছিল। মাকৰ ওচৰতে তেওঁ পঢ়া-শুনা আৰম্ভ কৰিছিল।

মাণিকে অকলশৰীয়া সময়ছোৱাত দুটা কাম কৰি ভাল পাইছিল। এটা হ'ল "ছোটকাকা"ই তেওঁক সৰু ছিদ্ৰই পাৰহৈ অহা পোহৰে কি কৰিব পাৰে তাকে শিকাইছিল। এই শিক্ষাৰ পৰা তেওঁ "বিশ পইছাত বাইস্কোপ" চোৱাৰ আনন্দ লাভ কৰিছিল। দিনৰ ভাগত সূৰ্যৰ পোহৰ যেতিয়া কাঠৰ খিড়িকিৰ ফাকেদি পাৰহৈ আহি বেৰত পৰিছিল তেতিয়া সৰু সত্যজিতে তাৰ পৰা বেৰৰ মটৰ গাড়ী, ৰিক্সা, চাইকেল আৰু ৰাস্তাৰ পথিক আদিৰ প্ৰতিবিম্ব সৃষ্টি কৰিছিল। পোহৰৰ বিষয়ে থকা সংবেদনশীলতাক তেওঁ ল'ৰালিকালত ধেমালিলৈ ৰূপান্তৰ কৰি ৰং পাইছিল অথবা সময় কটাইছিল। পিছত তাক কথাছবিৰ পৰ্যায়ত সফলতাৰে প্ৰয়োগ কৰি নিজৰ সৃজনী প্ৰতিভাৰ পৰিচয় দিছিল। দ্বিতীয়টো আছিল যাদুৰ সৰু-সুৰা কৌশল। সৰুতে এজন যাদুকৰে তেওঁক কেইটামান যাদু শিকাই দিয়াৰ পিছত যাদুৰ প্ৰতি তেওঁৰ অভাবনীয়, অনুৰাগ হৈছিল। মহাবিদ্যালয়ত ভৰ্তি হোৱাৰ আগলৈকে যাদুৰ প্ৰতি তেওঁৰ বিৰাট দুৰ্বলতা আছিল।

আৰু এটা বস্তুৱে তেওঁক সামান্যভাবে সৰুকালত মোহিত কৰিছিল। সেইটো হ'ল– মেজিক লেম্প। সেই সময়ৰ কলিকতাত প্ৰায় বিলাক মানুহৰ ঘৰত সৰু ল'ৰা-ছোৱালীৰ খেলাৰ বস্তু এই মেজিক লেম্প আছিল এটা টিউবসহ সৰু বাকচ; তাৰ মুখত এখন লেন্স, ওপৰত এটা চিমনি, কেৰাচিনৰ লেম্পটো জ্বলাই দি তাৰ পৰা পোৱা পোহৰৰ মাজেদি দুটা ৰীলত থকা ফিল্ম ঘূৰাই দিলে কথাছবিৰ চোৱাৰ নিচিনা যেন আমোদ পোৱা যায়। সেই সময়ত এনেধৰণৰ মেজিক লেম্পৰ দ্বাৰা কথাছবি নিচিনা কিবা এটা চাই বৰ আনন্দ নাপালেও সত্যজিতৰ কথাছবিৰ প্ৰতি পিছৰ জীৱনত অপৰিসীম ৰাপ অজানিতে ইয়াৰ পৰাই আৰম্ভ হৈছিল বুলি তেওঁ নিজে ভাবিছিল। একেবাৰে সৰু বয়সতে তেওঁ কথাছবি চাইছিল। "ছোটকাকা"ৰ লগতে গড়পাৰ পথত থকা উপেন্দ্ৰকিশোৰৰ সেই ঘৰটোত থাকোতে তেওঁ কথাছবি চাবলৈ গৈছিল। তেতিয়া মাজে সময়ে বিদেশী কথাছবিহে চাবলৈ পাইছিল। দেশী কথাছবি বা বাংলা কথাছবি চাবলৈ নাপাইছিল। তেতিয়া

বয়োজ্যেষ্ঠসকলে বাংলা বা দেশী কথাছবিবোৰ সৰু-ল'ৰা-ছোৱালীৰ কাৰণে বেয়া বুলি কৈ সাধাৰণতে চাবলৈ নিদিছিল। সেইবোৰ "অশ্লীল" বুলি থোৰতে কৈ চাবলৈ নিদিছিল। ন বছৰ বয়সত তেওঁ এবাৰ মামাকৰ লগত তৰজানৰ ওপৰত নির্মাণ কৰা ইংৰাজী কথাছবি এখন চাবলৈ গৈ "হাউচ-ফুল" পাই অৱশেষত নির্বাক কথাছবি "কাল পৰিণয়" চাবলৈ সোমাল। নতুনকৈ বিবাহিত দম্পতী বিচনা এখনত শুই আছে- পত্নীৰ উদং ভৰিখন স্বামীৰ ভৰিখন অশ্লীল ধৰণেৰে ঘঁহি থকা দেখি তেওঁৰ তেতিয়া মনত ভাব হৈছিল- "এক নিষিদ্ধ জগতত মই অনুপ্রবেশ কৰিছো। "মামাকে হলৰ পৰা তেওঁকলৈ ঘৰমুৱা হ'বলৈ বিচাৰিলে যদিও তেওঁ মান্তি নহ'ল- কথাছবিখন তেওঁ চাবই।

কলিকতাত সেই সময়ত যথেষ্টসংখ্যক কথাছবি গৃহ আছিল আৰু বিদেশত নির্মিত ভাল ভাল কথাছবি এইবোৰ গৃহত প্রদর্শন কৰা হৈছিল, মাণিকে সৰু কালতে The Thief of Baghdad, Uncle Tom's cabin, The Gold Rush আদি কথাছবিবোৰ চাবলৈ পাইছিল। সেইদৰে তেওঁ ৰোমাণ্টিক কথাছবিও চাবলৈ পাইছিল। সকলো কথা বুজি নাপালেও Trouble in Paradise ৰ নিচিনা কথাছবিয়ে তেওঁৰ মনত গভীৰ সাঁচ বহুৱাই গৈছিল। পোন্ধৰ বছৰ মান বয়সৰ পৰাই তেওঁ যথেষ্ট গুৰুত্ব সহকাৰে কথাছবি চাবলৈ ধৰিলে। তেতিয়া অৱশ্যে তেওঁ ভবা নাছিল যে এদিন তেওঁ কথাছবি নির্মাণ আৰু পৰিচালনা কৰিব।

সৰু কালৰ দিনবোৰত সত্যজিতৰ কাৰণে অতি স্মৰণীয় আছিল শান্তিনিকেতনলৈ যোৱা কথাটো। নিচেই কেঁচুৱাতে তেওঁ মাক-দেউতাকৰ লগত শান্তিনিকেতনলৈ গৈছিল। সুকুমাৰ ৰায়ৰ অসুস্থ অৱস্থাত তেওঁলোক গৈছিল শান্তিনিকেতনৰ নির্মল জলবায়ু আৰু পৰিবেশে সুকুমাৰৰ স্বাস্থ্য উন্নতি কৰিব বুলি আশা কৰি। ১৮৬৩ চনত মহর্ষি দেবেন্দ্রনাথ ঠাকুৰে কলিকতাৰ পৰা নিলগত গাঁৱৰ নিজান পৰিবেশত জিৰণি আৰু তপস্যাৰ কাৰণে এই ঠাইখিনি কিনিছিল। পিছত তেওঁৰ পুত্র ৰবীন্দ্রনাথ ঠাকুৰে নোবেল বঁটাৰ ধনখিনি খটুৱাই ইয়াতে কলা-সংস্কৃতিৰ এখন সুকীয়া



'ছোটকাকা' সুবিমল ৰায়

বিশ্ববিদ্যালয় স্থাপন কৰে। এই শান্তিনিকেতনলৈকে সুপ্রভাই সাত বছৰীয়া মাণিকক কবিগুৰুজনাৰ ওচৰলৈ লৈ আহিছিল। এটা সৰু ঘৰত মাকৰ লগত মাণিকে তিনিমাহ সময়ৰ শান্তিনিকেতনৰ অভিনৱ পৰিবেশত অবিস্মৰণীয় দিনবোৰ কটাইছিল। মাকৰ মুখত অনবৰতে ৰবীন্দ্র সংগীতৰ আৰু কবিজনাৰ অসীম প্রতিভাৰ কথা শুনি শুনি অকণমানি মাণিকে মনত এটা বিশাল আশা পুহিছিল- তেওঁৰ সৰু নোটবুকত গুৰুদেৱে এফাঁকি কবিতা লিখি দিব চাগৈ। অৱশেষত কবিগুৰুৱে সত্যজিতৰ সৰু নোটবুকখন এদিন ৰাখি আঠ শাৰীৰ এটা সৰু কবিতা লিখি দিলে- গুৰুদেৱে সমগ্র জগত ভ্রমিলে, বহুতো দেশ ফুৰিলে, বিশাল পর্বত আৰু বহল মহাসাগৰ পাৰ কৰিলে। কিন্তু নিজৰ ঘৰৰ দুৱাৰদলি ওলায়ে দেখা পোৱা জগতখনহে দেখা নাপালে; ধান গছৰ পাতৰ আগত ওলমি থকা এটোপাল নিয়ঁৰ–তাৰ মাজতে দেখা যায় বিশাল বিশ্ব। মাণিকবাবুৰ প্রায়বিলাক কথাছবিয়ে গুৰুদেৱৰ এই মহান বার্তাকে সংক্ষেপে বহন কৰিছে।

শান্তিনিকেতনত থকাৰ সময়ত আন এজন মহান স্রষ্টা, শান্তিনিকেতনৰ মুৰব্বী, নন্দলাল বোস। এইজন মহান চিত্রকাৰে অকণমানি মাণিকৰ বাবে চাৰিখন ছবি সৰু নোটবুকতে আঁকি দিছিল। এই চাৰিখন ছবি আছিল এজনী গাই-গৰু, এটা ভালুক, এটা চিতা বাঘ আৰু এটা নেজত পোৱা দাগ থকা ঢেকীয়াপতীয়া বাঘ। বাঘটোৰ নেজত পোৱা দাগ দেখি কিশোৰ মাণিকে এই বিখ্যাত চিত্রকাৰ গৰাকীক সুধিলে " বাঘটোৰ নেজত ক'লা দাগ কিয় ?" নন্দলাল বোসে ক'লে," বাঘটো বৰ লুভীয়া। ৰান্ধনিশালত সোমাই সি মাংস চুৰ কৰিছিল। চুৰ কৰিবলৈ লওঁতে তাৰ নেজত আখাৰ জুয়ে পুৰিলে।"

শান্তিনিকেতন ভ্রমণ কৰাৰ পিছত কিশোৰ মাণিক মাকৰ লগত দার্জিলিং আৰু লক্ষ্ণৌ চহৰলৈ ফুৰিবলৈ গৈছিল। দার্জিলিঙলৈ যোৱাৰ আগতে তেওঁ উপেন্দ্রকিশোৰে অঁকা এই বিতোপন পাহাৰীয়া নগৰখনৰ ছবি এখন দেখিছিল। মাকৰ সৈতে এই নগৰখনলৈ আহি তেওঁ ৰহস্যময়ী প্রাকৃতিক সৌন্দর্য দেখি তবধ মানিছিল। ডাৱৰে ঢাকি ৰখা পর্বতৰ উচ্চ চুড়া কেইবাদিনো দেখা নাপাই তেওঁৰ শিশু মন সেমেকি উঠিছিল। কাঞ্চনজঙ্ঘা চাবলৈ বৰকৈ হেপাহ হৈছিল যদিও দেখা পোৱা নাছিল। এদিন পুৱা হঠাৎ মাকে মাণিকক জগাই দিলে; বতৰ মুকলি কাঞ্চনজঙ্ঘা আজি ভালদৰে দেখা যাব। নিলগৰ পৰাই তেওঁ এই ৰহস্যময়ী কাঞ্চনজঙ্ঘাৰ অপৰূপ ছবিখন চাই তেওঁ বিভোৰ হৈছিল। সুউচ্চ পর্বতৰ এই শিখৰটো পোনতে গুলপীয়া, তাৰ পিছত সোণালী, তাৰ পিছত ধূসৰ হৈ পৰা পৰিবর্তনশীল ৰূপ তেওঁৰ মনত দকৈ থাকি গৈছিল। তেওঁ দেখা তেতিয়াৰ দার্জিলিঙৰ ছবিখনকে কাঞ্চনজঙ্ঘা বোলছবিত ফুটাই তুলিছে। আনখন চহৰ লক্ষ্ণৌলৈ মাকৰ লগতে সত্যজিৎ ফুৰিবলৈ বুলি গৈছিল। দেউতাকৰ একালৰ বন্ধু আৰু সম্পর্কীয় লোক অতুল প্রসাদ সেন নামৰ লক্ষ্ণৌৰ আইনজীৱী এজনৰ ঘৰত থাকি ঐতিহাসিক চহৰখন চোৱাৰ সুবিধা পাইছিল সৰু মাণিকে। লক্ষ্ণৌ চহৰৰ ঐতিহাসিক প্রাসাদে তেওঁৰ মনত গভীৰ ৰেখাপাত কৰিছিল। সেনৰ ঘৰত সদায়ে সংগীতৰ চর্চা হৈছিল। আলাউদ্দিন খান প্রমুখ্যে উত্তৰ ভাৰতৰ বিখ্যাত সংগীতজ্ঞৰ সমাবেশ এইখন ঘৰতে হৈছিল। সন্ধিয়া এইসকল সঙ্গীতজ্ঞই সৃষ্টি কৰা সুৰৰ মায়াজালৰ মাজত সোমাই পৰাৰ দুর্লভ সৌভাগ্য ঘটিছিল সত্যজিতৰ। সৰুকালত লাভ কৰা অমূল্য অভিজ্ঞতাই তেওঁক পঞ্চাশ বছৰৰ পিছত সহায় কৰিছিল "শতৰঞ্জ কি খিলাৰি" বোলছবিখন নির্মাণ কৰোতে।

তেতিয়া প্রায় নবছৰ বয়স সত্যজিতৰ। শান্তিনিকেতন দার্জিলিং আৰু লক্ষ্ণৌ চহৰ আদি ফুৰি অহাৰ পিছত সত্যজিতৰ মাক সুপ্রভাই ঘৰৰ ওচৰতে থকা বালিগঞ্জ চৰকাৰী বিদ্যালয়ত নাম লগাই দিলে। প্রায় চাৰি বছৰ বয়সৰ পৰা সৰু মাণিকক ইংৰাজী আৰু বাংলা মাকেই পঢ়াইছিল। গতিকে পঢ়াশালীত যোৱাৰ পিছত তেওঁ শ্রেণীত ভালদৰে অংশ গ্রহণ কৰিব পাৰিছিল। অৱশ্যে বৰ মেধাবী ছাত্র নাছিল। সর্বসাধাৰণ ছাত্রতকৈ অলপ ওপৰৰ বুলিয়ে তেওঁ পৰিচিত আছিল। বিদ্যালয়ত লাভ কৰা অভিজ্ঞতা, পিতৃহাৰা পুত্রৰ মাতৃৰ ওপৰত নির্ভৰশীলতা আদি তেওঁৰ নিজৰ ব্যক্তিগত উপলব্ধি আৰু মানবীয় সমস্যাক সত্যজিতে পিছত "অপৰাজিত" কথাছবিত অতি সুন্দৰকৈ দাঙি দেখুৱাইছে।

সত্যজিতে ১৫ বছৰ বয়সত প্রৱেশিকা পাছ কৰে। ককা দেউতাক উপেন্দ্রকিশোৰ আৰু দেউতাক সুকুমাৰে শিক্ষা লাভ কৰা প্রেচিডেন্সি কলেজতে সত্যজিতকো নাম ভর্ত্তি কৰা হ'ল। সেই সময়ত তেওঁৰ মহাবিদ্যালয়ত পঢ়া শুনা কৰাতকৈ কিবা এক সুকুমাৰ-কলা বিষয়ত অধ্যয়ন কৰিবলৈ মন আছিল। পিছে মাকৰ কঢ়া নির্দেশ "আগেয়ে অন্ততঃ স্নাতক ডিগ্রীটো লোৱা, কেলেহুৱাটো হ'ব নেলাগে।" মাকৰ আদেশ শিৰতলৈ মনৰ বাসনা মনতে ৰাখি তেওঁ প্রেচিডেন্সি মহাবিদ্যালয়ত মনোযোগ দি পঢ়া-শুনা কৰিবলৈ ল'লে। কিছুদিন যোৱাৰ পিছত হঠাতে পশ্চিমীয়া শাস্ত্রীয় সংগীতৰ প্রতি তেওঁ আকৃষ্ট হবলৈ ধৰিলে। তেওঁৰ পাঁচ বছৰমান বয়সতে হেণ্ডেল মাৰি চলোৱা গ্রামোফোন এটা উপহাৰ স্বৰূপে পাইছিল। লগতে কেইখনমান ভাল ৰেকৰ্ডো। প্রৱেশিকা পাছ কৰাৰ আগে আগে তেওঁ পশ্চিমীয়া শাস্ত্রীয় সংগীতৰ কেইখনমান ভাল ৰেকর্ড শুনিছিল। বিথোভেনৰ সংগীত তেওঁৰ বিশেষকৈ ভাল লাগিছিল যদিও তেতিয়া সংগীতৰ প্রতি খুব এটা বেছি অনুৰাগ মনলৈ অহা নাছিল। কিন্তু কলেজীয়া ছাত্র অৱস্থাত হঠাৎ তেওঁ সংগীত অন্যতম ভাল লগা বিষয় হৈ পৰিল। কলিকতাৰ বিভিন্ন দোকানৰ পৰা ভাল ৰেকর্ড কিনি সংগ্রহ কৰিবলৈ ল'লে।পশ্চিমীয়া শাস্ত্রীয় সংগীতৰ আৰু ৰবীন্দ্র সংগীত আৰু ব্রাহ্ম-সমাজত পৰিচিত স্তুতি-গীতবোৰৰ মাজত এক অভাবনীয় সাদৃশ্য তেওঁ অনুভব কৰিবলৈ ল'লে। কুৰি বছৰীয়া ডেকা মানিকে বোলছবি চাই ভাল পাইছিল যদিও ছবিৰ আৱহ সংগীত, ৰেকৰ্ডত বজা সংগীত আদি শুনি বেছি ভাল পাইছিল। তেওঁ অৱশ্যে কোনো সংগীত শিক্ষা বা বাদ্য বজাবলৈ শিক্ষা লাভ কৰা নাছিল। সেইদৰে তেওঁৰ কণ্ঠও অতি সুললীত আছিল যদিও তেওঁ কাহানিও আনৰ আগত গীত গাই শুনোৱা নাছিল। পিছৰ বয়সত যেতিয়া তেওঁ নিজেই সংগীত পৰিচালনা কৰিবলৈ ল'লে তেতিয়া কথাছবিত সংগীত বাণীবদ্ধ কৰোতে বা আখৰা দিওঁতে গীত গাই গায়কক বা বাদ্যবাদকক তেওঁ তুলিব বিচৰা সুৰৰ মূর্চনা বুজাই দিবলৈ চেষ্টা কৰিছিল। সেই সময়ত তেওঁৰ ইউনিটৰ লগত থকা বাকী শিল্পী আৰু কাৰিকৰসকলে স্তব্ধ হৈ মাণিকবাবুৱে অপূর্ব কণ্ঠেৰে গোৱা গীত শুনিবলৈ পাইছিল। সৰুতে লক্ষ্ণৌলৈ যাওঁতে অতুলপ্রসাদ সেনৰ ঘৰত থকা পিয়ানোটোত অকণি অকণি আঙুলি বুলাই অবুজ সুৰ তুলিছিল। তাৰ বাহিৰে তেওঁ কুৰি বছৰ বয়সলৈকে কোনো বাদ্য যন্ত্র বজাবলৈ প্রণালীবদ্ধ ভাবে শিকা নাছিল। পিছৰ বয়সতো তেওঁ সংগীত চর্চা আৰু বাদ্য বজোৱাটো প্রণালীবদ্ধ প্রশিক্ষণ লো!ৱা নাছিল। তথাপি, ভাবিলে আচৰিত হ'ব লাগে যে তেওঁ নিজৰ বোলছবিত নিপুন সংগীতজ্ঞ এজনৰ নিচিনাকৈ সংগীত পৰিচালনা কৰিছিল। প্রেচিডেন্সি কলেজত পঢ়ি থাকোতে তেওঁ পশ্চিমীয়া সংগীতৰ প্রতি আকৃষ্ট হৈ প্রায় নিতৌ বিখ্যাত সংগীতজ্ঞৰ ৰেকর্ডবোৰ শুনিবলৈ ধৰিলে তেতিয়াই বোধকৰো তেওঁৰ বংশগত সংগীত প্রতিভাই অজানিতে উক দি উঠিল। নিজেই সংগীতৰ "নোটেশ্বন" শিকি লৈছিল আৰু কোনটো পৰিবেশত কোন ধৰণৰ সংগীতৰ প্রয়োজন সেয়া তেওঁ ভালদৰে বুজি লৈছিল।

প্রেচিডেন্সি মহাবিদ্যালয়ত পঢ়ি থকাৰ সময়ছোৱাত মাণিকৰ প্রধান ৰাপ আছিল সংগীতত; তাৰ পিছত আছিল বোলছবিত। তৃতীয়টো ভাল লগা কাম আছিল সুকুমাৰ কলাৰ ওপৰত প্রকাশ পোৱা কিতাপ সংগ্রহ কৰাটো। কলিকতাৰ বিখ্যাত "কলেজ ষ্টাট"ত পুৰণা কিতাপ কিনিবলৈ পোৱা গৈছিল। আবেলি সময়ত তেওঁ প্রায়ে তাতে এপাক মাৰি কথাছবি আৰু অন্য ধৰণৰ আৰ্টৰ ওপৰত প্রকাশ পোৱা পুৰণা কিতাপ কিনিবলৈ ওলাই আহিছিল। প্রেচিডেন্সি কলেজৰ অর্থনীতি বিষয়ৰ অনার্চৰ ছাত্র সত্যজিৎ ৰায়ৰ আচল বিষয়ৰ ওপৰত বৰ বেছি অধ্যয়ন কৰিবলৈ মন নাছিল। অর্থনীতি তেওঁৰ ভালপোৱা বিষয়ো নাছিল। পৰিসংখ্যাৰ ভাৰত বিখ্যাত পণ্ডিত অধ্যাপক প্রফুল্ল চন্দ্র মহানবিছে তেওঁক অর্থনীতিত অনার্চ লৈ স্নাতক পঢ়িবলৈ পৰামর্শ দিছিল। দেউতাকৰ বন্ধু এই বিখ্যাত পণ্ডিত গৰাকীয়ে এই বিষয়ত পঢ়িবলৈ জোৰ দি ক'লে যে সত্যজিতে অর্থনীতিত অনার্চসহ বি এ পাছ কৰিলে তেওঁৰ গৱেষণা পত্রিকা "সংখ্যা"ৰ সম্পাদকৰ পদত নিযুক্তি দিব আৰু লগতে দিব শকত দৰমহা মাহে আঢ়ৈশ টকা। মাণিকৰ কাৰণে এটা চাকৰি আৰু দৰমহা অতিকৈ প্রয়োজন আছিল আৰু ইয়াৰ তাড়নাতে তেওঁৰ ইচ্ছা নাথাকিলেও অর্থনীতিতে অনার্চ পঢ়িবলৈ ধৰিলে। মহাবিদ্যালয়ৰ পাঠ্যক্রমৰ বিষয়বস্তু আয়ত্ব কৰাত অৱহেলা নকৰিলেও মাণিকে সংগীত, আর্ট, বোলছবি আৰু ইংৰাজী সাহিত্য অধ্যয়নতহে অধিক সময় দিছিল। ১৯৩৯ চনত তেওঁ অর্থনীতিত অনার্চ লৈ স্নাতক ডিগ্রী লাভ কৰিলে সঁচা; কিন্তু ডিগ্রীটো তেওঁৰ বাবে বৰ মূল্যবান নাছিল। মূল্যবান হৈ পৰিল সংগীত, বোলছবি, সুকুমাৰ কলা আৰু ইংৰাজী সাহিত্য। এইবিলাকৰ মাজত ডেকা মাণিকে সৃষ্টিৰ অংকুৰ বিচাৰি পালে, সত্যৰ সন্ধান পালে আৰু মানৱ প্রেমক আর্টৰ মাধ্যমত সজীৱ ৰূপত বিচাৰি পালে। সংগীত বুলি কওঁতে তেওঁ অৱশ্যে পশ্চিমীয়া সংগীতহে বিশেষকৈ চর্চা কৰিছিল। তাত পোৱা ধ্বনি আৰু তালৰ সমন্বয় তেওঁৰ বৰকৈ ভাল লাগিছিল। ১৯৩৯ চনত প্রেচিডেন্সি কলেজ এৰি আহোতে তেওঁ লগত লৈ আহিছিল সংগীত, আর্ট, বোলছবি আৰু ইংৰাজী সাহিত্যৰ প্রতি অসীম অনুৰাগ আৰু নিকা ধ্যান ধাৰণা। এইখিনি পুঁজিলৈ তেওঁ মনতে এজন "কমাচিৰ্য়েল আৰ্টিচট" হোৱাৰ কথা ভাবিলে। কথাছবি নির্মাণ বা পৰিচালনা কৰাৰ কথা ভবা নাছিল। কিন্তু সকলো জল্পনা-কল্পনা সামৰি তেওঁ হঠাৎ ঠিক কৰিলে সৰু কালতে দেখা পোৱা কবিগুৰু ৰবীন্দ্রনাথ ঠাকুৰে গঢ়ি তোলা শান্তিনিকেতনত তেওঁ সুকুমাৰ-কলা অধ্যয়ন কৰিব। পোনতে ইচ্ছা নাছিল যদিও অৱশেষত মাণিকে মাকৰ কথামতেই ১৯৪০ চনত শান্তিনিকেতনলৈ যাত্রা কৰিলে।



# লীলা-খেলা

ডাঃ মুক্তিপ্ৰসাদ গগৈ

## ডিবুৰুলৈ মৰমেৰে

ডিবুৰু মানে ডিব্ৰুগড় । ডিবুৰুলৈ যাওঁ, ডিবুৰুৰ পৰা আহিলো আগতে আমি সঘনাই কৈছিলো । আজিকালি কিন্তু ডিব্ৰুগড় নামটোৱেই বেছি ব্যৱহাৰ কৰা হয়, ঠাইৰ নাম বহুতে বেলেগ ধৰণেও উচ্চাৰণ কৰে । যেনে শিবসাগৰক । শিৱসাগৰত শিৱসাগৰক শিবসাগৰ বুলিয়েই কয় । কিন্তু গুৱাহাটীত সাধাৰণতে চিব্‌সচাগৰ্ বুলি কোৱা হয় । শিবসাগৰ উচ্চাৰণটো সুৱলা । চিব্‌চাগৰ্‌টো কৰ্কশ ।

বাৰু যিয়েই নহওক লাগে ডিব্ৰুগড় ডিব্ৰুগড়েই । তেনেই ল'ৰালি কালৰ পৰা সম্বন্ধ থকা এই চহৰখনত জীৱনৰ আগছোৱাৰ ভালেকেইটা বছৰ কটাইছিলো । আজিকালি অৱশ্যে বিশেষ যোৱা নহয় । কাম, ব্যস্ততা আদিৰ বাবেই যোৱা নহয় । ডিব্ৰুগড়ক বেয়া পাই নহয় । ডিব্ৰুগড়কনো বেয়া পাওঁ কেনেকৈ ? বৰঞ্চ নোযোৱাৰ কাৰণে মৰমটোহে বাঢ়িছে । অসম মেডিকেল কলেজৰ অধ্যক্ষ ডাঃ হৰিপ্ৰসাদ বৰুৱাৰ পৰা টেলিগ্ৰাম আৰু চিঠি একেলগে পালো । তাত পৰীক্ষা লবলৈ যাব লাগে । আজি প্ৰায় পঁচিশবছৰমান পৰীক্ষাই লৈ আহিছো । এতিয়া আৰু পৰীক্ষা লোৱাত বিশেষ স্পৃহা নাই । কিন্তু দুদিনমান পাছতে তেওঁ নিজেই ঘৰ ওলালহি । সেই একেই কথা । হৰিপ্ৰসাদ মোতকৈ সৰু । কিন্তু তেওঁৰ লগত মোৰ ব্যক্তিগত সম্বন্ধ ভাল । তেওঁক না কোৱা মোৰ বাবে টান হ'ল । লগতে ভাবিলো ডিবুৰুত পাক এটা মাৰি অহানো কি বেয়া । তাতে ঘৰলৈও এবাৰ যাব পাৰিম ।

এয়াৰ পোৰ্টলৈ এফালে ওলাই আহিলেই কিছুসময় মানে বেছিকৈ ৰবলৈ সকলোৱে সাজু হৈ যায় । নগলেই বিপদ । ক'ত কেতিয়া কিমান সময় ৰব লাগে ঠিক নাই । দিল্লী, কলিকতা আৰু ডিব্ৰুগড় এই তিনিও ঠাইতে মই এইদৰে সাতঘণ্টাকৈ ৰৈ পাইছো । সি যে কি কষ্ট কাকো বুজাব নোৱাৰি । মই স্ত্ৰীৰোগ বিশেষজ্ঞ হিচাপে এটা বস্তুৰ লগতে ৰিজাব পাৰো সি হ'ল ঘণ্টাৰ পাছত ঘণ্টা হোৱা প্ৰসব বেদনা ! কেতিয়া ওৰ পৰে ৰোগীয়ে নাজানে । জাহাজখন ছয় বা সাত ঘণ্টা দেৰি হ'ব বুলি একে কোবতে নকয় । আধাঘণ্টা এঘণ্টা এইদৰে বঢ়াই থাকে । সিও এটা মজাৰ কথা । সেইদিনা কিন্তু দিল্লীৰ পৰা অহা ৪৮৯ নম্বৰ ফ্লাইট মাত্ৰ এঘণ্টাহে পলম আছিল । কাৰোবাক লগ পাই কথা পাতি কটাই দিব পাৰি । কোনোবা চিনাকি মানুহ ওলায় নেকি ইফালে সিফালে চালো । কিছুমান মানুহে নিয়মিত ভাবে উৰাজাহাজত যায় । কিছুমানে মানে উজনি অসমলৈ গলে নিয়মিত ভাবে নিজৰ গাড়ীত যায় । মই কিন্তু নিয়মিত ভাবে চৰকাৰী বাছত যাওঁ আৰু সাধাৰণতে দিনতে যাওঁ । বাছত বেয়া নালাগে কিন্তু আটাইতকৈ অসুবিধাৰ কথা হ'ল বাথৰুম ! অতি বেয়া বাথৰুম হ'ল যোৰহাট আৰু শিবসাগৰৰ । বাৰু সেইবোৰ কথা বাদ দিওঁ এতিয়া ।

"ককাইদেউ ক'লৈ যায়" ?

এজন হাৱাইচোলা পেণ্টপিন্ধা মানুহে মোক সুধিলে । মই চিনাকি চিনাকি লাগিলেও ঠিক ধৰিব নোৱাৰিলো । "মই মহেন্দ্ৰ, – মহেন্দ্ৰ বৰগোহাঁই" । তেতিয়াহে চিনি পালো । আগতে দুবাৰো তেওঁক মই দিল্লী কলিকতাৰ পৰা প্লে নতে লগ পাইছিলো । তেওঁ হ'ল নামৰূপৰ পেট্ৰো কেমিকেল কমপ্লেক্সৰ জেনেৰেল মেনেজাৰ । মৰাণত আমাৰ তেনেই কাষতে ঘৰ সাজিছে । মোৰ সমস্যা শেষ হ'ল । বৰগোহাঁইৰ লগতে কথা পাতিলো । নানা কথা । গোহাঁই আচলতে কেমিষ্ট বৃষ্টল বিশ্ববিদ্যালয়ৰ পি এইচ্ ডি । অন্যান্যৰ লগতে অসমীয়া কিতাপ আলোচনী পঢ়াৰ নিচা আছে । কেতিয়া ডিব্ৰুগড়ৰ বিমানকোঠত নামিলোঁগৈ কথাৰ কোবত ধৰিবই নোৱাৰিলো । এয়াৰ হোষ্টেচে দিয়া ল'জেন এটাৰ বাহিৰে একো নাখালো । মানুহজনৰ লগত সময়খিনি ভালেই গ'ল । ডিব্ৰুগড় বিমান কোঠক বহুত কষ্টেৰে বহুত বছৰৰ আগৰদৰেই ৰাখিছে । বিশেষ যাত্ৰী অহাযোৱা অপেক্ষা কৰা ঘৰ ইত্যাদি । অৱশ্যে আজিকালি বইং নামিবৰ বন্দৱস্ত আছে । ডিব্ৰুগড়লৈ যাত্ৰীৰ বিশেষ ভিৰ নাথাকে । তথাপি নমাৰ পাছত উৰাজাহাজৰ পৰা বস্তু উলিয়াই আনোতে ভালেমান সময় লাগে ।

আজি কেইবছৰমান আগতে গুৱাহাটীলৈ যাবৰ বাবে সাত ঘণ্টা মান ৰৈ আছিলো এই বিমান কোঠতে । তাৰ ৰেষ্টোৰাঁত খাবলৈ নাছিল । তেতিয়া মই আৰু দুইজন যাত্ৰীয়ে অলপ আঁতৰত মুকলি ঘাঁহনিত ষ্টোভত কণী-ভজা আৰু ৰুটী খাই দুপৰীয়াৰ ভোক মাৰিছিলো । মই বাহিৰলৈ ওলাই আহি চাইছিলো আমাৰ সেই "অপেন এয়াৰ ৰেষ্টোৰাঁখন আছেনে নাই" কিন্তু চকুত নপৰিল । হয়তো বস্তু শেষেই হ'ল নাইবা অন্য এঠাইলৈ আঁতৰি গৈছে । মোক আগবঢ়াই নিবলৈ আহিছিল মোৰে পুৰণা ছাত্ৰ এতিয়া অসম মেডিকেলৰ দুজন শিক্ষক । এইখিনি ভদ্ৰতা ডাঙৰ চহৰবোৰৰ বাহিৰে প্ৰায় সকলো ঠাইতে পৰীক্ষক সকলৰ লগত ৰখা হয় । ডাঙৰ চহৰ যেনে বম্বে, দিল্লী কলিকতা ইত্যাদিত সম্ভৱো নহয় আৰু তাতে চাল চলনৰ সা-সুবিধাও থাকে । টেক্সী এখনত উঠি ল'লেই হয় । বাকী খিনি সহজ । থকা ঠাই ঠিক হয়েই থাকে ।

চাউলখোৱা পাৰ হৈ ডিব্ৰুগড় চহৰখনৰ ৰাস্তাত সোমাই বহুত পুৰণি দিনৰ কথা মনত পৰিল । প্ৰথমতে সোমালোঁগৈ বৰবাৰীত । মোৰ অহাৰ খবৰটো দিবলৈ আৰু লগতে পৰীক্ষাৰ অন্যান্য খবৰ জানিবৰ বাবে ডাঃ ৰম্ম তালুকদাৰে নিজৰ মাৰুটি গাড়ীত মোক এয়াৰ পোৰ্টৰ পৰা আনিছিল । লগতে আৰু এজন বন্ধু ইকবাল আহমেদ, বৰবাৰীখন চাৰিওফালে থকা চাহ বাগানেৰে সৈতে প্ৰায় আগৰ দৰেই আছে । কেৱল মানুহৰ ভিৰ আৰু ওচৰত গঢ়ি উঠা দোকান পোহাৰ আৰু লেবৰেটৰী ক্লিনিক আদিয়ে কৰা ৰাস্তাৰ ঠেলাহেঁচাখিনি । এইখনেই অসমৰ প্ৰথম মেডিকেল কলেজ স্থাপন হয় ১৯৪৬ চনত । ইয়াৰ আগতে টাউনৰ গ্ৰেহেম বজাৰত আছিল বেৰি হুৱাইট মেডিকেল স্কুল । কলেজ হোৱাৰ লগে লগে স্কুল খন বন্ধ হৈ গ'ল । আগৰ এল্ এম্ এফৰ ঠাইত এতিয়া নতুন এম্ বি বি এছ্ ডিগ্ৰী দিয়া আৰম্ভ হ'ল । এইখন কলেজতে ১৯৪৯ চনত ভৰ্ত্তি হৈ মই প্ৰথম দুবছৰ ডাক্তৰী পঢ়িছিলো । সেইদিনবোৰ এতিয়াও ভালদৰেই মনত আছে । যেনে অৰুণ শৰ্মাৰ কেনটিনৰ চিঙ্গৰা হোষ্টেলৰ খোঁা ইত্যাদি । ভালেমান বন্ধু বান্ধৱক লগ পাই বৰ ভাল লাগিল । দ্বিতীয় মহাযুদ্ধৰ সময়ত এইখন এখন এমেৰিকান সামৰিক বাহিনীৰ এক বেচ্ (Base) হস্পিটেল আছিল । তেওঁলোক গুচি যোৱাৰ পিছত অলপ সালসলনি কৰি মেডিকেল কলেজ আৰু হস্পিটেল সজা হ'ল । ইয়াৰ আগতে অসমৰ ল'ৰা-ছোৱালীৰ বাবে ডাক্তৰী পঢ়িবলৈ কেইটামান চিট্ কলিকতাৰ মেডিকেল কলেজ কেইখনত আছিল । সংখ্যা তেনেই তাকৰ । এসময়ত এইখন ভাৰতবৰ্ষত প্ৰায় নাম কৰা কলেজ আছিল । এতিয়া কলেজ খনত নানা অসুবিধা হৈছে বুলি শুনা যায় ।

পিছদিনা পৰীক্ষা ৰাতিপুৱা সাত বজাত আৰম্ভ কৰিবৰ দিহা কৰি মোক মৰাণৰ ঘৰত থৈ আহিবলৈ ডাঃ ৰম্ম তালুকদাৰকে অনুৰোধ কৰিলে । তেৱোঁ আপত্তি নকৰিলে । দুপৰীয়া পলম হোৱাৰ বাবে ইকবাল আহমেদৰ তাতে দুপৰীয়া সাজটো ভালদৰে খাই ল'লো । নানা ধৰণৰ মাংসৰ তৰকাৰী । ডিব্ৰুগড়ত আজি কালি মাছৰ অভাৱ । দামো জুইছাই । এসময়ত ডিব্ৰুগড়ত ৰৌ, বৰালি, আৰি, পাভ, কুঢ়ি, বৰিয়লা আৰু লগত পহুৰ মাংসৰ বাবে বিখ্যাত আছিল । চহৰৰ ৰাস্তাবোৰ আগৰ দৰেই সৰু হৈ আছে । আজি কালিৰ তুলনাত কিছুমানক লুঙলুঙীয়া বুলিবই পাৰি । ৰাস্তাৰ সকলো ঠাইতে সৰু ডাঙৰ গাঁত আৰু বৰষুণ দিয়াৰ পিছত পানী জমি হোৱা বোকা । ৰাস্তাত মানুহৰ বাহিৰে কেৱল গৰু আৰু গৰু । ৰাস্তাৰ মাজতে ঠিয় দি বেপৰোৱাভাবে শুই আছে । বহুত হৰ্ণ বজালেহে অলপ আঁতৰি দিয়ে । গৰুৰ এই ভিৰ দেখি গৰাকীহীন বনৰীয়া গৰু যেনহে লাগে । কিন্তু গোটেইবোৰ ঘৰচীয়া গৰু । শুনিলো পোৱালি দিয়াৰ আগে আগেহে মাইকী গৰুবোৰৰ গৰাকী ওলায় । মোৰ ভাগিন ছোৱালী নিৰ্মালীয়ে কৈছিল "গৰুবোৰ সঁচাকৈয়ে গৰু । কেনেকৈ ৰাস্তাৰ মাজত থিয় হৈ থাকে !" গৰুবোৰেও মানুহৰ সম্বন্ধে তেনে মন্তব্য কৰেনে নাই জানিবৰ উপায় নাই !

কালী বাড়ীৰ ৰাস্তা, নতুন বজাৰৰ ৰাস্তা, ষ্টেচনৰ ওচৰৰ ঠাইখিনি নাইবা বজাৰৰ ওচৰৰ বাছষ্টেণ্ডৰ ঠাইখিনিত আগৰ দৰেই ভিৰ বৰঞ্চ বহু বেছি ভিৰ আৰু সকলো অপৰিষ্কাৰ ।

চহৰখনৰ আধাতো ব্ৰহ্মপুত্ৰৰ বুকুত । হাইস্কুল কাছাৰী মানকটাৰ ফালে উঠি আহিল । চাৰিও ফালে নানা নগৰ নামৰ ঠাই হ'ল । মোৰ কেৱল মিলন নগৰেই মনত আছে ।

কিন্তু যিয়েই নহওক সকলোতে পুৰণি ডিব্ৰুগড়ৰ গোন্ধটো আছে । সেই গোন্ধটো আমাৰ নিচিনা মানুহ যি স্কুলীয়া জীৱনটো ইয়াতে কটাই গৈছে– বৰ মৰমৰ । সেই কাৰণেই চহৰখনৰ এই অৱস্থাতো চেনেহ উপজে । আকৌ আহিবৰ মন যায় ।

ডিব্ৰুগড়ৰ হাইস্কুলৰ খেলা ফিল্ড্ খন এতিয়াও আছে । তাহানি দিনৰ নাম কৰা খেলুৱৈ ধেনু, ৰছিদ, চাফ্ৰাজ, শৰৎ দত্ত, তৰুণ বৰদলৈ, ৰিয়াচৎ আলি, ৰবীন খাৰঘৰীয়া, চফিকুল, বগা, নাগো শৈলেন দাসগুপ্ত সুবেন্দু দাসগুপ্তৰ খেলাৰ কথা এতিয়াও মনত আছে । মই খেলুৱৈ হিচাপে কেতিয়াও ভাল নাছিলো । মই কেৰমতে "নিলগেম" খোৱা মানুহ । কিন্তু খেলাত বৰ নিচা । সৰুৰে পৰা – খেলিবৰ এক প্ৰচণ্ড ইচ্ছা । সেইবাবেই এটা স্কুলীয়া লগৰ ল'ৰাক লৈ মই মোৰ এক বন্ধু মহম্মদ গোলেকক লৈ ইলেভেন্ ব্ৰদাৰ্চ" নামৰ এটা "বি" টিম কৰি খেলিছিলো । মই নিজেই কেপ্টেইন হৈ লৈছিলো । এবাৰ গলৰ প্ৰায় তিনি ফুটমান দূৰতে বিপৰীত গোলকিপাৰকে লৈ বেক আমাৰ চেণ্টাৰ ফৰৱাৰ্ড সকলো মাটিত ইটোৱে সিটোক খুন্দিয়াই পৰি গ'ল । মইয়ে একমাত্ৰ থিয় হৈ বলটো লৈ । আমাৰ লগৰবোৰে চিঞৰিবলৈ লাগিল "মাৰ" "মাৰ" বুলি । মই নাৰভাচ্ হৈ বলটো পাঁচফুট মান বাহিৰেদি মাৰি পঠালো । জীৱনত ফুটবল খেলাত এটাই গ'ল দি পাইছো । সেইটোৱো এটা আকস্মিক ভাবে হোৱা গ'ল ।

বলটো মাৰি পঠাইছিলো বিপৰীত দলৰ বেকৰ ভৰিত লাগি হঠাতে বলটো গোলত সোমাই গ'ল । জীৱনত মোৰ এয়েই প্ৰথম আৰু শেষ গ'ল । এই হাইস্কুলৰ খেল পথাৰতে । এই সৰুসুৰা কথাবোৰ মনত পৰিল কম সময়ৰ ভিতৰতে ।

পিছদিনা ৰাতিপুৱা চাৰে ছয় বজাতে ডিবুৰু পালোহি । ইতিমধ্যে লগ পোৱা দুই এজনে ক'লে তেওঁৰ ঠাইত থাকিবলৈ । নহলে অন্ততঃ এবাৰ গধূলি আহিবলৈ । আহিম বুলি ক'লো– মিছা কথা । দিনটো এইদৰে কাম ঠিক কৰা আছে আহিবৰ সময় নাই । চাৰিবজাত সেইদিনাৰ পৰীক্ষা শেষ কৰিলো ।

মই নথকাৰ বাবে চাৰ্কিট হাউচৰ মোৰ ৰুমটোত অন্য মানুহ সোমালেহি । ঠিক কৰিলো ডাঃ ৰীণা আৰু চামছুদ্দিন আহমেদৰ তাতে থাকো । সন্ধিয়া ছয় বজাৰ পৰা আকৌ এখন ডাক্তৰি মিটিং মনালিচা হোটেলত ।

নানা সুবিধাৰ কাৰণে আজিকালি অতি ডাঙৰ ডাঙৰ মিটিং হোটেলতেই হয় । ডিব্ৰুগড়ৰ মিটিং খন সেই অঞ্চলৰ সকলো ঠাইৰ স্ত্ৰীৰোগ বিশেষজ্ঞ সকলৰ বছৰেকীয়া সভা । মোকেই সভাপতিত্ব কৰিবলৈ জোৰ কৰিলে ডাঃ ভবানী চলিহাই । ৰাতিপুৱাৰ পৰা ব্যস্ততাৰ পিছত ৰাতি ৯ বজালৈকে কাম কৰা এই বয়সত অলপ টান । যিয়েই নহওক সকলো সুকলমে হৈ গ'ল । ৰতন শইকীয়াৰ মনালিচাত দিয়া ৰাতিৰ খোৱাও ভাল আছিল । হোটেল আৰু ৰেষ্টোৰাঁ দুয়োটাই ভাল যেন লাগিল । ডিব্ৰুগড়ত এনেধৰণৰ হোটেল আগতে নাছিল । এইদৰে পাৰ্টি আদি হোৱা এতিয়া নৈৰ বুকত যোৱা প্লেণ্টাৰ্চ ক্লাব আছিল । সেইটো অৱশ্যে আছিল কেৱল ইংৰাজ চাহাব মেমৰ বাবেহে । মিটিঙলৈ অহাৰ আগতে গা পা ধুবলৈ গ'লো ডাঃ ৰম্ম তালুকদাৰৰ তালৈ তেওঁৰ গাড়ীতে । স্ত্ৰী ফাইজাই চাহ ইত্যাদি বেগাই কৰি দিলে । কথা পাতিলো তেওঁলোকৰ চাৰিবছৰীয়া ল'ৰা ঋত্বিকৰ লগত । দুটামান বাঘ বান্দৰ শিয়াল আদিৰ গল্প সাজি সাজি কলো । সিও খুব মনদি শুনিলে । সৰু ল'ৰা-ছোৱালীক গল্প কওঁতে সৰু প্ৰাণীটোক কেতিয়াও মাৰিব নালাগে । আনহাতে বাঘ মেকুৰী আদি যি মৰে মৰক । সিহঁতে সৰু প্ৰাণীবোৰক বেছি ভাল পায় । মই আহিবলৈ ওলালত সি বৰ বেয়া পালে আৰু মোৰ লগত কথা পতাই বন্ধ কৰি দিলে । "তুমি নাথাকা কিয় আমাৰ ইয়াত ? এবাৰ সুধিছিল । কথাটো ৰীণা হৰ্তক খাই থাকোতে কওঁতে তেওঁলোকে কলে আমাৰ মাইনাইও আপোনালৈ ৰৈ আছে ।" মাইনা তেওঁলোকৰ ল'ৰা ।

ইমান বছৰে এইখন চহৰৰ একো উন্নতি হোৱা নাই । ৰাস্তা ঘাট বজাৰ আদিৰ কথা আগেই উল্লেখ কৰিছো ।

বন্ধু সুদেন্দু দাসগুপ্তৰ এসময়ৰ বিখ্যাত ফুটবল খেলুৱৈ মতামতো একেই । এসময়ত ডিবুৰু আৰু গুৱাহাটীৰ খুব এটা পাৰ্থক্য নাছিল । কিন্তু আজিকালি প্ৰায় আকাশ পাতাল প্ৰভেদ । প্ৰায় বেছি ভাগ কথাতেই । ডিব্ৰুগড়ত কাম কাজ শেষ হ'লত মোক মৰাণত থবলৈ ওলাল ডাঃ দাসগুপ্ত আৰু চামচুদ্দিন । বৰবৰুৱা কুতুহা চেচা খোৱাং তিলৈ এইবোৰ চিনাকি ঠাই । বুঢ়ী দিহিঙৰ ওপৰত নতুন গেমন দলং । আগৰ লোহাৰ দলং আজিকালি পৰিত্যক্ত । গেমন দলঙতে গাড়ীখন ৰাখিলো । গাড়ীৰ দুয়োফালৰ আইনা কেইখন খুলি দি চাৰিওফালৰ সৌন্দৰ্য, দিহিং অৰ পানীৰ সোঁত অলপ সময় চালো । আজি ভালেমান বছৰৰ আগতে পুৰণা ৰাস্তাটোত মোৰ দেউতাই মোক হঠাতে গাড়ীখন ৰখাবলৈ কৈছিল "ইয়াত বোলে এখন নতুন দলং হৈছে । চাওঁচোন ৰ", দেউতাই সেই ৮০ বছৰ বয়সত নতুন দলংখনলৈ বহুত পৰ চাই থাকিল । তেওঁলোকে ডিবুৰুত পঢ়াকালত খোৱাংঅত দলঙেই নাছিল । ডিবুৰুৰ পৰা ৰাতিপুৱাই খোজ কাঢ়ি আহি তুলুঙা নাৱত দিহিং পাৰ হৈছিল । এতিয়া তাতে আকৌ এখন নতুন দলং ।

পুৰণা দলঙৰ ফালে চাই পঠিয়ালো ভৰ পানী । প্ৰবল সোঁত । মাজে মাজে ঘূৰণীয়া । অলপ নিলগতেই আমাৰ দুয়োৰে মৰমৰ সৰু ভাই ডাঃ জিতেন গোঁহাইৰ স্ত্ৰী আৰু পুত্ৰই দুৰ্ঘটনাত এই বুঢ়ীদিহিঙৰ সোঁততেই ইহলীলা সম্বৰণ কৰিছিল । ভাবিলেও কেনে লাগে ।

দাসগুপ্তই অলপ ভাল হুইস্কি উলিয়ালে । লগতে অলপ ডাঙৰ ডাঙৰ শিঙৰা মাছ ভজা । আমিও আৰু কিমান দিন আছো ঠিক নাই" তেওঁ মাত লগালে ।

ডিবুৰুৰ কথা এইকেইদিন প্ৰায়ে মনত পৰি আছে । ঠাইখনত যদি অলপ উন্নতি হ'লহেঁতেন ।

ডিব্ৰুগড়ত খেলাধূলাৰ ষ্টেডিয়াম এটাই নাই, নাই আছে এটা গুৱাহাটীৰ দৰে চুইমিং পুল । দৌৰিবৰ একো নাই । সৰু আৰু ডেকা চাম কি লৈ ব্যস্ত থাকিব ?

ডিবুৰুৰ সেই অৱস্থাৰ বাবে তাৰ মানুহেই দায়ী । তাত জনমত নাই । নিবিচাৰিলে কোনে কাক কি দিয়ে ? নাকান্দিলে মাকেই কেঁচুৱাক খাবলৈ নিদিয়ে । গতিকে নিজেই নিজকে চাব লাগিব । এই পৃথিৱী বীৰভোগ্যা । ইয়াত দুৰ্বলৰ স্থান নাই ।

# চিনিয়ৰ

ৰসানন্দ অভাজন

মোৰ ঘৰৰ প্ৰায় ওচৰতে খেৰী ঘৰ এটাত মেচ্ কৰি থকা চন্দ্ৰ নামৰ গাঁৱৰ ল'ৰা এটাৰ পিন্ধা কাপোৰ কানি দিনক দিনে জৰাজীৰ্ন আৰু তেল নঘঁহা চুলিৰে চেহেৰাটো ক্ৰমাত ৰুক্ষ হৈ আহিবলৈ ধৰাত মই কৌতূহলৰ বশৱৰ্তী হৈ এদিন অফিচৰ পৰা ঘূৰি অহাৰ সময়ত তাক সুধিয়েই পেলালো' তুমি ক'ত কাম কৰাহে চন্দ্ৰ ? মোৰ মৰম মিহলি প্ৰশ্নত সি হুমুনিয়াহ এটা কাঢ়িলে আৰু ক্ষোভৰ স্বৰত উত্তৰ দিলে-কেন্দ্ৰীয় চৰকাৰৰ অফিচ এটাত কাম কৰো । আজি দুইবছৰ 'কেজুৱেল বেচিচ'ত কাম কৰি আছো । মাহেকত কুৰি দিন কাম কৰিবলৈ মোক ৰববাবুৱে সুবিধা দিছে । কিন্তু দিলে কি হ'ব ? দৈনিক হাজিৰা কাম কৰাৰ দৰে ময়ো দিনে চৌত্ৰিশ টকাহে পাওঁ । যিদিনা যাব নোৱাৰো সেইদিনা পইছা নেপাওঁ ।

মই আচৰিত হৈ সুধিলো 'কি কথা কৈছাহে চন্দ্ৰ ? তুমি যোৱা দুবছৰ দিন 'ডেইলী ৱেজ বেচিচ'ত কাম কৰি আছা ? আজিলৈকে তোমাক নিয়মীয়া কৰা নাই ? ইমান কষ্ট কৰি তুমি আছা কেলেই তাত ? ৰাজ্য চৰকাৰৰ অফিচবোৰত তুমি চাকৰি বিচৰা নাই কেলেই ? যোৱা দুবছৰৰ ভিতৰত পাই গলা হেঁতেন ।

আকৌ এটা হুমুনিয়াহ কাঢ়ি চন্দ্ৰই কলে- 'কি কৰিব ? ৰববাবুৱে মোক সদায় আশা দি আছে । হ'ব বুলি কৈছে । যোৱা দুবছৰৰ ভিতৰত ফোৰ্থ-গ্ৰেডৰ ৩/৪ টা ওলাইছিল । কিন্তু ডিৰেক্টৰ, ডেপুটী ডিৰেক্টৰ আদি চাহাব সকলৰ নিজা কেণ্ডিডেট ওলাল, মোৰ নহ'ল । এইবাৰ কিন্তু হ'বই বুলি ৰববাবুৱে আশা দিছে । ডিৰেক্টৰেও নিজেই কৈছে । সেই আশাতেই অহা যোৱা কৰি আছো ।'

এইবুলি চন্দ্ৰ গুচি গ'ল । মাহে মাত্ৰ সাতশ টকা পোৱা ল'ৰাটোৰ দুখ কষ্ট আৰু হতাশাৰ কাৰণ মই এতিয়াহে বুজিব পাৰিলো । বেচেৰা গাঁৱৰ পৰা অহা দুখীয়া ল'ৰাটোৱে ৰববাবুৱে মাজে সময়ে দি থকা আশাত বন্দী হৈ নিজৰ অস্তিত্বৰ বাবে সংগ্ৰাম কৰিবলৈও পাহৰি পেলাইছে । এইদৰে কিমান দিন সি 'এপ্ৰেণ্টিচ্' গিৰি কৰি থাকিব লাগিব । সি বোধকৰো নিজেও নেজানে ।

চন্দ্ৰক দেখি আৰু তাৰ কথা শুনি মোৰ ছাটকৈ খ্যাতনামা বাংলা ৰম্য ৰচনা লেখক ছৈয়দ মুজতবা আলীৰ গল্প এটালৈ মনত পৰি গ'ল । চন্দ্ৰৰ নিচিনা 'এপ্ৰেণ্টিচ্' খাটি থকা ল'ৰা এটাৰে তেওঁৰ গল্পটো বেছ ৰসাল । কৰুণতাও আছে ।

নগৰৰ দুইমহলা ঘৰৰ এটাৰ ডাঙৰ কাৰ্যালয়ত কাম কৰা অতি ব্যস্ত ৰববাবুৰ ওচৰলৈ ডাল দৰিদ্ৰ চন্দ্ৰ বহুত আশা ভৰষাৰে এদিন আহিল । তেওঁৰ গাঁৱৰ দুখীয়া আৰু নিবনুৱা ল'ৰাক তেওঁ সদায় আন্তৰিকতাৰে সহায় কৰিবলৈ চেষ্টা কৰে । চন্দ্ৰক দেখিও তেওঁ কলে-'চন্দ্ৰ, তই কেইটামান দিন অফিচত এপ্ৰেণ্টিচ্ কৰি কাম বন শিক । ছমাহৰ পিছত ভেকেন্সী ওলাব । তোক মই সুমুৱাই দিম । তজ্ বজীয়া, ৰঙিয়াল চন্দ্ৰইও বৰ ভাল পালে । দুখীয়া যদিও তাৰ কাপোৰ কানি, চেণ্ডেল ইত্যাদি বেছ ভালেই আছিল । মূৰৰ চুলি খিনিও সি পৰিপাটিকৈ আচোঁৰে । ৰববাবু খুৰাদেউৱে তাক দিয়া আশ্বাসৰ কথা সি লগে লগে দুঃখিনী মাকলৈ চিঠি দি জনাই দিলে ।

দৈনিক হাজিৰা হিচাপত কাম কৰি মাহে পোৱা পাঁচশ টকাৰে দুখ কষ্ট সহ্য কৰি গভীৰ আশা আৰু প্ৰত্যাশাৰে সি কোনোমতে ছটা মাহ কটাই দিলে । সেই সময়ত সচাঁকৈয়ে এটা পিয়ন কামৰ পদ খালী হ'ল । কিন্তু চন্দ্ৰৰ চৰম



দুৰ্ভাগ্য, অফিচৰ ডেপুটী ডিৰেক্টৰৰ ঘৈণীয়েকৰ পেহীয়েকৰ ল'ৰাটো অফিচত হাজিৰ হ'ল । তেতিয়া কোনো চিন্তা ভাবনা নকৰাকৈয়ে খালী হোৱা পোষ্টটোত ডেপুটী ডিৰেক্টৰে তেওঁৰ মিচেচৰ পেহীয়েকৰ ল'ৰাটোক নিযুক্তি দি দিলে । কন্দনামুৱা হৈ চন্দ্ৰ ৰববাবুৰ ওচৰত হাজিৰ হ'ল । ধূৰ্ত স্বভাৱৰ ৰববাবুয়ে তালৈ চাই এটা কপট গাম্ভীৰ্য ধাৰণ কৰি কৰ্তৃত্বৰ সুৰত কলে-'চন্দ্ৰ, তই এতিয়াও কাম বন ভালকৈ শিকি উঠিব পৰা নাই । তই আৰু ছমাহ এপ্ৰেণ্টিচ্ হৈ কাম শিকি থাক । তেতিয়ালৈ তই ভালদৰে জনা বুজা হৈ যাবি । তাৰ পিছত তোৰ চাকৰি হোৱাটো একেবাৰে খাটাং । চিন্তা নকৰিবি, মই আছো । যা, কাম কৰগৈ ।'

আকৌ ছমাহ পাৰ হৈ গ'ল । তেতিয়ালৈ চন্দ্ৰৰ কাপোৰ কানি জৰাজীৰ্ণ হ'বলৈ উপক্ৰম কৰিছে । হাৱাইন চেণ্ডেলযোৰ তাঁৰেৰে বান্ধি কোনোমতে ফিটা কিডাল ৰাখিছে । তেল নসনা আৰু বহুত দিন নকটা চুলিয়ে তাৰ মুখৰ চেহেৰাই বেলেগ কৰি পেলাইছে । বেচেৰা, সি কৰিব কি ? পাঁচশ টকাৰ দুশ টকা মাকলৈ পঠোৱাৰ পিছত হাতত যি তিনিশ টকা থাকে তাৰে টাউনত মেচত থাকি দুবেলা দুসাজ খোৱাটো তাৰ পক্ষে অসম্ভৱ হৈ পৰিছে । তথাপিও ইমান খিনি দুখ-দুৰ্দশাৰ পিছত তাৰ এটাই আশা, এই ছমাহ এপ্ৰেণ্টিচ্ খটাৰ পিছত তাৰ চাকৰি হৈ যাব । কিন্তু অভাগা যেনি যায়, সাগৰ শুকায় মাণিক লুকায়ৰ নিচিনা এইবাৰো তাৰ চাকৰি নহ'ল । এইবাৰৰ সৌভাগ্যৱান জন হ'ল ডিৰেক্টৰৰ ঘৰত কাম কৰা বিহাৰী মানুহজনীৰ দেওৰেক । আশাৰ মূৰত এনে দৰে চেঁচা পানী পৰাৰ পিছত এইবাৰ দুখ-বেজাৰ, খং আৰু ক্ষোভত চন্দ্ৰ ৰববাবুৰ ওচৰলৈকে নগ'ল । ৰববাবুৱেহে সম্পূৰ্ণ ভাবে মুজুৰা পৰি যোৱা চন্দ্ৰক মাতি আনি এটা মৰম মিহলি ধমকি দি কলে-'ইমান অধৈৰ্য হৈ নপৰিবিচোন । এইবাৰ দেখিলিয়েই হঠাতে কি পয়মাল ওলাল । হতাশ নহবি । তোৰ হ'ব । মই আছো কিহৰ কাৰণে ? এনেদৰে ৰববাবুৱে নিজৰ গাঁৱৰ দুখীয়া ল'ৰাটোৰ প্ৰতি কৰ্তব্যৰ পৰকাষ্ঠা দেখুৱালে আৰু চন্দ্ৰইও তাৰ মনৰ কোনো ধৰণৰ প্ৰতিক্ৰিয়া প্ৰকাশ নকৰি সুৰসুৰকৈ আঁতিৰি গৈ তাৰ দিনটোৰ ৰুটিন কামবোৰ কৰিবলৈ ধৰিলে ।

এনেদৰে আৰু ছমাহ পাৰ হৈ গ'ল । সেইবাৰ অফিচত কোনো চাকৰি নোলাল । ইতিমধ্যে অফিচৰ কিছু পৰিবৰ্তন ঘটিল । এইজন ডিৰেক্টৰে অৱসৰ লোৱাত নতুন ডিৰেক্টৰ আহিল । এইজন কাম জনা মানুহ আৰু অফিচৰ 'ডিচিপ্লিন'ৰ ওপৰত খুব গুৰুত্ব দিয়ে । দুবছৰ 'এপ্ৰেণ্টিচ'গিৰি কৰা আমাৰ চন্দ্ৰৰো ইতিমধ্যে শাৰীৰিক আৰু মানসিক দিশত বেছ চকুত লগা ধৰণৰ পৰিবৰ্তন ঘটি গৈছে । গাৰ চোলাটোৰ অৱস্থা অতিপাত শোচনীয়, চুৰিয়াখন, টৌচিৰা, কৰিব চেণ্ডেলযোৰে কেতিয়াবাই চন্দ্ৰৰ পৰা বিদায় লৈছে । ৰুক্ষ জপৰা চুলিখিনি বাঢ়ি বাঢ়ি কপাল আৰু গলধনৰ তললৈ বাগৰি গৈছে । সেইদৰে দাড়ি খিনিও নামি আহি বুকুৰ ওপৰত পৰিছেহি । সৰ্বোপৰি তাৰ কাপোৰ কানি আৰু শৰীৰৰ পৰা ওলোৱা দুৰ্গন্ধই তাক সৰ্বসাধাৰণৰ পৰা দূৰলৈ ঠেলি পঠাইছে । সি এতিয়া একেবাৰে নিৰ্বান্ধৱ; কোনো লগ সঙ্গ নাই । সিও লগ সঙ্গ ভাল নেপায় । এটা কৈৱল্য, অনাসক্তি ভাব । কোনো ধৰণৰ অনুভূতি বা প্ৰতিক্ৰিয়া নাই । গীতাত কোৱাৰ দৰে কেৱল কৰ্তব্যহে কৰি যাব লাগে বুলি তাৰ অন্তৰত এটা দৃঢ়বিশ্বাস জন্ম হৈছে ।

পূৰা আঢ়ৈ বছৰ এপ্ৰেণ্টিচগিৰি চলি থকাৰ পিছত এদিন হঠাৎ একেলগে দুটা ঘটনা ঘটিল, যিটো চন্দ্ৰৰ নিঃশেষ হৈ যাব খোজা জীৱনটোত টাৰ্নিং পইণ্ট হিচাপে পৰিগণিত হ'ল । অফিচ ছুটী হৈ যোৱাৰ পিছত মানুহবোৰ প্ৰায় ঘৰাঘৰি গৈছে । তেনেসময়তে ওপৰ মহলাত বহা ডিৰেক্টৰে ৰববাবুক মাতি আনি কলে-'ৰববাবু । মই এতিয়া দুখন বৰ জৰুৰী চিঠি লিখিম । বেছি জৰুৰী কাৰণে নিজেই ভালকৈ ভাবি লিখিব লাগিব । আপুনি এটা কাম কৰক । এটা পিয়ন মোৰ ৰুমৰ দুৱাৰ মুখত বহি থাকিবলৈ দিয়ক । কোনো বাহিৰা মানুহে আহি যাতে মোক ডিচৰ্টাব নকৰে । কোনো পাবলিকে আহি যাতে মোৰ ৰুমত সোমাব নোৱাৰে সেইটোলৈ সৰ্তক হবলৈ তাক ইন্সট্ৰাকচন দি দিয়ক ।'

উধাতু খাই ৰববাবু বাহিৰলৈ ওলাই কোনো পিয়নকেই তেওঁ নেদেখিলে । সকলোবোৰ গ'ল । এনেতে হঠাৎ দেখিলে আমাৰ এপ্ৰেণ্টিচ্ চন্দ্ৰ যাবলৈ টুক্ টুককৈ খোজ লৈছে । ৰববাবুৱে তাক চিঞৰি মাতিলে । সি ওচৰ চাপি অহাত মৰমৰ সুৰেৰে কলে-'তোৰ আজি কপাল ফুলিব চন্দ্ৰ ! তই আজি এটা চাহাবৰ গুৰুত্বপূৰ্ণ কাম কৰি দে । আজিয়েই তোৰ চাকৰি হৈ যাব । এপ্ৰেণ্টিচ্ অভিশাপৰ পৰা তই আজি মুক্তি পাবি ।.................. তোৰ বিশেষ একো কাম নাই । চাহাবৰ ৰুমৰ মুখত থকা টুলখনত বহি থাক । চাহাবে ভিতৰত বৰ জৰুৰী চিঠি লিখি আছে । কোনো বাহিৰা মানুহক ৰুমত সোমাবলৈ নিদিবি ' মুখেৰে ভোৰভোৰাই চন্দ্ৰ গৈ টুলখনত বহি দিলেগৈ ।

তেনে সময়তে গাত একেবাৰে কাপোৰ কানি নথকা প্ৰায় উলঙ্গ দাড়ি চুলিয়ে ভোবোকাৰ হৈ থকা সেইটো অঞ্চলৰ পগলা এটাক কিছুমান সৰু সৰু দুষ্ট ল'ৰাই জোকাই বৰ বিৰক্ত কৰিবলৈ ধৰিছে । পিছফালৰ পৰা সিহঁতে ধুমধাম শিল গুটি মৰাত সি এবাৰ এইফালে আৰু এবাৰ সেইফালে ঢপলিয়াবলৈ ধৰিছে । কিন্তু বিটলীয়া ল'ৰাবোৰে তাৰ গাত এনেকুৱাকৈ শিল মাৰিবলৈ ধৰিলে যে তাৰপক্ষে ৰাস্তাত থকাটো টান হৈ পৰিল । তাৰ সৰ্বশৰীৰৰ পৰা তেজ ওলাই আহিছে । এটা বীভস মূৰ্তি । অৱশেষত তিষ্ঠিব নোৱাৰি পগলাটো অফিচৰ কম্পাউণ্ডত সোমাই দিলে । তেতিয়াও শিল বৰ্ষণ হৈ থকাত তলৰ মহলাৰ প্ৰতিটো কোঠাৰ দুৱাৰবোৰ ঠেলিবলৈ ধৰিলে । কিন্তু সকলো দুৱাৰ বন্ধ । তেতিয়া সি প্ৰাণৰ আতুৰত ওপৰ মহলালৈ উঠি গৈ প্ৰতিটো কোঠাৰ দুৱাৰ ঠেলিবলৈ ধৰিলে । সেইবোৰো বন্ধ । এনেদৰে জোৰেৰে ঠেলি যাওঁতে এবাৰ এখন দুৱাৰ খোল খাই গ'ল আৰু কোঠাৰ ভিতৰত সোমাইহে সি ৰক্ষা পালে । কিন্তু চৰম বিপত্তিৰ বিষয়, সেইটো আছিল ডিৰেক্টৰ চাহাবৰ কোঠা আৰু তেতিয়া তেওঁ নিৱিষ্টমনে লিখি আছিল । তেনে অৱস্থাত হঠাৎ হুৰমুৰকৈ প্ৰায় উলঙ্গ, দাড়িয়ে চুলিয়ে ভোবোকাৰ আৰু তেজেৰে তুমৰুলী দিয়া এটা পগলা সোমাই অহাত তেওঁ প্ৰথমতে ভীষণ ভাবে চক খাই উঠিল আৰু তাৰ পিছত টেবুলখন প্ৰচণ্ড ভাবে ঢকিয়াই 'ৰববাবু !' বুলি চিঞৰি উঠিল । কৰবাৰ পৰা ৰববাবু লৰ মাৰি আহিল । চাহাবে খঙত অগ্নিশৰ্মা হৈ বাহিৰত বহি থকা পিয়নক মাতিবলৈ কলে । তেতিয়া এপ্ৰেণ্টিচ চন্দ্ৰ নিৰ্বিকাৰ ভাবে হাজিৰ হ'ল । চাহাব গৰজি উঠিল-'তোক আজি মই ডিচ্মিচ্ কৰিম । তোক কৈছিলো নে নাই কোনো পাবলিক বা বাহিৰা মানুহ সোমাবলৈ নিদিবি বুলি ? বাহিৰা মানুহ তো বাদেই, একেবাৰে উলঙ্গ পগলা এটাক ইয়াত সুমুৱাই দিলি । তই দেখা নাছিলি ? টুলত বহি টোপনি গৈছিলি নহয় ? উত্তৰ দে তই, কি কাৰণে এই পগলাটোক মোৰ ৰুমত সোমাবলৈ দিলি ? উত্তৰ দে-'

প্ৰচণ্ড খঙত চাহাব কঁপিবলৈ ধৰিলে । ৰববাবুৰ অৱস্থাও কাহিল । তেওঁ মনে মনে ভাবিলে, এইবাৰ চন্দ্ৰক এপ্ৰেণ্টিচ্ হিচাবে ৰখাও টান হ'ব ।

'মনে মনে থাকিলেও সাৰিব নোৱাৰিবি । উত্তৰ দে-'

এইবাৰ চন্দ্ৰই প্ৰায় দৃঢ় কণ্ঠেৰেই উত্তৰ দিলে-'মই তাক বাহিৰা মানুহ বুলি ভবা নাছিলো চাৰ ।'

'কি বুলি ভাবিছিলি ??

চন্দ্ৰই সেমেনা সেমেনকৈ উত্তৰ দিলে- 'চিনিয়ৰ এপ্ৰেণ্টিচ্ বুলি ভাবিছিলো ।'

'কি ??'

'হয় চাৰ, দুবছৰতেই যেতিয়া মোৰ এইটো অৱস্থা, সি নিশ্চয় দহ বাৰ বছৰ এপ্ৰেণ্টিচ খাটিছে আৰু সেইকাৰণেই তাৰ সেইটো অৱস্থা হৈছে বুলি ভাবিছিলো চাৰ ।'

চাহাব এইবাৰ টক্‌টককৈ ৰঙা হৈ পৰা মুখ খন ঘূৰাই মুখ মেলি থকা ৰববাবুলৈ চাই পঠালে ।

# 'সাজপানী, শুকটি আৰু আমৰলি পৰুৱা'

ভৰত সন্দিকৈ

১৬-৩১ জুলাইৰ সূত্ৰধাৰৰ খাদ্য-চৰ্চা শিতানত শ্ৰীসত্যেন গগৈৰ 'সাজপানী, শুকটি আৰু আমৰলি পৰুৱা' শীৰ্ষক এটি লেখা প্ৰকাশিত হৈছে। আহোম সম্প্ৰদায়ৰ পাৰম্পৰিক খাদ্য সম্ভাৰৰ বিষয়ে শ্ৰীগগৈয়ে যি আলোচনা আগবঢ়াইছে তাৰ বাবে তেখেতক ধন্যবাদ জনাবলগীয়া। কিন্তু আলোচনাটিত বহুতো তথ্যগত ভুল পৰিলক্ষিত হোৱাত দুষাৰ লিখাৰ লোভ সামৰিব নোৱাৰিলো। ভুল তথ্যৰে ভাৰাক্ৰান্ত লেখাই পাঠকৰ মনত এক ভুল ধাৰণাৰ সৃষ্টি কৰে। আহোমসকলৰ এই কেইবিধ খাদ্য সামগ্ৰীৰ বিষয়ে যিবোৰ ভুল ব্যাখ্যা দাঙি ধৰিছে– তাৰ দ্বাৰা অনা-আহোম লোকৰ মনত এক বিভ্ৰান্তিৰ সৃষ্টি হব।

প্ৰথমেই আমি 'সাজপানী' শব্দটিৰ বিষয়ে আলোচনা কৰিব বিচাৰিছো। আমি অসমীয়াসকলে আমাৰ মাতৃভাষাৰ প্ৰতি যি আবেগিক বিহ্বলতা দেখুৱাওঁ, ভাষাটোৰ স্বৰূপ ৰক্ষা কৰি কথা-বতৰা পতা বা লেখা মেলা কৰাৰ প্ৰতি তেনে গুৰুত্ব নিদিওঁ। তাৰ ফলত অসমীয়া ভাষাত 'অহাকালি', 'যোৱাকালি', 'জোনটো' আদি বিজতৰীয়া শব্দবোৰে বাহ লৈছেহি। ই শুভ লক্ষণ নহয়। আনহাতেদি তথাকথিত প্ৰগতিবাদী আহোমসকলেও সম্বোধনৰ শুৱলা শব্দবোৰ ত্যাগ কৰিবলৈ কুণ্ঠাবোধ কৰা নাই। সেই সকল প্ৰগতিবাদীয়ে ককাইদেউ, নিচাদেউ, এনাইদেউ, এপাদেউ আদিৰ সলনি দাদা!, বৰদেউতা, বুঢ়ীমা, বৰমা আদি শব্দৰ সম্বোধন আদৰি লোৱা দেখা গৈছে। হীনমন্যতাত ভোগা এইসকল প্ৰগতিবাদীয়েই আজি গিৰিয়েকৰ ককায়েকক অৰ্থাৎ বৰজনাকক আহোম নিয়মমতে দেউতা নুবুলি 'দাদা' বুলি আধুনিকাৰ পৰিচয় দিব বিচাৰে ;ঘৈণীয়েকৰ ভিনিহিয়েকক শালপতি নুবুলি 'ভিনদেউ' বুলি প্ৰগতিশীলতাৰ পৰিচয় দিয়ে ; গিৰিয়েকৰ ভায়েকক আহোম নিয়মমতে 'গোহাঁইদেউ' নুবুলি 'ভাইটি', ভনীয়েকক 'আইদেউ' নুবুলি 'ভণ্টী' বুলি সুখ পায়। তেনে একশ্ৰেণী প্ৰগতিবাদীৰ মুখতেই আজি 'সাজপানী' শব্দটোৰ সৃষ্টি হৈছে। আহোম অধ্যুষিত যিবোৰ গাঁৱত ফুৰাৰ সৌভাগ্য আমাৰ হৈছে সেইবোৰ গাঁৱৰ কোনো লোকৰ মুখতেই আজিলৈকে 'সাজপানী' শব্দটো শুনা নাই। সকলোৱে মাথোন এটা শব্দকেই উচ্চাৰণ কৰে আৰু সেইটোৱেই হ'ল 'সাঁজ'– 'সাজ' বা 'সাজপানী' নহয়। পাৰিবনে লেখকে এনে এখন আহোম গাওঁ আঙুলিয়াই দিব, য'ত ডেকা বুঢ়া সকলোৱে 'সাজপানী' বুলি কয় ?

লেখকে কোৱাৰ দৰে আহোমসকলে 'সাঁজ'ক 'দেৱৰ-অমৃত' বুলি নকয়, কয় 'দেৱ-ৰস' বুলিহে। আন এঠাইত লেখকে লিখিছে– 'কাঁহ-পিতলৰ সাজ পানীৰ বাতি একোটা........'। লেখকে পিতলৰ বাতি ক'ত দেখিলে আমাক জনাব লাগে– আমি কিন্তু আজি পৰ্যন্ত পিতলৰ বাতি দেখা নাই। আনহাতেদি পিতলৰ পাত্ৰত সাঁজ ৰাখিলে এক ৰাসায়নিক বিক্ৰিয়া ঘটে। সেইবাবেই পিতলৰ পাত্ৰত সাঁজ খোৱাটো বাদেই, ৰখাও নিষেধ। লেখকে কথাটো প্ৰমাণ কৰি চাব পাৰে। "সাজখিনি ভাল নহলে বা টেঙা হলে গিৰিহঁতনীয়ে উপযুক্ত ব্যাখ্যা দাঙি ধৰিছিল যেনে পিঠাগুৰি কেইটা ভাল নাছিল বা সাজ বনোৱা সময়ছোৱা গেলা ডাৱৰীয়া আছিল– ইত্যাদি।" সাঁজ বনাবৰ বাবে যি পিঠা ব্যৱহাৰ কৰা হয় তাক 'পিঠাগুৰি' বুলি নকয়, কয় সাঁজৰ দৰব বা পিঠা বুলিহে। আনহাতেদি লেখকে সাঁজৰ দৰব প্ৰস্তুতকৰণ প্ৰক্ৰিয়াৰ বিষয়ে যি ব্যাখ্যা দাঙি ধৰিছে তাতো আঁসোৱাহ ৰৈ গৈছে। মাত্ৰা অনুযায়ী হাবিৰ পৰা বিভিন্ন বনৌষধি সংগ্ৰহ কৰি তাক ভালদৰে শুকুৱাই খুন্দি গুৰি কৰি লোৱা হয়। তাৰ অনুপাতত পিঠা খুন্দি বনৌযধিৰ গুৰিৰ লগত মিহলাই লোৱা হয়। তাৰ পিছত বনৌষধি মিহলোৱা পিঠাগুৰিৰ লগত এটা পুৰণা সাঁজৰ দৰব ভাঙি গুৰি কৰি লৈ তাকো তাৰ লগত মিহলাই দিয়া হয়। এই পুৰণা সাঁজৰ দৰবটো যদি তাত মিহলোৱা নহয় তেন্তে নতুন পিঠা আৰু বনৌষধিৰ পৰা নতুন সাঁজৰ দৰব প্ৰস্তুত হৈ নুঠে। এই প্ৰক্ৰিয়াটো গাখীৰৰ পৰা পকা দৈ প্ৰস্তুত কৰা পদ্ধতিৰ লগত একে বুলিব পাৰি। গাখীৰ উতলাই ঠাণ্ডা কৰি তাত মাত্ৰা অনুযায়ী পূৰ্বে বনোৱা পকা দৈৰ কিছু মিহলাই দিলেহে সেই গাখীৰৰ পৰা পকা দৈ প্ৰস্তুত হয়, অন্যথা উতলোৱা গাখীৰৰ পৰাও কেঁচা দৈহে হবগৈ। ধেমাজী, ঢকুৱাখনা, গোগামুখ, ঘিলামৰা, মিংমাং, মাছখোৱা আদি ঠাইত কাৰ্যনিৰ্বাহ কৰোতে এই লেখকে অনা-অসমীয়া লোকৰ পৰা এই বিষয়ে জানিব পাৰিছিল। সাধাৰণতে বিহাৰ, ৰাজস্থান আদি ৰাজ্যৰ লোকে কেঁচা দৈ ব্যৱহাৰ নকৰে। যি কি নহওক, সাঁজৰ দৰব প্ৰস্তুত কৰোতেও পুৰণা সাঁজৰ দৰব এটা অপৰিহাৰ্য। লেখকে উল্লেখ কৰাৰ দৰে সাঁজৰ দৰবৰ লাডুবোৰ ৰ'দত শুকাবলৈ দিয়া নহয়। অৱশ্যে লাডু বনাওঁতে পানী বেছি হলে সেই পানী শুকাবৰ বাবে লাডুবোৰ ৰ'দত দিয়ে যদিও ক্ষন্তেকৰ বাবেহে। লাডুবোৰৰ তলে ওপৰে যথেষ্ট পৰিমাণৰ বিহলঙনী পাৰি দি ধান চলা চালনীত তুলি ধোঁৱা চাঙৰ ওপৰত শুকাবলৈ দিয়া হয়– লেখকে কোৱাৰ দৰে ডলাত নহয়। ধান চলা চালনীৰ ফুটাৰে অতি সহজে জুইৰ উত্তাপ আৰু ধোঁৱা সাঁজৰ দৰবত সোমাব পাৰে, যিটো ডলাত সম্ভব নহয়। তাৰ উপৰি লাডুবোৰৰ তলে ওপৰে বিহলঙনীৰ পাত দিয়াৰ বাবে জুইৰ উত্তাপত তাৰ পৰা ওলোৱা ভাপো সাঁজৰ দৰবত সোমাই পৰে। সাঁজ চোকা হবৰ বাবে সাঁজৰ দৰবত বিহলঙনীৰ ভাপ একান্ত অপৰিহাৰ্য।

লেখকে লিখিছে 'সাজপানী বৰা চাউলৰ পৰা প্ৰস্তুত কৰা হয়।' .........'বৰা চাউল খিনি পিতলৰ চৰু বা মলাত ভাপত সিজোৱা হয়।' এটা বহল প্ৰক্ৰিয়াক লেখকে ঠেক গণ্ডিৰ মাজলৈ টানি আনিছে। বৰা চাউল ভাপত সিজাই অৰ্থাৎ চেৱা দিয়া বৰা ভাতৰ পৰাহে যেন সাঁজ প্ৰস্তুত হয়– তেনে মত লেখকে পোষণ কৰিছে। এইটো লেখকৰ ভ্ৰান্ত ধাৰণা। চেৱা দিয়া বৰা ভাতৰ বাদেও অন্যান্য লাহি ধানৰ পৰাও সুন্দৰ আৰু চোকা সাঁজ প্ৰস্তুত হৈ উঠে। কেইবাবিধো লাহি চাউল মিহলাই সিজাই লব লাগে। এই চাউল ঢেঁকীত বনা আৰু অকাৰী হোৱা প্ৰয়োজন। চাউলৰ লগত কিছু সংখ্যক ধান থকা দৰকাৰ। চাউলখিনি সম্পূৰ্ণকৈ সিদ্ধ হ'বলৈ দিব নেলাগে। সাধাৰণতে সাঁজ বনাবলৈ মিলৰ চাউল ব্যৱহাৰ কৰা নহয়। বিভিন্ন জাতৰ ধানৰ ভঁৰাল খালী কৰাৰ সময়ত গাঁন্ধেত পৰি ৰোৱা ধানখিনি গিৰিহঁতনীয়ে সংগ্ৰহ কৰি থয়। এই মৰহোৱা ধানখিনিত সকলোবিধৰ ধান মিহলি হৈ থাকে। এই ধানৰ পৰা উলিওৱা চাউলৰ পৰা অতি উত্তম সাঁজ প্ৰস্তুত হৈ উঠে। গতিকে কেৱল বৰা চাউলৰ চেৱা দিয়া ভাতৰ পৰাহে সাঁজ হয় বোলাটো ভুল ধাৰণা।

লেখকে আন এঠাইত লিখিছে, তিনিদিনমান এনেদৰে থকাৰ পিছত ভাতখিনি পচি ৰসেৰে কলপাতখন চপচপীয়া হৈ পৰে.........।' ইমান মাৰাত্মক ভুল কথা এটা লেখকে কিয় কবলৈ গ'ল আমি বুজি নেপালো। বেয়া সাঁজৰ দৰবৰ বাবে কেতিয়াবা কেতিয়াবা ভাতখিনি পচি যায়– ই সঁচা। কিন্তু সেই পচি যোৱা ভাতৰ পৰা সাঁজ প্ৰস্তুত নহয়েই। সাঁজৰ দৰবে ভাতৰ অভ্যন্তৰলৈ প্ৰবেশ কৰি এক ৰাসায়নিক বিক্ৰিয়াৰ সৃষ্টি কৰে আৰু ভাতটোক পচি যোৱাৰ পৰা ৰক্ষা কৰাৰ লগে লগে ভাতটোক ৰসাল কৰি তোলে। সেই ৰস নিগৰি পৰে। পকিলে আম ৰসাল হয়, সেই বুলি পকা আমটো পচি যোৱা বুলি কব নেকি ?

"সাজৰ ভাত ভৰোৱা কলহ কেইটা যিকোনো সাধাৰণ কলহ নহয়। এনে কলহ কেবা বছৰো ধোঁৱা চাঙত তুলি সম্পূৰ্ণ ৰূপে শুকালেহে সাজ ভৰোৱা কামত ব্যৱহাৰ কৰা হয়।" লেখকে কলহ বুলিহে কলে, কিন্তু কিহৰ কলহ সেই কথা নকলে। যদি কোনো পাঠকে ভাবে- সেই কলহ পিতলৰ বা এলুমিনিয়ামৰ– ভুল হব নেকি ? আচলতে সেই কলহ মাটিৰ কলহহে। লেখকে কোৱাৰ দৰে মাটিৰ কলহবোৰ কেবাবছৰো ধোঁৱা চাঙত তুলি থোৱাৰ প্ৰয়োজন নাই। মাটিৰ কলহবোৰ ধোঁৱা চাঙত দি ধোঁৱা খাবলৈ দিয়াৰ প্ৰধান কাৰণ দুটা। কলহৰ বাহিৰে ভিতৰে ধোঁৱাৰ চামনি বহিলে সাজৰ ৰস শুহি লব নোৱাৰে আৰু ভেঁকুৰে সহজে আক্ৰমণ কৰি সাঁজখিনি নষ্ট কৰিব নোৱাৰে। আনহাতেদি আলাঙ্কুৰ চামনি থকাৰ বাবে সাঁজখিনি চোকা হোৱাত সহায়ক হয়। একেবাৰে নতুন কলহ এটা তেনে পৰ্যায় পাবৰ বাবে দুই তিনিমাহৰ প্ৰয়োজন হয়। কিন্তু পূৰ্বে ব্যৱহাৰ কৰি থকা কলহ এটাৰ বাবে পুনৰ ব্যৱহাৰোপযোগী কৰি তুলিবলৈ বিশ দিনমান ধোঁৱা চাঙত দিলেই হয়।

এতিয়া আহো শুকটি মাছৰ বিষয়লৈ। শুকটি মাছৰ প্ৰস্তুতকৰণ পদ্ধতিৰ বিষয়ে লেখকে যি ব্যাখ্যা দাঙি ধৰিছে তাতো কেতবোৰ আঁসোৱাহ ৰৈ গৈছে। শুকান মাছৰ গুৰি মানেই শুকটি হব নোৱাৰে। তাৰ উপৰি একেবিধ মাছৰ পৰা ভাল আৰু সুস্বাদু শুকটি প্ৰস্তুত নহয়। পুঠি খলিহণা আদি মাছৰ লগত কম পৰিমাণে গৰৈ, মাগুৰ আদি কাঠ মাছৰ প্ৰয়োজন। মাছখিনি ভালদৰে শুকুৱাই লৈ ঢেঁকীত খুন্দিব লাগে। খুন্দোতে আহিনীয়া কচুৰ (বহুতে ক'লা কচু বুলিও কয়) দং (অৰ্থাৎ ঠাৰি) কেইডালমানো লগতে খুন্দিব লাগে। আন কিছুলোকে মাত্ৰা অনুযায়ী সাঁজৰ গুটিও (ৰস নিঃসাৰিত সাঁজৰ পেলনীয়া ভাতখিনি) শুকান মাছৰ লগত মিহলাই লৈ খুন্দে। এনেদৰে প্ৰস্তুত কৰা শুকটিহে লোভনীয় আৰু সুস্বাদু হয়।

যি কি নহওক শ্ৰী গগৈদেৱে আহোমসকলৰ পাৰম্পৰিক খাদ্যসম্ভাৰৰ বিষয়ে লিখিবলৈ গৈ ধন্যবাদৰ পাত্ৰ হৈছে। অসমীয়া জাতিটোক বিজতৰীয়া সংস্কৃতিয়ে গ্ৰাস কৰাৰ লগে লগে খাদ্যসম্ভাৰতো এক সৰ্বনশীয় পৰম্পৰা সৃষ্টি হব ধৰিছে। প্ৰাকৃতিক খাদ্য প্ৰণালী ত্যাগ কৰি সংহত তথা বিদেশী খাদ্য প্ৰণালী গ্ৰহণ কৰাৰ ফলত আমাৰ সাংস্কৃতিক বুনিয়াদ থৰক বৰক হৈ পৰিছে। সংস্কৃতিৰ সম্পৰ্কত আবেগিক হোৱাতকৈ সংস্কৃতিক সময়োপযোগী কৰি গঢ় দি লোৱাটোহে প্ৰয়োজনীয় কথা। ■

খাদ্য চৰ্চা

# আমৰলি, কদোটোপ আৰু লেটা

সত্যেন গগৈ

"খাই মৰাতকৈ নাখায় মৰহি ভাল।" অথবা "নাখাই মৰাতকৈ খায় মৰাই ভাল।" তৰ্কৰ উপযুক্ত বিষয়বস্তু হ'ব পৰা এনেবোৰ জটিল কথা তৰ্কবাগীশ্ সকললৈ এৰিও বোধকৰো এটা কথাত নিশ্চয় একমত হ'ব পাৰি যে খাই লৈ, জীৱনক উপভোগ কৰি 'দুদিনীয়া সংসাৰত' যি কেইটা দিন জীয়াই থাকিব পাৰি সেই কেইটাদিন বৰ্তি থাকিবলৈকে অন্ততঃ সুখাদ্য-সুপানীয়ৰ আমাক প্ৰয়োজন।

"What we eat and how we eat are still strongly influenced by nationality, religion, social class and race." তেনেদৰেই "But eating is also a form of recreation nutrition is only one among many factors we bear in mind when we choose what to eat and when to eat it. In fact our eating habits reflects our life style in the same way as what we wear or how we decorate our houses" (The Encyclopidia of Personal Relationships).

আমি পূৰ্বতে উল্লেখ কৰিছিলো কাৰোবাৰ বাবে সুখাদ্য-সুপানীয় আন কাৰোবাৰ বাবে অখাদ্য বা নানানটা অশান্তিৰ কাৰণো হ'ব পাৰে। আমাৰ আগৰ আলোচনাত আমি সাজপানী, শুকটি আৰু শুকান মাছৰ প্ৰস্তুতি আৰু পৰিবেশন পদ্ধতিৰ বিষয়ে আলোচনা কৰিছিলো। আহোম সম্প্ৰদায়ৰ মাজত চলিত থকা অন্যান্য ভালেমান কেইবিধ জিভাত জুতি লগা নিজা খাদ্যৰে আন দুবিধমান হ'ল আমৰলি পৰুৱাৰ টোপ, এড়ী বা মুগা লেটা, কদোবৰলৰ টোপ আদি। এইবোৰ খাদ্য প্ৰায় দুষ্প্ৰাপ্যই বুলিব পাৰি। তদুপৰি আহোম সম্প্ৰদায়ৰো বহুতৰে এনেবোৰ খাদ্যৰ সৈতে সম্বন্ধ নোহোৱাৰ দৰেই হৈছেগৈ। সম্বন্ধ নোহোৱাৰো অৱশ্যে কাৰণ নথকা নহয়। উল্লিখিত খাদ্য বস্তু কেইবিধ বছৰৰ যিকোনো সময়তে লাগ বুলিলেই পাব পৰা বস্তুও নহয়। মাছ-পুঠি যেনেকৈ বছৰৰ কেউটি মাহতে কমবেছি পৰিমাণে হলেও পোৱা যায় আমৰলি পৰুৱাৰ টোপ, কদোবৰলৰ টোপ সিমান সহজলভ্যতো নহয়েই বৰঞ্চ এইকেইবিধ খাদ্য যোগাৰ কৰোতে সময় বিশেষে সংগ্ৰহ কৰোতা কেইজনে 'জয়মতী শাস্তি' নহলেও কিন্তু যথেষ্ট শাৰীৰিক নিৰ্যাতিন ভোগ কৰিব লগা হয়। তথাপিও বোধকৰো জিভাৰ জুতিৰ বাবেই এনে নিৰ্যাতিন-নিপীড়নকো নেওচি হাবি জংঘল চলাথ কৰিও এনে খাদ্য সংগ্ৰহ কৰি 'বিশ্বজয়' কৰাৰ দৰে মনত বিমল আনন্দ লাভ কৰে। চ'ত-বহাগ মাহত আমৰলি পৰুৱাই বাৰীৰ ঢাপৰ আম, কঠাল, শোঁৱালু বা চোমনিৰ চোম গছ আদিত গছৰ পাতেৰে বাঁহ বান্ধে। আমে মলিয়ালে, কঠালে মুচিয়ালে কুলি-কেতেকীয়ে গছৰ ডালপাতৰ আঁৰৰ পৰা কুহুলিয়াই কেন্দেলিয়ালেই চহা-গঞাৰ মনতো প্ৰকৃতিৰ পৰিবৰ্তনৰ ৰঙ লাগেহি। চ'তৰ বিহুলৈ কেইদিনমানহে বাকী বুলি গা-সাতখন আঠখন কৰাৰ বতৰতে তাহানি (আনকি উজনিৰ বহু গাঁৱত এতিয়াও) গাঁৱৰ দুই-তিনিটামান ডেকাই লগ লাগি লেকেটী ৰাঁহৰ একোডাল দীঘল হাঁকুতি, চোকা দা একোখন লৈ বাৰীৰ ঢাপলৈ বা হাবিলৈ ওলাই যায় আমৰলি পৰুৱাৰ টোপ সংগ্ৰহৰ সন্ধানত। টোপ সংগ্ৰহ অভিযানত ওলাওঁতে পুখুৰী বা নাদৰ পাৰত পিতলৰ বৰ টৌ বা বৰ কেৰাহী একোটাত পানীও গোটাই থৈ যাবলৈ নাপাহৰে। গছৰ ডালত ফিন্দ্খাই ওলমি থকা আমৰলি পৰুৱাৰ বাহ একোটা হাঁকুতিৰে টানি মাটিলৈ খহাই অনা হয়। পৰুৱাৰ বাহবোৰত লাগি অহা গছৰ ডালপাতবোৰ কাটি চাফ-চিকুণ কৰি কেৰাহী বা টৌৰ পানীত ডুবাই দিয়া হয়। পানীত ওপঙি থকা পৰুৱা আৰু গছপাতবোৰ চাফা কৰি সেইবোৰ আঁতৰাই পেলোৱা হয়। সাধাৰণতে তাঁতশালত গামোচা বা খনীয়া বৈ কাটি অন্ত কৰাৰ পিছত ব-চুঙাটোত ৰৈ যোৱা দুবেগেতমান সূতা নেচা কৰি টৌ বা কেৰাহীটোৰ পানীত কেইপাকমান ঘুৰাই দিলেই পৰুৱাবোৰ সূতাত লাগি উঠি আহে। পৰুৱাবোৰ নাইকিয়া হলেই কেৰাহী বা টৌৰ তলভাগত বগা ডাঙৰ একোটা ভাতৰ সমান

টোপবোৰ ওলাই পৰে। সেইবোৰ পৰিষ্কাৰ কৰি ললেই খোৱাৰ উপযোগী হৈ উঠে। তিনি চাৰিটামান আমৰলি পৰুৱাৰ বাঁহ ভাঙিলে কমেও দুই-আঢ়ৈ কিলোমান টোপ পোৱা যায়। টোপবোৰ ৰন্ধাৰ বিশেষ কায়দা-কিটিপ নাই। অন্যান্য খাদ্যবস্তু তেলত ভজাৰ দৰেই প্ৰয়োজন মতে নিমখ হালধি আৰু নহৰু বা পনৰু কাটি দি মচমচীয়াকৈ ভাজিলেই খোৱাৰ বাবে প্ৰস্তুত হৈ উঠে। এনে টোপৰ ভজা ভাত আঞ্জাৰ লগতে সুস্বাদু খাদ্য হিচাপে খাব পাৰি। সাত বহাগৰ দিন কেইটাত আহোম গাওঁবোৰত আমৰলি টোপ সচৰাচৰ ভাতৰ লগত খোৱাৰ উপৰিও সাজপানীৰ সৈতে জুতি লগাকৈ ভাজি 'চাখ্‌না' হিচাপে পৰিবেশন কৰা হয়। গৰু বিহুৰ দিনাখন এশ এবিধ শাক খোৱাৰ যি নিয়ম তাৰ লগতে আমৰলি পৰুৱাৰ টোপকো সেইদিনা নিৰ্দিষ্টকৈ খাবলগীয়া খাদ্যৰ তালিকাত অন্তৰ্ভুক্ত কৰি থৈছিল।

আমৰলি টোপ গোটাওঁতে গোটাওঁতা কেইজনে কম লগুৰ-নাগতি ভুগিব লগীয়া নহয়। গছত থকা পৰুৱাৰ বাহ হাঁকুতিৰে পাৰি আনি চাফ-চিকুণ কৰি খোৱাৰ উপযোগী কৰি তোলালৈকে আমৰলি পৰুৱাৰ অক্ষৌহিনী বাহিনীয়ে গোটাওঁতা কেইজনৰ গাত বগাই কামুৰি ধৰাশায়ী কৰাৰ উপক্ৰম কৰে। তথাপিও জানো মানুহে হাৰ মানে প্ৰকৃতিৰ ওচৰত ?

আমৰলি পৰুৱাৰ টোপৰ খাদ্যৰ প্ৰচলন উজনিৰ বহু ঠাইত এতিয়াও আগৰদৰেই চলি আছে। আন ঠাইৰ কথা নাজানো কিন্তু গোলাঘাট, যোৰহাট, শিৱসাগৰ আৰু ডিব্ৰুগড় জিলাৰ বহু গাঁৱত চ'ত-বহাগ আনকি জেঠ মাহতো এই টোপ এক লোভনীয় আৰু আপুৰুগীয়া খাদ্য বস্তু হিচাপে চলি থকাৰ কথা এই লেখকৰ অৱগত। গছবন কাটি ধ্বংস যজ্ঞ চলি থকাৰ ফলত পূৰ্বৰ তুলনাত বাৰীৰ ঢাপে, হাবিয়ে জংঘলে এইবিধ পৰুৱাৰ বাঁহৰ সংখ্যাও কমি আহিছে আৰু আজিৰ এনে অৱস্থা অব্যাহত থাকিলে অদূৰ ভৱিষ্যতে এইবিধ জুতিলগা অথচ পুষ্টিকৰ খাদ্যও এদিনাখন আমাৰ বতৰৰ (Seasonal) 'খাদ্য-মেনু'ৰ পৰা লোপ পাবগৈ আৰু অসমীয়া জিভাইও বোধকৰো এইবিধ খাদ্যৰ ৰস-আস্বাদনৰ পৰা বঞ্চিত হবগৈ। আমৰলি টোপ খাদ্য হিচাপে ব্যৱহাৰ হোৱাৰ উপৰিও বহুতে মাছ ধৰা কাৰ্যত টোপ হিচাপেও অসমত ব্যৱহাৰ কৰে।

## কদো/বৰলৰ টোপ

কদো বৰলৰ টোপো বছৰৰ যিকোনো সময়তে পোৱা বস্তু নহয়। বৰলৰ বাহ সৰু বন জোপোহা ইকৰাণী বৰতানিত পোৱা যায় আৰু ই আকাৰত সৰু বাবে ইয়াৰ টোপেও সাধাৰণতে মানুহক কম আকৰ্ষণ কৰে। হাবি বন জোপোহা বিলুপ্তি হবলৈ ধৰাৰ লগে লগে কদো বৰলৰ সংখ্যাও দ্ৰুত গতিত লোপ পাই আহিছে আৰু এসময়ত এইবোৰ প্ৰাণীও বিলুপ্ত হোৱাৰ আশংকাও নোহোৱা নহয়। তদুপৰি খাদ্য হিচাপে ব্যৱহাৰৰ বাবে কৰা কদো বৰলৰ হত্যালীলাইও এই প্ৰাণীবোৰৰ বিলুপ্তিত ইন্ধন যোগাইছে।

কদো দুবিধ। টেকেলীয়া কদো আৰু গাঁত বা মাটি কদো। টেকেলীয়া কদোৱে টেকেলি বা কলহৰ আকৃতিৰ বাহ সাজে বাবে এই নাম। সচৰাচৰ ঘৰৰ মুধচত, ঘৰৰ চালৰ ভিতৰ পিনে বা জোপোহা গছৰ ফেৰেঙণিত টেকেলীয়া কদোৱে বাহ সাজে। টেকেলীয়া কদো গাঁত কদোতকৈ আকাৰত কিছু সৰু। কদোবোৰে ওচৰতে পোৱা খেৰ কুটা, গোৱৰ কোমল মাটি 'কুটা কড়িওৱাদি কড়িয়াই' কেইবাখনো চাক সাজি বাহটো সম্পূৰ্ণ কৰে। মাটি কদোৱে টিলাত বা জোপোহা-জেৰেপনিৰ তলত একোটা দ গাঁত খান্দি বাহ সাজে। কদোৱে বিষযুক্ত শুঙেৰে ফুটিলে তীব্ৰ বিষ অনুভূত হয়। গাঁত কদোৰ দহোটামানে একেলগে খুটিলে প্ৰাণবায়ু বাহিৰ হোৱাৰো আশংকা নথকা নহয়।

কদো ধৰাটো দৰাচলতে এক বিপজ্জনক কাৰবাৰ। পিছে মানুহৰ বুদ্ধি-বৃত্তিৰ ওচৰত এই নিৰীহ প্ৰাণীবোৰে ফেৰ মাৰিব পাৰে জানো ? কদো বাহৰ চাকবোৰত সাধাৰণতে পূৰ্ণিমা বা আঁউসীৰ দিনত টোপবোৰ পৈণত হৈ উঠে। টেকেলীয়া কদোৰ বাহ ভঙাটো তুলনামূলকভাবে সহজ। বস্তা বা মোনা একোটাৰেই টেকেলিটোৰ সমান কদো বাহটো ঘৰৰ চালৰ পৰা বা গছৰ ডালৰ পৰা অলপ যত্ন কৰিয়ে এৰুৱাই আনিব পাৰি। চাকেৰে সৈতে কদোৰ মোনাটো কুহুমীয়া গৰম পানীৰ টৌ এটাত ডুবাই কিছু পৰ থলেই কদোবোৰ মৰি যায়। চাকবোৰ এৰুৱাই সৰু বাদাম একোটাৰ সমান বগা ভাতৰ দৰে টোপবোৰ উলিয়াই ধুই-পখালি খোৱাৰ উপযোগী কৰি লোৱা হয়।

মাটিত গাঁত কৰি থকা কদো বাহৰ পৰা টোপ সংগ্ৰহ কৰাটো যথেষ্ট জটিল কাম। এনে কামত পকৈত আৰু অভিজ্ঞ জনেহে হাত দিয়ে। পিছে যিমানেই অভিজ্ঞ নহওক কিয় "কদোৰ বাহত জুই" দিবলৈ গলে কি অৱস্থা হয় সেই কথা বোধকৰো কাকো সোঁৱৰাই দিব নালাগে ! পুখুৰী এটা সিচোঁতেই দুই এজনী শিঙিয়ে খুটাৰ দৰেই কদোৰ টোপেৰে জুতি লগাই এসাজ তকালি খাবলৈ ইচ্ছা কৰোতাজনেও কিন্তু চাৰি পাঁচোটামান 'বিচিজি' বেজীৰ খোঁচ খাবলৈ প্ৰস্তুত হৈ যোৱা ভাল। অভিজ্ঞ চিকাৰীৰ দৰে কদো চিকাৰী একোজনেও কদো এজনীৰ চলন ফুৰণ আৰু গতিবিধি দুদিনমান সূক্ষ্মভাবে নিৰীক্ষণ কৰিয়ে গাঁতটোৰ স্থানৰ সন্ধান উলিয়াই লয়। এনেদৰে কদোৰ গতিবিধি অনুসৰণ কৰোতে কদো চিকাৰী জনে হাবিয়ে জংঘলে মহ-ডাঁহৰ কামোৰ খোৱাৰ উপৰিও জেতুলী পকা নিলাজীবনৰ কাঁইটৰ আঁচোৰ বাৰুকৈয়ে সহ্য কৰিব লগীয়া হয়। গাঁতৰ স্থান আৱিষ্কাৰৰ পিছত পৰবৰ্তী আঁউসী বা পূৰ্ণিমালৈকে অশেষ ধৈৰ্যৰে গোপনে গাঁতটোৰ ওপৰত চকু ৰখা হয় যাতে আন কোনোবাই সেইটোৰ ওপৰত দখল সাব্যস্ত কৰিব নোৱাৰে। একেটা কদো বাহৰ সন্ধান একাধিক লোকে পালে সমিল-মিলেৰে (সাধাৰণতে গৰখীয়া সকলেই কদোৰ গাঁতৰ প্ৰথমে সন্ধান পায়) যথাসময়ত কদো বাহটো পোৱাৰ সিদ্ধান্ত ল'ব লগা হয়। এজনে আগৰে পৰা চকু দি 'পুহি ৰখা' এনে কাদোৰ বাহ অন্য এজনে লুকাই চুৰকৈ পুৰি নিয়াৰ ফলত কেতিয়াবা দ্বন্দ্ব-খৰিয়াল লগাৰো দৃষ্টান্ত নোহোৱা নহয়।

মাটি কদোৰ বাহৰ পৰা টোপ সংগ্ৰহ কৰাৰো বিশেষ নিয়ম আছে। শুকান বাঁহৰ কামিৰে একোটা জোঁৰ সাজি লোৱা হয়। এনে তিনি চাৰিটামান জোঁৰ দুই তিনিজনে লগ লাগি জ্বলাই লৈ কদো ওলোৱা সোমোৱা বাটটোত দি গাঁতৰ ভিতৰৰ পৰা বাহিৰলৈ ওলাই অহা আৰু বাহিৰৰ পৰা গাঁতত সোমাবলৈ অহা কদোবোৰ পুৰি মাৰি থকা হয়। আন এজনে গাঁতটোৰ আন এটা মূৰত কোৰেৰে খান্দি কদোৰ চাকবোৰ মুকলি কৰি লৈ তাত জুই লগাই দি জীয়া কদোবোৰ পুৰি মৰা হয়। এনে কৰোতে দুই এজনী কদোৱে বিন্ধাটো স্বাভাৱিক কথা। জীয়া কদোবোৰ পুৰি অন্ত হলে মোনা বা থৈলা একোটাত চাকবোৰ ভৰাই বান্ধি আনি ঘৰত গৰমপানীত ডুবাই দি টোপবোৰ উলিয়াই খোৱাৰ বাবে প্ৰস্তুত কৰা হয়। গাঁত খান্দি কদো উলিওৱা কাৰ্য যথেষ্ট কষ্টসাধ্য আৰু দুঃসাহসিকো। কিন্তু সৃষ্টিৰ দিনৰে পৰা মানুহৰ নিয়তিক তথা প্ৰকৃতিক জয় কৰাৰ অদম্য বাসনা, ইচ্ছা শক্তি আৰু জিভাৰ জুতিৰ বাবেই শাৰীৰিক নিৰ্যাতন-নিপীড়নকো নেওচি বোধকৰো এনেধৰণৰ দুঃসাহসিক অভিযানত মানুহ লিপ্ত হয়। মানুহৰ এনে প্ৰেৰণাৰ মূলতে বোধকৰো সেই পুৰণি তত্ত্ব নেদেখাক দেখাৰ, নজনাক জনাৰ, অদম্যক দমন কৰাৰ প্ৰবৃত্তিয়েই কাম কৰি আহিছে। সাধাৰণতে একোটা বাহৰ পৰা দুই-তিনি কিলো পৰ্যন্ত টোপ পাব পাৰি। কদোৰ টোপবোৰ তেলত ভাজি ভাতৰ সৈতে বা সাজপানীৰ সৈতে পৰিবেশন কৰা হয়। ভাত-আঞ্জা আৰু একোবাতি সাজপানীৰ লগতে কদো টোপ ভজাৰ অপূৰ্ব স্বাদে ক্ষন্তেকলৈ হলেও পাহৰাই পেলায় কদোৱে বিন্ধি দমলা দমল কৰা শৰীৰৰ বিষ-বেদনা, মনৰ ক্লান্তি ! জীৱন হৈ পৰে সঁচা অৰ্থত স্বৰ্গীয়, উপভোগ্য। ■





# ডিব্ৰুগড় বিশ্ব বিদ্যালয়লৈ কৃষ্ণপক্ষৰ পাছত এইবাৰ শুক্লপক্ষ আহিছে

– নৱ নিযুক্ত উপাচাৰ্য ড° শৰ্মা

*[ বিশিষ্ট সংস্কৃত পণ্ডিত, শিক্ষাবিদ, গুৱাহাটী বিশ্ববিদ্যালয়ৰ সংস্কৃত বিভাগৰ মুৰব্বী অধ্যাপক ড° মুকুন্দ মাধব শৰ্মা ডিব্ৰুঃ বিশ্ববিদ্যালয়ৰ নতুন উপাচাৰ্য হিচাপে নিযুক্ত হৈ যোৱা ১২ জুলাইত কাৰ্যভাৰ গ্ৰহণ কৰে। ১৯৩৪ চনত ডিব্ৰুগড়ত জন্ম গ্ৰহণ কৰা ড° শৰ্মাই ১৯৫৪ চনত কলিকতা বিশ্ববিদ্যালয়ৰ পৰা সংস্কৃতত প্ৰথম শ্ৰেণীৰ স্নাতকোত্তৰ ডিগ্ৰী ১৯৬৩ চনত তাৰ পৰাই ডক্টৰেট ডিগ্ৰী আৰু ১৯৭০ চনত ডি, লিট, উপাধি লাভ কৰে। পোনতে ১৯৫৫ চনত নলবাৰী মহাবিদ্যালয়ত সংস্কৃত বিভাগৰ প্ৰবক্তা হিচাপে কাম কৰি ১৯৫৭ চনত গুৱাহাটী বিশ্ববিদালয়ৰ সংস্কৃত বিভাগৰ প্ৰবক্তা আৰু পাছলৈ মুৰব্বী অধ্যাপক হয়।*

*বাণীবদ্ধ ৰূপত ড° শৰ্মাৰ সতে এই সাক্ষাৎকাৰটি গ্ৰহণ কৰিছে* ***শৰৎ চন্দ্ৰ নেওগ*** *আৰু* ***লক্ষীকান্ত মজিন্দাৰ বৰুৱাই*** *। ]*

নৱ নিযুক্ত উপাচাৰ্য জনে আমাৰ অভিনন্দন গ্ৰহণ কৰি তেখেতৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি আমাৰ আগত কয় ঃ– " মই পঢ়া-শুনা কৰা মানুহ হিচাপে মোক ইয়াত এই পদত নিযুক্তি দিয়াত এটা ব্যতিক্ৰম হৈছে। অৰ্থাৎ গতানুগতিক পদ্ধতিত কৈ অলপ বেলেগ হৈছে। মই ভাবো ব্যতিক্ৰমেই নহয়, এটা ভাল ব্যতিক্ৰম হৈছে। বিশ্ববিদ্যালয়খন শিক্ষাৰ কেন্দ্ৰহে। গতিকে বিশ্ববিদ্যালয়খন শিক্ষাৰ লগত জড়িত, পঢ়া-শুনা কৰা মানুহক দিয়াই ভাল।" তেখেতে লগতে কয় যে গুৱাহাটী বিশ্ববিদ্যালয়ৰে নহয় অসমৰ তিনিওখন বিশ্ববিদ্যালয়তে মই সকলোতকৈ জ্যেষ্ঠ অধ্যাপক। এম, এ, পাছ কৰাৰ পাছত পঢ়োৱা মোৰ ৩৭ বছৰ হৈছে। নলবাৰী কলেজত ডেৰ বছৰ ; যোৰহাটৰ জে, বি, কলেজত আছিলো ছয় মাহ। তাৰ পাছতে ১৯৫৭ চনৰ ১৪ আগষ্টত গুৱাহাটী বিশ্ববিদ্যালয়ত যোগদান কৰো। দুবছৰ মই ইন্দোনেছিয়াত আছিলো। তাত মই ১৯৮৩ চনৰ পৰা ১৯৮৫ চনলৈ আছিলো। ভাৰত চৰকাৰৰ বহিঃ পৰিক্ৰমা মন্ত্ৰণালয়ে পৃথিৱীৰ বিভিন্ন দেশত কিছুমান অধ্যাপক ৰাখি থৈছে। ভাৰত চৰকাৰে মোক সংস্কৃত এণ্ড ইণ্ডিয়ান-কালচাৰেল-হিষ্ট্ৰি (সংস্কৃত আৰু ভাৰতীয় সংস্কৃতিৰ ইতিহাস) এই বিষয়ৰ অধ্যাপক হিচাপে নিযুক্তি দিছিল। যদিও মই প্ৰফেচাৰ কিন্তু মই কৰ্মচাৰী আছিলো ভাৰত চৰকাৰৰ বহিঃ পৰিক্ৰমা মন্ত্ৰী দপ্তৰৰ। মোৰ ষ্টেটাচটো আছিল এম্বেছেদৰৰ ঠিক পিছতেই। এম্বেছেদৰহে মোৰ ইমিদিয়েত বচ্‌। আৰু তাৰ পাছতো আই এফ,এচ পাছ কৰি যোৱা চেক্ৰেটৰী, চেকেণ্ড চেক্ৰেটৰী বিলাকে মোক 'ছাৰ' বুলিব। মই 'চাৰ' বুলিব নালাগে। মোৰ ৰেংকটো আছিল নন আই এফ এছ কাউন্সিলাৰ ( Non I.F.S. counsellor) এইবোৰ কথাৰ বিতং এই কাৰণেই জনাৰ দৰকাৰ যে কেনেকুৱা এজন মানুহ ডিব্ৰুগড় বিশ্ববিদ্যালয়লৈ আহিছে জানি যাওক। ডিব্ৰুগড় বিশ্ববিদ্যালয়ত কি ঘটিছে নঘটিছে তাক দ্বিতীয় দিনাই কোৱাতো অসম্ভৱ কিন্তু এইবোৰ কথা জনাৰ দৰকাৰ। এই বুলি শৰ্মা দেৱে ইন্দোনেছিয়াৰ ভৌগোলিক আৰু শিক্ষা জগতৰ এক বহুল ব্যাখ্যা দাঙি ধৰে।

প্ৰশ্ন কৰিলো ঃ– "আপোনাক এইখন বিঃ বিদ্যালয়ত নিযুক্তি দিয়াৰ আগমুহূৰ্তত কিবা আপোনাৰ ধাৰণা হৈছিল নেকি যে আপোনাকেই উপাচাৰ্য পদটি দিব ?"

–"হৈছিলতো !" একে আষাৰে উত্তৰ দি ড° শৰ্মাদেৱে কয় "১৯৮৬ চনৰ পৰা মোৰ নাম সদায় নিয়ে উপাচাৰ্য নিযুক্তিৰ বাবে। মোৰ বায়'দাতা সদায় নিয়ে। এইখিনিতে উপাচাৰ্য নিযুক্তিৰ প্ৰণালী সম্পৰ্কে বহলাই কৈ শেষত কয় যে "১৯৮৫ চনৰ নবেম্বৰত মই ইন্দোনেচিয়াৰ পৰা অহাৰ পাছতেই গৱৰ্ণৰ ভীষ্ম নাৰায়ণ সিঙে মোক দহ মিনিটৰ বাবে মাতি গাড়ী পঠাই দিয়ে। মই গৈ দহ মিনিট কিয় এঘণ্টা দহ মিনিট তেখেতৰ লগত কথা পাতো। তেতিয়াই মই ফাইনেল লৈ গৈছিলো কিন্তু ৰাণাৰ্চ আপ শ্বিল্ড লৈ ঘূৰি আহিলো। তাৰ পাছতো কমলেশ্বৰ বৰাদেউ যেতিয়া ডিব্ৰুগড়লৈ আহে তেতিয়াও মোৰ নাম দিছিল। সেইবাৰো মই ট্ৰফী নাপালো। যোৱা বছৰ ড° নিৰ্মল কুমাৰ চৌধুৰী গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য হোৱাৰ সময়তো গৱৰ্ণৰলৈ মোৰ নাম গৈছিল, তেতিয়াও নাপালো।

? – বিশ্ববিদ্যালয় বিলাকত সমানে দুয়োটা দিশ জড়িত হৈ থাকে এটা একাডেমিক আনটো প্ৰশাসনিক। গুৱাহাটী বিশ্ব বিদ্যালয়ত থাকোতেও ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ বিশেষকৈ প্ৰশাসনিক দিশৰ খেলিমেলিৰ কথা অসমৰ কাকতে পত্ৰে প্ৰকাশ হোৱা আপুনি নিশ্চয় পাইছিল। তেতিয়া আপোনাৰ প্ৰতিক্ৰিয়া কেনে হৈছিল ?

□ – ৬ জুলাইৰ গধূলি ৬ বজাত মই নটিফিকেচন্ (Notification) পাইছিলো। তাৰ আগতে মই গণ্ডগোলবোৰৰ কথা ইমান ভবা নাছিলো। পাছত মই ইয়াত আহিহে গণ্ডগোলবোৰৰ কথা শুনিছো।

? – ইতিমধ্যে কাকতে পত্ৰে কিন্তু সকলোবোৰ..................

□ – (কথাৰ মাজতে) কাকতে পত্ৰেতো ওলায়েই থাকে আৰু সেইবোৰ সকলো ইউনিভাৰচিটিতেই হয়। আপুনি নেভাবিব যে কেৱল ইয়াতেই হয়। আপুনি ওচৰৰ পৰা দেখিছে কাৰণে ইয়াক ডাঙৰকৈ দেখিছে। দূৰৰ পৰা চালেতো আমি বেলিটোও সৰু দেখো। ডিব্ৰুগড় ইউনিভাৰচিটিত এনেকুৱা অদ্ভুত কিবা এটা হোৱা নাই ; গণ্ডগোল , খেলি মেলি, যিটো আৰু পৃথিৱীৰ অন্য ক'তো হোৱা নাই। আপুনি লেখি দিব কাকতত ; অন্য বিশ্ববিদ্যালয়তো ঘটিছে। তেন্তে কিয় কেৱল ডিব্ৰুগড় ইউনিভাৰচিটিকে আপোনালোকে দোষী সাব্যস্ত কৰিছে ? ধৰক ইয়াত শিক্ষক সকলৰ মাজত মিল নাই। দলাদলি আছে। ইণ্টেলিজেণ্ট মানুহ ; তেওঁলোকৰ মাজত দলাদলি হবই। যাৰ চিন্তা কৰাৰ শক্তি আছে তাৰ ভিতৰত দলাদলি হবই। যাৰ চিন্তা কৰাৰ শক্তি নাই তাত দলাদলি নাই ভেৰাৰ দলটো যি ফালেই যাই সকলোবোৰ সেইফালেই যায়। ভেৰাৰটো ভবা শক্তি নাই। ইয়াত প্ৰফেচাৰ আছে। বিভিন্ন এঙ্গোলৰ পৰা কথাবোৰ চায়, কাৰোবাৰ মাৰ্ক্সীয় দৰ্শন আছে; কাৰোবাৰ গান্ধীবাদী দৰ্শন আছে। সেয়ে দলাদলি হবই। ডিব্ৰুগড় বিশ্ববিদ্যালয়তো সেয়েহে আছে। কিন্তু নেথাকিলে ভাল।

? – কিন্তু এইখন বিশ্ববিদ্যালয়ত তেনেবোৰ ঘটনাও ঘটি গৈছে যে ইয়াৰ চৌহদতে ছাত্ৰক হত্যা কৰাও হৈছেঃ কৰ্ট কাছাৰীত ইমান কেচ এতিয়াও চলি আছে।

আনকি এটা কেচত চুপ্ৰীম ক'ৰ্টেও বিশ্ববিদ্যালয়ৰ উপাচাৰ্যৰ বিৰুদ্ধেহে ৰায় দিয়ে ; বিশ্ববিদ্যালয়ৰ উপাচাৰ্য হাৰিব লগা হ'ল– আৰু বহুতো কেচ আছে এইবোৰতো 'বেছলেচ্ নহয়। বেছ্ আছে বাবেইতো লেখিছো।

□ – এতিয়া শুনক। আপুনি এজন সাংবাদিক। সাংবাদিকে এটা অনুষ্ঠান গঢ়িবও পাৰে ভাঙিবও পাৰে। সাংবাদিকে এই সমাজৰ শুদ্ধ পথ দেখুৱাবও পাৰে আৰু ভুল পথো দেখুৱাব পাৰে। গতিকে মই আপোনাক অনুৰোধ কৰো আগত হৈ যোৱা পুৰণা ঘা বোৰ এতিয়া ওকটিব নালাগে। বেয়াবোৰ পাহৰি যাওক। নতুনকৈ কেনেকৈ আশাবাদ আনিব লাগে তাৰ বাবেহে পৰামৰ্শ দিয়ক। কিন্তু মই এতিয়া ইয়াকে কওঁ যে ইয়াত এটা নতুন শুক্ল পক্ষ আৰম্ভ হৈছে। কেনেকৈ হৈছে এতিয়া মই বিতং নকওঁ ; কিন্তু মই যদি কেতিয়াবা ভুল কৰো, আপোনাক মই শতকৰা এশভাগ স্বাধীনতা দিছো ; আপুনি মোক সমালোচনা কৰিব পাৰে। ইয়াত এতিয়া শুক্ল পক্ষ আৰম্ভ হৈছে। ডিব্ৰুগড় বিশ্ববিদ্যালয় পৃথিৱীৰ ভিতৰত এটা ভাল বিশ্ববিদ্যালয় হব। ডিব্ৰুগড় বিশ্ববিদ্যালয়খন গুৱাহাটীৰ তুলনাত চেকেণ্ড ক্লাচ ইউনিভাৰচিটি বুলি মানুহৰ যি ধাৰণা তাক মই সলনি কৰি দিম এই সংকল্প লৈ মই ওলাইছো। আমাৰ ল'ৰা ছোৱালীয়ে যদি পিলানি, দিল্লী, পুনে আদিত পঢ়িবলৈ যায় তাৰো ল'ৰা ছোৱালীয়ে যাতে ইয়ালৈ পঢ়িবলৈ আহিব পাৰে তেনে কৰিব লাগিব। ইয়াত শতকৰা এশ ভাগ উপাদান আছে। তেনে কৰিবলৈ ইয়াৰ মানুহ সৰল ; ইয়াত এতিয়াও যান্ত্ৰিক সভ্যতাৰ যি প্ৰভাব সি পৰা নাই। উদ্যোগিক ভাবে ; ডিব্ৰুগড় উন্নতি হোৱা নাই। উদ্যোগিক ভাবে ; যান্ত্ৰিক ভাবে ডিব্ৰুগড় উন্নতি হোৱা নাই। ইয়াত গ্ৰামীন পৰিবেশৰ শান্ত ভাব এটা আছে। ঔদ্যোগিক নগৰৰ হুলস্থূলীয়া পৰিবেশ নাই। ইয়াৰ পৰিবেশ বৰ ভাল।

? – শেহত ; আমিও আশা কৰো পুৰণা লেতেৰা ঘা বোৰ পাহৰিবলৈ হলে তেনে নতুন ঘা বোৰৰ ঘাতে সৃষ্টি নহয়। ৰাইজেও আপোনাক পাই আশা কৰিছে এইখন বিশ্ববিদ্যালয় অনন্য সুন্দৰ হৈ উঠিব।

□ – মই চমুকৈ কলো যে এইখন বিশ্ববিদ্যালয়ৰ পৰা কৃষ্ণপক্ষৰ পাছত এতিয়া শুক্লপক্ষৰ দিন আহিছে। আপোনালোকেও সহায় কৰিব। বিশ্ববিদ্যালয় পঢ়াৰ হে অনুষ্ঠান। ইয়াত পলিটিক্স্ কৰাটোও নিবিচাৰো। শিক্ষকে যদি নিজৰ কৰ্তব্যখিনি নিয়াৰিকৈ কৰি যাব পাৰে তাৰ পাছত কৰক আপত্তি নাই। কিন্তু ছাত্ৰই কৰাটো মই নিবিচাৰো। এইখন বিশ্ববিদ্যালয় এখন সুন্দৰ বিশ্ববিদ্যালয় কৰি তুলিব নিশ্চয় পাৰিম। ■

## উইল ডুৰাণ্টৰ এশখন কিতাপ

আপোনাৰ দ্বাৰা সম্পাদিত 'সূত্ৰধাৰ'ত (১–১৫ জুলাই ১৯৯২) উইল ডুৰাণ্টৰ এশখন কিতাপৰ তালিকা খন প্ৰকাশ কৰি প্ৰশংসনীয় কাম কৰিছে। আজিৰ পঢুৱৈ সমাজে ইয়াৰ পৰা উপকৃত হব বুলি আশা ৰাখিছো।

লেঠা হ'ল ইচ্ছুক পঢ়ুৱৈ এজনে এই তালিকা খনৰ এশখন কিতাপৰ ভিতৰত কেইখন সহজতে পাব, আমাৰ অসমৰ পুথিভঁৰাল কেইটাত এনে কিতাপ ৰখা হয়? ডুৰাণ্টৰ 'ষ্টাৰ অৱ চিভিলাইজেচন'ৰ চেট এটা পুথিভঁৰাললৈ আনি নানাজনৰ ওজৰ আপত্তিৰ অভিজ্ঞতা নিজৰেই আছে।

বহুবছৰ ৰাজহুৱা আৰু শৈক্ষিক গ্ৰন্থাগাৰত কাম কৰাৰ অভিজ্ঞতাৰে এইটো দেখিছো যে আমাৰ গ্ৰন্থাগাৰৰ কাৰণে কিতাপ বাছনি কৰোতে প্ৰকৃততে লব লগা সাৱধানতা আৰু যত্ন লোৱা নহয়। ইয়াৰ কাৰণো নোহোৱা নহয়। আগৰে পৰা কাণ নিদি বা অৱহেলা কৰি শেষ মুহূৰ্তত কিতাপ কিনিবৰ কাৰণে ধন আবণ্টন কৰা আৰু সেই ধন অতি নিৰ্দ্ধাৰিত সময় সীমাৰ ভিতৰত খৰচ কৰিব লগা চৰ্ত থকাৰ কাৰণে হাততে পোৱা কিতাপ কিনাটো অতি স্বাভাৱিক কথা হৈ পৰিছে। গ্ৰন্থাগাৰ এটা সুচাৰুৰূপে পৰিচালিত কৰিবলৈ, গ্ৰন্থাগাৰৰ কাৰণে উপযুক্ত কিতাপ-আলোচনী সংগ্ৰহ কৰিবলৈ যি যোগ্যতা বা অৰ্হতা লাগে বহুত গ্ৰন্থাগাৰিকৰ গাত সেইটো পোৱা নাযায়। গ্ৰন্থাগাৰিকক উপদেশ দিবলৈ উপদেষ্টা পৰিষদো গঠন কৰা হয়। ইয়াতো দেখা যায় যে বেছিভাগ সদস্যৰে উপদেশ দিব পৰা যোগ্যতা বা গ্ৰন্থাগাৰৰ ভালৰ কাৰণে চিন্তা আৰু কাম কৰাৰ সময়ৰে অভাৱ। উদাহৰণ স্বৰূপে এখন জিলাৰ উপায়ুক্ত বা তেনে পৰ্যায়ৰ এজন চৰকাৰী বিষয়াৰ কথাকে ধৰক। গ্ৰন্থাগাৰৰ উন্নতিৰ হকে বহুমূল্য উপদেশ দিব পৰা যোগ্যতা আৰু অৰ্হতা তেখেতৰ আছে কিন্তু তাৰ কাৰণে ব্যয় কৰিব লগা সময় ক'ত? বছৰৰ তিনিশ পয়ষষ্ঠী দিনেই এজন নহয় এজন মন্ত্ৰীৰ লগত ব্যস্ত থাকিব লগাৰ উপৰিও জিলাখনৰ এবুৰি সমস্যাৰ মাজত উৱাদিহ নোপোৱা উপায়ুক্তৰ আন দহজন সদস্যৰ সময় সুবিধা মিলাই আহ্বান কৰা উপদেষ্টা পৰিষদৰ কেইখন সভাত উপস্থিত থকা সম্ভৱ। এনেকুৱা উপদেষ্টা পৰিষদ গঠন কৰোতে উদ্দেশ্য বাস্তৱ আৰু কৰ্ম প্ৰণোদিত নহৈ ৰাজনৈতিক বা আন হোৱাৰ কাৰণেই আমাৰ গ্ৰন্থাগাৰ সমূহৰ উন্নতি আৰু কল্যাণৰ পথ সুগম নহয়।

আপুনি প্ৰকাশ কৰা কিতাপৰ তালিকাখনৰ প্ৰসঙ্গত এইখিনি কব লগা হ'ল এটা বিশেষ উদ্দেশ্যত। আমাৰ মাজত উঠি অহা ল'ৰা-ছোৱালী, ডেকা-ডেকেৰী চামৰ বিষয়ে সকলোৱে জানো। আমাৰ বিদ্যালয়ত শিক্ষাৰ মানদণ্ডৰ কথাও কাৰোৰে অবিদিত নহয়। বিশেষকৈ ইংৰাজী শিক্ষাৰ মান গোটেই দেশতে দিনে দিনে তললৈ নামিছে। বিহাৰৰ নিচিনা ৰাজ্যত ইংৰাজী জনা বা কোৱাও দোষৰ কথা হৈ পৰিছে। আপুনি এঠাইত লিখা 'Meet me behind the class' বুলি কোৱা অধ্যাপকৰ লগৰ বন্ধ কোঠাৰ খিৰিকি খুলি 'Let us pass some air' বুলি কোৱা অধ্যাপক বা ওপৰৱালালৈ দিয়া ছুটীৰ দৰখাস্তত কাৰণ হিচাপে 'My latrine is going fast.' বুলি লিখা বিষয়াও আমাৰ মাজত আছে। এনে এটা সময়ত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° কবীন ফুকনৰ নেতৃত্বত অনুবাদ সাহিত্য প্ৰকাশ আৰু প্ৰচাৰৰ বাবে কৰা প্ৰচেষ্টা অতি আদৰণীয় আৰু মহৎ। এই প্ৰচেষ্টাৰ সফলতাৰ কাৰণে বৰঙণি আগবঢ়াবলৈ আপুনি কৰা আহ্বানত আমিও যোগ দিওঁ।

ইংৰাজী বা যি কোনো অনা-অসমীয়া ভাষাত প্ৰকাশ হোৱা কিতাপৰ বাদেও অসমীয়া ভাষাতে বহুতো কিতাপ আছে যিবোৰ আমাৰ পঢুৱৈ সমাজে, বিশেষকৈ উঠি অহা চামে, পঢ়ি উপকৃত হ'ব পাৰে। এনেকুৱা সৰহ সংখ্যক কিতাপেই সহজলভ্য, কিন্তু তেনেকুৱা কিতাপৰ তালিকা এখন নোহোৱাৰ কাৰণেই পঢুৱৈৰ চকুত পৰা নাই বা পৰিলেও পঢ়িব লগা কিতাপ বুলি ভবা নাই। তদুপৰি এনেকুৱা একোখন নিৰ্ভৰযোগ্য তালিকাই আমাৰ গ্ৰন্থাগাৰিক সকলক, বিশেষকৈ নতুনকৈ গঢ়ি উঠা পুথিভঁৰালৰ গ্ৰন্থাগাৰিক সকলক কিতাপ বাছনি কৰাত সহায়ক হ'ব বুলি মোৰ বিশ্বাস। এনেকুৱা একোখন তালিকা প্ৰস্তুত কৰিব লাগিব সেইসকলে যাৰ পঢ়াৰ মান উচ্চ আৰু যাক আমি সমীহ কৰো। তালিকাখন প্ৰকাশ কৰিবলৈ আগবাঢ়ি আহিব লাগিব শ্ৰী হোমেন বৰগোহাঞিৰ নিচিনা সু-চিন্তক সম্পাদকে এখন বা ততোধিক বহুল প্ৰচলিত কাকতত।

সাহিত্য, দৰ্শন, ইতিহাস, বিজ্ঞান আদি প্ৰতিটো বিষয়ত অসমীয়া ভাষাত প্ৰকাশ হোৱা কিতাপ অধ্যয়ন কৰা মানুহ আমাৰ সমাজত খুব বেছি সংখ্যক নহলেও আছে আৰু প্ৰতি বিষয়ত তেনে এজন বা দুজন মানুহ আপুনি যে বাছি উলিয়াব পাৰে সেই বিষয়ে মই নিশ্চিত।

মই অতি আশাৰে আপোনাক এই বিষয়ে ভাবি চাবলৈ অনুৰোধ কৰিছো আৰু আশা কৰিছো যে অন্ততঃ 'সূত্ৰধাৰ'ৰ পৰৱৰ্তী সংখ্যাবোৰত এনে একোখনি তালিকা পাম। লগতে এইটোও আশাকৰো যে আমাৰ গ্ৰন্থাগাৰিক সকলে এই তালিকাবোৰ অধ্যয়ন আৰু সংৰক্ষণ কৰিব আৰু পুথিভঁৰালৰ কাৰণে কিতাপ বাছনি কৰোতে সাৰথি হিচাপে ব্যৱহাৰ কৰি এনেবোৰ কিতাপ কিনি গ্ৰন্থাগাৰৰ তথা পঢ়ুৱৈৰ পঢ়াৰ মান উন্নতি কৰিব।

**ৰমেশ ফুকন**
ডিব্ৰুগড় বিশ্ববিদ্যালয় গ্ৰন্থাগাৰ

## "অনুবাদ : এক কষ্টসাধ্য অথচ মহৎ প্ৰয়াস"

দুই এটা আঢ্যৱন্ত অসমীয়া পৰিয়ালৰ ইংৰাজী মাধ্যমৰ পাব্লিক স্কুল অথবা তেনে ধৰণৰ ৰিপুটেড চৰকাৰী স্কুলত পঢ়া ল'ৰা-ছোৱালীৰ কথা সুকীয়া ; কিন্তু অসমৰ গাঁৱে ভূঁঞে, নগৰে-চহৰে প্ৰতিষ্ঠিত উচ্চ মাধ্যমিক বিদ্যালয় সমূহৰ পৰা শিক্ষা সাং কৰি ওলাই অহা লক্ষাধিক ছাত্ৰ-ছাত্ৰী (পৰীক্ষাত অকৃতকাৰ্য হোৱা খিনিৰ কথা নকলোৱেবা) আৰু এইসকলৰ মাজৰ পৰাই বিশ্ববিদ্যালয়ৰ ডিগ্ৰীলোৱা সকলৰ প্ৰায় ভাগৰে ইংৰাজী শিক্ষাৰ দৌৰ দেখি 'ভতৰা গৰুৱেও চোঁচা লোৱা' অৱস্থা এটা এতিয়া আহি পৰিছে। কবলৈও লাজ লগা কথা যে আমাৰ অসমত বিশ্ববিদ্যালয়ৰ ডিগ্ৰীধাৰী উচ্চশিক্ষিত এনে বহুলোক আছে, যিসকলে এটা ইংৰাজী বাক্যও শুদ্ধকৈ লিখিব নোৱাৰে। দুৰ্ভাগ্যবশতঃ এওঁলোকৰ সৰহভাগেই প্ৰতিযোগিতামূলক পৰীক্ষাত বহি প্ৰশাসনিক পৰ্যায়ত চাকৰি বিচৰাৰ সাহস গোটাব নোৱাৰি, তুলনামূলকভাৱে কম প্ৰতিযোগিতাপূৰ্ণ শিক্ষকতাকেই বৃত্তি হিচাপে গ্ৰহণ কৰিবলৈ বাধ্য হয়। অৱশ্যে ইয়াৰ মাজতো দুই-এক ব্যতিক্ৰম নোহোৱা নহয়। কিন্তু সেয়া ব্যতিক্ৰমহে। সি যিকি নহওক, শিক্ষানুষ্ঠানসমূহত কেৱল চাকৰিৰ তাগিদাত শিক্ষকতা কৰা এনে কিছু অদক্ষ আৰু অৰ্হতাহীন মানুহৰ নিযুক্তিয়েও যে আমাৰ ছাত্ৰ-ছাত্ৰীৰ ইংৰাজী ভাষা-শিক্ষা আয়ত্ত কৰাত প্ৰবল অন্তৰায়ৰ সৃষ্টি কৰিছে, তাক কোনোপধ্যে নুই কৰিব নোৱাৰি। উচ্চ মাধ্যমিক বা উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাৰ ঘোষিত ফলাফল সমূহ লক্ষ্য কৰিলে দেখা যায় যে এই পৰীক্ষা সমূহত সৰ্বাধিক ৩৫% শতাংশ পৰীক্ষাৰ্থীহে কৃতকাৰ্য হয়। বাকী ৬৫% শতাংশই পৰীক্ষাৰ ওখ ডেওনাখন পাৰ হ'ব নোৱাৰে। এই ৬৫% শতাংশৰ ভিতৰৰে শতকৰা প্ৰায় নৱৈ ভাগেই 'ফেইল' কৰে ইংৰাজীত। ইয়াৰ পৰাই অনুমান কৰিব পাৰি বৰ্তমান আমাৰ শিক্ষানুষ্ঠান সমূহত ইংৰাজী ভাষা-শিক্ষা প্ৰদানৰ গতি-প্ৰকৃতি কি আৰু কেনেধৰণৰ।

উচ্চ মাধ্যমিক পৰীক্ষাত উত্তীৰ্ণ হৈ মহাবিদ্যালয়ত অধ্যয়ন কৰি থকা এনে বহু ছাত্ৰ আছে, যি নিজৰ নামটোও শুদ্ধকৈ ইংৰাজীত লিখিব নোৱাৰে। বিজ্ঞান শাখাত পঢ়া ছাত্ৰই ১-ৰ পৰা ১০০ লৈ সংখ্যাকেইটা ইংৰাজীত পঢ়িব নোৱাৰে। চাকৰিৰ বাবে ইণ্টাৰভিউ দি ভাগৰি পৰা এনে বহু গ্ৰেজুৱেট এই অসমত আছে, যি ষ্টেণ্ডাৰ্ড ফৰ্ম খনো শুদ্ধকৈ পূৰ কৰিব নোৱাৰে। কিযে দিনকাল, কি যে সময়। নহ'বনো কিয়, এইখন অসমতে যেতিয়া Thank you alls বুলি কোৱা উচ্চশিক্ষিত নেতায়ো দেশ শাসন কৰিব পাৰে, তাত আৰু ইংৰাজী ভাষা শিকি কি লাভ, বা শিকাইয়ো কি শিং গজিব। যিকি নহওক, অসমত ইংৰাজী ভাষা-শিক্ষাৰ এনে দুৰৱস্থাৰ বাবে কিন্তু ইংৰাজী ক'ব বা লিখিব নজনা, ইংৰাজী ভাষাৰ কিতাপ পত্ৰ পঢ়ি ইয়াৰ ৰসাস্বাদন আৰু অৰ্থোদ্ধাৰ কৰিব নোৱৰা আজিৰ অসমীয়া সকল কিন্তু জগৰীয়া নহয়। জগৰীয়া সেই সকলহে, যিসকল অসমপ্ৰেমীয়ে ভাষা তথা মাধ্যম আন্দোলনৰ জৰিয়তে ইংৰাজী ভাষাৰ বিৰুদ্ধে হোজা অসমীয়াৰ মনত বিদ্বেষ আৰু শত্ৰুতা জগাই তুলিলে। জগৰীয়া সেই সকলহে, যিসকলে ইংৰাজী মাধ্যমত শিক্ষাগ্ৰহণ কৰিলে আমাৰ ল'ৰা-ছোৱালী বিজতৰীয়া, সংস্কৃতিহীন হ'ব বুলি ভয় দেখুৱাই আমাৰ মনত গোড়ামি আৰু ৰক্ষণশীলতাৰ বীজ ৰোপণ কৰি গ'ল। ইংৰাজৰ ভাষা সংস্কৃতি মানেই বিদেশী শোষণকাৰীৰ ভাষা সংস্কৃতি- এনে এক অসহনশীল মনোভাব গঢ়ি উঠাৰ বাবেই, আনকি পশ্চিমীয়া সংস্কৃতিয়ে আমাৰ সংস্কৃতিক গ্ৰাস কৰিছে বুলি এচাম গোড়া, নৈষ্ঠিক আৰু ৰক্ষণশীল অসমীয়াই চলোৱা পৰিকল্পিত প্ৰচেষ্টাৰ পৰিণতিতে আজিও আমি বিশ্বৰ উন্নত তথা সুসভ্য জাতি সমূহৰ সমৃদ্ধ ভাষা সংস্কৃতিৰ ইতিবাচক দিশ সমূহৰ সৈতে পৰিচিত হ'ব পৰা নাই।

কেৱল ইংৰাজী ভাষা শিকিলেই অথবা পশ্চিমীয়া সংস্কৃতিক আঁকোৱালি ললেই যে এটা জাতি স্বয়ংসম্পূৰ্ণ, সংস্কৃতিবান আৰু উন্নত বুলি, পৰিগণিত হ'ব– সেই কথা আমি নকওঁ। কিন্তু ইংৰাজী ভাষাৰ প্ৰতি থকা আমাৰ তীব্ৰ বিদ্বেষ আৰু ঘৃণাৰ বাবেই যে আমি আনৰ ভাষা সংস্কৃতিৰ স্বাভাৱিক বিকাশকো সহজভাৱে লব পৰা নাই, অন্য অৰ্থত পৰশ্ৰীকাতৰ হৈ পৰিছো আৰু ইয়াৰ ফলতে যে আজি বিশ্বৰ বিস্ফোৰিত জ্ঞান ভাণ্ডাৰৰ সৈতে আমাৰ দীৰ্ঘদূৰত্বৰ এক 'প্ৰজন্ম ব্যৱধান'ৰ সৃষ্টি হ'ল তাক অস্বীকাৰ কৰাৰ এতিয়া উপায়ো নাই, লাভো নাই। এই ক্ষেত্ৰত আপোনাৰ সৈতে আমিও একমত যে সম্প্ৰতি বিশ্বত মানুহৰ জ্ঞান-ভাণ্ডাৰ ইমানেই সুবৃহৎ হৈ পৰিছে আৰু জ্ঞান চৰ্চাৰ ক্ষেত্ৰ ইমানেই বিস্তৃত হৈ পৰিছে যে অসাধাৰণ প্ৰতিভা সম্পন্ন কোনো ব্যক্তি বিশেষৰ বাহিৰে ইয়াৰ সৈতে নিবিড় সম্পৰ্ক স্থাপন কৰা কাৰো বাবে সম্ভৱ নহয়। কিন্তু মোটামুটিভাৱে ইয়াৰ সৈতে পৰিচিত হোৱা কেৱল প্ৰয়োজনীয়ই নহয়, বাঞ্ছনীয়ও। ব্যক্তি বিশেষৰ কথাটো বাদেই সমগ্ৰ জাতিটোৰে জ্ঞানৰ বন্তি গছি যে অবিলম্বে নুমায় যাব, ই ধ্ৰুৱপ। অসমীয়া ভাষা সাহিত্যৰ জ্ঞানৰ বন্তি গছি জ্বলাই ৰাখিবলৈ হ'লে, আমাৰ প্ৰথম কাম হ'ব ইংৰাজী ভাষা শিক্ষাৰ ওপৰত গুৰুত্ব দিয়া। কাৰণ ইংৰাজী ভাষাটোৱেই সৰ্বাধিক প্ৰচাৰিত আৰু পৃথিৱীৰ সৰ্বাধিক মানুহৰ দ্বাৰা ব্যৱহৃত একমাত্ৰ ভাষা, যাৰ দ্বাৰা পৃথিৱীৰ ভিন্ন ভাষী জাতি জনগোষ্ঠী সমূহৰ মাজত পাৰস্পৰিক ভাব বিনিময়, আদান প্ৰদান সম্ভৱ হ'ব পাৰে, হৈ আছে। কিন্তু ইতিমধ্যে আমি অসমীয়াবোৰ বহু পিছুৱাই গলো। তাৎক্ষণিকভাৱে কোনো কাৰ্য ব্যৱস্থা গ্ৰহণ কৰি ইংৰাজী অথবা তেনে কোনো সমৃদ্ধ বিদেশী ভাষা সাহিত্যৰ প্ৰতি আকৃষ্ট কৰাই আমাৰ গোড়ামি আৰু ৰক্ষণশীলতাৰ শিকলি ছিঙা আজিয়েই নিশ্চয় সম্ভৱ নহয়। কিন্তু মূল বিদেশী ভাষাৰ পৰা অনুবাদ কৰি মাতৃভাষাৰ জৰিয়তে এই কাম কৰা, কষ্টসাধ্য হ'লেও নিশ্চয় অসম্ভৱ নহ'ব। উল্লেখ নিষ্প্ৰয়োজন যে আমাৰ মাজৰ বিদ্বৎ শ্ৰেণীটোৱেই এই দায়িত্ব কান্ধ পাতি ল'ব লাগিব।

অতি সুখৰ কথা যে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ কেইগৰাকীমান কৃতী শিক্ষকৰ উদ্যোগত 'অনুবাদ' নামৰ এখন আলোচনী প্ৰকাশৰ প্ৰস্তুতি চলিছে। সন্দেহ নাই যে অসমত অসমীয়া সকলৰ ইংৰাজীকে ধৰি বিদেশী ভাষাজ্ঞানৰ সীমাবদ্ধতাই এখেত সকলৰ এই কষ্টসাধ্য, জটিল প্ৰচেষ্টাৰ অন্যতম কাৰণ। ড° কবীন ফুকনৰ কবিতা, ভূবন বৰুৱাৰ আৰ্থ-সামাজিক পৰ্যালোচনা, পোনা মহন্তৰ নাট্য সমালোচনাৰ সৈতে আগ্ৰহী অসমীয়া পাঠকক পৰিচয় কৰাই দিয়াৰ প্ৰয়োজন নাই। এতিয়া কথা হ'ল এনে এখন অতি জৰুৰী আলোচনী জীয়াই ৰাখিবলৈ প্ৰতিটো শিক্ষিত অসমীয়া পৰিয়ালেই ইয়াৰ নিয়মীয়া গ্ৰাহক হ'বই লাগিব।

**দিব্যধৰ বৰুৱা**
বৰুৱাগাওঁ (ওৱাটিং)
গোলাঘাট। ■

## 'মা-মণিলৈ'

জ্ঞানানন্দ শৰ্মা পাঠক

গাভৰু গৰিমা সনা, পাখিলাহী গাৱে নচা
এইজনী ৰঙে-ৰঙা, মা-মণি মোৰ মৰমৰ
শিহৰণ এয়া মোৰ, যৌবনৰ প্ৰথম প্ৰেমৰ
ৰজনী উতলা কৰা, বেচমৰ মালতী দেহৰ
চকু-মণি-যমুনাত, ৰাধা-ৰাণী ৰাগিণীৰ
কদমৰ ৰেণু-উৰা, বনমালী বিননিৰ বান ।

বতাহৰ বোকোচাত, ঘূৰি-ঘূৰি নাচ নচা
গতা-খায়ো বাৰেপতি, মুখলকে গুচি অহা
ক'লা ক'লা ৰঙচুৱা, চকুৰে নমনা সেই
কুটি কুটি খাব পৰা, চেনিচম্পা সুৰবোৰ
দাপোণৰ আপোন ৰূপতে, বাসনা-ব্যাকুল ।

পকা-পকা ৰঙা-ৰঙা, ধেনু-ধেনু দুওঁঠৰ
মিঠাবোৰ চেপি লৈ, তুমিয়েই চুপি-চুপি খোৱাঁ
সমুখত সেয়া নাৰ্চিছাচ, উদভ্ৰান্ত, উদণ্ড উন্মাদ ।
সংকৰ্ষণ-সংগতৰ আলাপ আৰম্ভ কৰাঁ
প্ৰতিবিম্ব চূৰ্ণ হৈ যক, ৰতি-ৰম্ম ভস্মীভূত হক ।

শেহৰাতি জোনাকৰ, কুঁৱলীৰ আঁৰে আঁৰে
আহিছিলাঁ কিয় তুমি, অকলে অকলে ?
ডেকা-জুয়ে জোৰ কৰি, জুই জ্বলোৱাৰ
অকমাণো ভয় যদি, নাছিলে তোমাৰ,
মোৰ ফালে নোচোৱাকে, কোনো কথা নোকোৱাকে

তল-মূৰ কৰি থাকি, জ্বলা-জুইকুৰা তুমি নুমাবাঁ কেনেকে ?
নিলাজী-বনৰ দৰে, খপ্‌কৰে জয় পৰা
ভয়েভয়ে কঁপি থকা, মধুমতী মুখখন চাবলৈ দিয়াঁ ।
টেঙেচীৰ বোল-সনা, হাঁহিলেই খোৰ পতা
নিমজ নিমজ সেই, তুল্‌তুল্ গাল দুখনত
মন যায় আঁকিবলে, তেজ-মৰা জলছবি মোৰ জীবনৰ ।

সোঁধোনেকি কওঁনেকি, কওঁনেকি সোধোঁনেকি
ডিঙিতেই লাগি থকা, কেশৰাজ কথাবোৰ মোৰ
ভাবি ভাবি থাকোঁতেই, সময়ৰ চেৰেকী চেৱত
মা-মণি মৰমৰ, মোৰ মৰ জনমৰ
গুঁচি গ'ল ক'ৰবালে', হৈ গ'ল কাৰবাৰ, চিৰকাললৈ ।

উমাজাল গৰমেৰে, বুকুত সাবটি লৈ
মৰমেৰে মাৰি মাৰি, গোটে গোটে গিলি খাই
একেটা কলিজা কৰা, ভাবি থকা কথাবোৰ
একোৱে নহ'লচোন, চব্‌বোৰ শেষ হৈ গ'ল

বুকুত বৰফ জমা, সেইজনী ঋতুমতী
দেখিলেই লোভ-লগা, লোণ-লোণ লবণুৰ
মা-মণি সোণজনী, হৈ গ'ল গাভৰু গোসানী
অজানিতে মনে মনে, মোক একো নোকোৱাকে
ক'ৰবাৰ কোনোবাৰ, আম-ৰঙা-আমঠুৰ এডোখৰ হ'ল ।

জীয়া-তেজ উতলাই, উমেৰে বেহুঁচ কৰা
সপোনৰ সুধা-সনা, সাতসৰী সুষমাৰ
ময়ে লুকুমাই, জানা জানোঁ মা-মণি, তোমাৰ দেহৰ ?
কান্দো সেয়ে, অকলে অকলে, লুকাই লুকাই ।
তুমিতো নেজানা, হায়, তেজ-ৰঙা সাগৰৰ
অশান্ত অবাধ্য বন্য– ব্যথাবোৰ ছন্দ পতনৰ !

বহুতো বছৰ এয়া, পাৰ হৈ গ'ল
কৃষ্ণ-চক্ৰ আবৰ্ত্তৰ অনন্ত অক্ষত
বৰ্ণম্লান বসুমতী বক্ষ বলয়ত
মইচোন এতিয়াওঁ, দেখোঁ সদায়েই
মনলোভা ৰম্ভা-সত্তা, তোমাৰেই পূৰ্ণ যৌবনৰ ।

জীবনৰ ডিঙাখন, সিপাৰৰ শদিয়াত
এনি-তেনি গৈ গৈ, লাগোঁ লাগোঁ হ'ল ।
দিবা মোক মা-মণি, দিবা সঁচাকৈ
অভিশপ্ত যৌবনৰ প্ৰথম প্ৰতিমা মোৰ,
শিৰৰ সেন্দুৰে ঢকা, অবৰুদ্ধ স্বপ্ন এটা
জঁইফুল গোন্ধ-সনা, মনালিছা মমতাৰ
জোঁৱাৰৰ উঠা-নমা; অপৰূপা পৰশ মোহন ? ▫

## শ্ৰাৱণ

কৰবী ডেকা হাজৰিকা

জিলীয়ে মাতিছে ৰৈ ৰৈ
ক'লা গছ
নীলা ৰাতি
সোণৰ টেমাত আবদ্ধ
পাখি ভঙা ধুমুহা

জিলীৰ মাতত
আকাশ বিদু কৰা
বাঁহী
যমুনাৰ দৰে উভতি বোৱা
পানী
আকাশৰ সুৰুঙাৰে
জিৰ্ জিৰ্

সেমেকা মাটিত
লহপহ গছ
লতাৰ বুকুত
থৰ্‌থৰ্ গোন্ধ
গোন্ধত মুখ থৈ
উবুৰি খাই পৰা
জিলী

গান
কান্দোন
উন্মাদনা
মেঘ মেঘ ৰাতি ।





# পলায়ন বেগ

অনুৰূপ গোহাঁই বৰুৱা

"........I used to enjoy doing physics. Why did I enjoy it ? I used to play with it. I used to do whatever I felt like doing — it didn't have to do with whether it was important for the development of nuclear physics, but whether it was interesting and amusing for me to play with."

*ৰিচাৰ্ড পি ফাইন্‌মেন্*

ন'বেল বঁটা বিজয়ী পদাৰ্থবিজ্ঞানী ৰিচাৰ্ড ফাইন্‌মেনৰ 'চিয়'ৰ্‌লি ইউ আৰ জ'কিং, মিঃ ফাইন্‌মেন' এখন অত্যন্ত সুখপাঠ্য আত্মজীৱনী । বিজ্ঞানীজনৰ জীৱনৰ নানা ৰসাল, অদ্ভুত, 'অবিজ্ঞানী-সুলভ' কাৰ্যকলাপৰ বৰ্ণনা পঢ়িলে আপোনাৰ হাঁহিত পেটৰ নাড়ী ছিঙি যাওঁ যাওঁ হ'ব । বত্ৰিশটা দাঁত জাপ খোৱাৰ পিছত আপুনি বিস্ময়বোধ কৰিব ঃ ফাইন্‌মেনৰ পৰ্যায়ৰ বিজ্ঞানীয়েও এনেধৰণৰ কাম কৰে, বা এনেধৰণৰ কাম কৰি ফুৰা মানুহজনৰো পদাৰ্থবিজ্ঞানত ইমান প্ৰতিভা থাকিব পাৰে ।

কলেজত পঢ়ি থকা সময়ত লগৰীয়াবোৰে বিশ্বাস নকৰা কথাবোৰ ফাইন্‌মেনে প্ৰায়েই হাতে-কামে কৰি দেখুৱাই দিবলগীয়া হৈছিল । আমি ত্যাগ কৰা প্ৰস্ৰাৱ মাধ্যাকৰ্ষণ শক্তিৰ বলত নিজে নিজেই আমাৰ গাৰ পৰা ওলাই আহে নেকি, এই লৈ এবাৰ লগৰবোৰৰ লগত তেওঁৰ তৰ্ক হ'ল । অৱশেষত তেওঁ মূৰৰ ওপৰত থিয় হৈ (শীৰ্ষাসন কৰি !) মূত্ৰ ত্যাগ কৰি 'পৰীক্ষামূলক প্ৰমাণ' দি দিলে যে কথাটো তেনেকুৱা নহয় !

কৰ্ণেল বিশ্ববিদ্যালয়ত অধ্যাপনা কৰি থাকোতে ফাইন্‌মেন্ দক্ষিণ আমেৰিকাৰ প্ৰতি আকৰ্ষিত হ'ল । যিহেতু দক্ষিণ আমেৰিকাৰ প্ৰায়বোৰ দেশতে স্পেনিছ ভাষা চলে, সেয়ে তেওঁ এই ভাষা শিকাৰ কথা ভাবিলে । ভবা মতেই কামঃ তেওঁ গৈ স্পেনিছৰ শ্ৰেণীত নাম ভৰ্ত্তি কৰিবলৈ শাৰী পাতিলে । শাৰীত থিয় হৈ থাকোতে সেইপিনে আহিল এজনী অত্যন্ত সুন্দৰী গাভৰু । ফাইন্‌মেনৰ ভাব হ'লঃ "বাঃ, কি অপূৰ্ব ।" ছোৱালীজনী গৈ পৰ্তুগীজ ভাষাৰ শ্ৰেণীত সোমোৱা দেখি তেওঁ "ময়ো পৰ্তুগীজেই শিকোঁগৈ" বুলি ছোৱালীজনীৰ পিছে পিছে খোজ ললে ! অৱশ্যে সেই সময়তে সুমতি হোৱাত তেওঁ পুনৰ উভতি গৈ 'পৰম দুখেৰে সৈতে' স্পেনিছৰ শ্ৰেণীত নাম লিখালে গৈ !!!
কিছুদিনৰ পিছত তেওঁ 'চেন্টাৰ ফৰ্ ফিজিকেল্ ৰিচাৰ্চ'ৰ পৰা নিমন্ত্ৰণ পাই ব্ৰাজিললৈ গ'ল । "চেন্টাৰ ফৰ ফিজিকেল্ ৰিচাৰ্চ'ৰ সঞ্চালকে আমেৰিকাৰ পৰা অহা অধ্যাপকজনক আদৰণি জনোৱা দেখিলে ব্ৰাজিলৰ টিভি-ৰ দৰ্শকসকলে । কিন্তু দৰ্শকসকলে নিশ্চয় কল্পনাও কৰিব পৰা নাছিল যে তেওঁলোক দুজনৰ আলোচনাৰ বিষয় 'ৰাতিটো কটাবলৈ নাৰী এগৰাকী কেনেকৈ পোৱা যায়' হ'ব পাৰে !"

ন'বেল বঁটা পোৱাৰ পিছত ফাইন্‌মেনৰ সুখ-শান্তি নোহোৱাৰ নিচিনাহে হ'ল ! এবাৰেই মাত্ৰ তেওঁ ইয়াৰ পৰা 'চিত্ত বিনোদন' কৰিবলৈ সুযোগ পালে । বঁটা পোৱাৰ কিছুদিন পিছত তেওঁলৈ ব্ৰাজিল চৰকাৰৰ পৰা নিমন্ত্ৰণ আহিল – ৰিঅ' ডি জেনেৰিঅত উদ্‌যাপিত হোৱা কাৰ্ণভাল উৎসৱত সন্মানিত অতিথি হিচাপে পত্নীৰে সৈতে যোগদান কৰিবলৈ । পৰম আনন্দেৰে সৈতে তেওঁ এই নিমন্ত্ৰণ ৰক্ষা কৰিলে আৰু হেঁপাহ পলুৱাই স্ফূৰ্তি কৰিলে । এইধৰণৰ নিমন্ত্ৰণ এটা তেওঁলৈনো কেনেকৈ আহিবলৈ পালে ? আচলতে এই নিমন্ত্ৰণ পোনতে পঠিওৱা হৈছিল জিনা ল'ল'ব্ৰিজিডালৈ; কিন্তু জিনাই শেষ মুহূৰ্তত জনালে যে তেওঁ এই নিমন্ত্ৰণ ৰক্ষা কৰিব নোৱাৰিব । সেইবাৰ কাৰ্ণভাল উৎসৱৰ সংগঠনৰ দায়িত্বত আছিল পৰ্যটন বিভাগৰ মন্ত্ৰী । 'চেন্টাৰ ফৰ ফিজিকেল্ ৰিচাৰ্চ'ত তেওঁৰ কেইজনমান বন্ধু আছিল । বন্ধু কেইজনৰ পৰা তেওঁ জানিব পাৰিলে যে ফাইন্‌মেনে এবাৰ চাম্বা নাচৰ বাদ্য বজোৱাত অংশগ্ৰহণ কৰিছিল, আৰু যিহেতু ফাইন্‌মেনে অলপতে ন'বেল বঁটা লাভ কৰিছে সেয়ে তেওঁ বাতৰিৰ শিৰোনামাতো আছে । মুহূৰ্তৰ বিবুধিত মন্ত্ৰী আৰু তেওঁৰ বন্ধুসকলৰ মূৰত এই উদ্ভট ধাৰণাটো সোমাল যে জিনা ল'লব্ৰিজিডাৰ ঠাই পূৰাব লাগে পদাৰ্থবিদ্যাৰ অধ্যাপকেৰে !! "নকলেও হ'ব যে সেই কাৰ্ণভালত মন্ত্ৰীজনে এনে নিম্নমানৰ কাম কৰিলে যে চৰকাৰখনত তেওঁ স্থানেই হেৰুৱালেগৈ !"

এনেধৰণৰ এশ এটা ঘটনা-পৰিস্থিতিৰ জুতি লগা বৰ্ণনাই গ্ৰন্থখনক নি ৰস-ৰচনাৰ পৰ্যায় পোৱাইছেগৈ । তলা-চেফ খোলাত ফাইন্‌মেনৰ দক্ষতা আছিল পেশাদাৰ পৰ্যায়ৰ । 'মানহাট্টান্ প্ৰজেক্ট'ত কামকৰি থাকোতে এটম বোমাৰ অতিশয় গোপনীয় তথ্য থথা চেফো দহ মিনিটৰ ভিতৰতে খুলি দি তেওঁ কৰ্ণেল – জেনেৰেলৰ মুখ অবাক-বিস্ময়ত মেল খুৱাই দিছিল । চিত্ৰ শিল্পৰ জগততো তেওঁ প্ৰবেশ কৰিছিল, – বহু দেৰীকৈ হলেও । আনকি পিছলৈ তেওঁৰ ছবি বেছ ভাল দামতেই বিক্ৰী হৈছিল । সঁচাকৈয়ে, 'পাচাডেনা আৰ্ট মিউজিয়াম'ৰ ড্ৰইং-ক্লাছত ছবি আঁকিবলৈ শিকাৰ পৰা আৰম্ভ কৰি ষাড়-গৰুৰ লগত যুঁজা নগ্ন তিৰোতা-যোদ্ধাৰ ছবি আঁকিবলৈ কমিছন পোৱালৈকে তেওঁ বহু দূৰ আগুৱাইছিল । লাভে-গাচৰ জুৱা-বাজিৰ ঘাটিতো তেওঁ পদাৰ্পণ কৰিছিল; নিক্ নামৰ গ্ৰীকজনৰ সৈতে হোৱা তেওঁৰ বাজিৰ বিষয়ে বেছ আমোদজনক আলোচনা এটি আত্মজীৱনীখনত আছে ।

এই সকলোবোৰ কৰিও তেওঁ পুনৰ ঘূৰি আহিছিল পদাৰ্থবিদ্যালৈ, কাৰণ এই বিষয়ৰ কাম কৰি তেওঁ পাইছিল পৰম আনন্দ । প্ৰবন্ধটোৰ আৰম্ভণিতে দিয়া উদ্ধৃতিটোৱেই ইয়াৰ প্ৰমাণ । আৰু এটা প্ৰমাণ হ'ল এইঃ বিখ্যাত বিজ্ঞানী এন্‌ৰিকো ফাৰ্মি ঢুকুৱাৰ সময়ত ফাইন্‌মেন 'কেলিফ'ৰ্ণিয়া ইন্‌ষ্টিটিউট্ অফ্ টেক্‌নল'জি'ৰ অধ্যাপক হৈ আছিল । ফাৰ্মিৰ খালি ঠাই পূৰাবলৈ চিকাগোৰ পৰা তেওঁলৈ নিমন্ত্ৰণ আহিল; দৰমহা যাচিলে কেল্‌টেকত পাই থকাতকৈ তিনি-চাৰিগুণ বেছি । কিন্তু ফাইন্‌মেনে এই নিমন্ত্ৰণ প্ৰত্যাখ্যান কৰিলে । কাৰণ ? ইমান বেছি দৰমহা পালে তেওঁ যিহকে বিচাৰে, তাকেই পাব বা কৰিব পাৰিব । কিন্তু তাৰ ফলত তেওঁ পদাৰ্থবিদ্যাৰ কামত মনপুতি লাগিব নোৱাৰিব আৰু সকলো খেলিমেলি হৈ যাব ! ইমানেই আছিল তেওঁৰ পদাৰ্থবিজ্ঞানৰ প্ৰতি ভালপোৱা । এৰা, ইয়াৰ বলতেই উৎসৱত বাদ্য বজোৱা, চিত্ৰ-প্ৰদৰ্শনীত অংশগ্ৰহণ কৰা, জুৱা-বাজি-নাৰীত মন বহা – এইবোৰৰ প্ৰবল আকৰ্ষণী শক্তিকো অতিক্ৰম কৰি অৱশেষত তেওঁ সুবিশাল পদাৰ্থবিজ্ঞানৰ জগতত প্ৰবেশ কৰিবলৈ সক্ষম হৈছিল, 'পাৰ্থিৱ আকৰ্ষণ' নেওচি তেওঁ 'মহাশূন্যৰ বুকুলৈ গতি কৰিবলৈ



OKDISCD

সক্ষম হৈছিল।

পদাৰ্থ বিজ্ঞানৰ অ আ ক খ জনা লোক মাত্ৰেই পলায়ন বেগ (escape velocity)ৰ কথা জানে। "কোনো গ্ৰহ বা উপগ্ৰহৰ ওপৰিভাগৰ পৰা এটা বস্তুক যি নিম্নতম বেগেৰে নিক্ষেপ কৰিলে সি মাধ্যাকৰ্ষণ-ক্ষেত্ৰ অতিক্ৰম কৰি যাব পাৰে, সেয়েই হৈছে পলায়ন বেগ।" (পৃথিৱীৰ ক্ষেত্ৰত এই বেগৰ মান হৈছে চেকেণ্ডত ১১.২ কিলোমিটাৰ) যিকোনো বিষয়ত মহানতা অৰ্জন কৰিব খুজিলে আমি একধৰণৰ পলায়ন বেগেৰে গতি কৰিব লাগে। আমাৰ চৰ্চাৰ বা সাধনাৰ বিষয়বস্তুৰ বাহিৰে আন বিষয়বস্তুৰ প্ৰতি থকা টান হৈছে একধৰণৰ 'মাধ্যাকৰ্ষণ শক্তি' ঃ ই আমাক বেছি ওপৰলৈ উঠিবলৈ নিদিয়ে, টানি আনি পুনৰ মাটিতে পেলাই দিয়ে। আমাৰ স্বভাৱজাত এলাহেও এই 'মাধ্যাকৰ্ষণ শক্তি'ৰ বৃদ্ধিত বৰঙণি যোগায়। এই প্ৰচণ্ড শক্তি অতিক্ৰম কৰি যাবলৈ দৰকাৰ হোৱা 'পলায়ন বেগ'নো ক'ৰ পৰা আহে? একে আষাৰেই ক'ব পাৰি যে বিষয়টোৰ প্ৰতি বা কামটোৰ প্ৰতি থকা আন্তৰিক ভাল পোৱাৰ পৰা এডিচনৰ এই বিখ্যাত উক্তিটো নিশ্চয় শুনিছেঃ "প্ৰতিভা হৈছে ৯৮% পৰিশ্ৰম আৰু ২% অনুপ্ৰেৰণাৰ সমন্বয়।" এই গাধ-খাটনি দিবলৈ আৱশ্যক হোৱা 'ইন্ধন' ক'ৰপৰানো আহে? কামটোৰ প্ৰতি যদি আপোনাৰ একান্ত ভালপোৱা নাথাকে, বা বেলেগ বিষয় এটাৰ প্ৰতিহে আপোনাৰ একান্ত ভাল পোৱা বেছি থাকে, তেনেহলে কিছুদিন চৰ্চা কৰাৰ পিছতেই এইখিনি ইন্ধন পুৰি পুৰি শেষ হৈ যাবলৈ বাধ্য। কাৰণ এইখিনি ইন্ধন ইমানদিনে আহি আছিল আপোনাৰ বিষয়টোৰ প্ৰতি থকা ভাল পোৱাৰ পৰা নহয়, আহি আছিল আপোনাৰ নিজৰ কেৰিয়াৰৰ প্ৰতি থকা লোভৰ পৰা, সামাজিক স্থানৰ প্ৰতি থকা মোহৰ পৰা, সম্পত্তিৰ প্ৰতি থকা আসক্তিৰ পৰা।

বিশ্ববিদ্যালয়ৰ পৰীক্ষাত শীৰ্ষস্থান অধিকাৰ কৰা ছাত্ৰ-ছাত্ৰীৰ ভিতৰৰ ভালেসংখ্যকৰ নাম পিছলৈ শুনিবলৈ পোৱা নাযায় কিয়? এতিয়া আনকি দেখা গৈছে যে বেছ কিছু সংখ্যক 'কৃতি' গৱেষক ছাত্ৰ-ছাত্ৰীৰ সাধনাৰ পৰাকাষ্ঠা হৈছে ডক্টৰেট্ ডিগ্ৰী লাভ; নিজৰ নামৰ আগত 'ডঃ' লিখিবলৈ লাইচেন্স পোৱাৰ পিছত তেওঁলোকে গৱেষণাৰ নামত কুটা এগছো ইফাল সিফাল নকৰে। কিয় এনে হবলৈ পাইছে? কাৰণ পৰিষ্কাৰ ঃ বিষয়টোৰ প্ৰতি আসক্ত হৈ নহয়, ডিগ্ৰী বা পৰীক্ষাটোৰ প্ৰতি আসক্ত হৈহে তেওঁলোকে ইমান দূৰলৈকে দৌৰিলে, তাৰপিছতেই স্তব্ধ হৈ গ'ল তেওঁলোকৰ গতি।

গতিকে আমি এই সিদ্ধান্তলৈ আহিব পাৰো ঃ মহানতা অৰ্জনৰ প্ৰথম আৰু প্ৰধান চৰ্ত হৈছে বিষয়টোৰ প্ৰেমত নিমজ্জিত হোৱা, যিটো নহলে জীৱনব্যাপী সাধনা কৰা সম্ভৱ নহয়। কামটো যদি আপোনাৰ নীৰস বা কষ্টকৰ বুলিহে বোধ হয়, তেনেহলে ভূপৃষ্ঠৰ পৰা কিছু ওপৰলৈ উঠাৰ পিছতে আপুনি পুনৰ ভূপতিত হবলৈ বাধ্য এজন ব্যক্তিৰ বিষয় এটাত প্ৰতিভা থকা মানেই বুজিব লাগিব যে তেওঁ বিষয়টোৰ প্ৰেমত ডুব গৈ আছে। এডিচনহঁতে প্ৰকৃতিৰ দানৰ কথা স্বীকাৰ নকৰি হাড় ভঙা পৰিশ্ৰমৰ কথা উল্লেখ কৰিলেও, কামটোৰ প্ৰতি গঢ় লৈ উঠা নিবিড় প্ৰেমৰ ক্ষেত্ৰত প্ৰকৃতিৰ দান বুলিলে আমি বিষয়টোৰ প্ৰতি থকা স্বাভাৱিক আকৰ্ষণকে বুজিব পাৰোঁ, যিটোৰ ফলতেই সম্ভৱ হয় হাড়ক মাটি কৰি তেজক পানী কৰি কৰা জীৱনজোৰা পৰিশ্ৰম। প্ৰকৃতিক সম্পূৰ্ণৰূপে জয় কৰা সম্ভৱ নহয়– এতিয়া বিজ্ঞানীয়েও এই কথা স্বীকাৰ কৰিছে।

অলপ অপ্ৰাসঙ্গিক যেন লাগিলেও, এইখিনিতে অলপ বিতৰ্কৰ মাজলৈ সোমাব খুজিছো। ভাৰতবৰ্ষত শাসনসম্বন্ধীয় কামৰ প্ৰতি মেধাৱী ছাত্ৰ-ছাত্ৰীৰ বেচ ধাউতি দেখা যায়। ব'ৰ্ড-বিশ্ববিদ্যালয়ৰ বিভিন্ন পৰীক্ষাত শীৰ্ষস্থান অধিকাৰ কৰা আনকি বিদেশৰ বিশ্ববিদ্যালয়ৰ পৰা গৱেষণাৰ বৃত্তি পোৱা লোকেও অৱশেষত আই চি এচ পৰিক্ষাত কৃতকাৰ্য হৈ প্ৰশাসনীয় সেৱাত যোগদান কৰা দেখা যায়। পদবীটো নহয়, কামটো ভাল পাই 'অসামৰিক সেৱা'লৈ এনেধৰণৰ লোকসকল আগবাঢ়ি অহা হ'লে আমাৰ ক'বলগীয়া একো নাথাকিলেহেঁতেন। কিন্তু গণিত, দৰ্শন, মেডিচিন বা মেকানিকেল ইঞ্জিনিয়াৰিঙৰ প্ৰতিহে প্ৰকৃত আকৰ্ষণ থকাৰ পিছত – সেয়ে এই এই বিষয়ত 'চোকা' হোৱাৰ পিছত সামাজিক স্থান, ক্ষমতা, 'গ্লেমাৰ' আদিৰ লোভত প্ৰশাসনীয় কামলৈ অহাটোক আমি একধৰণৰ 'ব্ৰেইন্ ড্ৰেইন্' বুলিয়েই গণ্য কৰো। প্ৰশাসনৰ লগতে বিভিন্ন দিশৰ কামত দেখা দিয়া হেমাহি, খেলিমেলি আৰু কিছু কিছু ক্ষেত্ৰত অনুপযুক্ততাৰ মূলতেই হ'ল এই ধৰণৰ 'ব্ৰেইন-ড্ৰেইন'। এৰা, ফাইন্‌মেনে নিজৰ কামত পোৱা আনন্দৰ দৰে এই লোকসকলে নিজৰ কামত আনন্দ নোপোৱাৰ কাৰণেই আমাৰ বিভিন্ন দিশত এনে অৱনতি ঘটিছে।

আমাৰ ধাৰণা ঃ মনস্তাত্বিক নহলেও পিতৃ-মাতৃয়ে সন্তানৰ কি বিষয়ত আচলতে ৰাপ আছে তাক বুজি উঠিব লাগে। আৰু তেনেই অসম্ভৱ নহলে, পৰাপক্ষত সেই দিশতেই আগবাঢ়ি যাবলৈ তেওঁলোকে সন্তানক উৎসাহ – অনুপ্ৰেৰণা-সুবিধা যোগাব লাগে। অভিভাৱকে জোৰ কৰি জাঁপি দিয়া বিষয়ত ল'ৰা-ছোৱালীয়ে সাফল্য লাভ কৰিব নোৱাৰিবই বুলি নিশ্চয় ক'ব নোখোজোঁ; কিন্তু পৰিসংখ্যা-বিজ্ঞানৰ ভাষাত ক'ব খোজো যে তেওঁলোকে নিজৰ প্ৰকৃততে ৰাপ থকা বিষয়ৰ দিশত গতি কৰিলে সফলতাৰ মুখ দেখাৰ 'প্ৰবেবিলিটি' অধিক থাকে।

কৰ্ণেল বিশ্ববিদ্যালয়ত অধ্যাপনা কৰি থাকোতে ফাইনমেন্ দক্ষিণ আমেৰিকাৰ প্ৰতি আকৰ্ষিত হ'ল। যিহেতু দক্ষিণ আমেৰিকাৰ প্ৰায়বোৰ দেশতে স্পেনিছ ভাষা চলে, সেয়ে তেওঁ এই ভাষা শিকাৰ কথা ভাবিলে। ভবা মতেই কামঃ তেওঁ গৈ স্পেনিছৰ শ্ৰেণীত নাম ভৰ্তি কৰিবলৈ শাৰী পাতিলে। শাৰীত থিয় হৈ থাকোতে সেইপিনে আহিল এজনী অত্যন্ত সুন্দৰী গাভৰু। ফাইনমেনৰ ভাব হ'লঃ "বাঃ, অপূৰ্ব।" ছোৱালীজনী গৈ পৰ্তুগীজ ভাষাৰ শ্ৰেণীত সোমোৱা দেখি তেওঁ "ময়ো পৰ্তুগীজেই শিকোঁগৈ" বুলি ছোৱালীজনীৰ পিছে পিছে খোজ ললে! অৱশ্যে সেই সময়তে সুমতি হোৱাত তেওঁ পুনৰ উভতি গৈ 'পৰম দুখেৰে সৈতে' স্পেনিছৰ শ্ৰেণীত নাম লিখালে গৈ !!!





# কবি

হেৰ্মান হেছ

(অনুবাদ ঃ তোষপ্ৰভা কলিতা)

আমাৰ এই গল্পৰ নায়ক চীনা কবি হান ফুকে তৰুণ বয়সতে কাব্য সম্পৰ্কীয় সকলো বিষয়কে খৰচি মাৰি জানিবলৈ মনত এক প্ৰবল বাসনা অনুভৱ কৰিছিল। হোৱাংহো নদীৰ পাৰত তেওঁৰ জন্ম ঠাইত থাকোতে মাক দেউতাকে মৰমৰ পুতেকৰ মন বুজি সম্ভ্ৰান্ত পৰিয়ালৰ জীয়াৰী তেওঁৰ প্ৰেমৰ পাত্ৰীগৰাকীৰ লগতে তেওঁৰ বিয়াৰ বন্দৱস্ত কৰিছিল। ভাল দিন এটাত তেওঁৰ বিয়াৰ তাৰিখ পকা কৰি পেলোৱাৰ কথাও তেওঁলোকে মনতে পাঙিছিল। হান ফুক সেই সময়ত ভদ্ৰ, বিনয়ী আৰু সজ আচৰণৰ এক কুৰি বছৰীয়া নবীন তৰুণ। বিজ্ঞানত তেওঁৰ যথেষ্ট ৰাপ, আনহাতে কেইটামান উৎকৃষ্ট কবিতা লিখি ইতিমধ্যেই তেওঁ নগৰৰ বিদ্বান সমাজত সমাদৰ লাভ কৰিছিল। ধনকুবেৰ নহ'লেও যথেষ্ট ধনী হ'ব পৰাকৈ অৰ্থৰ উত্তৰাধিকাৰী হোৱাৰ লগতে ভাবীপত্নীৰ ফালৰ পৰাও বুজন পৰিমাণৰ যৌতুকৰ ধন লাভ কৰাৰ সম্ভাৱনা তেওঁৰ পূৰা মাত্ৰাই আছিল। ভাবীপত্নী সুন্দৰী আৰু ধৰ্মপৰায়ণা আছিল। গতিকে সাংসাৰিক দৃষ্টিত তেওঁৰ অভাৱ বুলিবলৈ একোৱেই নাথাকিলহেঁতেন। কিন্তু এজন প্ৰকৃত কবি হোৱাৰ আকাংক্ষাৰে হৃদয় পৰিপূৰ্ণ হৈ থকা বাবে তেওঁ কেতিয়াও সম্পূৰ্ণ সুখী হ'ব নোৱাৰিছিল।

এবাৰ নদীৰ ইপাৰে দীপাৱলী ভোজ উৎসৱ lantern feast অনুষ্ঠিত হওঁতে সন্ধ্যা হান ফুক সিপাৰে অকলে অকলে ফুৰি আছিল। নদীৰ পানীত কঁপি কঁপি সাতুৰি নাদুৰি থকা হাজাৰ প্ৰদীপ শিখাৰ প্ৰতিবিম্বৰ সৌন্দৰ্য মেলা চাই চাই তন্ময় হৈ তেওঁ পানীৰ ওপৰলৈ হাউলি থকা এজোপা গছৰ গাত আউজি আছিল। উৎসৱৰ ৰং-বেৰঙৰ সাজ পিন্ধা মানুহবোৰক নাও আৰু ভূৰৰ ওপৰত একোপাহ ধুনীয়া ফুল যেন দেখা গৈছিল। আলোকিত নদীৰ বুকুৰ মৃদু গুঞ্জন ধ্বনি, গায়িকা সকলৰ সুমধুৰ কণ্ঠ সংগীত, বাঁহীৰ সুৱদি সুৰ, জিথাৰৰ মধুৰ মূৰ্ছনা আৰু এই সকলোৰে ওপৰত ওলমি থকা মন্দিৰৰ গম্বুজৰ দৰে নীলাম্বৰী নিশাৰ আকাশখন ঃ এই অপাৰ্থিৱ সৌন্দৰ্যত তন্ময় সেই খেয়ালী তৰুণৰ হৃদয় যেন আনন্দৰ উত্তেজনাত আলোড়িত হৈ উঠিল। নদীখনৰ সিপাৰে থকা তেওঁৰ মৰমী আৰু বন্ধুবৰ্গৰ সান্নিধ্যত এই উৎসৱৰ অংশীদাৰ হবলৈ যোৱাৰ ইচ্ছাতকৈও তেওঁৰ অন্তৰত প্ৰবলতৰ হৈ উঠিছিল এজন সচেতন দৰ্শকৰূপে এই সকলোখিনিকে সামৰি ল'ব পৰা এটা নিটোল সুন্দৰ কবিতা লিখাৰ আকূতি। নীলাম্বৰী নিশাৰ নদীৰ বুকুত পোহৰৰ এই অপৰূপ খেলা, উৎসৱৰ অতিথি সকলৰ আনন্দ উচ্ছ্বাস আৰু তেওঁৰ নিঃসংগতাবোধ, এই সকলোখিনিকে সামৰি মৰ্মস্পৰ্শীকৈ এটা নিখুঁত সুন্দৰ কবিতাত ফুটাই তুলিবলৈ তেওঁ সমৰ্থ হোৱা হলে! ঠিক এই মুহূৰ্তত তেওঁ এই কথা উপলব্ধি কৰিলে যে পৃথিৱীৰ সমস্ত আনন্দৰ আয়োজনেও তেওঁক কেতিয়াও প্ৰকৃত সুখ শান্তি অনুভৱ কৰিবলৈ নিদিব আৰু জীৱনৰ প্ৰাচুৰ্যৰ মাজতে থাকিও তেওঁ চিৰকাল নিঃসংগ একক আৰু বহিৰাগত হৈয়েই থাকিব। হৃদয়ৰ মাজত থকা এক চিৰ-অচিনাকিৰ ব্যাকুলতাৰ এই আৱিষ্কাৰে তেওঁক দুখ দিলে আৰু তাকেই তেওঁ চিন্তা কৰিবলৈ ধৰিলে। আঃ তেওঁ যদি এনে এটা কবিতা লিখিব পাৰিলেহেঁতেন, য'ত তেওঁৰ কল্পনাৰ শুচি, সুন্দৰ কালজয়ী ৰূপেৰে জগৎখন উদ্ভাসিত হয়! সেইখন জগৎ যে তেওঁৰ কিমান আপোন! পাৰিব নে তেওঁ কাহানিবা এই সপোনক বাস্তৱ ৰূপ দিব?

এটা পাতল খচমচনিৰ শব্দ শুনি হঠাতে হান ফুকে যেন টোপনিৰ পৰাহে সাৰ পালে। তেওঁ দেখিলে তেওঁ আউজি থকা গছজোপাৰ ওচৰতে কজলা ৰঙৰ হলৌচোলা পিন্ধা সম্ভ্ৰান্ত চেহেৰাৰ এজন বুঢ়া মানুহ। খপজপকৈ আত্মসম্বৰণ কৰি তেওঁ মানুহজনক যথাযোগ্য শ্ৰদ্ধাৰে সম্ভাষণ জনালে। অভ্যাগতজনে প্ৰত্যুত্তৰত মিচিকি হাঁহিৰে ইমান সুন্দৰ, সুললিতকৈ আৰু হান ফুকৰ হৃদয়ৰ এই মুহূৰ্তৰ অনুভৱক জীৱন্ত ৰূপত ফুটাই তোলাকৈ কেইফাকিমান কবিতা আবৃত্তি কৰিলে যে হান ফুকৰ কলিজাৰ স্পন্দন যেন বিস্ময়ত ৰুদ্ধ হৈ গ'ল। আন্তৰিক শ্ৰদ্ধাত বিনত হৈ তেওঁ সুধিলে, "আপুনি কোন? আপুনি অন্তৰ্যামী নেকি? নহলে কেনেকৈ মোৰ অন্তৰৰ কথা জানিলে? মই এতিয়ালৈকে শুনা সকলো কবিতাতকৈ কিমান যে বেছি মধুৰ আপোনাৰ এই কবিতা!"

অভ্যাগতে আকৌ মিচিকিয়ালে। তেওঁৰ প্ৰতিটো ভংগীয়েই অতি সুসভ্য আৰু সুৰুচিপূৰ্ণ জীৱন ধাৰণৰ পৰিচায়ক আছিল। তেওঁ ক'লে, "তুমি যদি কবি হবলৈ বাঞ্ছা কৰা, তেন্তে মোৰ ওচৰলৈ আহিবা। হোৱাংহো নদীৰ উৎসভূমিত কুনলুন পৰ্বতমালাৰ মাজত মোৰ কুটীৰ; মোৰ নাম ব্ৰহ্মবাগীশ।"

ইমানকে কৈ বুঢ়া মানুহজন গছজোপাৰ ছাঁলৈ গৈ অদৃশ্য হ'ল। হান ফুকে কিছু সময় তেওঁক বিচাৰিলে। বিচাৰি নাপাই তেওঁ ভাবিলে যে ভাগৰতে বোধহয় তেওঁৰ টোপনি ধৰিছিল আৰু তেওঁ এইবোৰ সপোন দেখিছিল। ইয়াকে ভাবি তেওঁ লৰালৰিকৈ নাৱলৈ গ'লগৈ আৰু আনন্দ উৎসৱত অংশ গ্ৰহণ কৰিবলৈ বিচাৰিলে। কিন্তু উৎসৱ আনন্দৰ মাজত তেওঁ নিজকে মিলাই দিব নোৱাৰিলে। কথা-বতৰা, ৰং-ধেমালি আৰু বাঁহীৰ সুৰৰ মাজত তেওঁ অনবৰতে কেৱল সেই অচিনাকি অভ্যাগতৰ ৰহস্যময় কণ্ঠস্বৰহে শুনিবলৈ পালে। তেওঁৰ মনটো যেন সেই অচিনাকিৰ লগতে গুচি গ'ল। আনন্দত আত্মহাৰা বন্ধু বান্ধৱৰ মাজত স্বপ্নালু নয়নেৰে ভাবত বিভোৰ অচিনাকিৰ দৰে বহি থকা দেখি বন্ধু সকলে তেওঁক প্ৰেমৰোগে ভালকৈয়ে লম্ভিলে বুলি জোকাবলৈ ধৰিলে।

ইয়াৰ কেইদিনমানৰ পিছত দেউতাকে হান ফুকৰ বিয়াৰ তাৰিখ ঠিক কৰিবৰ কাৰণে বন্ধু-বান্ধৱ আত্মীয়-স্বজন সকলক নিমন্ত্ৰণ জনাব খুজিলে। কিন্তু হান ফুকে আপত্তি তুলিলে আৰু কলে "মোক ক্ষমা কৰিব। পিতৃৰ প্ৰতি পুত্ৰই দৰ্শাব লগা বাধ্যতা আৰু নম্ৰতাৰ প্ৰচলিত ৰীতিৰ প্ৰতি অপৰাধমূলক হয়তো মোৰ এই আচৰণ। কিন্তু পিতা! আপুনি জানেই যে এজন প্ৰকৃত কবি হোৱাটো মোৰ জীৱনৰ পৰম আকাংক্ষিত লক্ষ্য। বন্ধুসকলে মোৰ কবিতাক প্ৰশংসা কৰে যদিও মই নিজে ভালকৈয়ে জানো যে মই এজন ন শিকাৰুহে। মোৰ বাঞ্ছিত লক্ষ্য লাভৰ পথেদি মই এয়া প্ৰথম খোজহে দিছো। নিৰ্জন ঠাইত থাকি কিছুদিন অধ্যয়ন আৰু অনুশীলনৰ যোগেদি নিজকে প্ৰস্তুত কৰিবলৈ মোক অনুমতি দিয়ক। বিয়া কৰাই সংসাৰী হলে মই আৰু এই সুবিধা নাপাম। এতিয়া মোৰ বয়সো কম আৰু মূৰৰ ওপৰত দায়িত্বৰ বোজাও নাই। মোক কেৱল কবিতাৰ কাৰণেই আৰু কিছুদিন জীৱন কটাবলৈ দিয়ক। ইয়াকে কৰিবলৈ পালেই মই সুখী হ'ম আৰু কীৰ্তি লাভ কৰিব পাৰিম।"

পুতেকৰ কথা শুনি দেউতাক আচৰিত হ'ল। তেওঁ ক'লে, "নিজে হেঁপাহ কৰা বিয়াখনকে যেতিয়া পিছুৱাব খুজিছা, তেতিয়া বুজিলো যে তোমাৰ কাৰণে এই পৃথিৱীত কবিতাই প্ৰিয়তম বিষয়। বা যদিহে তোমাৰ কইনাৰ লগত কিবা মনোমালিন্য ঘটিছে, তেন্তে ভাঙি পাতি কোৱা মই তেওঁক বুজাবলৈ চেষ্টা কৰিম। নহ'লে লাগিলে তোমাৰ কাৰণে আন এজনী ছোৱালীকে বিচাৰো।"

উত্তৰত হান ফুকে শপত খাই ক'লে যে তেওঁৰ ভাবী পত্নীৰ প্ৰতি ভাল পোৱা ইমান দিনে যি আছিল ঠিক সেয়েই আছে, তাতকৈ এক চুলি পৰিমাণো কমাৰ কাৰণ ঘটা নাই। তেওঁলোকৰ মাজত কাজিয়াৰ ছাঁটোও পৰা নাই। তেওঁ দেউতাকক ইয়াকো জনালে যে দীপাৱলী ভোজৰ দিনা তেওঁ সপোনত এজন পৰম গুৰুৰ সন্ধান পাইছে আৰু পৃথিৱীৰ সমস্ত

সুখ-সম্পদৰ বিনিময়ত তেওঁ কেৱল তেওঁৰ শিষ্য হবলৈহে প্ৰাণেৰে আকাংক্ষা কৰে।

"ভাল কথা", দেউতাকে হান ফুকক কলে, "মই তোমাক বাৰু এবছৰ সময় দিলো। এই বছৰটো তুমি বাৰু সেই দেৱতাপ্ৰদত্ত সপোনৰ পথৰ অন্বেষণ কৰা।"

"কোনে জানে, হয়তো দুবছৰো লাগিব পাৰে, হয়তো বা তাতোকৈ বেছি;" দ্বিধা জড়িত স্বৰেৰে হান ফুকে উত্তৰ দিলে।

অতি বেজাৰ মনেৰে দেউতাকে হান ফুকক যাবলৈ দিলে। প্ৰেয়সীলৈ এখন চিঠি লিখি বিদায় লৈ তেওঁ গুচি গ'ল।

বহুদূৰ বাটকুৰি বাই গৈ তেওঁ হোৱাংহোৰ উৎস ভূমি পালেগৈ। তাতে গম্ভীৰ নিৰ্জনতাৰ মাজত এটা পৰ্ণকুটীৰৰ সমুখত এখন কঠত বহি ব্ৰহ্মবাগীশে বীণা বজাই আছিল। সসম্ভ্ৰমে আগবাঢ়ি অহা তৰুণ অতিথিজনক দেখি তেওঁ সম্ভাষণৰ ভংগীৰে মিচিকিয়াই হাঁহিলে আৰু বীণাৰ তাঁৰত লাহি আঙুলি কেইটা বুলাই থাকিল। উপত্যকাটোৰ মাজত ৰূপালী ডাৱৰৰ দৰে মনোৰম যাদুকৰী সংগীত উপঙি ফুৰিবলৈ ধৰিলে। মুগ্ধ তৰুণ বিস্ময়ত অবাক আত্মহাৰা হৈ থিয় দি থাকিল। বীণাখন একাষৰীয়াকৈ থৈ ব্ৰহ্মবাগীশ পঁজাৰ ভিতৰলৈ সোমাই যাওঁতেহে তেওঁৰ চমক ভাগিল। সসম্ভ্ৰমে তেওঁ গুৰুক অনুসৰণ কৰিলে। তেতিয়াৰে পৰা হান ফুক তেওঁৰ শিষ্য আৰু সেৱক হৈ থাকিল।

গুৰুগৃহত এমাহ কটোৱাৰ পিছত হান ফুকে তেতিয়ালৈকে লিখা নিজৰ সমস্ত কবিতাকে ঘিণ কৰিবলৈ শিকিলে। সেইবোৰক তেওঁ স্মৃতিৰ পৰাই সম্পূৰ্ণ ৰূপে বিসৰ্জন দিলে। আৰু কেইমাহমান কটোৱাৰ পিছত তেওঁ আগৰ নমস্য কবি আৰু গুৰুসকলৰ সকলো মনত থকা কবিতাকে মনৰ পৰা আঁতৰাই পেলালে। ব্ৰহ্মবাগীশে তেওঁৰ লগত কাচিৎহে কথা-বতৰা পাতিছিল। তেওঁ কেৱল নীৰৱে বীণা বজাবলৈ শিকাইছিল। ক্ৰমে হান ফুকৰ আত্মা সংগীতৰ অমৃত ৰসেৰে সম্পূৰ্ণভাৱে সম্পৃক্ত হৈ পৰিল। এনে সময়তে এবাৰ তেওঁ শৰতৰ আকাশেদি উৰি যোৱা দুটা চৰাইৰ বৰ্ণনা কৰি এটা সৰু কবিতা লিখিলে। কবিতাটো তেওঁৰ ভাল লাগিল, কিন্তু গুৰুক দেখুৱাবলৈ সাহ নহ'ল। সন্ধ্যাসময়ত পঁজাৰ অনতিদূৰত বহি তেওঁ কবিতাটো আবৃত্তি কৰিলে। গুৰুৱে নিশ্চয় সেই আবৃত্তি শুনিছিল, কিন্তু সেই বিষয়ে তেখেতে একো নক'লে; তাৰ পৰিবৰ্তে তেখেতে বীণাৰ তাঁৰত মৃদুভাৱে আঙুলি বুলালে। আকাশ বতাহ যেন জুৰ পৰি গ'ল, সন্ধিয়া গাঢ় হৈ আহিল। ক্ৰমে ধোঁৱা বৰণীয়া হৈ অহা আকাশেদি এচপৰা বাট হেৰুৱাই অনাই বনাই ফুৰা ডাৱৰৰ আগে আগে এহালি বগলী উৰি গ'ল। গুৰুৰ সংগীতৰ প্ৰতিক্ৰিয়াই সৃষ্টি কৰা এই দৃশ্য শিষ্যৰ কবিতাৰ তুলনাত ইমান সুন্দৰ, জীৱন্ত আৰু নিখুঁত আছিল যে হানফুকৰ নিজকে বৰ আকিঞ্চন যেন বোধ হ'ল আৰু তেওঁ বিষণ্ণ আৰু নীৰৱ হৈ ৰ'ল। হান ফুকে যেতিয়াই কবিতা লিখাৰ চেষ্টা কৰে, প্ৰতিবাৰতে গুৰুৱে এনে প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছিল। এনেকৈ এবছৰ পাৰ হ'ল। ইতিমধ্যে হান ফুকে বীণা বজোৱাত পাৰ্গতালি লাভ কৰিলে কিন্তু কবিতাৰ শিল্প সৃষ্টি তেওঁৰ কাৰণে দুৰূহ, মহৎ আৰু দূৰ-সুদূৰৰ বস্তু হৈয়েই ৰ'ল।

দুবছৰ পাৰ হৈ গ'ল। নিজৰ জন্মভূমি, পৰিয়াল আৰু প্ৰেয়সীৰ কথা ভাবি তৰুণ কবি গভীৰভাৱে স্মৃতি কাতৰ হৈ পৰিল। তেওঁ এবাৰ গৈ আহিবলৈ গুৰুৰ অনুমতি বিচাৰিলে। চিনাকি মিচিকি হাঁহিটো মাৰি ব্ৰহ্মবাগীশে ক'লে, "তুমিতো মুক্ত। য'লৈকে ইচ্ছা যাব পাৰা, মন গলে আকৌ উভতি আহিব পাৰা মন নগলে আৰু নাহিবও পাৰা। মুঠৰ ওপৰত তুমি যেনে ভাল দেখা তেনে কৰা।"

হান ফুকে যাত্ৰা আৰম্ভ কৰিলে। বাটত ক'তো নিজিৰোৱাকৈ তেওঁ গৈ থাকিল। এদিন দোকমোকালিৰ সময়ত তেওঁ জন্মৰ চিনাকি নগৰখন পালেগৈ। নিজৰ ঘৰ পাই ফুলনিত সোমাই দেউতাকৰ শোৱা কোঠাৰ খিৰিকিৰ ওচৰত থিয় দি তেওঁ কিছু সময় নিদ্ৰিত দেউতাকৰ উশাহ-নিশাহৰ শব্দ শুনিলে। তাৰ পাছত তেওঁৰ মৰমীৰ ঘৰলৈ গৈ বাগিচাৰ নাচপতি গছ জোপাত উঠি খিৰিকিৰে তেওঁ মৰমীৰ কোঠালৈ চাই পঠিয়ালে। ছোৱালীজনীয়ে নিজৰ কোঠাত থিয় হৈ মূৰ ফনিয়াই আছিল। নিজ চকুৰে দেখা এই দৃশ্যবোৰক তেওঁ স্মৃতিকাতৰ অৱস্থাত এইবোৰৰ বিষয়ে বৰ্ণহি লিখা কবিতাবোৰৰ লগত তুলনা কৰি চালে। সেই মুহূৰ্ততে বুজিলে যে কবি হোৱাই তেওঁৰ বাবে নিয়তিৰ বিধান। তেওঁ উপলব্ধি কৰিলে যে বাস্তৱ জগতত মানুহে বিচাৰি নোপোৱা এক অৰূপ সৌন্দৰ্য আৰু কমনীয়তা কেৱল কবিৰ সপোনতহে লুকাই থাকে। নাচপতি জোপাৰ পৰা নামি তেওঁ লৰালৰিকৈ বাগিচাৰ পৰা ওলাল আৰু দূৰৰ পাহাৰৰ ওপৰৰ সেই চিনাকি উপত্যকালৈ ওভোতা যাত্ৰা আৰম্ভ কৰিলে। আগৰ দৰেই কুটীৰৰ দুৱাৰমুখৰ সাধাৰণ কঠখনত বহি গুৰুৱে বীণাত আঙুলি বুলাই আছিল। কথাৰে সম্ভাষণ নজনাই তেওঁ কলাৰ আনন্দদায়িনী শক্তিৰ মহিমাৰ বিষয়ে দুফাকি কবিতা আবৃত্তি কৰিলে আৰু সেই কবিতাৰ ভাবৰ গভীৰতা আৰু ধ্বনি মাধুৰ্যৰ পৰম ঐশ্বৰ্য উপলব্ধি কৰি তৰুণ হান ফুকৰ দুই চকু পানীৰে উপচি পৰিল।

ব্ৰহ্মবাগীশৰ লগত থাকি এইবাৰ হান ফুকে জিথাৰ বজাবলৈ শিকিলে। ইতিমধ্যে তেওঁ বীণাত পাৰদৰ্শী হৈ উঠিছিল। পছোৱা বতাহত বৰফ গলাৰ দৰে কালৰ বুকুত আৰু দুটা মাহ জাহ গ'ল। আৰু দুবেলি ঘৰৰ স্মৃতিয়ে তেওঁক উদ্বাউল কৰিলে। এবেলি তেওঁ মনে মনে ঘৰৰ পৰা ওলাই গৈছিল। কুটীৰৰ ওচৰৰে কেঁকুৰিটো পাৰ হবলৈ নাপাওঁতেই দুৱাৰ মুখত আঁৰি থোৱা জিথাৰৰ তাঁৰত নিশাৰ বতাহজাকে কঁপাই তোলা এক অবুজ আৰ্তিৰ ঝংকাৰে তেওঁক যেন হাত বাউলী দি ক'লে, "তুমি নাযাবা, উভতি আহা উভতি আহা।" সেই আহ্বানক উপেক্ষা কৰিব নোৱাৰি তেওঁ ঘৰলৈ যোৱাৰ পৰিকল্পনা বিসৰ্জন দি উভতি আহিল।

আন বেলি তেওঁ এটা সপোন দেখিলে। তেওঁ যেন ঘৰৰ বাগানত এটা গছপুলি ৰুইছে। তেওঁৰ পত্নী কাষতে থিয় দি আছে। তেওঁৰ ল'ৰা-ছোৱালীয়ে মদ আৰু গাখীৰেৰে গছৰ গুৰিত পানী দিছে। হঠাতে সাৰ পাই হান ফুকে দেখিলে তেওঁৰ কোঠাটো যেন জোনাকৰে উদ্ভাসিত হৈ আছে। মনৰ বিক্ষিপ্ত অৱস্থা লৈ উঠি বহি তেওঁ দেখিলে ওচৰতে শুই থকা তেওঁৰ গুৰুৰ সুপ্ৰাচীন দাড়ি কোচা নিদ্ৰিত দেহৰ উশাহ নিশাহৰ স্পন্দনৰ লগে লগে অলপ অলপকৈ কঁপি আছে। তেওঁৰ জীৱন আৰু ভৱিষ্যতৰ সকলো সম্ভাৱনা এই মানুহজনেই নষ্ট কৰি দিলে, এনে ভাব হৈ তেওঁৰ মনত গুৰুৰ প্ৰতি অতীৱ ঘৃণা উপজিল। মানুহজনক হত্যা কৰি তাৰ প্ৰতিশোধ লবলৈ তেওঁৰ মন গ'ল। তেনেতে ব্ৰহ্মবাগীশে চকু মেলিলে আৰু নিমজ বিষণ্ণতাভৰা শান্ত হাঁহি এটা মাৰিলে। সেই হাঁহিয়ে হান ফুকক তেওঁৰ কামৰ পৰা নিৰস্ত কৰিলে।

"মনত ৰাখিবা, হান ফুক" বুঢ়া মানুহজনে কোমল মাতেৰে ক'লে, "যিহকে ইচ্ছা তাকে কৰিবৰ কাৰণে তুমি সদায় মুক্ত। তুমি তোমাৰ ঘৰলৈ গৈ গছপুলি ৰুবগৈ পাৰা আৰু মোক ঘৃণা কৰি হত্যা কৰিবও পাৰা। সেয়া একো কথাই নহয়।"

"উস, মই কেনেকৈ আপোনাক ঘিণ কৰিব পাৰিলো ?" অতি বিচলিত হৈ হান ফুকে ক'লে, "এয়া যে স্বয়ং ঈশ্বৰক ঘিণ কৰাৰ দৰে হ'ল !"

হান ফুক তাতেই থাকি গ'ল। জিথাৰ বজাবলৈ ভালকৈ শিকাৰ পাছত তেওঁ বাঁহী বজাবলৈ শিকিলে। তাৰ পাছত গুৰুৰ নিৰ্দেশ অনুযায়ী তেওঁ কবিতা লিখিলে। পানীৰ ওপৰত বতাহে কঁপাই আলোড়ন তোলাৰ দৰে মানুহৰ হৃদয়তো আলোড়ন তুলিব পৰা অথচ দেখাত অতি সহজ সৰল যেন লগা কবিতা লিখাৰ কৌশল তেওঁৰ আয়ত্ত হ'ল। বেলিটো আহি আহি পৰ্বতমালাৰ ওপৰত কেনেকৈ থমকি ৰয়, অগভীৰ পানীৰ বুকুত সোণালী ৰূপালী মাছে ছাঁৰ দৰে নিশব্দে কেনেকৈ কঁপায়, বসন্তৰ বতাহত উইল' গছৰ পাতবোৰে কেনেকৈ মূৰ দুপিয়ায়, এনেবোৰ বৰ্ণনাৰে তেওঁ অনেক কবিতা লিখিলে। সেইবোৰ বৰ্ণনা তেওঁৰ লেখাত কেৱল সূৰুযৰ জয়যাত্ৰা, মাছৰ ধেমালি বা উইল' গছৰ মূৰ দুপিওৱা হৈয়েই নাথাকিছিল। হান ফুকৰ নিটোল সুন্দৰ কবিতাবোৰৰ প্ৰতিটো সুন্দৰ শব্দৰ লগত আকাশ-বতাহেও যেন সহযোগিতা কৰে। বিভিন্নজনৰ প্ৰেম আৰু ঘৃণাই তেওঁৰ কবিতাৰ মাজেদিহে যেন প্ৰাণ পায়। ল'ৰাই ল'ৰালিৰ খেলা, তৰুণে ভাল পোৱাৰ গভীৰতা, বৃদ্ধই আসন্ন মৃত্যুৰ সম্ভাৱনাৰ কথা ভাবোতে হান ফুকৰ কবিতাৰ একোটি স্তৱকৰ সহায় নল'লে যেন আপোন ভাবৰে আউল ভাঙিব নোৱাৰে।

তেনেদৰে গুৰুৰ লগত থাকোতে থাকোতে কিমান বছৰ যে পাৰ হৈ গ'ল, হান ফুকে আৰু তাৰ কোনো হিচাপ নাৰাখিলে। তেওঁৰ কেতিয়াবা এনেহে লাগে যেন যোৱা নিশাহে মাত্ৰ তেওঁ ইয়ালৈ প্ৰথম আহিছিল। প্ৰায়েই তেওঁৰ এনেও অনুভৱ হয় যেন মানুহৰ হিচাপ-নিকাচৰ সকলো কাল আৰু চামবোৰ (generation) তেওঁৰ পৰা বহুত দূৰত পিছ পৰি ৰৈ গৈছে।

এদিন পুৱা তেওঁ সাৰ পাই দেখিলে যে পঁজাটোত তেওঁ অকলশৰীয়া। বিচাৰি বিচাৰি হায়ৰাণ হৈয়ো তেওঁ আৰু কতো গুৰুক দেখা নাপালে। ৰাতিটোৰ ভিতৰতে ক'ৰ পৰা যে হঠাতে শৰতৰ আগমন হ'ল ! এজাক বতাহে প্ৰাচীন কুটীৰটো কঁপাই তুলিলে, অসময়তে পৰ্বতমালাৰ ওপৰেদি ক'ৰবাৰ পৰা জাকে জাকে যাযাবৰী চৰাই উৰি গ'ল।

হাতত বীণাখন লৈ হান ফুক জন্মভূমিলৈ গ'লগৈ। মানুহবোৰে তেওঁক এজন সম্ভ্ৰান্ত বৃদ্ধৰ যোগ্য অভ্যৰ্থনা জনালে। নিজৰ জন্মৰ নগৰীলৈ উভতি আহি তেওঁ দেখিলে যে ইতিমধ্যে তেওঁৰ দেউতাক, সম্বন্ধীয় আন অনেক মানুহ আৰু তেওঁৰ প্ৰেয়সীৰ মৃত্যু হৈছে। সেইদিনা সন্ধিয়ালৈ আকৌ নদীৰ ওপৰত দীপাৱলী ভোজ উৎসৱ (lantern festival) অনুষ্ঠিত হ'ল। দূৰত, আন্ধাৰ পাৰটোত এজোপা প্ৰাচীন গছৰ গাত আউজি কৰি হান ফুকে অকলে এই দৃশ্য চাই ৰ'ল। বীণাখন তুলি লৈ তেওঁ ধীৰে ধীৰে তাৰ তাঁৰত আঙুলি বুলাবলৈ ধৰিলে। হান ফুকৰ বীণাৰ অপূৰ্ব সুৰৰ লহৰীয়ে উৎসৱৰ সমাগত ৰমণীবৃন্দৰ হৃদয়ৰ অভ্যন্তৰত এক তুৰীয় আনন্দৰ উদ্দীপনা জগাই তুলিলে, বিচলিত হৃদয়েৰে তেওঁলোকে ঘনে ঘনে হুমুনিয়াহ কাঢ়িবলৈ ধৰিলে। তৰুণসকলে বীণাবাদকজনক বিচাৰিবলৈ ধৰিলে, কিন্তু ক'তো তেওঁক বিচাৰি নাপালে। হান ফুকে আপোন মনেৰে মিচিকিয়াই হাঁহি থাকিল। অসংখ্য প্ৰদীপৰ প্ৰতিবিম্বৰে সুসজ্জিত নদীৰ বুকুৰ অপৰূপ সৌন্দৰ্যৰ পোহৰলৈ তেওঁ একেথিৰে চাই ৰ'ল। নদীৰ বুকুত প্ৰদীপশিখা আৰু তাৰ প্ৰতিবিম্ববোৰ একাকাৰ হৈ পৰিছিল। ঠিক তেনেদৰেই তাহানি নিচেই তৰুণ বয়সত অচিন গুৰুৰ প্ৰথম সাক্ষাৎ পোৱাৰ দিনাৰ সেই সান্ধ্য সমাৰোহে কালৰ ব্যৱধান অতিক্ৰম কৰি আজিৰ এই উৎসৱ মেলাৰ ৰূপেৰে হান ফুকৰ মনৰ মাজত অভিন্ন হৈ ধৰা দিলে। স

# অগল্প

পদ্মপাণি



অংকন : দীপক বৰুৱা

"কাঞ্চা, তোমাৰ গাখীৰখিনিত দেখোন গাখীৰ বুলিবলৈ একো নায়েই। গোটেইখিনি পানী।"

"এ বাইদেউ, খাঁটি গাখীৰনো আজি কালি ক'ত পাব ? আমি যাৰ পৰা আনি আপোনালোকক দিওঁ, তেওঁলোকেই পানী দিয়ে। কি কৰিম, কওক বাইদেউ ?"

পুৱা শুই উঠিয়েই কাঞ্চাই শ্ৰীমতীক কোৱা কথাষাৰ শুনি মনটো বৰ বেয়া লাগিল। কাঞ্চাই কোৱাৰ দৰেই সঁচাই খাঁটি গাখীৰ বাৰু আজি-কালি ইমান দুষ্প্ৰাপ্য নে !

চাহ খাই উঠি দৈনিক বাতৰি কেইখনৰ বাবে অপেক্ষা কৰি এসময়ত গা-ধুবলৈ বাথ-ৰুমত সোমালো। গা ধুই ভাত-পানী খায়ো আজৰি হ'লো। নাই, হকাৰজনৰ দেখা-দেখিয়েই নাই।

ঠিক অফিচলৈ যাবলৈ বুলি ঘৰৰ পৰা ওলাওঁতেই দেখা পালো, ৰাস্তাৰ পৰা কাগজ কেইখন মোৰ ঘৰৰ বাৰান্দালৈ দলিয়াই হকাৰজনে তেওঁৰ চাইকেলৰ বাওঁ পেডেলত ভৰি দিছে।

"হেৰা, শুনাছোন। হেৰি নহয়, এই ত্ৰিবিউন প্ৰেছ আৰু চেণ্টিনেলৰ প্ৰেছ দুয়োটাই দেখোন মোৰ ঘৰৰ পৰা মাত্ৰ ডেৰ কিলোমিটাৰ দূৰতহে। তেনে অৱস্থাত তোমালোকে নো বাৰু কাকত দুখন এই ভৰ দুপৰীয়াহে দিবহি লাগে নে ?"

"বাবু, বহুত ঠাইত পেপাৰ দিব লাগে। আপোনাক দিলেইতো নহয়।" – ব্যস্ত মানুহ সি। গতিকে কাৰোৰ কথা শুনিবলৈ তাৰ সময়

নাই। চাইকেল চলাই সি গুচি গ'ল। বাতৰি-কাকতখনত নো কি আছিল, আজি চকা-বন্ধই আছিলনে চৰকাৰে হঠাৎ কিবা তিথি-চিথিৰ বাবে বন্ধই ঘোষণা কৰিছিল, একো নজনাকৈয়ে অফিচলৈ বুলি ৰাওনা হ'লো।

অফিচতো অশান্তি। পিয়নজন আহি পোৱাই নাই। শনিবাৰে সোনকালে ঘৰলৈ যায়, গতিকে সোমবাৰে সি বাৰ বজাৰ আগত আহি নাপায়। সঞ্চালক মহোদয় দীৰ্ঘদিনৰ ছুটীত। সেয়েহে অফিচতো উপস্থিতি তেনেই সেৰেঙা। লাগ বুলিলে দৰকাৰী ফাইল এটা দিবলৈও কোনো নাই।

আজি বহুতদিন পে-শ্লিপ নাই। ভাবিলো, এ-জি অফিচলৈকে এবাৰ গৈ আহো। কিজানিবা পে-শ্লিপখন উলিয়াব পাৰোঁয়েই। পিছে লাভ নহ'ল। ডিলিং এচিষ্টেণ্টজনে "চাহ একাপ খাই এতিয়াই আহিম, আপুনি অলপ বহকচোন দেই," বুলি যি ওলাই গ'ল গ'লেই। এঘণ্টা বোন্দাপৰ দিও একো লাভ নহ'ল

এ-জি অফিচৰ মুখে মুখে প্ৰাপ্তবয়স্ক শিক্ষাৰ কাৰ্যালয়টো। এবছৰৰ আগতে মোৰ কিতাপ এখনৰ এশ কপি যোগান ধৰিছিলো। শ্ৰীমতীয়ে এতিয়ালৈকে আঠশ টকাৰ কাৰণে আঠবাৰমান আহিল। পিছে টকাখিনি পোৱা নাই। ভাবিলো, আজি সঞ্চালক মহোদয়ক লগ ধৰি কওঁ, কিজানিবা পে'মেণ্টটো হয়েই। পিছে সঞ্চালক মহোদয়ৰ সেই একেই উত্তৰ – " এল-অ'-চি নাই। অহা মাহত এবাৰ খবৰ কৰিবছোন।"

এজন সাহিত্যিকে মোৰ এই কিতাপখনৰ সংক্ৰান্তত এবাৰ মন্তব্য কৰিছিল– 'চৰকাৰে এইখন কিতাপৰ লাখ লাখ কপি কিনি লৈ গাৱেঁ-ভূঞেঁ বিলাই দিব লাগে।' গাঁঠিৰ ধন ভাঙি কিতাপখন প্ৰকাশ কৰিলো। পিছে চৰকাৰৰ দেখোন লাখ লাখ কপি কিয়, এশ কপিৰেই দামটো দিবলৈ আজিলৈকে গা লৰা নাই।

ৰ'দে ৰ'দে ঘূৰি আকৌ অফিচ পালোহি। এইবাৰ অফিচত পিয়নজন আছে, বিদ্যুৎ নাই।

অফিচ ছুটীৰ পিছত বাছত উঠা লৈও অন্য এক পৰ্ব। চাৰিখন বাছৰ পিছত কোনোমতে এখনত ওলমি উঠিলো। দিনটোৰ পৰিশ্ৰান্ত দেহ, অসহ্য গৰম আৰু বাছত এয়া প্ৰচণ্ড ভিৰ তাতে আকৌ কণ্ডাক্টৰৰ বাছৰ ভাড়া লৈ উদ্ধতালি।

সন্ধিয়া দূৰদৰ্শনত আঞ্চলিক বাতৰি শুনিম বুলি বহিলো। ঠিক চাৰে সাত বজাতেই বিদ্যুৎ যোগান হঠাৎ ব্যাহত। বিৰক্ত হৈ ঘৰৰ পৰা ওলাই আহিলো। পিছে যাওঁ কলৈ ? কেউফালে প্ৰকাণ্ড প্ৰকাণ্ড দালানবোৰ উঠিছে হয়, কিন্তু অলপ নিৰলে মুকলি বতাহ লওঁ বুলি বহিবলৈকো ওচৰত উদ্যান এখন নাই। উস্, কি যে ঠাই এখনত জন্ম লভিলো !

কিছু সময় ৰাস্তাতেই অনাই-বনাই ঘূৰি ফুৰিলো। বিদ্যুতৰ পুনৰ যোগান আৰম্ভ হ'ল। আহি আহি গান্ধীবস্তি পাইছিলো। ভাবিলো, বন্ধু যতীনৰ তাতে অলপ সোমাই আড্ডা মাৰি যাওঁ।

যতীনৰ তাত ইতিমধ্যে অন্য দুজন বহি আছিলেই। পিছে তেওঁলোকৰ আলোচনাতহে মই ভাগ লব নোৱাৰিলো। প্ৰথম পৰ্যায়ৰ আলোচনা হৈছিল অসমৰ ভৱিষ্যত লৈ। এজনৰ মতে অসমৰ পৰা সকলোখিনি মুছলমান নেখেদিলে অসমৰ বিপদ অনিবাৰ্য। তাহানি স্কুলত পঢ়োতে বহুতৰ ঘৰৰ আগৰ পথাৰখনত আলতাব– মফিদহঁতৰ লগত মিলি একেলগে উৰুকাৰ ভোজ খাইছিলো। শিল্পী লোহিত বৰা ঢুকাওঁতেও মজিদহঁতক তেওঁৰ মৃতদেহৰ সাঙী শ্মশানলৈ কঢ়িয়াই নিয়া দেখিছিলো। এতিয়া বাৰু ডাঙৰ হৈ হিন্দু-সাম্ৰাজ্যৰ সপোন দেখো কেনেকৈ ?

তেওঁলোকৰ দ্বিতীয় পৰ্যায়ৰ আলোচনা হৈছিল গুৱাহাটীৰ মাটিৰ দাম লৈ। এজনৰ সৰু পুতেকে কাহিলিপাৰাত কঠাত এক লাখ পাঁচ হাজাৰকৈ দিহে কোনোমতে এবিঘা মাটি কিনিছে। ইজনে মতামত দিছে, দাম হলেও দুই-তিনিটা প্লট লৈ থ'ব লাগে। মাটি কিনাতকৈ বৰ্তমান ভাল ইনভেষ্ট্‌মেণ্ট একো নাই, আনকি শ্বেয়াৰ কিনাতকৈও ই ভাল।

এইবাৰো আলোচনাত মই ভাগ লব নোৱাৰিলো কোনোমতে এক কঠা পাঁচ লেচাৰ লেঠাটোকে মাৰিব পৰা নাই। তেনে অৱস্থাত -------।

"ঘৰলৈ আলহী এজন অহাৰ কথা আছে, উঠো" বুলি কৈ ওলাই আহিলো।

কি যে হ'ল এই পৃথিৱীখন ! সৎ চিন্তা, সৎ কাম, সৎ কথা কোৱা মানুহ এজনো পাবলৈ নোহোৱা হ'ল। কাঞ্চাই কোৱা কথাই ঠিক। খাঁটি গাখীৰ আজি-কালি সঁচাই --------

"উস্, উস্, মৰিলো ঔ।"

ফুটপাথত থকা মেন হ'লত সোমাই মই আটাহ পাৰি উঠিলো।

দুজনমান পথাচাৰীয়ে কোনোমতে ধৰি-মেলি মোক বাহিৰ উলিয়ালে।

বাওঁ আঠুটোত বাৰুকৈয়ে দুখ পালোঁ। ভালদৰে দেখোন থিয় হ'বকে নোৱাৰি।

"জি-এম-চিৰো যে আৰু কাণ্ড। চাওকছোন বাৰু, এই ধৰণে ফুটপাথৰ মাজতে নঢকা মেন-হ'ল ৰাখিব লাগে নে ?"

"ইস্, ইস্, বেছিকৈ দুখ পালে নে কি ? ক'ত ক'ত দুখ পাইছে বাৰু ?"

কোনোবাই জি-এম-চিক গালি পাৰিলে– কোনোবাই মোক সহানুভূতি দেখুৱালে। পিছে ধৰি-মেলি ৰিক্সা এখনত তুলি ঘৰত থৈ অহাৰ বা চিকিৎসক এজনৰ ওচৰলৈ নিয়াৰ কথা এজনেও নাভাবিলে। ফলত, তেনে অৱস্থাতেই মই বন্ধ দোকান এখনত ভেঁজা দি পৰি থাকিলো।

কেইবাখনো অটোৰিক্সা আৰু ৰিক্সা মোৰ আগেদি পাৰ হৈ গ'ল। নাই, মোৰ চিঞৰত সঁহাৰি দিবলৈকে সিহঁতৰ সময় নহ'ল। আধা ঘণ্টামানৰ পিছত বামুনীমৈদামৰ ফালৰ পৰা অহা ৰিক্সা এখন ৰ'ল। 'ক'ত যাব'– সি সুধিলে। মই শিলপুখুৰীৰ ডাক্তৰ এজনৰ ওচৰলৈ গৈ তাৰ পৰা মোৰ ৰাজগড়ৰ ঘৰলৈ আহিম বুলি ক'লো। সি ক'লে, যাওঁতে শিলপুখুৰীত নমাই থৈ যাব, কিন্তু আকৌ ৰাজগড়লৈ সি ঘূৰি আহিব নোৱাৰে। ভৰিৰ বিষৰ বাবে বৰ কষ্ট পাইছিলো। গতিকে পিছত যি হয় হ'ব বুলি ৰিক্সাখনত উঠি পৰিলো। ডাক্তৰৰ ঘৰৰ সমুখত নমাৰ আগতেও তাক এবাৰ ৰবলৈ কৈ চালো। পিছে লাভ নহ'ল। দিনটো ৰিক্সা চলাই চলাই সি বোলে ক্লান্ত, এই ৰাতিখন আকৌ ঘূৰি নাযায়।

ডাক্তৰজন ঘৰত নাই। নাৰ্ছিং হোম এখনত কঠিন ৰোগী এজনক চাবলৈ গৈছে। উপায় নাই, অপেক্ষা কৰিবই লাগিব।

এঘণ্টামানৰ পিছত ডাক্তৰ আহিল। চাই-চিতি দৰৱ দিলে। ৰক্ষা তেও, ভৰি-হাত একো ভগা নাই।

বৰ চিন্তিত মনেৰে ডাক্তৰৰ চেম্বাৰৰ পৰা ওলাই আহিলো। এই ৰাতিখন লেকেছিয়াই লেকেছিয়াই ঘৰলৈ যাওঁ কেনেকৈ ? দেখা পালো গেটৰ মুখত এখন ৰিক্সা ৰৈ আছে। ওচৰলৈ আহিহে গম পালো মই অহা সেই ৰিক্সাখনেই।

"বাবু, উঠক।" মই অলপ ইতস্ততঃ কৰি থকা দেখি ৰিক্সাচালকজনে ক'লে।

"কিন্তু তুমি দেখোন কৈছিলা-------।"

"হয় বাবু, কৈছিলো। কিন্তু আপুনি ভৰিত বৰ বেয়াকৈ চোট্ পাইছে। ভাবিলো, এই ৰাতিখন আপুনি যাব কেনেকৈ ?"

ধৰি-মেলি সি মোক ৰিক্সাত তুলিলে।

পুৱাৰে পৰা বুকুৰ ওপৰত উঠি থকা শিলটো খহি পৰা যেন লাগিল।

গোটেই দিনটোৰ তিক্ত অভিজ্ঞতাই শিকাইছিল– পৃথিৱীখনত বোধহয় ভাল মানুহ নায়েই। সেই গোৱালজনে কোৱাৰ দৰেই 'খাঁটি গাখীৰ' এতিয়া আৰু ক'ত পাম ? কিন্তু এই যে ৰিক্সাচালকজন যি মোৰ ভৰিত বেয়াকৈ 'চোট্' লগাৰ বাবেই ডাক্তৰৰ পদূলীত এই ৰাতিখন এঘণ্টা সময় খপিলে, মোক ধৰি-মেলি ৰিক্সাত তুলিলে, আৰু এতিয়া এয়া নিৰ্জন ৰাস্তায়েদি ৰাতি এঘাৰ বজাত মোক মোৰ ঘৰলৈ লৈ গৈ আছে, ইয়েই দেখোন এটা খাঁটি মানুহ, তেজ-মঙহৰ এখন হৃদয় থকা সঁচা মানুহ।

তেন্তে মই 'খাঁটি গাখীৰ' পাবলৈ নাই বুলি মিছাতেই দুখ কৰো কিয় ? ■





# অৰণ্যৰ ডায়েৰী

কুলেশ্বৰ দাস

বৈদিক সূত্ৰই কয় ঃ

"জীয়াই থাকিবলৈ খোজ কাঢ়ক।"

"দীৰ্ঘায়ু হবলৈ লৰ মাৰক।"

"সন্তোষত থাকিবলৈ অৰণ্যত বিচৰণ কৰক।"

অৰণ্য হ'ল প্ৰকৃতিৰ প্ৰকৃত ৰূপ – নিভাঁজ।

তাত বিভিন্ন ধৰণৰ নিৰীক্ষণ, বিশ্লেষণ আৰু ৰোমন্থনৰ অনুপম উৎস পোৱা যায় আৰু ইয়াৰ পৰাই নিৰ্গত হয় অনাবিল সন্তোষৰ। তাৰ বাবে একান্ত প্ৰয়োজন 'মনৰ নতুনত্ব'।

অৰণ্যত বিচৰণ কৰি মোৰ এনেয়ে ভাল লাগে। ইয়াৰ মৌলিক আদৰৰ প্ৰাণী, উদ্ভিদ, বস্তু সমূহে যি কোনো সৰল অন্তৰক আকৰ্ষণ কৰে। বিপুল পৃথিৱীৰ বিনন্দীয়া ৰূপত কেতিয়াবা কৰ্মব্যস্ততাৰ মাজতো বিস্ময় বিমুগ্ধ হৈ পৰো। মনত কৌতূহলৰ বা বলে। সেয়ে সময় উলিয়াই হাবিত মুকলি মনেৰে ফুৰিব যাওঁ। তাত প্ৰতিটো কিবাকিবিয়েই মোক আকৰ্ষণ কৰে।


১৯৬৭ চনৰ আগভাগ। তেতিয়া পতিত দীনজান (অসমৰ তিনিচুকীয়া জিলাত) বিমান বাহিনীৰ পুৰণি আস্থানটিৰ সজীৱতা আৰম্ভ হয়। মই তালৈ এক সক্ৰিয় বায়ুসেনা হিচাপে যোৱাৰ ভাগ্য হয়। তেতিয়াৰ কোনোবা এটা ৰবিবাৰৰ পুৱা প্ৰায় ৪বৰ্গ কিলোমিটাৰ বহল বিমান বাহিনীৰ আস্থানটিৰ সংৰক্ষিত এলেকাৰ হাবিত ফুৰিবলৈ গৈছিলো। এই আস্থানটি অটব্য অৰণ্য আৰু চাহ বাগানৰ পতিত অসমান মাটিত তৈয়াৰ কৰা হৈছিল ১৯৪১ চনৰ দ্বিতীয় মহাসমৰৰ বেলিকা। ই আছিল সমৰৰ সমুখ অৱতৰণ স্থান (Advance Landing Ground)। ইয়াৰ পৰাই উৰা মাৰি Spit Fighter আদি যুঁজাৰু বিমানেৰে তেতিয়াৰ শ্বেতবৰ্ণ বৈমানিক বীৰ সকলে বৰ্মা, ৰেঙ্গুন আদিলৈ গৈ বোমা বৰ্ষণ কৰিছিল। শত্ৰুপক্ষৰ দক্ষ জাপানী বৈমানিক সকলেও বিমানেৰে আকাশ মাৰ্গৰ পৰা বোমা বৰ্ষণ কৰি দীনজান অঞ্চলত বিনষ্টতা আৰু আতঙ্কতা আনিছিল জীৱন সম্পদৰ। সেই মহাসমৰৰ আতঙ্কত বুকুৰ ঢপ্‌ঢপনি মাৰ নোযোৱা মানুহ এজন হঠাৎ তাত লগ পাওঁ। নাম – নায়ক। মানুহজনৰ বৰণ ক'লা। চুলিখিনি গুৱলা আৰু পকা। ওখই প্ৰায় ৪$\frac{1}{2}$ ফুট। কথাবিলাক গম্ভীৰ আৰু আউলবিহীন। মুখখন পৌৰুষত্বপূৰ্ণ আৰু শৰীৰ আটিল। প্ৰথম অৱস্থাত তেওঁ মোৰ বাবে এই অঞ্চলটোৰ হাবিত আছিল এক ধৰণৰ 'গাইড'।

নায়কে কৈছিল ঃ "হাবিত ঢেকীয়াপতীয়া বৰ বাঘ এটা আছে। ই ওচৰৰ গৰু-ম'হৰ পোৱালিবোৰ মাৰি খায়।"

"কোন সময়ত ওলায় ?" – মই সুধিলো।

"যি কোনো সময়তে........"

এই কথা শুনি মোৰ মনটোত ভাল লাগি গ'ল। মই নায়কৰ লগতে ওচৰৰ হাবিত সুবিধা বুজি বিচৰণ কৰিবলৈ ললো। ই বাঘৰূপী বনৰ চাহেন্‌চোজনক দেখা পোৱাৰ আশাত। তাত থকা বনকুকুৰাৰ লগত প্ৰায়ে ভেটাভেটি হয়। জুটুলা হাবিৰ পৰা ইহঁতৰ ইটোৱে সিটোক "ক'-কৌ-ক'-ক'........" মাতেৰে পুৱাৰ সম্ভাষণ যাচিছিল। তেতিয়া ওলাই অহা



মিঠা ৰ'দছাটি পোৱাৰ ঠিক আগমুহূৰ্তত ধুনীয়া মতা কুকুৰাবিলাকৰ এই শিষ্টাচাৰ মাতে সিহঁতক বেছি ধুনীয়া কৰি তোলে। লগতে কোট্ কোট্ মাতেৰে সিহঁতৰ প্ৰিয়া সঙ্গিনীৰ লগত প্ৰেমালাপ কৰে। ধুনীয়া স্বাস্থ্যৱান মনোহৰ কুকুৰাটিয়ে যেন গোটেই কুকুৰাৰ জুমটোৰ নায়ক হিচাপে ক'ত ধান, ক'ত পোক-পৰুৱা পোৱা যায় তাৰ নিৰ্দেশনা দিয়ে – এনে বোধ হয়। কেতিয়াবা এজাক হাইঠা চৰাই হঠাতে ক'ৰবাৰ পৰা উৰি আহি সাউৎ কৰে পাক মাৰি চেলেং জোপাত পৰি তাৰ গুটি খাব লয়। ইমান নিপুণ সিহঁতৰ উৰণ! কোনেও কাকো কেতিয়াও খুন্দা নামাৰে। শৃংখলাৱদ্ধ হৈ এইদৰে সিহঁতে সদায় উৰে। ইহঁতৰ বিতোপন আৰু সমবেত উৰণত জীৱশ্ৰেষ্ঠ মানৱেও সেও মানিব লাগিব। কিয়নো–

"এজাক চৰাই উৰি উৰি যায়–
নীলা আকাশেদি গান গাই গাই........"

নিৰ্বিঘ্নে।

অথচ এই দীনজানতে জুৰীয়া বিমানেও উৰা মাৰি যাওঁতে আকাশত খুন্দা খাই দুৰ্ঘটনাত বহুবাৰ পতিত হৈ গ'ল।

অৰণ্যখনত বিভিন্ন ধৰণৰ গছ দেখা পাইছিলো। সেইবিলাকৰ ভিতৰত শিৰিখ, আজাৰ, ভেলৌ, চাম্, বট্, বগৰী, কৰৈ, শাল, চেলেং, বোৱাল গছেই প্ৰধান। ইকৰা, বিৰিণা আৰু হাড়কটা বনবোৰ তলত গজি গোটেইখন সেউজীয়া বৰণৰ কৰি থয়। গছৰ তলত ঢেকীয়া, বিহলঙনী আৰু প্ৰেমলতাবোৰে সেউজীয়া দলিছা পাৰি থোৱা যেন লাগে। তাৰ মাজে মাজে খাল-খোল আৰু ঘাহঁৰে আবৃত মাটিৰ ওখ ওখ ধাপবোৰ। কোনো কোনো ঠাইত তগৰ আৰু কেতেকী ফুলৰ সুৱাসও পোৱা গৈছিল। হাবিত কেতিয়াবা খোজকাঢ়ি বগুৱা বাই, জঁপিয়াই যাব লগা হৈছিল এই বিভিন্ন ধৰণৰ গছ-লতা, খাল-খোলবোৰ পাৰ হওঁতে। এইবোৰৰ তিক্ততা ভঙ্গ কৰিছিল হাবিৰ মাজত বুলবুলি, এৰাখুটী, হেটুলুকা, কাঠকুটা, কপৌ, পৰঘোমা, হাইঠা, চিতিকা শালিকা ভাটো আৰু জিলীৰ সুৱদি মাতবোৰে।

চাহেন্‌চাৰ আকৰ্ষণীয় প্ৰাকৃতিক ৰূপটো চোৱাৰ মোৰ প্ৰবল হেঁপাহ হৈছিল। তেওঁক দেখা পোৱাৰ হেঁপাহে মোক দিনে ৰাতিয়ে পিহিছিল। ৰাতি প্ৰায়েই মই হাবিখনৰ মাজত থকা গছ-গছনি, মাটিৰ ঢাপ, খাল-খোল, চৰাই, সৰীসৃপবিলাকৰ সপোন দেখিছিলো। সপোন ফলিওৱাৰ বিশ্বাসত পাছ দিনা সময় উলিয়াই ওলাই গৈছিলো হাবিৰ ফালে। ফলস্বৰূপে তাত বনকুকুৰা, শহা, জহামাল, কেটেলাপহু, শিয়াল, বনমেকুৰী আদিৰ লগত ভেটাভেটি হৈছিলো। মই কিন্তু তাত ক্ষান্ত নহৈছিলো। এইবোৰে প্ৰায় দুই বৰ্গ কিলোমিটাৰ বহল অৰণ্যখনৰ প্ৰতিটো সুৰসুৰীয়া পথ আৰু আমাৰ চাহেন্‌চা বন্ধু থাকিব পৰা সম্ভাৱ্য চুক কোণবোৰ জানি উঠাত সহায় কৰিছিল।

নায়কৰ পৰা জনা মতে ঃ

১৯৪৩ চনত জাপানী বিমান আহি দীনজান বিমান বন্দৰত বোমাবৰ্ষণ কৰিছিল। ইয়াৰ চাৰিওকাষে চাহ বাগানবোৰ। পুবত ৰঙাগড়া, উত্তৰে ডিবৰু নৈ, দক্ষিণে পানীতোলা আৰু পশ্চিমে ওডালগুৰি বাগান। এই বিস্তৃত অঞ্চলটোত চাহ বনুৱা, আহোম, মৰাণ আদি মানুহৰ বসতি। বনুৱা মানুহবিলাকৰ ঘৰ-দুৱাৰ পৰিপাটি। প্ৰায় প্ৰতি ঘৰতে হাঁহ, কুকুৰা আৰু ছাগলী দেখা যায়। বাৰীত পূঁৰৈ, উৰহী আদি শাক পাচলি। ঘৰৰ বেৰ আৰু মজিয়াবোৰ গোবৰ মাটিৰে সুন্দৰকৈ লিপা। ঘৰবোৰ খেৰ বাঁহেৰে সজা। ঘৰৰ সমুখৰ বেৰত ফুল, জন্তু আদিৰ হাতে অঁকা ছবি। চোতাল ঘৰবোৰ বাঁহৰ বেৰাৰে আটক ধুনীয়াকৈ ৰাখে। পুৰুষ মহিলাই দেওবাৰে মুকলি বজাৰ কৰি ৰংৰহইচেৰে খোৱা বোৱা কৰে। ডেকা-গাভৰু সকল পিন্ধনত চৌখিন। গোটেই সপ্তাহত কাম কৰি দেওবাৰৰ দিনা চিনেমা চোৱা, বজাৰ কৰা, চহৰ ফুৰা, কাপোৰ কানি ধোৱা দেখা যায়। খৃষ্টিয়ান সকলে এই দেওবাৰত দিনটোৰ আগ-ভাগত পৰিষ্কাৰ কাপোৰ পিন্ধি গীৰ্জা ঘৰলৈ যায় – প্ৰাৰ্থনাৰ বাবে। এই লোক সকলৰ ওপৰত চাহ বাগানৰ বৃটিছ চাহাব সকলৰ আদৱ-কায়দা পৰিলক্ষিত। এওঁলোকৰ ভাষা অসমীয়া আৰু ল'ৰা-ছোৱালীবিলাক অসমীয়া বিদ্যালয়ৰ শিক্ষাৰ্থী। এওঁলোক অসমৰ অসমীয়া। বাকী থলুৱা লোকসকলৰ গাওঁবিলাক বিতোপণ। ঘৰ-বাৰী বাঁহ গছ, কল-তামোল-পাণ আৰু অন্যান্য ফল-ফুলৰ সুন্দৰ বৃক্ষৰে সু-শোভিত। তেওঁলোকৰ বাৰীঘৰ দেখিলেই তেওঁলোক কৰ্মযোগী বুলি ধাৰণা হয়। গাঁৱৰ মাজত থকা ৰবনামঘৰত আই সকলে পৰিপাটি কাপোৰ পিন্ধি নাম লবলৈ যোৱা দেখিলে মনলৈ পৱিত্ৰতাৰ বা' বলে। মানুহবিলাক সাধাৰণতে দেখাত বগা আৰু মঙ্গোলীয়ান সকলৰ দৰে তেজাল আৰু ধুনীয়া। তেওঁলোকে খেতি বাতি কৰে। চাকৰিও কৰে। ডেকা-গাভৰুৰ দেহৰ সৌন্দৰ্য প্ৰশংসনীয়। দীনজানৰ পানী অসমৰ ভিতৰতে উৎকৃষ্ট-নিৰ্মল। গছ-গছনিৰ বাবে মাটি মিঠা যেন লাগে।

তাহানি বোমা বৰ্ষণৰ পাঁচ-দহ মিনিট আগতে বিমান নিয়ন্ত্ৰণ কক্ষ (Air Traffic Control)ৰ পৰা শিঙা (Siren) বাজি উঠিছিল। তাৰ লগে লগে মানুহবিলাক আতঙ্কত দৌৰি গৈ আগতে খান্দি থোৱা নৰ্দমাত সোমাই পৰিছিল। জাপানী বৈমানিকে বোমা দি বহুবাৰ বহু মানুহৰ জীৱন সম্পদ ধ্বংস কৰিছিল। আতঙ্কত মানুহৰ পেটলৈ ভাত নগৈছিল। তাৰ ভয়তে কোনো কোনো অসুখীয়া আৰু দুৰ্বল মানুহৰ এনেয়ে মৃত্যু হৈছিল। বিমান বন্দৰত কাম কৰা মানুহৰ ওপৰত বোমা পৰি একেবাৰতে কুৰি ডেৰকুৰি মানুহৰ মৃত্যু হৈছিল। সেই সময়ত চাবুৱাত থকা St Lukes Hospital আৰু পানী তোলাৰ Jokai Central Hospital এ ঘুণীয়া লোক সকলৰ শুশ্ৰূষা কৰি বহুলোকৰ প্ৰাণ বচাইছিল। মৃতক সকলৰ মৰাশ ৪/৫টা পৰ্যন্ত একোটা গাঁততে পুতি থোৱা হৈছিল। কোনো কোনো, গাওঁ আৰু কাৰ্যালয়ৰ পৰা মানুহ আঁতৰি গুচি গৈছিল। হাবিত ফুৰোতে মৰা শ বিলাকৰ হাড়, মূৰৰ খোলাবোৰ ঠায়ে ঠায়ে মই পাইছিলো। এইবোৰ নিশ্চয় শিয়ালে গাঁতৰ পৰা উলিয়াই খোৱা বোমাৰ দ্বাৰা মৃত অপৰিচিত লোকৰ বিচ্ছিন্ন কঙ্কাল।

১৯৬৭ চনৰ নৱেম্বৰ মাহৰ শেষ দেওবাৰৰ দিনা পুৱা চাৰে পাঁচ বজাত অৰণ্যত সোমোৱা প্ৰগ্ৰেম। আগদিনাই নায়কক যথাসময়ত লগ দিব কলো। কিন্তু তেওঁ অহাত পলম হৈছিল। তেওঁলৈ বেছি অপেক্ষা কৰিবলৈ মোৰ ধৈৰ্যই নুকুলালে। পশুপতি শিৱবাবা স্মৰণ কৰি বহল এই অৰণ্য ডৰাত সোমাই গ'লো ইয়াৰ পশ্চিম সীমাৰে। হাতত লৈ গৈছিলো হাবি-লতা কাটিবৰ বাবে এখন খুকুৰী। মোৰ বিশ্বাস ঃ জন্তু-জানোৱাৰে অনাহকত আক্ৰমণ নকৰে। তেওঁলোক প্ৰকৃতি প্ৰিয়-শান্ত। যেতিয়া উচপ্ খায়, আত্মৰক্ষা কৰিব লগা হয়, শাৰীৰিক বা মানসিক আঘাত পায় আৰু তৃপ্তিৰে ভোজন কৰাৰ সময়ত আমনি পায় তেতিয়াহে তেওঁলোকে আনক আক্ৰমণ কৰে। মইতো তেওঁক কোনো আমনি কৰিব যোৱা নাই। অৰণ্যত গম্ভীৰ আৰু সতৰ্ক বিচৰণত তেওঁলোকৰ কোনো অপকাৰ নহয়। অৰণ্যত সন্তৰ্পণ বিচৰণে নিজৰ বিঘ্নি কেতিয়াও নানে। এইটো মোৰ ব্যক্তিগত অভিজ্ঞতা। কিয়নো অটব্য অৰণ্যত বহুবাৰ হিংস্ৰ জন্তু, আনকি মহাদেৱৰ অলঙ্কাৰ বিষাক্ত সৰ্পৰ মাজত বিচৰণ কৰিও মই কোনো দিনে অসুবিধা পোৱা নাই। স্নেহ ভাব মনত থাকিলে তেওঁলোকেও আমাক স্নেহ কৰা যেন লাগে।

সেইদিনা হাবিত সোমায়েই মন কৰিলো; বটগছ এজোপাৰ ডালত বান্দৰবিলাকে মই যোৱা বিপৰীত ফালে তললৈ চাই চাই চিঞৰ-বাখৰ লগাইছে। চৰাইবোৰে চিঁ-চিঁ কৰি ৰমলিয়াব ধৰিছে। মুঠৰ ওপৰত এক বিঘামান মাটিত ডাল-পাতেৰে ছাঁ দিয়া দুৰ্জয় বটগছ জোপাত এক আজন্মিত হুলস্থূল। সিহঁতে নিশ্চয় আমাৰ চাহেন্‌চাকেই ক'ৰবাত দেখা পাই আতঙ্কত আটাহ পাৰি সম্মান যাচিছে। স-সন্তৰ্পণে মই সেই ফালে আগ বাঢ়িলো। দুখোজমান আগুৱাই সকলো ফালে নিৰীক্ষণ কৰিলো। অলপ আৰু আগুৱাই যাওঁতে দেখা পালো চাৰি ফুটমান ওখ বিৰিণাৰ জোপোহা এটাৰ কাষতে মোৰ পৰা বিশ গজমান আঁতৰত বনৰজা পশ্চিম মুৱা হৈ বহি আছে। পুৱাৰ ন' ৰ'দ ছাটি তেওঁৰ পিঠিত পৰি তেওঁক বেছি ধুনীয়া কৰি তুলিছে। আগ ভৰি দুখন আগলৈ দি পাঁচ ভৰি দুখনত ভৰ দি মোৰ ফালে চাই আছে। মোক দেখি তেওঁৰ আসনৰ কোনো পৰিবৰ্তন নহ'ল। সহজ ভাবেই মোৰ ফালে চাই থাকিল। অনুমান হ'ল – এওঁ আগতেও মানুহৰ সান্নিধ্যত আহিছে। সেই সুযোগতে তেওঁক ভালকৈ নিৰীক্ষণ কৰি ললো ঃ তেওঁৰ বয়স কমেও ৪০ (চল্লিছ) বছৰ হৈছে। মূৰটো পাঁচ নম্বৰ ফুটবলটোৰ সমান ডাঙৰ। কাণ দুখন থিয়।

চকু হাল পিং পং বলটোৰ সমান আৰু উজ্জ্বল। তলৰ ওঁঠটো ভিতৰলৈ সোমোৱা। তাক ওপৰ ওঁঠটোৱে সামান্য ঢাকি ৰাখিছে। ইয়াৰ কাৰণ সমুখৰ ঘাই দাঁত দুপাৰি ক্ষয় আৰু দুৰ্বল হৈছে।

মুখখন লাপুঙ বুঢ়াৰ দৰে কোমল দেখা গ'ল। বগা দাঁৰি কেইডাল বেজিৰ দৰে ঠৰ আৰু পিঁজালি নহয়। ধনুভিৰীয়া হৈ তলমুৱা হৈছে। ই বাৰ্দ্ধক্যৰ আঁচোৰ। মাজে মাজে জিভাখনেৰে মুখৰ কোৱাৰী চেলেকি চেলেকি হামিয়াইছে। ই হয়তো তেওঁৰ ক্ষুধাৰ প্ৰভাৱ। তেওঁ আগৰ দৰে ঘনাই চিকাৰ নকৰে। হুতাগ্নি কমি গৈছে........।

আগ ভৰি দুখনৰ মাজ অৰ্থাৎ বুকুৰ বগা নোমখিনি প্ৰায় সৰি পৰিছে। ডিঙিটো প্ৰায় আগভৰি দুখনৰ পিঠিৰ জোৰাত ভেঁজা দি থাকিব লগা হৈছে – দুৰ্বলতাৰ বাবে।

যেন মনৰ উদ্দীপনা হ্ৰাস হৈছে। তেওঁৰ চকুৰ পতাৰ ওচৰত ডাঙৰ মাখি এটাই ঘূৰাফিৰা কৰা দেখা গ'ল; কিন্তু তাক আঁতৰাই পঠিওৱাৰ প্ৰয়াস তেওঁৰ সমূলি নাই। মাখিটো তেনেকৈ থকাত ময়েই আমনি পাইছিলো – কিয়নো সি তেনে দৰে থকাত চাহেন্‌চাই মোলৈ ঠৰ লাগি চোৱা নাছিল যিটো মই খুব বিচাৰিছিলো।

নেজডালৰ পৰাও নোম সৰি পৰিছে আৰু ফলত গুৱলা সৰ্পৰ দৰে হালধীয়া-ক'লা ৰঙৰ আঙঠি হেন সুন্দৰ চাপবোৰ ম্লান দেখা গ'ল। লগতে তেওঁৰ যৌৱনৰ পূৰঠতা আৰু গাৰ চিক্‌মিকনিও ম্লান পৰিছে। আইতাক চিৰদিনৰ বাবে হেৰুৱাই তেজস্বী ককাদেউতাই চোতালৰ তুলসীগুৰিত মনমাৰি বহি থকাৰ দৰেই এই চাহেন্‌চা গৰাকী বহি আছে বিৰিণা জোপাৰ কাষত। মোক দেখি তেওঁৰ স্বভাৱসুলভ সচকিকতা সমূলি নেদেখিলো। গছৰ ওপৰত চিঞৰ-বাখৰ কৰি থকা বান্দৰ আৰু পক্ষীবিলাকে তেওঁক আকৰ্ষণ কৰা নাই। মোৰ ভাব হ'ল – এওঁ নিশ্চয় ৰাণীক হেৰুৱাইছে। তেওঁৰ পুত্ৰই যৌৱন লাভ কৰাৰ লগে লগে পাৰস্পৰিক ভাবে নিজ মাতৃৰ লগত সংসাৰ আৰম্ভ কৰি এই চোঙৰ পৰা ডিবৰু নৈৰ উত্তৰ পাৰে অজান্তি মুলুকলৈকে বিস্তৃত ডাঠ হাবিডৰাত নতুন ৰাজ্য পাতিছেগৈ। হয়তো বৃদ্ধ দেউতাকৰ প্ৰতি থকা ভয় আৰু শ্ৰদ্ধাৰ বাবে পিতৃ ভক্ত শ্ৰীৰামচন্দ্ৰৰ দৰে তেওঁ বনবাসত গৈছে আৰু সাংসাৰিক জ্ঞানৰ বাবে লগত লৈছে নিজ মাতৃক। তেওঁলোকক হয়তো '৪৩-ত হোৱা বোমাবৰ্ষণ আৰু অন্যান্য হুলস্থূলে দীনজানখন ভাল নলগা কৰিলে। সেয়ে কোনোবা এটা কৃষ্ণ পক্ষৰ ৰাতি ভগৱান শ্ৰীকৃষ্ণক কাৰাগাৰৰ পৰা পিতৃ বাসুদেৱে যমুনা পাৰ কৰি নিয়াৰ দৰে যুৱক চাহেন্‌চাকো নিজ মাতৃয়ে ডিবৰু নৈ পাৰ কৰি লৈ গ'ল উত্তৰ পাৰৰ বিশাল অৰণ্যখনলৈ। বৃদ্ধৰ লগত থাকিল তেওঁৰ প্ৰিয়া কন্যা মাথো। তেওঁকো হয়তো দেউতাকৰ বাবে আহাৰ বিচাৰি যাওঁতে কোনোবা দুৰ্বৃত্তই কিবা অমঙ্গল ঘটালে। তেওঁ আৰু দেউতাকৰ চকুৰ আগলৈ ফিৰি নাহিল। প্ৰিয় পত্নী-কন্যাকন আকৌ দেখা পোৱাৰ আশাত হয়তো বৃদ্ধ চাহেন্‌চাই বৈৰাগ্য হৈ দীনজানতে জীয়াই আছে। কিয়নো আশা হ'ল জীৱনৰ মূল উৎস। শিশু অৱস্থাত জীৱ-জন্তুৰ গাৰ পৰা নিৰ্গত হোৱা চিনাকি গন্ধই হাবিত তেওঁলোকৰ স্থিতি জনায়, যৌৱন প্ৰাপ্ত হোৱাৰ লগে লগে আৰু দূৰত্ব বঢ়াৰ লগে লগে সেই গন্ধ পোৱাত খেলিমেলি হয়। সেয়েহে আজি এওঁৰ পুতৌ লগা নিঃসঙ্গ অৱস্থা। নহ'লে তেওঁৰ প্ৰিয়া কন্যাৰ শৰীৰৰ গন্ধই তাই থকা ঠাইত চাহেন্‌চাৰ দুৰ্জয় গোজৰণি আৰু উন্মত্ততাৰ বাতৰি নায়কৰ মুখে নিশ্চয় শুনিলোহেঁতেন।

দহ মিনিটমান যোৱাৰ পাছত মই সন্তৰ্পণে বহি থকা বনৰজাৰ ফালে আগবাঢ়িলো। সাত গজমান আগুৱাওঁতেই তেওঁ উঠি মোলৈ পিঠি দি খৰবেগে বিপৰীত দিশে হাবিত সোমাল। যেন তেওঁৰ প্ৰিয়জনৰ বাতৰি সুধি মনত দুখ দিবলৈহে মই আগবাঢ়ি গলো – এনে ভাব দেখুৱালে। ময়ো মোৰ প্ৰিয় চাহেন্‌চাজনে তেনে অপমানিত ব্যৱহাৰ কৰি আঁতৰি গ'লত এক অতৃপ্ত বেদনাৰে হাবিৰ পৰা ওলাই আহিলো। ■


অসমৰ আলোচনী জগতত
অদ্বিতীয় বৈশিষ্ট্যৰ অধিকাৰী
শাৰদীয়
সূত্ৰধাৰ
অহা শৰতত বৰ্ণাঢ্য সম্ভাৰেৰে
প্ৰকাশৰ পথত

*এই বিশেষ সংখ্যাত আছে ঃ*

তিনিখন সম্পূৰ্ণ উপন্যাস, এখন ডিটেক্‌টিভ উপন্যাস, একডজন গল্প আৰু মূল্যবান প্ৰবন্ধৰ লগতে মনোৰঞ্জনৰ শিতানসমূহ।

*এজেন্টসকলক আগতীয়াকৈ যোগাযোগ কৰিবলৈ অনুৰোধ কৰা হ'ল।*

পূৰবী প্ৰকাশন প্ৰাঃ লিঃ
মনজেৰা হাউছা,
পানবজাৰ, গুৱাহাটী – ১

কৰে। "Cooperation requires a higher democratic culture than either Capitalism or Communism." (তাৰকুণ্ডে)। যুক্তি আৰু আত্মনিৰ্ভৰশীলতাৰ লগতে স্বাধীনতা সমতা আৰু ভ্ৰাতৃত্ববোধৰ মূল্য বুজি পোৱা ব্যক্তিয়েহে সমবায় অৰ্থনীতি সফল কৰি তুলিব পাৰে আৰু তাৰ বাবেই আৱশ্যক ব্যক্তি-সংস্কৃতিৰ এক উন্নত সংস্কৰণ। পুঁজিবাদী আৰু সাম্যবাদী অৰ্থনীতিৰ প্ৰচলিত নিয়মসমূহ বাতিল কৰি ৰয়ে কৈছে যে সমবায় অৰ্থনীতিত বেছি ভাগ ক্ষেত্ৰতে মাটি আৰু উদ্যোগৰ মালিকীস্বত্ত্ব তাত কাম কৰা শ্ৰমিকসকলৰ হাততে থাকিব আৰু এই শ্ৰমিক সকলৰ নিজৰ অৰ্থনৈতিক অৱস্থাৰ উন্নতি সাধনৰ স্পৃহাই উৎপাদন আৰু বিতৰণ নিয়ন্ত্ৰণ কৰিব- যাৰ ফলত মালিক আৰু শ্ৰমিকৰ সুকীয়া অস্তিত্বও লোপ পাব। সমগ্ৰ জনসাধাৰণক সংগঠিত কৰি যেতিয়া সমবায়িক উৎপাদনত নিয়োগ কৰা সম্পূৰ্ণ হব, তেতিয়া পুঁজিবাদী আৰু সাম্যবাদী অৰ্থনীতি নিৰ্মূল হোৱাৰ লগতে সমবায় অৰ্থনীতি প্ৰতিষ্ঠিত হব। ইয়াৰ পিছত সমবায় সমিতিবোৰৰ গঠন পদ্ধতি, ইয়াৰ গণতান্ত্ৰিক পৰিচালনা ইত্যাদি বিষয়ে ৰয়ে দীঘলীয়া ব্যাখ্যা দিছে- যিবোৰৰ বিতং ইয়াত আলোচনা কৰি প্ৰবন্ধৰ কলেবৰ বৃদ্ধি কৰিব খোজা নাই। বৃহৎ উদ্যোগ আৰু সেৱা সমূহৰ ক্ষেত্ৰত উৎপাদনকাৰী আৰু গ্ৰাহকৰ দ্বাৰা সমবায় ভিত্তিত গঠিত স্বায়ত্ব শাসিত নিগম বা সংস্থাৰ পৃষ্ঠপোষকতা কৰি ৰয়ে কৈছে যে যিহেতু উন্নত সাংস্কৃতিক পটভূমিত পূৰ্বচৰ্ত হিচাপে ধৰি লোৱা হৈছে- গতিকে এনেধৰণৰ নিগমবোৰত উৎপাদনকাৰী আৰু গ্ৰাহকৰ স্বাৰ্থৰ কোনো সংঘাত নহব আৰু আমোলাতান্ত্ৰিক হেমাহি আৰু নিৰ্লিপ্ততাৰো তাত কোনো স্থান নাথাকিব; কিন্তু এনেধৰণৰ উদ্যোগবোৰ চলোৱাত বা নিয়ন্ত্ৰণ কৰাত ৰাষ্ট্ৰই হস্তক্ষেপ কৰিব নোৱাৰিব। আনকি সমবায় সমিতিবোৰ সংগঠন কৰা ক্ষেত্ৰতো ৰাষ্ট্ৰই ওপৰৰ পৰা কোনো সিদ্ধান্ত জাপি দিব নোৱাৰিব। এই সংগঠনবোৰ সম্পূৰ্ণভাবে জনসাধাৰণৰ নিজৰ সৃষ্টি হব লাগিব। ব্যক্তিয়ে অৰ্থনৈতিক স্বাধীনতা লাভ কৰিবলৈ যি আজন্ম প্ৰয়াস- সিয়েই হব এই সংগঠনবোৰৰ চালিকাশক্তি। যাৰ ফলত সমবায় অৰ্থনীতি ব্যক্তিৰ স্বাধীনতা বিকাশ আৰু সুৰক্ষাৰ বাবে প্ৰধান ৰক্ষা কবচ হব। ৰাষ্ট্ৰৰ কোনো নিয়ন্ত্ৰণকাৰীৰ ভূমিকা নাথাকিলেও, ৰাষ্ট্ৰ যিহেতু একে সাংস্কৃতিক পটভূমিত নব মানবতাবাদৰ ওপৰত প্ৰতিষ্ঠিত হব, গতিকে সমবায় অৰ্থনীতিক পূৰ্ণ ৰূপ দিয়াত ৰাষ্ট্ৰৰ সহায়কাৰীৰ ভূমিকা থাকিব

অৰ্থনৈতিক পৰিকল্পনাৰ দায়িত্ব ৰাষ্ট্ৰই ললে অত্যধিক কেন্দ্ৰীকৰণ আৰু আমোলাতান্ত্ৰিক প্ৰভাৱে ব্যক্তি স্বাধীনতা আৰু ব্যক্তিৰ অৰ্থনৈতিক তৎপৰতা ব্যাহত কৰে। গতিকে অৰ্থনৈতিক পৰিকল্পনাবোৰৰ বিকেন্দ্ৰীকৰণ হব লাগিব। ব্যক্তি স্বাধীনতা আৰু কল্যাণৰ পূৰ্ণ বিকাশৰ বাবে অৰ্থনৈতিক পৰিকল্পনাৰ ক্ষেত্ৰতো মানবতাবাদী দৃষ্টিভঙ্গী আৰু প্ৰক্ৰিয়াৰ আৱশ্যক আৰু তাৰ বাবে ৰয়ে আগবঢ়োৱা প্ৰধান অনুমোদন সমূহ তলত দিয়া ধৰণৰ ঃ

(১) পৰিকল্পনা তৈয়াৰ কৰা প্ৰাথমিক গোটসমূহে একোটা ক্ষুদ্ৰ অঞ্চল সামৰি লব লাগিব আৰু এই ক্ষুদ্ৰ অঞ্চলটোৰ প্ৰয়োজনৰ ভিত্তিত আঁচনিবোৰ তৈয়াৰ কৰা হব।

(২) প্ৰাথমিক প্ৰয়োজনবোৰ পূৰণ কৰাৰ পিছত শ্ৰমভিত্তিক প্ৰকল্পৰ জৰিয়তে বিনিয়োগৰ সম্ভাৱনা বৃদ্ধি কৰিব লাগিব। এই ব্যৱস্থাই গ্ৰাম্য অৰ্থনীতিৰ পুনৰ্গঠন সম্ভৱ কৰি তুলিব।

(৩) জনসাধাৰণৰ অংশগ্ৰহণ কৰা বাবে যি উদ্যমৰ সৃষ্টি হব সেই উদ্যম মূলধন সৃষ্টিৰ সহায়ক হব।

(৪) স্থানীয়ভাবে তৈয়াৰ কৰা বাবে আঁচনিসমূহ বাস্তৱধৰ্মী হব- যাৰ ফলত জনসাধাৰণৰ প্ৰাথমিক প্ৰয়োজনবোৰে স্বাভাৱিকতে অগ্ৰাধিকাৰ পাব।

(৫) স্থানীয়ভাবে তৈয়াৰ কৰা আঁচনিসমূহৰ এটা প্ৰধান লক্ষ্য হব লাগিব সমবায় প্ৰকল্পৰ বিকাশ- যিটো ব্যৱস্থাই সমগ্ৰ অৰ্থনৈতিক প্ৰক্ৰিয়াসমূহ ক্ৰমবৰ্দ্ধমান গতিত সামৰি লব লাগিব।

(৬) উন্নত আৰু সুসংগঠিত কৃষি ব্যৱস্থাই আনি দিয়া সচ্ছলতাৰ ফলত ব্যৱহাৰ্য পণ্য সামগ্ৰীৰ (Consumer goods) চাহিদা বৃদ্ধি পাব আৰু এই চাহিদা পূৰণৰ বাবে স্থানীয় ভাবেই ক্ষুদ্ৰ উদ্যোগ স্থাপনৰ ব্যৱস্থা লব লাগিব; ইয়াৰ ফলত আনহাতে, অৰ্থনীতিৰ বহুমুখী বিকাশ হব।

( টোকা ঃ চীনদেশত এই ব্যৱস্থাৰ ওপৰত গুৰুত্ব দি Diversified Economic Activities পদ্ধতিৰ বিকাশ ঘটাই জনসাধাৰণক বিভিন্ন উৎপাদন প্ৰক্ৰিয়াৰ লগত জড়িত কৰিছে। - লেখক)।

(৭) কলেজ, হস্পিতাল আদিৰ দৰে ডাঙৰ প্ৰকল্প বোৰৰ বাবে জিলাভিত্তিক পৰিকল্পনা সমিতিৰ আৱশ্যক হব আৰু তাতোকৈ ডাঙৰ প্ৰকল্পবোৰৰ বাবে ৰাষ্ট্ৰীয় পৰ্যায়ত পৰিকল্পনাৰ ব্যৱস্থা থাকিব লাগিব; কিন্তু সমবায়ৰ জৰিয়তে জনসাধাৰণক জড়িত কৰিহে এই ব্যৱস্থা লব লাগিব- নিয়ন্ত্ৰণ ৰাষ্ট্ৰৰ হাতত থাকিব নোৱাৰিব। ইয়াৰ বাবে এখন কেন্দ্ৰীয় অৰ্থনৈতিক পৰিষদ থাকিব লাগিব।

(৮) এই কেন্দ্ৰীয় পৰিষদখনে অগ্ৰাধিকাৰৰ ভিত্তিত মূলধন বিনিয়োগৰ বাবে আৰু নিম্ন পৰ্যায়ৰ পৰিকল্পনা সমিতি সমূহে মূলধন বিনিয়োগ কৰাৰ ক্ষেত্ৰত পৰামৰ্শ আগবঢ়াব; কিন্তু আমাৰ দেশ কৃষিপ্ৰধান হোৱা বাবে কৃষি পদ্ধতিৰ উন্নয়ন আৰু গ্ৰাম্য অৰ্থনীতিৰ পুনৰ্গঠনক অগ্ৰাধিকাৰ দিব লাগিব।

(৯) এনে ধৰণৰ পৰামৰ্শ দিওঁতে কেন্দ্ৰীয় পৰিষদৰ মূল লক্ষ্য হ'ব-

(ক) অৰ্থনৈতিক অসমতা দূৰীকৰণ; (খ) দাৰিদ্ৰ্য দূৰীকৰণ; (গ) জনসাধাৰণৰ প্ৰাথমিক প্ৰয়োজনসমূহ পূৰণ আৰু (ঘ) বিনিয়োগৰ বাবে আৱশ্যকীয় সম্ভাৱনাৰ সৃষ্টি।

(১০) মাটিৰ মালিকীস্বত্ত্ব প্ৰকৃত কৃষকৰ হাতত থাকিব লাগিব আৰু এই মালিকীস্বত্ত্বৰ নীতিও সমতাৰ ভিত্তিত পুনৰ নিৰ্দ্ধাৰিত কৰিব লাগিব।

(১১) অৰ্থনৈতিক পৰিকল্পনাত যাতে মুদ্ৰাস্ফীতিৰ জন্ম নিদিয়ে তাৰ বাবে তীব্ৰ নজৰ ৰাখিব লাগিব আৰু আঁচনিসমূহ বাস্তৱমুখী হ'লে এই উদ্দেশ্য সাধন সহজ হব আৰু তাৰ বাবে সম্পদ, উপাদানসমূহ আৰু কেঁচামাল সহজলভ্য হোৱা-নোহোৱাৰ ওপৰত নিৰ্ভৰ কৰি প্ৰকল্পবোৰৰ স্থাপন পৰিস্থিতিৰ লগত খাপ খুৱাই লব লাগিব।

(১২) অৰ্থনৈতিক পৰিকল্পনাই জন্ম দিয়া অৰ্থনৈতিক প্ৰগতিৰ প্ৰক্ৰিয়া ব্যাহত নহবলৈ পৰিয়াল পৰিকল্পনাৰ আশ্ৰয় লব লাগিব- যাতে জনসংখ্যাৰ বিস্ফোৰণে পৰিকল্পনাৰ লক্ষ্য ব্যৰ্থ নকৰে; কিন্তু পৰিয়াল পৰিকল্পনা বাধ্যতামূলক পদ্ধতিৰ দ্বাৰা সাধন নকৰি ব্যক্তিৰ নিজৰ ইচ্ছাৰ ভিত্তিতহে সাধন হব লাগিব- যিটো শিক্ষাৰ প্ৰচাৰৰ লগে লগে সম্ভৱ হৈ উঠিব।

এই অনুমোদনসমূহ কাৰ্যকৰী কৰাৰ বাবে ৰয়ে বিশদ আলোচনাৰ জৰিয়তে নিৰ্দিষ্ট পথৰ অনুমোদন কৰিছে। ইয়াত মাথোন তেখেতৰ চিন্তাধাৰাৰ এটা আভাসহে দিয়া হ'ল।

## মানবেন্দ্ৰ- দীনদয়াল আৰু জে,পি ঃ

সম্পূৰ্ণভাবে বস্তুবাদী নিৰ্ণয়বাদৰ (Materialist Determinism) সহায়ত পাৰ্থিৱ অস্তিত্বৰ বিশ্লেষণ কৰি গভীৰ চিন্তাচৰ্চাৰ মাজেৰে মানবেন্দ্ৰই নব মানবতাবাদৰ সূত্ৰ উদ্ভাৱন কৰিছিল। তেখেতে কোনো অশৰীৰী অস্তিত্ব বা প্ৰভাৱ মানিবলৈ ৰাজী নহয়- গতিকে ঈশ্বৰৰ অস্তিত্বও এই ক্ষেত্ৰত অপ্ৰাসঙ্গিক। আনহাতে দীনদয়ালৰ একাত্ম মানবতাবাদৰ উৎস হ'ল ভাৰতীয় সংস্কৃতি আৰু পৰমাত্মাৰ বিশ্বব্ৰহ্মাণ্ড ব্যাপি থকা চৰিত্ৰ। প্ৰতিজন মানুহৰ আত্মাই পৰমাত্মাৰ অংশ বিশেষ আৰু সেইবাবে পৰমাত্মাৰ মহত্ব মানুহৰ আত্মাত নিহিত হৈ আছে আৰু সেই মহত্ব জাগৃত কৰি আদৰ্শ ব্যক্তিৰ সৃষ্টি কৰাটোৱে হ'ল একাত্ম মানবতাবাদৰ লক্ষ্য- যিদৰে নব মানবতাবাদৰ জৰিয়তে মানবেন্দ্ৰই ব্যক্তিক এক ন্যুতন উচ্চতৰ সাংস্কৃতিক পৰ্যায়লৈ উন্নীত কৰি ব্যক্তি স্বাধীনতা নিশ্চিতকৰণৰ ব্যৱস্থা দিছিল; কিন্তু দুয়োৰো চিন্তাচৰ্চাৰ আধাৰ হ'ল ব্যক্তি



আৰু লক্ষ্য হ'ল ব্যক্তিৰ চৰম উৎকৰ্ষ সাধন। জেপিয়েও সৰ্বাত্মক বিপ্লৱৰ (Total revolution) সূত্ৰৰ জৰিয়তে একেসুৰীয়া কথাকে কৈছে। তিনিও নিজৰ নিজৰ পথেৰে গৈ একেটা লক্ষ্যতে উপনীত হৈছে বাবে তিনিও একেটা সত্যৰ সন্ধানতে মগ্ন হৈছিল বুলি কলে নিশ্চয় ভুল নহব।

দীনদয়ালে উদ্ভাৱন কৰা সূত্ৰৰ বিষয়ে চমুকৈ হলেও উল্লেখ কৰা সমীচীন হব। তেখেতৰ মতে গণতন্ত্ৰ, সমতা, জাতীয় স্বাধীনতা আৰু বিশ্বশান্তি পাৰস্পৰিক সম্বন্ধ থকা ভাবধাৰা; কিন্তু পশ্চিমৰ দেশসমূহত এই ভাবধাৰাবোৰৰ মাজত পাৰস্পৰিক বিৰোধ ঘটা পৰিলক্ষিত হৈছে আৰু সমাজবাদী আদৰ্শ আৰু সমগ্ৰ বিশ্বৰ বাবে এখন চৰকাৰৰ প্ৰয়োজনীয়তাৰ অনুভূতি ওপৰোক্ত সংঘাতে জন্ম দিয়া সমস্যা সমাধানৰ প্ৰচেষ্টা মাথোন। পিছে সংঘাতৰ অৱসান হোৱা দূৰৈৰ কথা- নতুন নতুন সমস্যাৰহে সৃষ্টি হৈছে; কিন্তু ভাৰতীয় সংস্কৃতিয়ে এই ভাবধাৰাবোৰৰ সংহতি সাধনৰ উপায়ে অকল দিয়া নাই- লগতে প্ৰতিটো ভাবধাৰা বাস্তৱায়িত কৰাৰ উপায়ো দিছে। অৰ্থাৎ মানবীয় সম্বন্ধ নিৰ্ণয় কৰাৰ বাবে ভাৰতীয় সংস্কৃতিয়ে বহুতো আগতে এখন নিৰ্দিষ্ট পটভূমিৰ ৰচনা কৰিছে। ঠিক এনেধৰণৰ ভেটি এটা নাই বাবেই পশ্চিমৰ দেশবোৰত মানুহৰ চিন্তাধাৰা আৰু বিকাশ অৰ্থহীন বা উদ্দেশ্যবিহীন হৈ পৰিছে; কিন্তু ভাৰতীয় সংস্কৃতিয়ে স্থাপিত কৰা সত্যবোৰে দেশ আৰু কালৰ সীমা অতিক্ৰম কৰি গৈছে। গতিকে এই সত্যৰ উপলব্ধিয়ে অকল আমাৰ নিজৰ দেশৰে নহয় সমগ্ৰ বিশ্বৰ প্ৰগতি আগুৱাই নিব।

ভাৰতীয় সংস্কৃতিৰ মূল কথাটোৱে হ'ল সকলো কথাৰে মৌলিক আত্মীয়তা- যিটোৱে বিভিন্ন অস্তিত্ব আৰু মানুহৰ জীৱনৰ বিভিন্ন দিশত পৰিস্ফুট বিৰোধ বা পাৰ্থক্যসমূহ স্বীকাৰ কৰিও ইয়াৰ মাজতো এক সাৰ্বজনীন যোগসূত্ৰ বিচাৰি লয়। পৃথিৱীত সংঘটিত হৈ থকা বিভিন্ন ক্ৰিয়া কলাপৰ মাজত সংঘৰ্ষ বিৰোধ, মনান্তৰৰ পৰিবৰ্তে ভাৰতীয় সংস্কৃতিয়ে ইয়াৰ মাজত পাৰস্পৰিক নিৰ্ভৰশীলতা, সহযোগিতা আৰু এক ঊমৈহতীয়া যোগসূত্ৰৰ অৱস্থিতিহে চিনাক্তকৰণ কৰে। এই দৃষ্টিভঙ্গী সৰ্বাত্মক- চিৰন্তন- সাময়িক নহয়; ই আটাইৰে কল্যাণৰ বাবে সচেষ্ট- অৰ্থাৎ একাত্মবাদেই ইয়াৰ ভেটি।

দীনদয়াল ডাঙৰীয়াই পশ্চিমীয়া দৰ্শন বা আদৰ্শই ব্যক্তি আৰু সমাজৰ মাজত এটা সহজাত বিৰোধ আছে বুলি কোৱা কথাটো নাকচ কৰিছে আৰু কৈছে যে এনেধৰণৰ ভাবধাৰাই বা দৰ্শনেই হয় ব্যক্তি, নহয় সমাজৰ কথাহে অকল বিবেচনা কৰে; অথচ দুয়োটা সত্তাৰ মাজত কোনো সহজাত বিৰোধ নাই। দৃশ্যমান ব্যক্তি অদৃশ্যমান সমাজৰ প্ৰতিভূ আৰু এই দৃশ্যমান অস্তিত্বৰ জৰিয়তেহে সমাজে নিজৰ অদৃশ্যমান সত্তা বৰ্ত্তাই ৰাখে। প্ৰকৃততে ব্যক্তিয়ে হ'ল সমাজৰ প্ৰধান আহিলা আৰু সমাজৰ সাফল্যৰ মাপকাঠি মানুহৰ ব্যক্তিত্ব ব্যাহত হলে সমাজ স্থবিৰ হৈ যাব। ব্যক্তিৰ বিকাশ আৰু সমাজৰ কল্যাণ কেতিয়াও পৰস্পৰ বিৰোধী হব নোৱাৰে।

দীনদয়ালজীৰ মতে ব্যক্তি হ'ল শৰীৰ, মন, বুদ্ধি আৰু আত্মাৰ সমষ্টি। মানবেন্দ্ৰই শৰীৰ মন আৰু বুদ্ধিৰ বস্তুবাদী ব্যাখ্যা দিছে; কিন্তু আত্মাৰ দিয়া নাই। কাৰণ তেখেতে আত্মাৰ অশৰীৰী বা অবাস্তৱিক স্থিতি স্বীকাৰ নকৰে। যি নহওক দীনদয়ালৰ মতে ব্যক্তিৰ পূৰ্ণ বিকাশৰ পূৰ্বচৰ্ত হ'ল শৰীৰ, মন, বুদ্ধি আৰু আত্মাৰ সুসংহত বিকাশ- যাৰ অবিহনে একাত্ম মানবতাবাদৰ উপলব্ধি অসম্ভৱ- যিদৰে সাংস্কৃতিক / শৈক্ষিক বিপ্লৱ অবিহনে মানবেন্দ্ৰৰ নব মানবতাবাদৰ উপলব্ধি অসম্ভৱ।

ভাৰতীয় সংস্কৃতিয়ে দীনদয়ালৰ মতে ব্যক্তিৰ উত্তৰণ আৰু সমাজৰ প্ৰগতিৰ বাবে নিৰ্দিষ্ট কৰি দিয়া চাৰিটা উপাদান হ'ল- ধৰ্ম, অৰ্থ,কাম, আৰু মোক্ষ। ধৰ্ম অৰ্থ আৰু কাম পৰস্পৰৰ লগত অঙ্গাঙ্গীভাবে জড়িত আৰু ইয়াৰ কোনোবা এটাই অকলে মানবীয় সভ্যতাৰ বিকাশৰ প্ৰক্ৰিয়া নিৰ্ণয় কৰে বুলি বিশ্বাস কৰিলে আৰু ব্যক্তি ইয়াৰ মাথোন এটাৰ দ্বাৰাহে অনুপ্ৰাণিত হয় বুলি ধৰি ললে একপক্ষীয় বিচাৰ কৰা হয়। সত্যৰ পূৰ্ণ প্ৰকাশ বাধাপ্ৰাপ্ত হয়। গতিকে দীনদয়ালৰ দৰ্শনমতে ফ্ৰয়দীয়, মাৰ্ক্সীয় আদি দৰ্শনে পূৰ্ণ সত্য উদ্ঘাটন কৰিব পৰা নাই। ইতিমধ্যে ওপৰত কৰি অহা আলোচনাত প্ৰতীয়মান হৈছে যে মানবেন্দ্ৰইও একে কথাকে কৈছে আৰু ব্যক্তি মাথোন এটা অৰ্থনৈতিক গোট হিচাপে মানি লবলৈ অস্বীকাৰ কৰিছে। সি যি কি নহওক, দীনদয়ালৰ মতে অৰ্থ আৰু কাম উপলব্ধি বা লাভ কৰাৰ পথত ধৰ্মৰ গুৰুত্ব আটাইতকৈ বেছি; গতিকে ধৰ্ম অৰ্থ কামৰ মাজত ধৰ্মৰ স্থান প্ৰথম; কিন্তু এই ধৰ্মৰ দ্বাৰা দীনদয়ালে ধৰ্মৰ প্ৰচলিত বা পৰম্পৰাগত অৰ্থ বুজোৱা নাই; যিবোৰ চিৰন্তন- সনাতন নীতিয়ে যিকোনো অস্তিত্ব ব্যক্তি বা সমাজৰেই হওক, নিশ্চিতকৰণ কৰে, আৰু যিবোৰ নীতিৰ মাধ্যমেৰে অৰ্থনৈতিক আৰু আধ্যাত্মিক প্ৰগতি সম্ভৱ হয়- সিয়েই ধৰ্ম। স্থান, কালভেদে এই ধৰ্মৰ বিভিন্নতা উদয় হ'ব পাৰে যদিও একমাত্ৰ ধৰ্মইহে সমাজৰ স্থিৰতা আনিব পাৰে আৰু ভাৰতীয় সংস্কৃতিৰ মতে চূড়ান্ত সাৰ্বভৌমত্ব একমাত্ৰ ধৰ্মতেই নিহিত আছে।

দীনদয়ালে আকৌ কৈছে যে ভাৰতীয় ৰাষ্ট্ৰৰ আদৰ্শ হ'ল ধৰ্মৰাজ্য। অন্য ধৰ্ম আৰু সম্প্ৰদায়ৰ প্ৰতি সহনশীলতা আৰু সন্মানৰ প্ৰদৰ্শনেই হৈছে ভাৰতীয় ৰাষ্ট্ৰৰ অপৰিহাৰ্য - অতি আৱশ্যকীয় উপাদান। ভাৰতবৰ্ষ এখন ধৰ্মীয় ৰাষ্ট্ৰ (Theocracy ) নহয়; কিন্তু কোনো বিশেষ সম্প্ৰদায়ৰ পৃষ্ঠপোষকতা কৰা ৰাষ্ট্ৰও নহয়।

ধৰ্মৰাজ্যত জনসাধাৰণৰ অধিকাৰ অলঙ্ঘনীয় আৰু অধিকাৰ ৰক্ষা কৰা জনসাধাৰণৰ কৰ্তব্য কাৰণ এই অধিকাৰৰ জৰিয়তেহে ধৰ্মৰ আদৰ্শ বাস্তৱায়িত কৰা সম্ভৱ। গণতন্ত্ৰ মানেই হ'ল জনসাধাৰণৰ অধিকাৰ (লোকাধিকাৰ) সাব্যস্ত কৰা আৰু জনসাধাৰণৰ কৰ্তব্য (লোক-কৰ্তব্য) পালন নিশ্চিত কৰা। ব্যক্তি আৰু জাতি দুয়োৰো বাবে স্বাধীনতা এটা স্বাভাৱিক বা প্ৰাকৃতিক স্পৃহা। ৰাজনৈতিক স্বাধীনতাৰ লগতে অৰ্থনৈতিক আৰু সামাজিক স্বাধীনতাও অপৰিহাৰ্য। ব্যক্তিৰ স্বাভাৱিক প্ৰগতিৰ বাবে আৱশ্যকীয় অৱস্থাৰ সৃষ্টি হলেই সামাজিক স্বাধীনতা সম্ভৱ হয়। ব্যক্তি আৰু সমাজৰ যথাৰ্থ স্বাৰ্থ সাধনৰ পৰাও ৰাষ্ট্ৰৰ হস্তক্ষেপ নাইকিয়া হৈ যোৱাটোহে ৰাজনৈতিক স্বাধীনতা আৰু অৰ্থই মানুহৰ প্ৰগতিত হেঙাৰ হিচাপে দেখা নিদিয়াটোৱে অৰ্থনৈতিক স্বাধীনতা। এইবোৰ বিষয়ৰ ওপৰত দীনদয়ালে বিশদভাবে আলোচনা কৰি গৈছে; কিন্তু তাৰ বিশদ বিশ্লেষণ এই প্ৰবন্ধৰ মূল উদ্দেশ্য নহয়। গতিকে তেখেতৰ একাত্ম মানবতাবাদৰ দৰ্শনৰ চমু আভাস দি দীনদয়াল মানবেন্দ্ৰ আৰু জেপিৰ দৰ্শনৰ তুলনামূলক ছবি এখন দিয়া হ'ল।

একাত্ম মানবতাবাদৰ প্ৰধান কথাটো হ'ল যে আমাৰ সমগ্ৰ পদ্ধতিটোৰ কেন্দ্ৰস্থল হ'ল ব্যক্তি আৰু ব্যক্তিয়ে হ'ল সমাজৰ প্ৰতিনিধি আৰু প্ৰধান আহিলা। অৰ্থাৎ 'যৎ পিণ্ডে তদ্ ব্ৰহ্মণ্ডে' (What is in microcosm is also in macrocosm) যিটো পদ্ধতিয়ে ব্যক্তিৰ স্বকীয় ব্যক্তিত্বৰ অস্তিত্ব অস্বীকাৰ কৰি মাথোন সামূহিক অস্তিত্বকহে স্বীকাৰ কৰে- সেই পদ্ধতি কাহানিও স্বয়ংসম্পূৰ্ণ হব নোৱাৰে। অৰ্থনৈতিক সচ্ছলতা মানুহৰ সুখ অৰ্জনৰ বাবে এটা আহিলাহে- ই নিজে এটা লক্ষ্য হ'ব নোৱাৰে। মানুহ তনু, মন, বুদ্ধি আৰু আত্মাৰ এটা সংহত আংশিক অস্তিত্বকহে স্বীকৃতি দিয়ে তেতিয়া পুৰুষাৰ্থৰ দ্বাৰা ৰূপায়িত হবলগীয়া মানুহৰ আন আন স্পৃহাবোৰে স্বীকৃতি নাপায়। অৰ্থাৎ একাত্ম মানবতাবাদে মানুহৰ শৰীৰ, মন বুদ্ধি আৰু আত্মাৰ পূৰ্ণ বিকাশ সাধনৰ জৰিয়তে এজন সুসংহত ব্যক্তিৰ সৃষ্টি কৰিবলৈ বিচাৰে- যি ব্যক্তি- ব্যক্তি আৰু সমাজৰ জীৱনত একেসময়তে অংশ গ্ৰহণ কৰাৰ বাবে অৰ্হতাসম্পন্ন হব। পশ্চিমীয়া দৰ্শনৰ ওপৰত নিৰ্ভৰ কৰা মানবতাবাদী দৰ্শনসমূহ স্বাভাৱিকতে বস্তুবাদী। দীনদয়ালৰ বক্তব্য হ'ল যে আধ্যাত্মবাদক অস্বীকাৰ কৰিলে- তেনেহ'লে

মানবীয় সম্বন্ধ, আচৰণ আৰু মানুহৰ বিশ্বব্ৰহ্মাণ্ডৰ লগত থকা সম্বন্ধ ব্যাখ্যা আৰু উপলব্ধি কৰা সম্ভৱ নহয়- যাৰ অবিহনে কোনো দৰ্শন সম্পূৰ্ণ হব নোৱাৰে। এক কথাত কবলৈ গলে পণ্ডিত দীনদয়াল 'উপাধ্যায়ে ৰাজনীতিক আধ্যাত্মিকীকৰণ কৰিবলৈ বিচাৰিছিল।

দীনদয়াল আৰু মানবেন্দ্ৰ- দুয়ো যদিও মানবতাবাদী আছিল- তথাপিও দুয়োৰো মাজত থকা দাৰ্শনিক পাৰ্থক্যৰ বিষয়ে ওপৰত কৈ অহা হৈছে ; কিন্তু দুয়োটাৰ মাজত দেখিবলৈ পোৱা ঐক্যমতবোৰ তলত দিয়া ধৰণৰ ঃ

(১) দুয়ো ব্যক্তিক সৰ্বোচ্চ স্থান দিছে।

(২) দুয়ো পুঁজিবাদী আৰু সাম্যবাদী ব্যৱস্থাৰ ঘোৰ সমালোচক।

(৩) অৰ্থনৈতিক প্ৰগতিয়ে একাত্মবোধৰ জন্ম দিব নোৱৰা কথাটোৱে দুয়োকো চিন্তিত কৰি তুলিছিল বাবে মানবেন্দ্ৰই সাংস্কৃতিক/শৈক্ষিক উত্তৰণ বা বিপ্লৱৰ কথা কৈছিল আৰু দীনদয়ালে শৰীৰ মন, বুদ্ধি আৰু আত্মাৰ সুসংহত বিকাশৰ জৰিয়তে ব্যক্তিৰ পূৰ্ণ বিকাশ ঘটাই ধৰ্মৰাজ্য স্থাপনৰ কথা কৈছিল।

(৪) আধুনিক ৰাজনৈতিক আৰু অৰ্থনৈতিক বৈষম্যবোৰে সৃষ্টি কৰা বিভ্ৰান্তিকৰ পৰিস্থিতিৰ সন্দৰ্ভত দুয়োগৰাকী মানবপ্ৰেমীয়েই সাধাৰণ মানুহজনৰ দুৰ্দশাৰ কথা চিন্তা কৰিয়েই ৰাষ্ট্ৰ, সমাজ আৰু ব্যক্তিয়ে ৰাজনীতি আৰু অৰ্থনীতিত লবলগীয়া পাৰস্পৰিক ভূমিকা সম্পৰ্কে স্পষ্ট সূত্ৰ দাঙি ধৰিছে।

(৫) মানুহৰ স্বাধীনতাৰ আৰু প্ৰগতিৰ চৰম পৃষ্ঠপোষকতা কৰা দুয়োগৰাকী ভাৰতীয় চিন্তাবিদে ৰাষ্ট্ৰৰ নিয়ন্ত্ৰণৰ বিৰুদ্ধে বিদ্ৰোহ ঘোষণা কৰি নিজৰ নিজৰ বিধান দি গৈছে।

(৬) দুয়ো ৰাজনৈতিক আৰু অৰ্থনৈতিক ক্ষমতাৰ সৰ্বাত্মক বিকেন্দ্ৰীকৰণৰ বাবে শক্তিশালী ভাষাত পৃষ্ঠপোষকতা কৰিছে।

(৭) দুয়ো সমগ্ৰ মানব জাতিৰ কল্যাণৰ বাবেই চিন্তাচৰ্চা কৰিছিল।

কিন্তু দুয়োৰো মাজত থকা আদৰ্শগত মতানৈক্যও প্ৰণিধানযোগ্য ঃ

(১) মানবেন্দ্ৰৰ দাৰ্শনিক চিন্তাচৰ্চাৰ উৎস আছিল পশ্চিমীয়া দেশৰ ইতিহাস আৰু দৰ্শন আৰু নেতিবাচক দিশৰ পৰা ৰুছিয়াত কমিউনিষ্ট চৰকাৰৰ চৰম ব্যৰ্থতা আৰু ৰাষ্ট্ৰই সৃষ্টি কৰা সন্ত্ৰাসৰ বিৰুদ্ধে তেখেতৰ প্ৰতিক্ৰিয়া। আনহাতে দীনদয়ালৰ চিন্তাচৰ্চাৰ উৎস আছিল ভাৰতীয় দৰ্শন, সংস্কৃতি আৰু ঐতিহ্য।

(২) সাম্যবাদী দৰ্শনৰ আৰু ৰাষ্ট্ৰৰ হতাশাজনক ভূমিকাই ৰয়ক বহুতো সিদ্ধান্তত উপনীত হবলৈ বাধ্য কৰিছিল আৰু সেইবাবে তেখেতৰ দৰ্শনৰ নেতিবাচক উৎস অস্বীকাৰ কৰা সহজ নহয় কিন্তু আনহাতে ভাৰতীয় দৰ্শন, পদ্ধতি, ঐতিহ্য ইত্যাদিৰ ওপৰত প্ৰতিষ্ঠিত দীনদয়ালৰ সূত্ৰৰ ইতিবাচক দিশ তেখেতৰ প্ৰতিটো সূত্ৰ বা প্ৰকাশভঙ্গীত স্পষ্ট হৈ আছে।

(৩) মানবেন্দ্ৰীয় দৰ্শনৰ ভিত্তি হ'ল নিৰ্ভেজাল যুক্তিবাদী বস্তুবাদ ; কিন্তু দীনদয়ালে মানবেন্দ্ৰই অকণো স্বীকৃতি নিদিয়া আধ্যাত্মবাদৰ ওপৰত প্ৰধান গুৰুত্ব দিছে।

(৪) মানবেন্দ্ৰই মাৰ্ক্সবাদৰ পৰম্পৰাত লালিত পালিত হোৱা বাবে মাৰ্ক্সৰ প্ৰভাৱ সম্পূৰ্ণভাবে অগ্ৰাহ্য কৰিব পৰা নাছিল আৰু শেহলৈকে জ্ঞাত বা অজ্ঞাতভাবে মাৰ্ক্সবাদৰ অন্তৰ্নিহিত স্ববিৰোধী চৰিত্ৰৰ সংশোধন ঘটোৱাৰ বাবে তেখেতৰ প্ৰবণতা নাছিল বুলি কোৱা টান। দীনদয়ালে পিছে মাৰ্ক্সবাদ কিমান ভাল বা কিমান বেয়া সেই বিষয়ে অকণো চিন্তিত নহৈ মাথোন অবিচলভাবে বিশ্বাস কৰিছিল যে আমাৰ নিজৰ ভাৰতীয় সংস্কৃতিয়ে আৰু দৰ্শনে আটাইবোৰ বিৰোধৰ সমাপ্তি ঘটাব পাৰে। ভাৰতীয় সংস্কৃতিৰ চিৰন্তন প্ৰকৃতিয়ে আধুনিক যুগৰ বৈষম্যৰ মাজতো আশাৰ ৰেঙনিৰ সৃষ্টি কৰিব পাৰে।

(৫) মানবেন্দ্ৰই সকলো ক্ষেত্ৰতে নব পৰিৱৰ্তনৰ কথাহে কয় ; কিন্তু দীনদয়ালে কয় একাত্মীয় সংহতিৰ কথা।

(৬) মানবেন্দ্ৰই ধৰ্মৰ অনুশাসন বা ধৰ্মৰ নামত জনসাধাৰণৰ ওপৰত হোৱা অন্যায়-অবিচাৰ ফঁহিয়াই দেখুৱাইছে ; কিন্তু দীনদয়ালে ধৰ্মৰ নিজাববীয়া ব্যাখ্যা দি কৈছে যে ধৰ্মৰাজ্য মানুহে স্থাপন কৰা সকলো ধৰণৰ শাসন ব্যৱস্থাতকৈ উন্নত হব আৰু এই সিদ্ধান্তত উপনীত হোৱাৰ বাবে তেখেতৰ অনুপ্ৰেৰণাৰ উৎস হ'ল ভাৰতীয় ইতিহাস।

(৭) দীনদয়াল কোনো নব পন্থাৰ পৃষ্ঠপোষক নহয়- কাৰণ তেখেতে ব্যক্তি আৰু সমাজক অবিচ্ছিন্ন স্থিতি হিচাপে বিবেচনা কৰিছে ; অৰ্থাৎ ব্যক্তি আৰু সমাজ পৰস্পৰৰ সমাৰ্থক ; কিন্তু মানবেন্দ্ৰই ৰাষ্ট্ৰৰ সৰ্বেসৰ্বা হোৱাৰ প্ৰবণতা আৰু যুক্তিহীনতাক অগ্ৰাহ্য কৰি ব্যক্তিৰ অগ্ৰাধিকাৰ আৰু ব্যক্তিৰ মাজত নিহিত হৈ থকা যুক্তিবাদৰ ওপৰত গুৰুত্ব দিছে। আনহাতে দীনদয়ালৰ মতে ব্যক্তিবাদে সামাজিক বিশৃঙ্খলাৰ সৃষ্টি কৰিব পাৰে ; সেয়েহে তেখেতে ব্যক্তি আৰু সমাজৰ মাজত সুস্থ, সংহত সম্বন্ধ গঢ়ি উঠাটো বিচাৰে।

আনহাতে মানবতাবাদ আৰু জেপিৰ সৰ্বাত্মক বিপ্লৱৰ সংজ্ঞাত পৰস্পৰৰ সমাৰ্থকহে - বিৰোধী নহয়। জয়প্ৰকাশো আদিতে মানবেন্দ্ৰৰ দৰে সাম্যবাদ আৰু সমাজবাদৰ ঘোৰ সমৰ্থক আছিল ; কিন্তু ভাৰতবৰ্ষৰ ঐতিহাসিক আৰু সাংস্কৃতিক পটভূমিত, তেখেত লাহে লাহে গান্ধীবাদৰ ভক্ত হৈ পৰিছিল আৰু এইখিনিতে তেখেতৰ চিন্তাধাৰাৰ দীনদয়ালৰ চিন্তাধাৰাৰ লগত সাদৃশ্য দেখা যায়। ভাৰতীয় সমাজৰ সমস্যাসমূহৰ সমাধান কৰাৰ বাবে জেপিৰ যি চিন্তাচৰ্চা তাৰেই পটভূমিত তেখেতৰ সৰ্বাত্মক বিপ্লৱৰ সূত্ৰই জন্ম লৈছে। যিহেতু বিপ্লৱে সংঘৰ্ষৰ জন্ম দিয়ে- গতিকে সৰ্বাত্মক বিপ্লৱৰ সূত্ৰৰ মাজতো সংঘৰ্ষৰ বীজ থাকি গৈছে বুলি সন্দেহ হয়।

কিন্তু দীনদয়ালে কোনো সংঘৰ্ষৰ কথা নকয়- জীৱনৰ গুণগত উৎকৰ্ষ সাধনৰ কথাহে কয়। এইক্ষেত্ৰত মানবেন্দ্ৰ দীনদয়ালৰ বেছি ওচৰ চাপি আহিছে। জেপিয়ে পিছে ৰক্তাক্ত সংঘৰ্ষৰ কথা কোৱা নাছিল ; প্ৰকৃততে তেখেতৰ দৰে গান্ধীবাদীয়ে ৰক্তাক্ত বিপ্লৱৰ কথা চিন্তাও কৰিব নোৱাৰে। বৰঞ্চ তেখেতে শান্তিপূৰ্ণ সংঘৰ্ষ বা বিপ্লৱৰ কথাহে কৈছে। জেপিৰ নিজৰ ভাষাত কবলৈ গলে- "---- Total revolution has to be peacefully brought about without infairing the democratic structure of society and affecting the democratic way of life of the people.............................. "। বৰঞ্চ হিংসাত্মক পদ্ধতিয়ে অৰাজকতাৰ সৃষ্টি কৰিব বুলিহে জেপিয়ে স্পষ্টভাবে কৈছে। তেখেতে জনসাধাৰণ অসন্তুষ্টি, খং তিক্ততা আদিক শান্তিপূৰ্ণ বৈপ্লৱিক আন্দোলনৰ জন্ম দিয়াৰ চালিকা শক্তি হিচাপে গণ্য কৰিছে আৰু সৰ্বাত্মক বিপ্লৱ মানে তেখেতে ৰাজনৈতিক অৰ্থনৈতিক সামাজিক সাংস্কৃতিক শৈক্ষিক আৰু নৈতিক ক্ষেত্ৰত মৌলিক পৰিবৰ্তনৰ কথাহে কৈছে আৰু সেয়েহে তেখেতৰ মানবেন্দ্ৰৰ আৰু দীনদয়ালৰ ইতিবাচক চিন্তাসমূহৰ সাদৃশ্য প্ৰকট। তদুপৰি তিনিও জনৰ এজনেও স্থিতাৱস্থাৰ পৃষ্ঠপোষক নহয়। তিনিওজনে একমাত্ৰ চৰকাৰ বা শাসন পদ্ধতিৰ কথা কোৱা নাই ঃ তিনিও গৰাকী মনীষীয়ে ব্যক্তি আৰু সমাজৰ পৰিবৰ্তনৰ কথাহে মূলতঃ কৈছে- যি পৰিবৰ্তনে এজন নতুন ব্যক্তি এখন নতুন সমাজ ৰচনা কৰিব।

মানবেন্দ্ৰৰ নব মানবতাবাদ আৰু ইয়াৰ প্ৰয়োগ ইমান এক বিশাল বিষয় যে আটাইবোৰ কথা খৰচি মাৰি বিশদভাবে প্ৰবন্ধৰ আকাৰত লেখা অসম্ভৱ বুলি এই নিবন্ধ লেখিবলৈ বহাৰ পিছতহে উপলব্ধি কৰিছো। তদুপৰি উপযুক্ত পৰিভাষাৰ জ্ঞানৰ অভাৱেও বহুতো অসুবিধাৰ সৃষ্টি কৰিছে। মানবেন্দ্ৰৰ দৰ্শনে অৱশ্যে এটা সত্য নিসন্দেহে প্ৰমাণ কৰি গ'ল যে ৰাজনৈতিক, অৰ্থনৈতিক আৰু সামাজিক গণতন্ত্ৰৰ সাৰ্বজনীন বা সামূহিক আদৰ্শ কেতিয়াও অগণতান্ত্ৰিক পদ্ধতিৰ জৰিয়তে বাস্তৱায়িত হব নোৱাৰে। দীনদয়াল আৰু জেপিও একে কথাকে কৈছে আৰু মহাত্মা গান্ধীয়ে তাৰ বাবেই নিজৰ সমগ্ৰ জীৱন আহুতি দি গ'ল। মানবতাবাদ অমৰ ই সকলো সময় আৰু সকলো দেশৰ বাবে। ■



# মিত-ভাষ

নগেন শইকীয়া



## ।। এক ।।

চকুৰে মনিব পৰালৈকে চাৰিওফালে কেৱল বালি- বালিৰ চৰ। এয়ে মোৰ নিৰ্ধাৰিত ঠাই। মোৰ পুৱা, দুপৰীয়া, সন্ধ্যা আৰু ৰাতি ইয়াতেই পাৰ হয়। ইয়াতে মই ছবি আঁকো- ওখ পৰ্বতৰ আৰু তলৰ বৈ যোৱা নদীৰ ; উৰি যোৱা চৰাইৰ আৰু গাই যোৱা গানৰ। ........... মই জানো ঢৌ আহি এই সকলোবোৰ উটাই লৈ যাব। তথাপি মই আঁকি থাকোঁ। আজি উটাই নিয়াখিনিৰ লগত মোৰো ভিতৰৰ এটা অংশ উটি যাব। কাইলৈ আকৌ মোৰ ভিতৰৰ আন এটা অংশৰে মই আঁকি থাকিম। তাকো উটাই নিব। এনেকৈ উটি যাবলৈকেতো মই ইয়াত বহি আছোঁ।

## ।। দুই ।।


হোমত যেনেকৈ অকণ অকণকৈ ঘিউ আহুতি দি পাত্ৰটো শেষত উবুৰিয়াই দিয়ে,ময়ো তেনেকৈ মোৰ হৃদয়ৰ অকণ অকণকৈ ছিঙি আহুতি দি শেষত সমগ্ৰ হৃদয়খনকে বাকি দিলো। এতিয়া শূন্য তপত পাত্ৰটো কেৱল পৰি আছে।

## ।। তিনি ।।

যিটো জীৱন মই যাপন কৰিছিলো সি সঁচাকৈয়ে এটা বাস্তৱ ঘটনা আছিলনে ? যদি আছিল তাৰ অস্তিত্বৰ পৰিচয় ক'ত ? সি কেৱল স্বপ্ন আছিল ? সি কেৱল অভিনয় আছিল ? সি কেৱল মোৰ ভাৱনাত আছিল ? মই তাক ঘূৰাই চাবৰ বাবে অবিৰাম যত্ন কৰিছোঁ- তাক দেখা নাপাওঁ। কেৱল সি দুখৰ সোঁৱৰণি হৈ আহি হৃদয় কাতৰ কৰে বাৰে বাৰে।

## ।। চাৰি ।।

ডাৱৰৰ ছাঁৰ দৰে মোৰ লগে লগে আহি আছে মোৰ সমগ্ৰ অতীত আৰু সম্ভাব্য ভৱিষ্যত। মই সিহঁতক এৰাব নোৱাৰোঁ মোৰ প্ৰতিটো ক্ষণ, প্ৰতিটো মুহূৰ্তৰ লগত সিহঁত অবিচ্ছেদ্যভাবে জড়িত। মোক বাদ দি সিহঁতৰ কোনো অস্তিত্ব নাই, আৰু সিহঁতক বাদ দি মোৰো কোনো অস্তিত্ব নাই। সিহঁতেই মই আৰু ময়েই সিহঁত। সেইবাবেইতো সুখৰ আৰু দুখৰ চকুপানীৰে তিতি আছে হৃদয়।



## ।। পাঁচ ।।

নুচুবাঁ- নুচুবাঁ- মোৰ বুকুৰ ওচৰত হাত নিদিবাঁ। সন্তৰ্পণে সামৰি সুমাই ৰাখিছোঁ মোৰ বুকুৰ এটুকুৰা ক্ষত। দগমগীয়া ক্ষত। মই তাক ঢাকি ৰাখিছোঁ। যেতিয়া মই অকলশৰীয়া হওঁ তেতিয়া তাক উদঙাই চাওঁ- চুই চাই তাৰ যন্ত্ৰণা অনুভৱ কৰোঁ ঃ কেনেকৈ কোমল, কুহুমীয়া এটুকুৰা ৰং পাইছিলোঁ আৰু কেনেকৈ তাক হেৰুৱালোঁ- তাৰ যন্ত্ৰণা। মই চুই চাওঁ আৰু ঢাকি ৰাখোঁ।

## ।। ছয় ।।

নিসংগ- মই বিশাল সাগৰৰ বুকুৰ সৰু এটা বিচ্ছিন্ন অকলশৰীয়া দ্বীপৰ দৰে নিসংগ। সাগৰ আৰু আকাশ জুৰি ভৰি থকা অন্তহীন শূন্যতাৰ নিশব্দ পদচালনাৰ শব্দই মোৰ ধমনীৰ শূন্যতা বঢ়াই গৈ আছে অবিৰাম। অসহায়তাৰ কৰুণ আৰ্তিৰে ভৰি গৈছে সমস্ত হৃদয়। মই কাৰুণ্যৰ সাগৰত নিশব্দে বুৰ গৈ আছোঁ- অকলশৰে।

## ।। সাত ।।

অন্ধকাৰত মই নিজকে কেতিয়াবা বিচাৰি ফুৰিছোঁ। প্ৰতিবাৰেই মই কেৱল শূন্যত হাত দিওঁ আৰু এমুঠি বতাহ ধৰোঁ। আঙুলিৰ ফাঁকেদি উৰি যায় বতাহ আৰু মই শূন্যতাৰ অসহায় আৰ্তিৰ মাজত বুৰ যাওঁ। মোৰ লক্ষ্য কি, উদ্দেশ্য কি- মই সকলো পাহৰি যাওঁ অথবা মই নাজানো। এনেকৈয়ে বিষাদৰ হাহাকাৰত বুৰ যায় মোৰ মুহূৰ্তৰ জগত- অতীত আৰু ভৱিষ্যতহীন মুহূৰ্তৰ জগত।

## ।। আঠ ।।

এখন ঝুম লেন্সেৰে মই মোক ক্ল'জআপত চাবলৈ যত্ন কৰিলোঁ। আপাততঃ দেখাত নিৰ্দোষ মুখখনৰ আঁৰত দেখা পালো এখন দ্বন্দ্ব-জৰ্জৰ মুখৰ ছবি ঃ প্ৰাপ্তিৰ আকাংক্ষাত উদ্বিগ্ন আৰু আত্মগোপনৰ প্ৰয়াসত উত্তেজিত ; অদূৰ অথবা সুদূৰৰ স্বপ্নত মোহাবিষ্ট আৰু স্বপ্নভংগৰ বেদনাত ক্লিষ্ট। মই লেন্সখন নমাই থলোঁ- থাকক মোৰ মুখখন আপাততঃ নিৰ্দোষ আৰু উত্তেজনাহীন হৈ থাকক।

# দ্বিপেন বৰুৱা এতিয়া ক'ত ?

উৎপল দত্ত

'কি নাম দি মাতিম/মাতিম তোমাক/নিবিড় গোপন কিযে মায়া' – বংগৰ যশস্বী কণ্ঠশিল্পী নিৰ্মলা মিশ্ৰৰ এই প্ৰশ্নৰ উত্তৰ দিছিল এক তৰুণ গায়কে। 'যি নাম দি মাতা/সেয়ে মিঠা/জীৱন মৰুত তুমি ছায়া' – সেই গায়কৰ নাম দ্বিপেন বৰুৱা। সেই তৰুণ কণ্ঠশিল্পীৰ এই গীত অসমৰ গীতপ্ৰেমী ৰাইজে আজিও পাহৰা নাই। সেই গায়ককো পাহৰা নাই। সেই গীতৰ সুৰকাৰ ৰমেন বৰুৱাকো পাহৰা নাই।

কিন্তু আজি দ্বিপেন বৰুৱাৰ কণ্ঠৰ গীত অনাতাঁৰ, দূৰদৰ্শন, কেছেট বা ছবিৰ মাধ্যমত শুনিবলৈ নোপোৱা হৈছো। কিয় ? দ্বিপেন বৰুৱা এতিয়া ক'ত ?

প্ৰাপ্য সন্মান স্বীকৃতি বা উল্লেখ দ্বিপেন বৰুৱাই আজিলৈকে পোৱা নাই। দ্বিপেন বৰুৱাই এনেদৰে বঞ্চিত হোৱাৰ কাৰণ কি ? কাৰণ এটাই – এই গৰাকী শিল্পীয়ে অৰ্জন কৰা অবিশ্বাস্য জনপ্ৰিয়তা। দ্বিপেন বৰুৱাৰ কথা ওলালেই কিশোৰ কুমাৰৰ কথা মনলৈ আহে। সত্যজিৎ ৰায়ৰ দৰে শিল্পীয়েও নিজৰ ছবিত ৰবীন্দ্ৰ সংগীত গোৱাবলৈ যি কিশোৰ কুমাৰৰ কণ্ঠ ব্যৱহাৰ কৰিছিল, মৃত্যুৰ সময়লৈকে কিশোৰ কুমাৰৰ সেই স্বৰ্ণমণ্ডিত কণ্ঠই তথাকথিত সংগীত 'চমঝদাৰ' সকলৰ পৰা প্ৰশংসাৰ বাণী শুনিবলৈ নাপালে। অবিশ্বাস্য জনপ্ৰিয়তাই কিশোৰ কুমাৰক 'গুণীজনৰ স্বীকৃতি'ৰ পৰা বঞ্চিত কৰি ৰাখিছিল। দ্বিপেন বৰুৱাৰ ক্ষেত্ৰতো একে কথাই সমানে প্ৰযোজ্য।

দ্বিপেন বৰুৱাৰ কোনো আনুষ্ঠানিক প্ৰশিক্ষণ নাই, ককায়েক সংগীত পৰিচালক বাবে ছবিত গীত গোৱাৰ সুবিধা পাইছে – ইত্যাদি নানান অপবাদেৰে দ্বিপেন বৰুৱাৰ কণ্ঠক হেয় কৰাৰ অসজ প্ৰচেষ্টা চলি আহিছিল। এইখিনিতেই উল্লেখ কৰি থোৱা ভাল যে অকল ৰমেন বৰুৱাই নহয়, সুধীন দাসগুপ্ত, জিতু-তপন, তফজ্জুল আলিৰ দৰে আপোচহীন পৰিচালকেও নিজৰ ছবিৰ বাবে (অৰণ্য, পুতলা ঘৰ আদি) দ্বিপেন বৰুৱাৰ কণ্ঠক ব্যৱহাৰ কৰিছিল।

'দ্বিপেন বৰুৱা অসমীয়া ছবিৰ প্ৰথম আৰু এতিয়ালৈকে শেষ প্লে-বেক চিংগাৰ' – এই মন্তব্য অসমৰ এগৰাকী বিখ্যাত গায়ক আৰু সৰকাৰৰ। এই উক্তিত সামান্যতমো অতিৰঞ্জন নাই।



কোনো এটি গানৰ বাণীবদ্ধৰ একমুহূৰ্তত দ্বীপেন বৰুৱা আৰু কাষত সংগীত পৰিচালক ৰমেন বৰুৱা

ছবিৰ গীতত কণ্ঠদান কৰাৰ বাবে গায়ক এগৰাকীৰ কণ্ঠত যিমানবোৰ বৈশিষ্ট্যৰ প্ৰয়োজন সেই আটাইবোৰেই দ্বিপেন বৰুৱাৰ কণ্ঠত আছে। যিজন অভিনেতাৰ ওঁঠৰ বাবে গায়কে কণ্ঠদান কৰে, সেই অভিনেতাৰ অভিনয়ৰ লগত সাদৃশ্য ৰাখি নিজৰ কণ্ঠক ব্যৱহাৰ কৰাটো গায়কজনৰ বাবে অতি প্ৰয়োজনীয়। ইয়াৰ অন্যথা হলে দৰ্শকে গায়কজনৰ ওঁঠ আৰু গীতৰ লগত সম্পৰ্ক বিচাৰি পোৱাত ব্যৰ্থ হয়। ড° ভূপেন হাজৰিকা বা খগেন মহন্তৰ দৰে গায়কৰ কণ্ঠই ছবিত বিশ্বাসযোগ্যভাবে আত্মপ্ৰকাশ কৰিব নোৱৰাৰ কাৰণ হ'ল, এই কণ্ঠ দুটি দৰ্শক শ্ৰোতাৰ বাবে ইমান চিনাকি যে বেলেগ অভিনেতা এজনৰ ওঁঠত এই কণ্ঠ দৰ্শকে কোনো পধ্যেই মানি ল'ব নোৱাৰে।


ছবিৰ গীতৰ লগত অভিনয়ৰ সম্পৰ্ক আছে, সেয়ে গায়কৰ কণ্ঠতো 'অভিনয়' থকাটো অতি প্ৰয়োজনীয়। কণ্ঠৰ এই অভিনয় গুণ থকাৰ বাবেই দেবানন্দ বা ৰাজেশখান্না বা অমিতাভ প্ৰত্যেকৰ বাবেই কিশোৰ কুমাৰৰ কণ্ঠ বিশ্বাসযোগ্য বুলি প্ৰমাণিত হৈছিল। যেতিয়া কিশোৰ কুমাৰৰ কণ্ঠত এই গীতবোৰ শুনা যায়, তেতিয়া সেই গীতত ওঁঠ মিলোৱা অভিনেতাজনৰ অভিনয় আমাৰ চকুৰ আগত ভাহি উঠে।

দ্বিপেন বৰুৱাইও নিপন গোস্বামী বা বিভূতি ভট্ট বা বিজু ফুকন বা প্ৰাঞ্জল শইকীয়া বা বিৰিঞ্চি ভট্ট বা নিপ বৰুৱা অথবা কম পৰিচিত মুকুল (পুতলা ঘৰ) প্ৰত্যেকৰে গীতৰ বাবে কণ্ঠদান কৰিছে আৰু প্ৰতিবাৰেই গায়কৰ কণ্ঠ অভিনেতাজনৰ লগত অবিচ্ছিন্ন হৈ ৰৈ গৈছে। আনকি ব্ৰজেন বৰুৱাৰ দৰে অভিনেতাৰ ক্ষেত্ৰতো দ্বিপেন বৰুৱাই নিজৰ দক্ষতাৰ চিন অটুট ৰাখিছে। সোতৰ বছৰীয়া মুকুল অথবা দুকুৰি পোন্ধৰ বছৰীয়া নিপ বৰুৱা এই বিপৰীত মেৰুৰ বয়সৰ অভিনেতাৰ বাবে কণ্ঠদান কৰোতেও দ্বিপেন বৰুৱাই বিশ্বাসযোগ্যতা হেৰুওৱা নাই। বিহু সুৰীয়া গীতৰ পৰা আৰম্ভ কৰি ৰাগ ভিত্তিক গানলৈকে, প্ৰেম বিৰহৰ গীতৰ পৰা আৰম্ভ কৰি ছোৱালী জোকোৱা গীতলৈকে – যিকোনো ধৰণৰ যিকোনো গীতকেই দ্বীপেন বৰুৱাই জীৱন্ত কৰি তুলিছিল। শব্দৰ সঠিক উচ্চাৰণ, পুৰুষসুলভ গায়কী শৈলী, গীতৰ কথা আৰু সুৰৰ লগত আত্মীয়তা এই আটাইবোৰ উপাদান লগ হৈ ঐশ্বৰ্যমণ্ডিত কৰি তোলা সেই কণ্ঠ আজি নীৰৱ। কিয় ? এই প্ৰশ্নৰ উত্তৰ কাৰ হাতত !

পুনশ্চ ঃ ক। দ্বীপেন বৰুৱাৰ সাফল্যৰ অইন এটি প্ৰধান কাৰণ হ'ল, তেওঁ কণ্ঠদান কৰা অধিকাংশ গীতৰেই সুৰকাৰ হ'ল অসমৰ ছবি জগতৰ সৰ্বাধিক শক্তিশালী সংগীত পৰিচালকজন – ৰমেন বৰুৱা।

খ। অলেখ গীতৰ ভিতৰত দ্বীপেন বৰুৱাৰ শ্ৰেষ্ঠ গীত কোনটো ? এই লেখকৰ মতে – 'আঁকিলা মোৰ পদুলিত আহি সাত বৰণৰ আল্পনা।'

## তপন দাসক কোনে অভিনয় কৰিবলৈ দিব ?



সংকল্প ছবিত তপন দাস

তপন দাস অসমীয়া ছবিৰ চিনাকি আৰু জনপ্ৰিয় অভিনেতা। গতিকে এই লেখাৰ শিৰোনামাটো অৰ্থহীন যেন লাগে। অৱশ্যে এই বাক্যটো অৰ্থহীন হিচাপে পৰিগণিত হোৱা হলেই ভাল আছিল আৰু যিটো হোৱাটো অতি প্ৰয়োজনীয় আৰু উচিত আছিল। কিন্তু বাস্তৱত এইটো হোৱা নাই। এতিয়ালৈকে তপন দাসে যিকেইখন ছবিৰ যিকেইটি চৰিত্ৰত অভিনয় কৰিছে তাৰে এখন ছবিৰ এটা চৰিত্ৰতো তপন দাসৰ দক্ষতা সম্পূৰ্ণ প্ৰমাণিত হোৱা নাই। সঁচা কথাত তপন দাসৰ দক্ষতা প্ৰকাশ কৰাৰ সুবিধা থকা বহুমাত্ৰিক চৰিত্ৰ কাহিনীকাৰ-চিত্ৰনাট্যকাৰে অংকন কৰা নাই, পৰিচালকে কেমেৰাৰে তপন দাসৰ অভিনয়ক ধৰি ৰাখিব পৰা নাই।

আজিৰ পৰা কেইবছৰমানৰ আগতে তপন দাসৰ বিষয়ে লেখোতে তেওঁৰ প্ৰতিভাৰ ব্যৱহাৰহীনতাৰ বিষয়ে কৈ লেখিছিলো – 'তপন দাস অসমীয়া ছবিৰ আটাইতকৈ কৰুণ অভিনেতা।' আজি বহু বছৰৰ পিছতো সেই বক্তব্য সলনি কৰিব লগীয়া নোহোৱাটো আমাৰ বাবে অধিক বেদনাদায়ক।

টিভি-ৰ পৰ্দাত মাত্ৰ দুবাৰ তপনক দেখা পাইছিলো। সেই দৰ্শনে কিছু আনন্দ দিছিল এইবাবেই যে সেই দুয়োখন ছবিতেই তপনৰ প্ৰতিভাৰ কিছু অংশ প্ৰকাশ পাইছিল। ছবি দুখন আছিল বিদ্যুৎ চক্ৰবৰ্তী পৰিচালিত 'কুকুৰনেচীয়া মানুহ' আৰু ডাঃ সান্ত্বনা বৰদলৈ পৰিচালিত 'মধ্যবৰ্তিনী'। দুয়োখনৰেই চিত্ৰনাট্য পৰিচালক দুগৰাকীৰ নিজৰ।

তপনৰ অভিনয় দক্ষতা প্ৰমাণিত হৈছে মঞ্চ নাটৰ অভিনয়ত। তপন অভিনীত অলেখ নাটৰ ভিতৰত মাত্ৰ 'কেলিগুলা' নাটখনেই উদাহৰণ হিচাপে যথেষ্ট হ'ব।

অভিনেতা এজনক ছবিত উপযুক্তভাবে ব্যৱহাৰ কৰিব পৰা দক্ষতম পৰিচালক গৰাকী হ'ল ড° ভবেন্দ্ৰ নাথ শইকীয়া। এই বিষয়ে ব্যাখ্যা বা আলোচনাৰ প্ৰয়োজন আছে বুলি ভাব নহয়।

ড° শইকীয়াৰ ছবিত যদি আমি তপন দাসৰ অভিনয় দেখাৰ সৌভাগ্য হয়, সেয়া অসমীয়া ছবিৰ বাবেই আনন্দৰ খবৰ হ'ব। এই খবৰটি ড° শইকীয়াই আমাক দিবনে ?

ভূপেন্দ্ৰনাৰায়ণ ভট্টাচাৰ্য

# প্ৰচাৰবিহীন অসমীয়া সমাজৰ অস্তিত্ব

সিদিনাখন এজন বিদ্বান আৰু জ্ঞানী ব্যক্তিয়ে আলিবাটত লগ পাই বৰ আক্ষেপৰ সুৰত কলে – 'বুজিছে, অসমৰ বাহিৰত অসমীয়া লেখক, কবি, আৰ্টিষ্ট, বা সুৰকাৰক কোনোৱে নাজানে অথচ আমি কিন্তু তেওঁলোকক জানো; তেওঁলোকৰ কিতাপ আমাৰ ঘৰে ঘৰে আছে।' অতি মাৰ্জিত আৰু ভদ্ৰভাবে মই সেই ব্যক্তিক সুধিলো – 'ডাঙৰীয়া, অসমৰ বাহিৰত কিয়, অসমৰ ভিতৰতনো কিমানজনে অসমীয়া গুণী-জ্ঞানী ব্যক্তিক জানে ? উদাহৰণ স্বৰূপে আপোনাৰ ল'ৰাজনৰ কথাকে ধৰকচোন; সিদিনাখন আমাৰ ঘৰলৈ যাওঁতে তাক গীতিকবি পাৰ্বতিপ্ৰসাদৰ গীত শুনিছে নে নাই সুধিছিলো। কিন্তু অতি দুৰ্ভাগ্যৰ কথা কি জানে, সি বিদ্ৰূপ কৰি ওলোটাইহে মোক সুধিলে – 'সেইজন বা আকৌ কোন আছিল ? অসমীয়া পপ চিংগাৰ নেকি ?' কিছুবেলি পাছত তাক অইন এটা প্ৰশ্ন সুধিলো – 'দেউতাবাৰ কবিতাবোৰ কেতিয়াবা পঢ়িছানে ?' আপোনাৰ ল'ৰাই কি কলে জানে ? 'ধুৰ, দেউতাৰ কবিতা ! মোৰ 'এছামিজ' চাবজেক্টেই নাই; কলেজত মোৰ অল্টাৰনেটিভ্ ইংলিছ আছিল।' মোৰ কথা শুনি ভদ্ৰলোক নীৰৱ হ'ল। মই কলো – 'দুখ নকৰিব, আমাৰ ল'ৰা-ছোৱালীবোৰক, আমি নিজেই নিজক নিচিনিবৰ বাবেই সৃষ্টি কৰি লৈছো; আপোনাৰ ঘৰতেই যদি আপোনাৰ শিল্পৰ সেই দুৰৱস্থা, তেনেহলে বেলেগৰ পৰা কাল্পনিক জগত এখন সৃষ্টি কৰি লয় কিয় ? 'আচলতে, আপোনাৰ বা মোৰ আক্ষেপ কৰাৰো অধিকাৰ নাই। নে আপুনি আছে বুলি ভাবে ?'

ভদ্ৰলোকে মোৰ পৰা তেনে খাৰাংখাচ উত্তৰ পাব বুলি ভবা নাছিল; গতিকে মোৰ কথাত তেওঁ স্তব্ধ হৈ অসহায়ভাবে ইফালে সিফালে চালে আৰু বিমৰিষ হোৱাৰ দৰে হৈ বাউসীত হাত থৈ কলে – 'আপুনি ঠিকেই কৈছে, নিজৰ ঘৰৰ দুৱাৰ ভিতৰৰ পৰাই বন্ধ কৰি লৈছো; তলা খুলিলেই বা লাভ কি ? আহক আমি এই বিষয়ে কথা পাতো; ক'ৰবাত একাপ চাহ খাব নোৱাৰিনে ?'

মই কলো – নিশ্চয় ! আহক আমি সৌ দোকানখনত বহো।

অসমৰ বাহিৰত শংকৰদেৱ, মাধৱদেৱ, জ্যোতিপ্ৰসাদ........ কোনোৱে এই সকলৰ নাম শুনা নাই – ভদ্ৰলোকে আকৌ নিজকে নিজে ধীয়াব ধৰিলে। মই আকৌ প্ৰশ্ন কৰিলো – 'তেখেঁত সকলক জনাৰ বাবে কিবা ব্যৱস্থা লৈছো নেকি ? আমি নিজকে নিজে খুটি-তাল বজাই আছো; তাতকৈ একো বেছি কৰা নাই। ধৰি লওক, স্বামী বিবেকানন্দৰ কথাকে। সাগৰৰ মাজত এটা শিলত বিবেকানন্দ স্মৃতি সৌধ নিৰ্মাণ কৰিছে (বিবেকানন্দ ৰ'ক)। দিনে হাজাৰ বিজাৰ মানুহে সেই সৌধ চাবলৈ যায়। এইটো জানো এক প্ৰকাৰ প্ৰচাৰ নহয় ? আমি বাৰু ..কৰদেৱক বিশ্বই জনাৰ বাবে আমি কিবা ব্যৱস্থা হাতত লৈছো নেকি ? নাই একো লোৱা নাই। সেই কাৰণেই কৈছো, আমাৰ প্ৰচাৰ মাধ্যমৰ অৱস্থা অতি নিশকতীয়া। অসমত ছপা হোৱা দৈনিক ইংৰাজী বা অসমীয়া বাতৰি কাকত এখন বাহিৰলৈ কেইখন যায় ? কিন্তু আমি দিল্লী, কলিকতা, মাদ্ৰাজ বা বোম্বাইৰ পৰা প্ৰকাশ হোৱা বাতৰি কাকত আলোচনীৰ ওপৰত নিৰ্ভৰশীল। অসমীয়া ভাষাত কেইখন দৈনিক বাতৰি কাকত আছে ? ইয়াৰ পাঠকসকল কোন ? অসমৰ পৰা ইংৰাজী দৈনিক কেইখন প্ৰকাশ হয় আৰু দৈনিকৰ পাঠকসকল কোন ? এইবোৰত বাৰু আমাৰ মনীষীসকলৰ কৰ্মৰ ওপৰত প্ৰতি বছৰে কেইটা প্ৰবন্ধ ছপা হয় ? যদি নহয়, অসমৰ ভিতৰত থকা যি দুই এজন অনাঅসমীয়াই ভুলতে আমাৰ ইয়াৰ পৰা ইংৰাজী বাতৰিৰ গ্ৰাহক ভুক্ত হৈছে তেওঁলোকে বাৰু আমাক জনাৰ কি উপায় আছে ?

অসমৰ পৰা যি দুই এখন ইংৰাজী বাতৰি কাকত প্ৰকাশ হয় – সেইবোৰৰ কোনো অসমীয়া বা ভাৰতীয় চৰিত্ৰ নাই। এখন ইংৰাজী বাতৰি গুৱাহাটীৰ পৰা প্ৰকাশ হয়, যিখনৰ কোনো চৰিত্ৰই নাই। সেইখনৰ যদি নামটো উঠাই দিয়ে তেনেহলে আপুনি ধৰিব নোৱাৰিব দৰাচলতে সেইখন ক'ৰ পৰা ছপা হৈছে। স্পেইনৰ পৰাও হ'ব পাৰে নিউইয়ৰ্কৰ পৰাও হ'ব পাৰে বা কাঠমাণ্ডু নতুবা পেৰিচৰ পৰা হবও পাৰে – ইয়াৰ দ্বাৰা বুজা যায় আমি এক চৰিত্ৰহীন জাতি। কিন্তু কলিকতাৰ পৰা ওলোৱা ইংৰাজী দৈনিকবোৰ চাওক – তাত শতকৰা এশভাগেই নিজৰ দেশৰ স্বকীয় বৈশিষ্ট্য আঁছে। গুৱাহাটীত এজন প্ৰথম শ্ৰেণীৰ শিল্পী বা ভাস্কৰে তেওঁৰ বিভিন্ন কৰ্মৰাজিৰ এখন প্ৰদৰ্শনী পাতক, সেই কথা দহজন মানুহেও নাজানে। কিন্তু কলিকতাত কোনোবা এজনে সাধাৰণভাবে এখন প্ৰদৰ্শনী পাতক আমি কিন্তু পিছদিনাই গম পাওঁ। আমাক কোনোৱে নাজানে আমি কিন্তু বেছিভাগকে জানো। ইয়াৰ একমাত্ৰ কাৰণটো হ'ল শক্তিশালী প্ৰচাৰ মাধ্যম আৰু তাৰ বিপৰীতে আমাৰ শোচনীয় অৱস্থাত থকা প্ৰচাৰ মাধ্যমৰ যন্ত্ৰটো। বৰপেটা ৰোডেই আমাৰ প্ৰচাৰ মাধ্যমৰ শেষ সীমা। গতিকে যোৱা ডেৰশ বছৰীয়া সাংবাদিকতাই আমাক এইটোকে শিকালে – অসমীয়া হলেই বেয়া আৰু অসমীয়া নহ'লেই সেই বস্তু ভাল। আমাৰ দেশত এতিয়া ইংৰাজী মাধ্যমত পঢ়াৰ জোৱাৰ উঠিছে কিন্তু সেই ছাত্ৰ-ছাত্ৰীসকলৰ শতকৰা ৯৯% ভাগেই সৃজনীশীল প্ৰবন্ধ এটা ইংৰাজীত লিখিব নোৱাৰে বা অসমীয়া গল্প এটা বা কবিতা এটা ইংৰাজীলৈ অনুবাদ কৰিব নোৱাৰে যিহেতু মাতৃভাষাৰ জ্ঞান তেওঁলোকৰ নাই। আমাৰ অসমীয়া লেখক সকলোলৈ আমেৰিকাৰ 'চিকাগো ৰিভিউ' বা 'কানাডান ৰিভিউ'ৰ পৰা অনুবাদ গল্প পঠিয়াবলৈ অনুৰোধ কৰি চিঠি আহে, কিন্তু এজন উপযুক্ত অনুবাদকৰ অভাৱত আমাৰ লেখকসকলে সেই অনুৰোধ প্ৰত্যাখ্যান কৰিবলগীয়া হয়। প্ৰচাৰ নহলে কোনে কাক জানে। (অৱশ্যে মই চিৰাচৰিত প্ৰচাৰবো বিৰোধিতা কৰো; মাত্ৰ যিসকলৰ ৰচনাৱলী অনুবাদ হোৱাৰ যোগ্য সেই বৰেণ্য ব্যক্তি সকলৰ প্ৰসংগতহে এই কথাষাৰ ব্যক্ত কৰিছো।) 'ইলাষ্ট্ৰেটেড উইক্লি অৱ ইণ্ডিয়া'ৰ সম্পাদক যিদিনাখনেই প্ৰীতিশ নন্দী হ'ল সেইদিনাৰ পৰাই দেখিলো সেইখনে আগৰ চৰিত্ৰ সলনি কৰিলে। খুচৱন্ত সিং বা এম ভি কামাথৰ দিনৰ উইক্লি হৈ নাথাকি সেইখন বঙ্গদেশৰ মুখপত্ৰৰ নিচিনা হবলৈ ধৰিলে। ফলত আমি পাঠক সকলে বঙ্গদেশৰ দেশপ্ৰেমিক, কবি, গল্পকাৰ, ভাস্কৰ বা মনীষীসকলৰ বিষয়ে জানিলো।

সেয়ে অসমীয়া ভাষাত আৰু ইংৰাজী ভাষাত বহুল প্ৰচাৰিত (টাইমছ্ অব্ ইণ্ডিয়াৰ দৰে) দুখন চৰিত্ৰবান বাতৰি কাকতৰ আমাৰ বৰ জৰুৰী হোৱা বুলি মই ভাবো। যোৱা ডেৰশ বছৰীয়া অসমীয়া সাংবাদিকতাই এই দিশটো আওকাণ কৰিছিল বাবেই এনে হ'ল। তাৰ বাবে কিন্তু বাতৰি প্ৰতিষ্ঠানৰ মালিকসকল সদায় দায়ী হৈ থাকিব। ◼

অহা সংখ্যাৰ কাগজ/কলমত :-
তৰুন কথাশিল্পী কুমুদ গোস্বামীৰ সৈতে
কেইমুহূৰ্তমান।



# আইৰ মৰম—স্নেহৰ দৰেই খাঁটি

কৈশোৰৰ নানা ৰঙৰ দিনবোৰক নিৰ্ভৰতাৰ আশ্বাসে ভৰাই তোলে অকৃত্ৰিম মাতৃস্নেহ আৰু সাহচৰ্যই। দিন পৰিবৰ্ত্তনৰ ক্ষেত্ৰত এনে কিছুমান বস্তু আছে যি মাতৃস্নেহৰ দৰেই খাঁটি, যেনে শালিমাৰৰ নাৰিকল তেল। যোৱা পঞ্চছ বছৰ ধৰি সেয়েহে ইয়াৰ ইমান চাহিদা প্ৰতি ঘৰে ঘৰে।




TSPL/SCW/919/A

শালিমাৰৰ
নাৰিকল তেল— খাঁটি বস্তুৰ ঘৰুৱা নাম

শালিমাৰ কেমিকেল ওৱাৰ্ক্স লিমি
কলিকতা-২৭